# ডিব্ৰুৱান

বৰ্ষ ঃ ২০০৪-২০০৫



সম্পাদক ঃ শ্ৰী লক্ষ্যদীপ গগৈ

## সম্পাদনাৰ আঁৰত

উপদেষ্টা ঃ

অধ্যক্ষা, শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই

অধ্যাপক, শ্ৰীযুত লক্ষন বৰা

অধ্যাপক, শ্ৰীযুত বীৰেন বৰুৱা

অধ্যাপক, শ্ৰীযুত মহেশ কুমাৰ জৈন

অধ্যাপক, শ্ৰীযুত পি. বেনাৰ্জী

অধ্যাপিকা, শ্ৰীযুক্তা ৰূপজ্যোতি বৰা

অধ্যাপিকা, শ্ৰীযুক্তা নন্দিতা বৈশ্য

সম্পাদক ঃ শ্ৰী লক্ষ্যদীপ গঁগৈ

সদস্য/সদস্যা ঃ শ্ৰী নীৰজ সোনোৱাল
শ্ৰী কৌশিক কৃষ্ণাত্ৰেয়
শ্ৰী সমীৰন শইকীয়া
শ্ৰীমতী নৱনীতা চেতিয়া
শ্ৰীমতী বীণা ছেত্ৰী

অংগসজ্জা ঃ শ্ৰী লক্ষ্যদীপ গঁগৈ

প্ৰকাশক ঃ ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰক ঃ "ডিব্ৰু অফচেট্" ডেভেলপমেণ্ট মাৰ্কেট,
চৌকিডিঙ্গী, ডিব্ৰুগড় - ১

## উৎসৰ্গা

যি সকল পুণ্যাত্মাই
ডিব্ৰু মহাবিদ্যালয়ৰ জন্মৰে পৰা
বৰ্তমানলৈ মহাবিদ্যালয়ৰ উন্নতিৰ
বাবে নিজৰ তেজ পানী কৰি গ'ল সেইসকলৰ
পবিত্ৰ স্মৃতিত 'ডিব্ৰুয়ান'খন উৎসৰ্গা কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সাহিত্যচাৰ্য্য যতীন্দ্ৰ নাথ গোস্বামী

বিশিষ্ট অৰ্থনীতিবিদ ড০ ভুবন বৰুৱা

অসমৰ ৰাজনীতিৰ সিংহ পুৰুষ আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ

প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা

ছাত্ৰ নেতা তথা অসম চৰকাৰৰ প্ৰাক্তন গৃহমন্ত্ৰী ভৃগু কুমাৰ ফুকন

প্ৰখ্যাত গীতিকাৰ তথা সুৰকাৰ কেশৱ মহন্ত

'এণ্ডি খুড়া' ৰূপে খ্যাত প্ৰখ্যাত শিশু সাহিত্যিক ড০ নগেন দত্ত

আৰু

ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহায়ক ফুল আহমেদৰ প্ৰতি

এই সংখ্যাৰ 'ডিব্ৰুয়ান' আলোচনীখনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

# কৃতজ্ঞতাৰ শৰাই


| | | | |
|---|---|---|---|
| ১। | ভাৰপ্ৰাপ্ত অধ্যক্ষা | ঃ | শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই |
| ২। | অধ্যাপক | ঃ | শ্ৰীযুত লক্ষ্ন বৰা, উপদেষ্টা |
| ৩। | ” | ঃ | শ্ৰীযুত মহেশ কুমাৰ জৈন, উপদেষ্টা |
| ৪। | ” | ঃ | শ্ৰীযুত বীৰেণ বৰুৱা, উপদেষ্টা |
| ৫। | ” | ঃ | শ্ৰীযুত পি. বেণাজী, উপদেষ্টা |
| ৬। | অধ্যাপিকা | ঃ | শ্ৰীযুক্তা ৰূপজ্যোতি বৰা, উপদেষ্টা |
| ৭। | ” | ঃ | শ্ৰীযুক্তা নন্দিতা বৈশ্য, উপদেষ্টা |
| ৮। | নৱপ্ৰজন্মৰ বিশিষ্ট কবি | ঃ | শ্ৰীযুক্তা গায়ত্ৰী নেৱাৰ, উপদেষ্টা |

৯। যিসকল ছাত্ৰ-ছাত্ৰী, অধ্যপক-অধ্যাপিকা আৰু কৰ্মচাৰীয়ে অশেষ ব্যস্ততাৰ মাজতো মুখপত্ৰখনি প্ৰকাশ কৰাত সহায় কৰিলে।

১০। ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য তথা বন্ধু অংকু, গকুল, দিব্য, টিংকু, নবীন, অৰুণজ্যোতি, মৃদুল, ভাৰতী, মনোজ, বিদ্যুৎ।

১১। অন্যান্য দিশত সহায় সহযোগিতা আগবঢ়োৱা পংকজ, সমীৰণ, কল্যান, মনজিৎ, ৰুবুল, পলাশ, হৰজিৎ, নীৰজ, আলটাফ, ৰিকি, ফিৰোজ, মিন্টু, গৌৰাংক, আব্দুল, বিকাশ, জুলু, ত্ৰিদিব, বদন, জিতু, সংগীতা, ৰীণা, নিতু, স্নিগ্ধা, নৱনীতা, ৰাখী, গায়ত্ৰী, তিলোত্তমা, মনীষা, কিৰণ, মেনকা, বন্দনা, নিবেদিতা, চাবেৰা আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বৰ্গ।

১২। মোৰ প্ৰতিটো খোজতে মোক সহায় কৰা বন্ধু কৌশিক, চবিৰ আৰু ভন্টি অৰ্পিতা।

১৩। “ডিব্ৰু অফচেট্” প্ৰেছৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ কৃতজ্ঞতাৰ শৰাই নিবেদিলো।

সম্পাদক

“ডিব্ৰুয়ান”

**Dr. K. Pathak**
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH - 786 004, ASSAM
Phone : 0373-2370239 (O)
Fax : 0373-2370323
E-mail : kulendupathak@yahoo.com

No. DU/VC/067/06/ 058

Date : 10 / 04 / 2006

## MESSAGE

Dear Sri Lakshya Deep,

I am glad to know that you have been preparing to bring out "Dibruan"- the annual journal of your college, very soon.

I believe that a college magazine should ideally reflect the best that the students and teachers of the college are capable of thinking and feeling. It is also expected to encourage creativity and analytical thinking and feeling. It is also expected to encourage creativity and analytical thinking of the students in particular. I shall also be happy if you can give the finest evidence of your concern with the problems faced by the nation and the world.

I put on record my best wishes for your enterprise.

Yours sincerely

(K. Pathak)

Sri Lakshya Deep Gogoi
Magazine Secretary
Dibru College Student Union
Dibrugarh



শ্ৰীযুতা জ্যোতি বৰগোহাঁই
অধ্যক্ষা, ডিব্ৰু মহাবিদ্যালয়

## শুভেচ্ছাবাণী

বিদ্যালয়, মহাবিদ্যালয় সমূহৰ মুখপত্ৰখনে অনুষ্ঠানটিৰ সাহিত্যিক প্ৰতিভাৰ দিশৰ উপৰিও সামগ্ৰিক দিশটোৰ প্ৰতিচ্ছবি ভাঙি ধৰে। সেয়েহে ইয়াৰ প্ৰয়োজন তথা গুৰুত্ব তাৎপৰ্য্যপূৰ্ণ।

আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতিবছৰে প্ৰকাশিত হৈ অহা "ডিব্ৰুৱান"ত ইয়াৰ এটি আশাব্যঞ্জক ৰূপ প্ৰতিফলিত হৈছে। মই আশা ৰাখিছো এইবাৰো আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীল আৰু চিন্তাশীল প্ৰতিভাই "ডিব্ৰুৱান" ক সমৃদ্ধ কৰিব। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পথ-নিৰ্দেশক লেখায়ো নিশ্চয় মুখপত্ৰখনিত ঠাই পাব।

এই কামনাৰে -
জ্যোতি বৰগোহাঁই
অধ্যক্ষা, ডিব্ৰু মহাবিদ্যালয়

# EDITORIAL BOARD SESSION 2004-05




Sitting (L to R) :
R.J.Bora (Bot.)
J.Borgohain (Principal I/C)
P.Banerjee (Com.)
B.Borua (Ass.)
Standing : Lakshyadeep Gogoi

# A SECTION OF NON TEACHINING STAFF OF DIBRU COLLEGE 2004-05



Sitting (L to R) :
B. Malakar, S. Jamual, N.Sharma, A.Ali, M.C.Borua, M.R.Saikia, P.Dihingia.
Standing(L to R)
V.S.Sonowal, R.Tanti, M.R.Chetia, D.Das,T.Pal, B.Dahu,R.N.Bedia,B.Phukan

A SECTION OF TEACHING STAFF OF DIBRU COLLEGE 2004-05



Sitting L to R :- R.Bora(Bot), A.Saikia Barua(Bot), A. Dutta(Bot), Mrs M. Bora (Math), M. Borbora (Chem) Mrs. B. Das(Bot),Mrs. J. Bargohain(Principal i/c), P. Banerjee(Com), B.Barua(Ass), B.K. Borua(Phy), L.Bora(Eco)Standing L to R :- S.Sahu(Math), M.Barua, Jolly Chetia(Scio), P. Bora(Eco), S. Jha(Hindi), M. Sharma(Ass), M. Barua, A. Das (Phy), J. Bora, P. Gogoi(Geo), A. Ahmed(Che), C.G. Bora(Zoo)

# ডিব্ৰুৱানৰ পাতে পাতে

## অতিথি চ'ৰা ঃ


| | | |
|---|---|---|
| ❒ বিষাদ ভনী | গায়ত্ৰী নেৱাৰ | ১ |


## প্ৰবন্ধ ঃ


| | | |
|---|---|---|
| ❒ ভূমি প্ৰদূষণ | ড° দিলীপ কলিতা | ২ |
| ❒ Growth of Technical and Vocational EducationIt's impact on self-employment | Prof. L. Bora | ৪ |
| ❒ আৰ্দ্ৰভূমি আৰু ইয়াৰ গুৰুত্ব | ৰূপজ্যোতি বৰা | ৬ |
| ❒ PRE AND POST DISASTER MANAGEMENT STRATEGIES IN NER ... A DISCUSSION | Dr. Mahesh Kr. Jain, | ৮ |
| ❒ ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ন প্ৰকল্প ঃ ৰাষ্ট্ৰ নিৰ্মাণৰ এক বলিষ্ঠ পদক্ষেপ | প্ৰশান্ত কুমাৰ বৰা | ১০ |
| ❒ Rural Development in India Since 1947 | Dr. Romiza Khatun | ১১ |
| ❒ বিহুগীতত অসমীয়া সমাজৰ প্ৰতিচ্ছবি | পদুমী বেদিয়া | ১২ |
| ❒ যুৱ সমাজত পাশ্চাত্যৰ প্ৰভাৱ | প্ৰণৱ শইকীয়া | ১৪ |
| ❒ The Most Beautiful Martial Art - TAE KOWON DO | Kalyan Saikia | ১৫ |
| ❒ আত্ম শ্লাঘা | পদ্মলোচন বড়ো | ১৭ |
| ❒ বিজ্ঞান বাৰ্তা | চন্দন জ্যোতি চেতিয়া | ১৯ |
| ❒ গতিশীল সময় | মিন্টু চাংকাকতি | ২১ |
| ❒ অসমীয়া লোক-সাহিত্যত মন্ত্ৰ, আইনাম আৰু দেহবিচাৰৰ গীত | সমীৰণ কলিতা | ২২ |
| ❒ ক্ৰীড়া এতিয়া ধেমালি হৈ থকা নাই | হেমন্ত বৰগোহাঁই | ২৪ |
| ❒ WE HAVE A ROLE TO PLAY | Anupam Dutta | ২৫ |
| ❒ মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ কাহিনী গীত | সুৰজীত শইকীয়া | ২৬ |
| ❒ অসমৰ জাতীয় সংহতিলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান | ভাস্কৰ জ্যোতি গগৈ | ২৯ |
| ❒ দুদিনীয়া মানৱ জীৱন | বিনোদ বৰগোহাঁই | ৩২ |
| ❒ 'Failure' - The Pillar of Success | Shehnaz Khan | ৩৩ |
| ❒ DO YOU KNOW | Dikshita Saikia | ৩৫ |
| ❒ বিশ্বকাপত চেঞ্চুৰী | হিৰুমণি দিহিঙীয়া | ৩৬ |
| ❒ '2005'At a glance on Science and Technology | Ajoy Das | ৪০ |
| ❒ LATEST GENERAL KNOWLEDGE | Ajoy Das | ৪২ |


## গল্প ঃ


| | | |
|---|---|---|
| ❒ মাছ, সগোন আৰু বৰষুণ | সুদীপ্ত শঙ্কৰ বৰা | ৪৪ |
| ❒ এটা হালধীয়া গল্প ক'ম, শুনিব ? | নীৰ বালিখিতিয়াৰী | ৪৭ |
| ❒ মাথোঁ এক্কাৰ | ললিত সোণোৱাল | ৫০ |
| ❒ সেউজ স্বপ্ন | পৰাগ চুতীয়া | ৫২ |

| | | |
|---|---|---|
| ক'লাজত, এগিয়লা বিষণ্ণতা | নৱনীতা চেতিয়া | ৫৬ |
| অনাদৃত মাতৃ | বিনীতা শিলপনীয়া | ৬০ |
| প্ৰেম আৰু উপলব্ধি | জিতু দুৱৰা | ৬২ |
| ভালপোৱাৰ শেষত | দেৱজিৎ চেতিয়া ফুকন | ৬৬ |
| IT HAPPENED | Sekhar Singh | ৬৮ |

## অনুভৱৰ টোকা ঃ

| | | |
|---|---|---|
| নগৰৰ মাঘ বিহুৰ আমেজ | কানন বাইলুং | ৭০ |
| সেউজীয়া পাতৰ আঁৰৰ কিছু বাস্তৱ অভিজ্ঞতাৰ ইলিজি, অনুভৱৰ মিছিল ......... ইত্যাদি | দিগন্ত মাহাতু | ৭৩ |
| মোৰ প্ৰথম কলেজীয়া জীৱনৰ অনুভৱ | দীপশিখা বৰা | ৭৪ |
| প্ৰথম ৰেল যাত্ৰাৰ অভিজ্ঞতা *(সঁচা অভিজ্ঞতাৰ আলেম লৈ)* | ললিত সোনোৱাল | ৭৫ |

## কবিতা ঃ

| | | |
|---|---|---|
| মণি | মহম্মদ নাজিৰ | ৭৬ |
| শান্তি বিচাৰি | অভিজিত গগৈ | ৭৬ |
| বিচ্ছেদ বেদনা | বদন সোণোৱাল | ৭৭ |
| অজান স্মৃতি | বিদিষা শইকীয়া | ৭৭ |
| তুমি আঁতৰিলে | বিকাশ কুমাৰ দত্ত | ৭৮ |
| হে শ্বহীদ প্ৰণামো তোমাক | তোফান দত্ত | ৭৮ |
| ছ মাহৰ অনুভৱ তোমাৰ বাবে | সুৰজীত শইকীয়া | ৭৯ |
| নৱ জীৱনৰ স্বপ্ন | দীপাঙ্কৰ গগৈ | ৮০ |
| যন্ত্ৰণা | অজয় শইকীয়া | ৮১ |
| প্ৰিয়তমা | ভৱেশ দাৰিক | ৮১ |
| হে ডিব্ৰুয়ান | সতীশ মিচং | ৮২ |
| বাট চাই | অজয় শইকীয়া | ৮২ |
| অসমী আই | মানস জ্যোতি দাস | ৮৩ |
| অপেক্ষাৰত এটি মন | গৌৰীত গগৈ | ৮৩ |
| মোৰ উপলব্ধি | দিক্ষীতা শইকীয়া | ৮৪ |
| ভালপাওঁ বুলি এবাৰ কোৱাঁ | তিলোত্তমা সোণোৱাল | ৮৫ |
| প্ৰতিশ্ৰুতি | প্ৰাঞ্জল শইকীয়া | ৮৫ |
| পাগল | ইন্দ্ৰ কুমাৰ ছেত্ৰী | ৮৬ |
| পাৰ্থক্য তোমাৰ আৰু মোৰ মাজৰ | নীতুমণি পুৰি | ৮৭ |
| নিসংগতাত এজাক বৰষুণ | নৱনীত চেতিয়া | ৮৮ |

## উপন্যাস ঃ

| | | |
|---|---|---|
| এপাহ সৰি পৰা ফুল | ফুলচন্দ্ৰা গগৈ | ৮৯ |
| ৰৈ ৰৈ বিনালে কলিজাৰ গান | নীৰজ সোনোৱাল | ৯৩ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন | | ৯৯-১১২ |


OOOOOO

# সম্পাদকৰ কলমেৰে





ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ সম্পাদকীয় লিখিবলৈ লোৱাৰ আগমুহূৰ্তত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা তথা ছাত্ৰ একতা সভাৰ সভানেত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই বাইদেউ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক আলোচনী সম্পাদকৰ পদত নিৰ্বাচিত কৰিলে সেই সকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা আগবঢ়াইছো।

ডিব্ৰু মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ পদত নিৰ্বাচিত হৈ মই গৌৰৱ অনুভৱ কৰিছো ঠিকেই কিন্তু নিজৰ অযোগ্যতাৰ কথা ভাবি বাৰে বাৰে শিয়ৰি উঠিছো, কিজানি মই এই দায়িত্ব সুকলমে পালন কৰিব পৰা নাই।

বৰ্তমান সময় অসম তথা অসমৰ সমাজ জীৱনৰ এক অতিশয় অৰাজক সময়। চৌদিশে কেৱল হিংসা, হত্যা আৰু দুনীৰ্তিৰ জয়জয়কাৰ। য'ত শিক্ষা, একতা, ভ্ৰাতৃত্ববোধ আৰু সংস্কৃতিৰ কোনো অৰ্থ নথকা হৈ পৰিছে। বৰ্তমান যুৱ-উশৃংখলতা আমাৰ বাবে এক চিন্তনীয় বিষয় হৈ পৰিছে। উশৃংখল সাজপাৰ, উশৃংখল ব্যৱহাৰ, বাইক সংস্কৃতি আৰু মাদকদ্ৰব্যৰ অবাধ প্ৰচলনে যে আমাক কোঙা কৰি পেলাইছে, এয়া আমাৰ যুৱ সমাজে কিয় বুজিব পৰা নাই? লগতে বিনা পৰিশ্ৰমেৰে সহজে ধন ঘটাৰ প্ৰবনতাই তেওঁলোক যে অপৰাধৰ পিতনিত ডুব যাবলৈ ধৰিছে সেয়া তেওঁলোকে কেতিয়া বুজিব?

আধুনিকতাৰ বতাহজাকে যেন আমাক ভালদৰেই জোঁকাৰি গৈছে। কিন্তু আমি বুজা উচিত যে কেৱল মাত্ৰ অত্যাধুনিক সাজপাৰৰ দ্বাৰা আমি আধুনিক হ'ব নোৱাৰো। আমি আধুনিক হ'ব লাগিব আমাৰ মানসিক আৰু আধ্যাত্মিক চিন্তাৰ উত্তৰণ ঘটাই নিয়োজিত হ'ব লাগিব সৃষ্টিশীল আৰাধনাত। নহ'লে অসমীয়া জাতিয়ে ঠাই পাব ইতিহাসৰ অন্ধকাৰ পাতত ..........

এটা জাতিৰ আশা, আকাংক্ষা, চিন্তাধাৰা প্ৰকাশ পায় সেই জাতিৰ সাহিত্যৰ যোগেদি। সাহিত্য হৈছে জীৱনৰ অভিজাত্য, মানৱজীৱনৰ অমৃতময় ফল। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ মঞ্চ হৈছে মহাবিদ্যালয়ৰ বছেৰেকীয়া মুখপত্ৰ 'ডিব্ৰুয়ান'। এই 'ডিব্ৰুয়ানে' মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা কবি-সাহিত্যিকৰ সৃষ্টিত কোনোদিনে কৃপনালি কৰা নাই। এই কথা পুনৰ প্ৰমাণ হ'ল - যেতিয়া নটিচ বৰ্ডত দিয়া জাননীৰ সঁহাৰিত বহুতো গল্প, প্ৰবন্ধ আৰু কবিতা মোৰ ওচৰলৈ আহে।

## সম্পাদকৰ কলমেৰে

কিন্তু আলোচনীখনত স্থানৰ অভাৱৰ বাবে সকলোবোৰ লেখা প্ৰকাশ কৰিব পৰা নগ'ল। তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ক্ষমা প্ৰাৰ্থী। তেওঁলোকে যেন কলম সামৰি নথয়। তেওঁলোক হতাশ নহৈ দুগুণ উৎসাহেৰে নিজৰ কৰ্মত আগুৱাই আহক।

'ডিব্ৰুয়ান'খন প্ৰকাশ কৰি উলিয়াবলৈ যাওতে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছিলো। কিন্তু আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া, পৰম পূজনীয় বীৰেণ বৰুৱা ছাৰ, শ্ৰীযুক্তা ৰূপজ্যোতি বৰা বাইদেউ, শ্ৰীযুক্ত পি. বেনাৰ্জী ছাৰৰ অকুণ্ঠ সহায়-সহযোগত এই সমস্যা অতিক্ৰম কৰাত বিশেষ অসুবিধা নহ'ল। মুখপত্ৰখনিক পূৰ্ণাঙ্গ ৰূপ দিয়াৰ ক্ষেত্ৰত তেখেতলোকে দিয়া সজ পৰামৰ্শক মই শ্ৰদ্ধাৰে সুঁৱৰিম। আলোচনী সম্পাদক ৰূপে সাহিত্য কৰ্মত এয়া মোৰ প্ৰথম পদক্ষেপ। সেয়েহে অজানিতে কৰা ভুল সমূহ মোৰ নিৰ্বুদ্ধিতা আৰু অপৰিপক্ক মানসিকতা বুলি সকলোৱে ক্ষমা কৰি দিয়ে যেন। তদুপৰি ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ডিব্ৰুয়ান আৰু 'ডিব্ৰুয়ান' প্ৰকাশ কৰি উলিওৱা ডিব্ৰুগড়ৰ চৌকিডিঙ্গীস্থ 'ডিব্ৰু অফছেট' প্ৰেছৰ স্বত্বাধিকাৰী তথা কৰ্মচাৰীবৃন্দৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

*লক্ষ্যদীপ গগৈ*
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।

# অতিথি চ'ৰা

## বিষাদ ভনী

গায়ত্ৰী নেৱাৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
অসমীয়া বিভাগ (এম. ফিল.)

মোৰ নাম বিষাদ ভনী
বিষাদৰ লগত মোৰ মিতিৰালি আজীৱন চলি আছে
হয়তো চলি থাকিব, সুন্দৰকৈ ফুলিব মোৰ মনঃসত্তা
বিষাদৰ বাবে তই মোৰ ককাই হ'ব ওলাইছ
হৃদয়েৰে তই মোক মাতিছ
মই আনন্দতে কান্দিছোঁ

মোৰ বেজাৰে তোক এদিন চুৰমাৰ কৰিব পাৰে
মোৰ চাবনিৰ সৱিয়হ ফুলে এদিন তোক মৰ্মাহত কৰিব পাৰে
তেতিয়া মোক দুখ নিদিবি
মোৰ পৰা আঁতৰিও নাযাবি

মোৰ নাম বিষাদ ভনী
বিষাদত মই সোমাই পৰোঁ
চলাথ কৰোঁ নিজকে নতুনকৈ আপোনা-আপুনি
ভাল পাব ধৰোঁ দুখৰ গোন্ধ থকা শব্দ
হয় মোৰ প্ৰিয়ৰো প্ৰিয়

মই জানো
বিষাদক যিয়ে ভালপায় তেওঁ কেতিয়াও
বিষাদৰ পৰা আঁতৰত থাকিব নোৱাৰে
আঁতৰি নাযাবি তই বিষাদক ভাল পাই

বিষাদৰ স'তে তোৰ কিহৰ ইমান গভীৰ তান
তোৰ বিষাদৰ তানে মোৰ হৃদয়ত
গীতৰ জোৱাৰ আনিব পাৰিবনে
গীতৰ স'তে মোৰ দুখৰ সম্পৰ্ক আত্মিক
সুৰ তালে নুবুজা হ'ল মোৰ দুখ
হয়তো দুখৰ উপৰি দুখ মোৰ
চৌপাশ ফুলিছে মোৰ দুখৰ ফুলনি
মোৰ নাম বিষাদ ভনী।

# প্ৰবন্ধ

## ভূমি প্ৰদূষণ

ড° দিলীপ কলিতা
প্ৰৱক্তা, উদ্ভিদবিদ্যা বিভাগ

পৃথিৱীৰ উপৰিভাগৰ যি অংশত গছ-গছনি গজে সেই অংশকে ভূমি বা মাটি বুলি কোৱা হয়। ভূমি এবিধ অতি প্ৰয়োজনীয় প্ৰাকৃতিক সম্পদ। শিল আৰু মণিকৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক ক্ষয়ীভৱন হৈ কালক্ৰমত মাটিৰ সৃষ্টি হয়। এই প্ৰক্ৰিয়া অতি জটিল বাবে মাটিৰ গঠন খুব লাহে লাহে হয়। এক ইঞ্চি মাটি গঠন হ'বলৈ ক্ষেত্ৰ বিশেষে ৩০০ ৰ পৰা ১০০০ বছৰ পৰ্যন্ত সময় লাগে। জন্মৰ পৰা মৃত্যুলৈকে পৃথিৱীৰ প্ৰতিটো জীৱৰে মাটিৰ লগত সম্পৰ্ক অতি নিবিড়। মাটিৰ ওপৰতে গছ-গছনি গজে আৰু এই গছ-গছনিয়েই মানুহকে ধৰি সমুদায় প্ৰাণীজগতক প্ৰত্যক্ষ বা পৰোক্ষভাৱে খাদ্যৰ যোগান ধৰে। মাটিৰ ওপৰতে আমি ঘৰ-দুৱাৰ আদি সাজোঁ, উদ্যান পাতোঁ। মানুহকে ধৰি সমুদায় জীৱজগতৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে মাটিয়েই আশ্ৰয় স্থল।

**ভূমি প্ৰদূষণ কি ?**

ঃ মানুহৰ কাৰ্যকলাপ নতুবা প্ৰাকৃতিক কাৰণত ভূমি দূষিত হোৱা আৰু ভূমিৰ উৰ্বৰতা শক্তি হ্ৰাস পোৱাকে ভূমি প্ৰদূষণ বোলে।

**ভূমি প্ৰদূষণৰ কাৰণসমূহ ঃ**

ভূমি প্ৰদূষণৰ কাৰণ সমূহ হ'ল -

১) কৃষিকাৰ্যত অত্যাধিক পৰিমাণে ৰাসায়নিক সাৰ আৰু কৃষি ঔষধি প্ৰয়োগৰ ফলত ভূমি প্ৰদূষিত হয়। এইবোৰ প্ৰয়োগৰ ফলত এডোখৰ ভূমিত সাধাৰণতে থকা বহুতো অণুজীৱ, কেঁচু-কুমটি আদিৰ মৃত্যু হোৱাৰ ফলত ভূমি পৰিৱেশ তন্ত্ৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। ৰাসায়নিক জীৱনাশক সমূহে ভূমিত থকা বহুতো জীৱৰ প্ৰজনন প্ৰক্ৰিয়াত বাধা জন্মায়।

২) ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগসমূহৰ আবৰ্জনাসমূহে ভূমি বৰ বেয়াকৈ প্ৰদূষিত কৰে। ৰাসায়নিক উদ্যোগসমূহৰ পৰা বহুতো ৰাসায়নিক পদাৰ্থ ভূমিত মিহলি হোৱাত ই কৃষিকাৰ্যৰ বাবে অনুপযোগী হৈ পৰে। তদুপৰি পেট্ৰলিয়ামজাত সামগ্ৰীৰ কাৰখানা, প্লাষ্টিক উদ্যোগ, ৰাবাৰ উদ্যোগ, ধান বনা কল আদিৰ পৰা ওলোৱা আৱৰ্জনাসমূহো ভূমি প্ৰদূষণৰ বাবে দায়ী।

৩) আমাৰ ঘৰুৱা আৱৰ্জনাসমূহ পেলোৱাৰ ফলতো কোনো কোনো ঠাইৰ ভূমি প্ৰদূষিত হোৱা দেখা যায়। এই আবৰ্জনাসমূহত বিভিন্ন প্ৰকাৰৰ পলিথিনৰ বেগ, প্লাষ্টিক, টিন, ৰাবাৰ, ফটা কাপোৰ, কাগজ, ঘৰচীয়া জন্তুৰ মলমূত্ৰ, চাবোনৰ টুকুৰা আদি থাকে। এই আবৰ্জনাসমূহে বিশেষকৈ ঘৰৰ চৌহদ, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমি প্ৰদূষিত কৰা দেখা যায়।

৪) অল্প বৃষ্টিৰ ফলত কোনো এডোখৰ ভূমিৰ হাইড্ৰজেন আয়ন গাঢ়তাৰ সালসলনি হোৱা দেখা যায়।

৫) বিভিন্ন ধৰণৰ তেজষ্ক্ৰিয় পদাৰ্থসমূহৰ দ্বাৰাও ভূমি প্ৰদূষিত হয়। তেজষ্ক্ৰিয় মৌলসমূহ প্ৰকৃতিত পোৱাৰ উপৰিও বৰ্তমান পৰীক্ষাগাৰত কৃত্ৰিম উপায়েৰেও প্ৰস্তুত কৰা হয়। আলফা, প্ৰটন, ডিউটেৰণ, নিউট্ৰন আদি কণাৰ দ্বাৰা সুস্থিৰ মৌল যেনে বৰণ, এলুমনিয়াম, মেগনেচিয়াম, ছডিয়াম, ফচফৰাচ, চিলিকন, নিকেল আদি মৌলক অভিঘাত কৰি পৰীক্ষাগাৰত তেজষ্ক্ৰিয় মৌল উৎপান কৰা হয়। এই তেজষ্ক্ৰিয় পদাৰ্থসমূহ দূৰদৰ্শন, ঘড়ীৰ উজ্বল চাক আদিত ব্যৱহাৰ কৰাৰ উপৰিও আণৱিক প্ৰকল্পতো ব্যৱহাৰ কৰা হয়। তেজষ্ক্ৰিয় মৌলৰ আটাইতকৈ বিপদজনক ব্যৱহাৰ হৈছে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰসমূহ অৰ্থাৎ পাৰমাণৱিক বোমা। এই বোমাত ব্যৱহাৰ কৰা আটাইতকৈ বিপদজনক পদাৰ্থ দুবিধ হ'ল ষ্ট্ৰনচিয়াম - ৯০ আৰু চিজিয়াম ১৩৭। বিভিন্ন কামত ব্যৱহাৰ কৰা এই তেজষ্ক্ৰিয় পদাৰ্থসমূহে দীৰ্ঘদিন ধৰি তেজষ্ক্ৰিয় ৰশ্মি বিকিৰণ কৰি আহিছে। তেজষ্ক্ৰিয় মৌলবোৰ ভূমিৰ পৰা উদ্ভিদে শোষণ কৰে। এইবোৰ পিছত খাদ্যশৃংখলৰ জৰিয়তে অনান্য প্ৰাণীসমূহৰ লগতে মানৱদেহত সোমায়। তেজষ্ক্ৰিয় ৰশ্মিসমূহৰ প্ৰভাৱত তেজৰ ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা কমি যায়। তদুপৰি ইহঁতৰ প্ৰভাৱত চকুত



চামনি পৰা ৰোগ, লিউকমীয়া, প্ৰাণনাশক টেমুনা আদিৰ সৃষ্টি হ'ব পাৰে।

৬) বৰ্তমান চিকিৎসালয়ৰ আৱৰ্জনাসমূহে ঠাই বিশেষে ভূমি প্ৰদূষণৰ সৃষ্টি কৰিছে। চিকিৎসালয়ৰ আৱৰ্জনাত ৰোগীয়ে খোৱা খাদ্যৰ পেলনীয়া অংশ, খাদ্য বন্ধা কাগজ বা পলিথিন জাতীয় পদাৰ্থ, ঔষধ আদিৰ খালী বটল, ৰোগীয়ে ব্যৱহাৰ নকৰা ঔষধৰ অংশ বিশেষ, ব্লেড, প্লাষ্টিক, ৰোগীক চিকিৎসা কৰোঁতে ব্যৱহাৰ কৰা কাপোৰ-কানি, ৰোগীৰ কোনো অংগৰ অংশ বিশেষ, ৰোগীৰ মলমূত্ৰ আদি থাকে। কেতবোৰ আবৰ্জনাত ৰোগৰ বিজাণু থকাৰ সম্ভাৱনাও নথকা নহয়।

৭) **মানুহৰ মলমূত্ৰৰ দ্বাৰা প্ৰদূষণ ঃ** ভাৰতৰ দৰে উন্নয়নশীল বহুতো দেশত গ্ৰাম্য অঞ্চলত আৰু নগৰৰ বস্তি অঞ্চলৰ বহুতো লোকৰ শৌচাগাৰৰ ব্যৱস্থা নাই। গতিকে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা বহুতো লোকে জান-জুৰি, নদ-নদী, পুখুৰী, বিল আদিৰ পাৰত, ঘৰৰ চৌহদৰ কাষৰ হাবিত, ৰাস্তাৰ কাষত শৌচ কৰাৰ ফলত ভূমি, জল আৰু বায়ু তিনিওটা প্ৰদূষিত হয়।

৮) অতিমাত্ৰা হাবি-বননি ধ্বংস কৰাৰ ফলতো ভূমিৰ স্বাভাৱিক গুণাগুণ নষ্ট হয়। বানপানীৰ সময়ত নদীয়ে দাঁতি-কাষৰীয়া কৃষি ক্ষেত্ৰত পলসৰ ডাঠ তৰপ পেলাই মাটিৰ গুণাগুণ নষ্ট কৰে।

**ভূমি প্ৰদূষণৰ কুফল ঃ** প্ৰদূষিত ভূমিৰ স্বাভাৱিক গুণাগুণ নষ্ট হয়। এনে ভূমি কৃষিকাৰ্যৰ বাবে বিশেষভাৱে অনুপযোগী। এনে ভূমি গৃহ নিৰ্মাণ, খেলা-ধূলা আদিৰ বাবেও অনুপযোগী হয়। ভূমি প্ৰদূষণ বায়ু প্ৰদূষণ আৰু জল প্ৰদূষণৰ লগতো জড়িত। প্ৰদূষিত ভূমিৰ পৰা মানুহ আৰু আন আন জীৱ-জন্তুৰ দেহলৈ বিভিন্ন ৰোগৰ বিজাণু বিয়পে।

**ভূমি প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ উপায় ঃ** তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰি ভূমি প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পাৰি।

১) ৰাসায়নিক সাৰৰ পৰিৱৰ্তে পচনসাৰ, জীৱসাৰ, পামসাৰ, সেউজ সাৰ আদি ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দি ৰাসায়নিক সাৰৰ দ্বাৰা হোৱা পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব পাৰি। ৰাসায়নিক জীৱ নাশকৰ পৰিৱৰ্তে পোক-পতংগ নিয়ন্ত্ৰণ কৰিবৰ বাবে উদ্ভিদৰ পৰা তৈয়াৰ কৰা জীৱনাশক নতুবা কীট-পতংগ নিয়ন্ত্ৰণ কৰিবৰ বাবে ক্ষেত্ৰবিশেষে মাংস ভোজী প্ৰাণী ব্যৱহাৰ কৰিব পাৰি। অপতৃণ নাশক ব্যৱহাৰ নকৰি যান্ত্ৰিক পদ্ধতিৰে অপতৃণ নিয়ন্ত্ৰণ কৰিব পাৰি।

২) শস্য আৱৰ্তন প্ৰথা অৱলম্বন কৰি মাটিত খনিজ লৱণৰ পৰিমাণ নিয়ন্ত্ৰণ কৰিব পাৰি। যেনে ঃ শস্য উৎপাদনকাৰী উদ্ভিদ ধান, ঘেহু আদিৰ খেতি চপোৱাৰ পিছত মাহ জাতীয় শস্য যেনে মাটিমাহ, মগুমাহ আদিৰ খেতি কৰিলে সুফল পোৱা যায়। ধান, ঘেঁহু আদিয়ে মাটিৰ পৰা অধিক নাইট্ৰ'জেন শোষণ কৰে। আনহাতে মাহজাতীয় শস্যৰ শিপাত সহজীৱী হিচাপে বাস কৰা ৰাইযবিয়াম জাতীয় অণুজীৱই জৈৱিক নাইট্ৰ'জেন স্থিতিকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা মাহজাতীয় শস্যৰ শিপাত নাইট্ৰ'জেন স্থিত কৰে। মাহজাতীয় শস্য ছপোৱাৰ পিছত শিপাৰ পৰা সেই নাইট্ৰ'জেন মাটিয়ে পায়।

৩) বৃক্ষৰোপনৰ দ্বাৰা মাটিৰ ক্ষয়ীভৱন ৰোধ কৰিব পাৰি। ইয়াৰ ফলত মাটিৰ পানী সংৰক্ষণ কৰাৰ ক্ষমতা বৃদ্ধি পায়।

৪) ঘৰুৱা আৱৰ্জনাসমূহ, উদ্যোগসমূহত সৃষ্টি হোৱা গোটা বৰ্জনীয় পদাৰ্থসমূহ, চিকিৎসালয়ৰ আবৰ্জনাসমূহ, নগৰ-মহানগৰৰ আৱৰ্জনাসমূহ নিষ্কাষণ কৰা প্ৰয়োজনীয়। সম্ভৱপৰ পেলনীয়া বস্তুবোৰৰ পূণৰাৱৰ্তনৰ ব্যৱস্থা কৰিব লাগে। এই আৱৰ্জনাসমূহৰ পৰা গোবৰ গেছ, বৈদ্যুতিক শক্তি আদি উৎপাদনত গুৰুত্ব দিব লাগে।

৫) পলিথিন আৰু প্লাষ্টিকজাতীয় সামগ্ৰীৰ ব্যৱহাৰ অতি সীমিত কৰা বাঞ্চনীয়। এই ক্ষেত্ৰত চৰকাৰে কঠোৰ আইনৰ ব্যৱস্থা কৰিব লাগে।

৬) শৌচ কৰিবৰ বাবে সকলো পৰিয়ালে শৌচাগাৰৰ ব্যৱস্থা কৰি ল'ব লাগে। দৰিদ্ৰ সীমাৰোখাৰ তলত বাস কৰা লোকক চৰকাৰে কম খৰচত বিজ্ঞানসন্মত শৌচাগাৰ তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।

৭) ঘৰচীয়া জীৱ-জন্তুৰ মল-মূত্ৰ বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি গোটাই থৈ পিছত সাৰ হিচাপে ব্যৱহাৰ কৰিব লাগে।

**সামৰণি ঃ** বৰ্তমান নগৰ মহানগৰসমূহৰ উপৰিও গ্ৰাম্যাঞ্চলতো ভূমি প্ৰদূষণে ভয়ানক ৰূপ ধাৰণ কৰিছে। ভূমি প্ৰদূষণৰ কাৰণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ উপায়সমূহ পৰ্যালোচনা কৰিলে এটা কথা পৰিলক্ষিত হয় যে ভূমি প্ৰদূষণ ৰোধ কৰিবৰ বাবে চৰকাৰ আৰু জনসাধাৰণৰ উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। এই ক্ষেত্ৰত সমাজৰ প্ৰত্যেকজন ব্যক্তি সচেতন হোৱা প্ৰয়োজন। চৰকাৰে প্ৰয়োজন সাপেক্ষে কঠোৰ আইনৰো ব্যৱস্থা কৰিব লাগে। জনসাধাৰণৰ মজত সচেতনতা বৃদ্ধি কৰিবৰ বাবে স্বেচ্ছাসেৱী সংগঠনসমূহে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

●●●

# Growth of Technical and Vocational Education It's impact on self-employment

Prof. L. Bora
Head of the Deptt. of Economics

The importance of technical and vocational education in India was first recommended by The Hunter's Commission in 1882. Technical education has however, expanded many folds since independence.

In 1882, Hunter's commission stressed the need of diversified courses at school stage. When The Secondary Education Commission met in 1952 there were, however, very few technical institutes and polytechnics in our country. So, The Secondary Education Commission, therefore recommended the establishment of large number of technical school either separately or as part of secondary schools.

As a result of the recommendations of this Commission, the number of technical school expanded both as part of secondary schools as well as separately vocational and industrial training institutes. Thus at the beginning of the Third Five Year Plan in 1961, there were 196 polytechnic and 167 ITI's in the country. The sealing capacity were 25,571 and 42,136 students in these institutions.

It has been observed that vocational and technical education has special importance for the scheduled caste and schedule tribe. So seats have been reserved for the schedule caste and schedule tribe in ITI, Polytechnics and Engineering colleges. There has been considerable growth in enrolment of the children of the scheduled group in vocational courses at all levels. In Assam, the schedule caste and schedule tribes got interested in both vocational and technical education. In 1976-77, the percentage enrolment of S.C. and S.T. were 8.3% and 10.5% in comparison to general education. In Manipur was 2% and 12.6% and Meghalaya 1.4% and 81.9%.

Maharashtra and Assam had very good enrolment of schedule caste in both these education. But as regard to schedule tribes, Andhra Pradesh, Bihar, Himachal Pradesh, Maharashtra, Manipur, Meghalaya, Nagaland and Tamil Nadu did very well in both these education. But Rajasthan, West Bengal and Gujarat had comparatively very performance in these trades. But it may be noted that these states have large scheduled tribes population.

The working group on technical and vocational education and of the view that the facilities available for training of various levels of skills were adequate. In facts, it point out that whereas the ratio between, graduation, technician and craftmen was 1:3:5 in some developed countries, in India the ratio between graduate and technician and craftmen was 1:3:5 in some developed countries. But in India the ratio was 1:2 and the output dropped to 1:1. To improve this ratio, The All India Council of Technical Education made a number of recommendation.

Recognising that the major number of unemployed in the country are matriculate, the government emphasised that training in the ITI's which is mostly oriented to service sector shall be revamped to make it self-employment and production oriented. Further, the area having potential for self employed will be identitical and oriented courses will be organised.

Some of the vocational education courses are discussed below and addresses are given for communication

**TEA INDUSTRY :**

Assam is famous for the tea industry. It produces highest amount of tea in India. There are more than two thousand five hundred tea gardens in Assam. So there are lot of employment opportunities in this sector. Science graduate can apply for the "Tea Management" course. But for the "Supervisor", course high school passed students can also apply. The course of tea management and supervisor. The following institute offer the courses of Tea Management and Supervisor in Assam.

1. Tocklai Experimental Station, TRA, Jimkhana Road, Jorhat.
2. Assam Agricultural University, Jorhat 785013.

**TOURISM :**

Tourism sector has become as important department which can earn a lot of revenue for the country. Some of the important countries lay emphasis in this department for earning foreign currency. As a result, many travel agencies have come up with the development of Tourism. This sector also provides a lot of employment facilities for the youth. As for example, the growth of tourism has an impact on employment facilities. Many people are engaged, in this department as guides, transport drivers, receptionist etc.

The qualification for this course is only 10 + 2 pass and there are two types of courses - Short Term and Long Term course. Those who finished this course can get jobs in public sector as well as private sector. They can earn a good amount of money after completing this course.

The following private and public institute which can offer the course.

1. Indian Institute of Tourism and Travel management, Nayaya Marg, Chanakya Puri, New Delhi-110021.
2. College of Vocational Studies, Delhi University, Course offered to Graduate, Integrated Course in Tourism - 3 Years, Eligibility - 10 + 2.
3. Ministry of Tourism & Delhi Tourism, of Nayaya Marg, Chanakya Puri, New Delhi - 110021.
4. YWCA Jai Singh Road, New Delhi, Delhi University Course offered Diploma (Tourism)

**PHOTOGRAPHY :**

In oldest time photography was hobby for certain people. But now-a-days, it has become a income earning business. A good photographer can earn a lot of money from this business. He can get employment in cinema, police, tourism department, newspaper and also some private company. The qualification for a photographer course has no bar. The following institute offer the photographer course in our country.

1. Chitralekha Training Centre, J.B. Road, Silpukhuri, Guwahati - 781003
2. Assam Institute of Photography, Pub-Sarania Path, by-lane 2, Chandmari, Guwahati - 781003
3. Bharatiya Vidya Bhawan, K.G. Marg, New Delhi-110001, course offered : Diploma Course 1 years.
4. India International Photographic Council, 12 Modern School, Barakhamba Road, New Delhi-1.

There are many vocational education like Advertising, Book Binding, Screen Printing, Interior Decoration, Automobile Mechanic, T.V. and Radio mechanic etc. After completion of these courses, any body can be self employed in various fields.

●●●

# আৰ্দ্ৰভূমি আৰু ইয়াৰ গুৰুত্ব

ৰূপজ্যোতি বৰা
প্ৰবক্তা, উদ্ভিদ বিদ্যা বিভাগ

সাময়িকভাৱে বা দীৰ্ঘকাল জুৰি জলমগ্ন হৈ থকা ভূ-ভাগকে আমি আৰ্দ্ৰভূমি (wetland) বুলি কওঁ। সাধাৰণ অৰ্থত আৰ্দ্ৰভূমিসমূহ হৈছে জলজ পৰিৱেশতন্ত্ৰ আৰু স্থলজ পৰিবেশতন্ত্ৰৰ মধ্যৱৰ্তী এক বিশেষ পৰিৱেশতন্ত্ৰ। বিশ্বৰ বিভিন্ন ঠাইত আৰ্দ্ৰভূমিৰ সংজ্ঞা বিভিন্ন ধৰণেৰে দিয়া হৈছে। কিছুমান ঠাইত আৰ্দ্ৰভূমিৰ সংজ্ঞা সেই অঞ্চলৰ জলমগ্ন ঠাইত গজা জলজ উদ্ভিদৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি দিয়া হয়। আকৌ বহুতো বিশেষজ্ঞই আৰ্দ্ৰভূমিসমূহ পানীত নিমজ্জিত হৈ থকা সময়ক ভিত্তি কৰি আৰু সেই অঞ্চলবোৰত থকা জৈৱ প্ৰজাতিৰ বিশেষত্বৰ ওপৰত গুৰুত্ব দি আৰ্দ্ৰভূমিৰ সংজ্ঞা আগবঢ়োৱা দেখা যায়। কিন্তু ১৯৭১ চনৰ ২ ফেব্ৰুৱাৰীত ইৰানৰ ৰামচাৰ (Ramsar) নামৰ ঠাইত অনুষ্ঠিত আৰ্ন্তজাতিক সন্মিলনত গোটেই বিশ্বই গ্ৰহণ কৰিব পৰাকৈ আৰ্দ্ৰভূমিৰ ব্যাখ্যা এনেদৰে দিয়া হৈছে - "আৰ্দ্ৰভূমিসমূহ হৈছে প্ৰাকৃতিক কাৰণত অথবা মানুহে কৃত্ৰিমভাৱে সৃষ্টি কৰা স্থায়ী বা অস্থায়ী পানী থকা বা সেমেকা জলাহ, পিতনি, দলনি, ডোবা, হোলা, দ' পথাৰ, পুখুৰী, বিল, নদ-নদী, হ্ৰদ ইত্যাদি। সাগৰৰ উপকূলীয় যিবোৰ অঞ্চলৰ গভীৰতা ভাটাৰ সময়ত ৬ মিটাৰতকৈ অধিক নহয় তেনে অঞ্চলকো আৰ্দ্ৰভূমিৰ অন্তৰ্ভুক্ত কৰিব পাৰি। (Ramsar convention, 1971)। আৰ্দ্ৰভূমি সমূহৰ নিৰ্মল, লুণীয়া বা মিশ্ৰিত পানী বৈ থকা বা স্থিৰ অৱস্থাত থাকিব পাৰে।

**আৰ্দ্ৰভূমিৰ প্ৰকাৰ ঃ**

উৎপত্তিৰ ধৰণ, পানীৰ গভীৰতা, গুণাগুণ আৰু এই আৰ্দ্ৰভূমিসমূহত থকা উদ্ভিদৰ প্ৰাকাৰণৰ (vegetation pattern) ওপৰত ভিত্তি কৰি আৰ্দ্ৰভূমিসমূহক প্ৰাকৃতিক আৰু কৃত্ৰিম বা মানৱসৃষ্ট এই দুই ভাগত ভাগ কৰিব পাৰি। নানা ধৰণৰ প্ৰাকৃতিক কাৰণ যেনে - ভূমিকম্পৰ ফলত হোৱা ভূ-তাত্ত্বিক পৰিৱৰ্তন, প্ৰাকৃতিকভাৱে নদীৰ গতি পৰিৱৰ্তন হৈ জলাশয়ৰ সৃষ্টি হোৱা, আদিম অৱস্থাৰে পৰা ভূ-পৃষ্ঠৰ ওপৰত থকা দ' ঠাই আৰু সেইবোৰৰ পৰা পানী বৈ যাব নোৱৰাৰ ফলতে আৰ্দ্ৰভূমিসমূহৰ উৎপত্তি হয়। অন্যহাতেদি মানুহে কেতিয়াবা নিজৰ সুবিধাৰ অৰ্থে নদীত বান্ধ দি বা মথাউৰি বান্ধি কৃত্ৰিম জলাশয়ৰ সৃষ্টি কৰে। এনে জলাশয় বা আৰ্দ্ৰভূমিসমূহক কৃত্ৰিম বা মানৱসৃষ্ট আৰ্দ্ৰভূমি বোলা হয়। কৃত্ৰিম আৰ্দ্ৰভূমিসমূহ মানুহে ধান বা আন শস্যৰ খেতি কৰাৰ লগতে মৎস্য পালনৰ বাবে ব্যৱহাৰ কৰা দেখা যায়।

**আন্তৰ্জাতিকভাৱে গুৰুত্বপূৰ্ণ ভাৰতবৰ্ষৰ আৰ্দ্ৰভূমিসমূহ ঃ**

গোটেই বিশ্বত সৰু বৰ বহুতো আৰ্দ্ৰভূমি আছে। ইয়াৰে কেতবোৰ আন্তৰ্জাতিকভাৱে গুৰুত্বপূৰ্ণ আৰ্দ্ৰভূমি ৰামচাৰ সন্মিলনৰ (Ramsar convention) সিদ্ধান্ত মৰ্মে এখন বিশেষ তালিকাত (Ramsarsite) অন্তৰ্ভুক্ত কৰা হৈছে। ২০০৩ চনলৈকে এই তালিকাত বিশ্বৰ ১২৫২ খন আৰ্দ্ৰভূমিয়ে স্থান পাইছিল। ভাৰতবৰ্ষৰ মুঠ ১৯ খন আৰ্দ্ৰভূমিয়ে এই তালিকাত স্থান পাইছে। অসমৰ দীপৰ বিল (Deepor Beel) এই তালিকাৰ ১২০৭ নম্বৰ স্থানত অন্তৰ্ভুক্ত হোৱাটো উল্লেখনীয়। দীপৰ বিলৰ বাহিৰে ভাৰতৰ বাকী ১৮ খন আৰ্দ্ৰভূমিৰ নাম তলত দিয়া হ'ল -

১) চিল্কা হ্ৰদ (উৰিষ্যা), ২) কিয়লাডিঅ' ৰাষ্ট্ৰীয় উদ্যান (ৰাজস্থান), ৩) উলুৰ হ্ৰদ (জম্মু-কাশ্মীৰ), ৪) হৰিকা হ্ৰদ (পাঞ্জাৱ), ৫) লোগট্‌ক হ্ৰদ (মণিপুৰ), ৬) চামভৰ হ্ৰদ (ৰাজস্থান), ৭) কাঞ্জলী (পাঞ্জাৱ), ৮) ৰপাৰ আৰ্দ্ৰভূমি (পাঞ্জাৱ), ৯) অশ্বট্‌মোদী আৰ্দ্ৰভূমি (কেৰেলা), ১০) ভিটাৰকণিকা মেনগ্ৰভ (উৰিষ্যা), ১১) পূৱ কলিকতা আৰ্দ্ৰভূমি (পশ্চিমবঙ্গ), ১২) ভূজ আৰ্দ্ৰভূমি (মধ্যপ্ৰদেশ), ১৩) ক'লেৰু হ্ৰদ (অন্ধ্ৰ প্ৰদেশ), ১৪) পইন্ট কেলিমিয়েৰ বন্যপ্ৰাণী আৰু পক্ষী অভয়াৰণ্য, ১৫) পঙ-ডেম হ্ৰদ (হিমাচল প্ৰদেশ) ১৬) চুমৰিৰি (জম্মু-কাশ্মীৰ) ১৭) ভেমবানাদ-ক'ল আৰ্দ্ৰভূমি (কেৰেলা) ইত্যাদি।

**পৰিৱেশ আৰু মনবজাতিৰ আৰ্থিক লাভা-লাভত আৰ্দ্ৰভূমিৰ ভূমিকা ঃ**

অতীজৰে পৰা দেখা গৈছে যে আৰ্দ্ৰভূমিসমূহে আমাৰ পৰিৱেশ, অৰ্থনৈতিক আৰু আৰ্থসামাজিক দিশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আৰ্দ্ৰভূমিত থকা কেতবোৰ জলজ উদ্ভিদে পানীৰ পৰা পাৰা, নিকেল, কেডবিয়ামৰ নিচিনা গধূৰ ধাতু শুহি লৈ এই ধাতুসমূহৰ পৰা হ'ব পৰা জল বা স্থল প্ৰদূষণ ৰোধ কৰিব পাৰে। আৰ্দ্ৰভূমি সমূহক প্ৰাকৃতিৰ বৃক্ক বুলি ক'ব পাৰি, কিয়নো পানীয়ে বিভিন্ন অঞ্চলৰ পৰা কঢ়িয়াই অনা পোষক দ্ৰব্যসমূহ আৰ্দ্ৰভূমিয়ে ধৰি ৰাখে আৰু গেদ জমা হৈ এইবিলাক বাম হোৱাত বাধা দিয়ে।



আৰ্দ্ৰভূমিত ফুলি থকা পদুম ফুল

গ্ৰীষ্ম প্ৰধান অঞ্চলৰ আৰ্দ্ৰভূমিবোৰে বাষ্পীভৱন আৰু বাষ্পমোচন প্ৰক্ৰিয়াৰে বায়ুমণ্ডলৰ বৰ্ধিত উষ্ণতা কমাই ৰখাত সহায় কৰে।

আৰ্দ্ৰভূমিসমূহৰ পানীত ডুবি থকা উদ্ভিদ বিলাকে জলজ পৰিস্থিতিতন্ত্ৰত অক্সিজেন গেছ উৎপাদক হিচাপে কাম কৰে।

মানুহৰ অৰ্থনৈতিক দিশতো এই আৰ্দ্ৰভূমি সমূহে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

আৰ্দ্ৰভূমি সমূহত থকা কেতবোৰ উদ্ভিদ, গ্ৰাম্য অঞ্চলৰ বহুতো লোকে জীৱিকা উপাৰ্জনৰ উৎস হিচাপে ব্যৱহাৰ কৰা দেখা যায়। যেনে - cyperus corymbosus, cyperus pangorei নামৰ উদ্ভিদৰ পৰা পাটী তৈয়াৰ কৰা উদ্যোগত ভাৰতৰ লাখ-লাখ লোক নিৰ্ভৰশীল হোৱা দেখা যায়। বিভিন্ন প্ৰজাতিৰ বেত যেনে - জাতি বেত (calamus teruis), চুন্দিবেত (calanus guruba) ইত্যাদি বেত গছৰ পৰা বিভিন্ন ধৰণৰ আচবাব প্ৰস্তুত কৰা হয়। বৰকুঁহিলাৰ (Aeschynomene aspera)ৰ কাণ্ডৰ মজ্জাৰ পৰা পোৱা সোপোকা চলাৰ পৰা বিভিন্ন ধৰণৰ সজোৱা বস্তু তৈয়াৰ কৰিব পাৰি। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ বহুলোক এই চ'লা উদ্যোগৰ লগত জড়িত হৈ আছে। এইবিলাকৰ ওপৰিও কলমৌ, কচু, ভেঁট, পদুম, চেঁচোৰ, পানীসিঙৰি, হেলচী, নিখৰী আদি উদ্ভিদসমূহ মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰে আৰু আৰ্থিকভাৱে পিছপৰা কিছুলোকে এই বিলাক বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰা দেখা যায়।

পৃথিৱীৰ মুঠ উৎপাদিত মৎস্য উৎপাদনৰ এক বৃহৎ অংশ এই আৰ্দ্ৰভূমিসমূহৰ পৰাই আহৰণ কৰা হয়। ইয়াৰ দ্বাৰাই আৰ্দ্ৰভূমিসমূহে মানৱ জাতিৰ অৰ্থনীতিলৈ এক অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে।

**আৰ্দ্ৰভূমিসমূহ আমি কিয় সংৰক্ষণ কৰিব লাগে ?**

জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, নগৰীকৰণ আৰু মানুহৰ বিভিন্ন কাৰ্যকলাপৰ বাবে দিনক-দিনে আৰ্দ্ৰভূমিসমূহৰ সংখ্যা কমি আহিব লাগিছে। অসমৰ দূৰ সংবেদন বিভাগ আৰু আহমেদাবাদৰ মহাকাশ গৱেষণা কেন্দ্ৰৰ তথ্য মতে অসমৰ ৩৫১৩ খন আৰ্দ্ৰভূমিৰ ভিতৰত ১৩৬৭ খন আৰ্দ্ৰভূমি বিভিন্ন প্ৰজাতিৰ জলজ অপতৃণ আৰু মানুহৰ কাৰ্যকলাপৰ বাবে তীব্ৰ ভাবুকিৰ সন্মুখীন হৈছে। ফলত এইবিলাকত থকা বিভিন্ন জীৱ প্ৰজাতিৰ জীৱন বিপদাপন্ন হোৱাৰ লগতে বিলুপ্তিৰ পথলৈ আগবাঢ়িছে।

আৰ্দ্ৰভূমিসমূহে আমাৰ পৰিৱেশ আৰু অৰ্থনৈতিক দিশত যথেষ্ট প্ৰভাৱ পেলোৱাৰ লগতে ভূ-গৰ্ভস্থ আৰু ভূ-পৃষ্ঠৰ পানীৰ পুনৰ সঞ্চালন, জলসম্পাদ ধাৰণৰ দ্বাৰা বানপানী নিয়ন্ত্ৰণ, আবৰ্জনা ধাৰণ তথা নিয়ন্ত্ৰণ, আমোদ-প্ৰমোদ (নৌকা বিহাৰ, পক্ষী নিৰীক্ষণ) থলী হিচাপেও ই গুৰুত্বপূৰ্ণ। গতিকে আমি আৰ্দ্ৰভূমিসমূহৰ গুৰুত্ব উপলব্ধি কৰি এইবিলাকৰ সংৰক্ষণ আৰু বিকাশত গুৰুত্ব দিব লাগে। এই বিলাকৰ সঠিক আৰু সুস্থিৰ ব্যৱহাৰৰ যোগেদি আমি পৰিৱেশ সংৰক্ষণ কৰাৰ লগতে অৰ্থনৈতিক দিশতো যথেষ্ট লাভৱান হ'ব পাৰোঁ। ●

# PRE AND POST DISASTER MANAGEMENT STRATEGIES IN NER ... A DISCUSSION

**Dr. Mahesh Kr. Jain,**
Deptt. of Commerce

**INTRODUCTION :**

Disaster is a sudden adverse or unfortunate event which causes damage to human beings as well plants and animals. It may occur rapidly or slowly or indiscriminately. Most of the disasters occur naturally. We also witness man induced disasters. Man induced disasters may be sub-divided into three categories.

1. Physical man induced disasters like soil erosion, landslides.

2. Biological disasters like rapid growth of population of species in a given habitat either due to increased nutriets or increase of toxic chemical elements, and

3. Chemical and nuclear disasters like release of toxic chemical inthe air and nuclear explosion.

It is to be mentioned here that hazardous environmental processes always create extreme events but not all the extreme events become disasters. There may become disasters only when they adversely affect human society. For example, if an earthquake of more than 10 on Richter scale occurs in totally uninhabited area, it is not disaster at all but an earthquake event of lower density, say below 7 on Richter scale occurs in heavily populated area, it becomes a severe disaster. So the intensity, magnitude and dimension is measured with the quantum of damage done.

Almost all the countries in the world are prone to one or more forms of disaster irrespective of whether it is natural or man induced . Earthquakes, cyclones, volcanic eruptions, tsunami, drought, landslides flood etc. are some of the form of natural disasters.

**NATURAL DISASTERS AND NORTH EASTERN REGION OF INDIA :**

The North-Eastern Region of India has remained geologically sensitive because it is under constant threat from seismic point of view. The seismic record shows that this region has experienced two great earthquakes of more than M>8.7 on Richters Scale, 20 earthquakes of m>7, 29 earthquakes of M between 6 to 7 and innumerable number of smaller earthquakes till 1976. However, the common people is not aware of the danger lying on their head like a sword. Our N.E.R. by virtue of its topology and location falls in the seismic Zone-V which is vulnerable to earthquakes. Any activity disapproved by the nature is bound to trigger a disaster.

The N.E.R. is regularly struck by natural disasters in the form of floods and landslides. According to an estimate the total flood damages by the mighty river Brahamaputra only in Assam is of 8613.34 crore, the annual average being Rs. 200.31 crore. However, last year it was reported to be over Rs. 10000 crore. Since 1954, Assam state has lost about 4 lakh hectares of land due to erosion. Over the decade, erosion has swallowed vast tracts of fertile agricultural land, considerable areas under tea cultivation many villages and parts of quite a few townships of Assam. The Rohmoria Area (near Dibruarh Town) has lost over a dozen of prosperous villages to erosion. The existence of DibrugarhTown is likely to be in danger looking into the soil erosion caused by the Brahamaputra.

In addition to flood, loss of lives and property has become regular feature by landslide in many parts of this region during rainy season.

**DISASTER MITIGATION & MANAGEMENT IN NER :**

Mitigation measures consist of all structural and non- structural measures aimed at reducing the impact of disasters. Flood plain zoning, city zoning regulations, raised plate-forms and even insurance of the electorate against all natural hazards as has been declared by the Govt. of Assam at the avent of the year 2005 are some significant long term solutions to mitigate the sufferings of the communities in distress.

Disaster management took roots in Assam in 1990s, when the .Govt. of Assam issued a number of circulars/ executive instructions on preparedness for a possible earthquake and seeking each district to prepare as earthquake management plan in addition to the regular flood contingency plans. Disaster management seeks to integrate disaster related information with development initiatives of the government, so that both the Govt. and society can jointly tackle disaster situation effectively.

*An effective strategy for disaster mitigation would include -*

1. *Advance planning. It includes-*
   - (a) Indentification of hazard prone region on the basis of historical and current knowledge.
   - (b) Design of engineering specification for various kind of structure of house buildings.
   - (c) Assessment of risk faced by existing structure.
   - (d) Design and operational readiness of protocols for effective rescue and relief measures,prevention of epidemics, emergency operations of essential services.
   - (e) Awareness creation by educating the general public regarding the danger of natural hazards and their mitigation strategies.
   - (f) Mapping of areas for vulnerability assessment
   - (g) Enforcement of codes for construction of earthquake resistant building.

*There is also a need to carry out post disaster management plan comprising of -*

- (a) Administrative Management
- (b) Quick Damage Assessment.
- (c) Search and Rescue
- (d) Distribution of relief management
- (e) Need based supply of materials
- (f) Issue of Relief Store as kits
- (g) Transport Management
- (h) Medical Relief Management
- (I) Requirement of Temporary Shelter and relief camps.
- (J) Communication Arrangements (k) Disposal and Dead carcasses (l) Coordination with NGO.

**CONCLUSION :**

Over the years flood accompanied by erosion is a regular phenomenon is N.E.R., specially in Assam and the Govt. machinery as well as the people have learnt to face it with courage. The threat of an severe earthquake requires serious thinking. Meeting with political leaders, NGOs, representatives of different organisations etc. and frequent interactions will improves the coping capacity level at both the Govt. and the society level. Needless to say that the government machinery and the community (groups) should work hand to hand to prepare for as well as mitigate sufferings of the people in distress during disasters both natural and man-made. The doctors and nurses can play a very significant role during such emergencies. They should provide medicine, and health cheek-up camps time to time to reduce the peoples sufferings.

The NGOs working in the N.E.R. must come forward with inner zeal to help the people affected by disasters of any kind. Food, clothing, medicines and shelter are the essential items to be considered under aforesaid situations.

It is really a matter of pride that some NGOs, like Indian Red Cross Society, Rotary Club, Lions Club, Leo Club, etc. have been arranging medical camps providing health cheek-up facilities supplying necessary food items and clothings for last many years accompanied by team of doctors, nurses and medical students provided by medical colleges. Many voluntary organisation, students unions, educational and non-educational Institutions and agencies, financial and non-financial organisation etc. havee come forward to help the needy people during disasters which indeed is the need of the hour. All such activities must be encouraged and appreciated. Both Central and State Govt. should serve these people to their best during any form of disasters. The ultimate realisation is that decisions should be enabled to be taken by the people, who are most affected by such decisions. That is what disaster management ought to be.

# বিহুগীতত অসমীয়া সমাজৰ প্ৰতিচ্ছবি

পদুমী বেদিয়া
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

অসম বিভিন্ন জাতি জনগোষ্ঠীৰে সমৃদ্ধিশালী ৰাজ্য। অসমৰ বিভিন্ন জাতি-জনজাতি লোকসকলে বিহু নাইবা ইয়াৰ অনুষঙ্গিক আচাৰ পালন কৰে। কৃষিজীৱি মানুহে নতুন বছৰৰ আৰম্ভণিতে খেতি-বাতি আৰম্ভ কৰিবলৈ বিভিন্ন ধৰণৰ লোকাচাৰ, অনুষ্ঠান আদি পালন কৰে। এই আচাৰ-অনুষ্ঠানবোৰৰ অপৰিহাৰ্য অঙ্গ আছিল নৃত্য-গীত, পূজা-পাতল আদি। সেই দৃষ্টিৰে চাবলৈ গ'লে আমাৰ বিহু অতিকৈ প্ৰাচীন। বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহু আগমনৰ লগে লগে অসমৰ প্ৰকৃতি মনোমোহা সৌন্দৰ্যৰে পৰিপূৰ্ণ হয়।

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ। যিহেতু জাতীয় জীৱনৰ পটভূমিত এখন দেশৰ সাহিত্য-সংস্কৃতিৰ বিকাশ হয় সেয়েহে বিহু উৎসৱত প্ৰচলিত বিহুগীতবোৰত অসমীয়া সমাজ আৰু কৰ্মজীৱনৰ নিপোটল চানেকি পোৱা যায়। বিহুগীতসমূহ মাথোন ডেকা-গাভৰুৰ উন্মুক্ত মনৰ প্ৰেমপ্ৰীতি নিৱেদনৰ গীত নহয়। বিশ্লেষণাত্মক দৃষ্টিৰে লক্ষ্য কৰিলে দেখা যায় যে ইয়াত জনজীৱনৰ নৈতিক, আধ্যাত্মিক আৰু সামাজিক প্ৰতিচ্ছবি বিদ্যমান। মানৱ জীৱনৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, শ্ৰদ্ধা-ভক্তি, অভাৱ-অনাটনৰ কথা বিহুগীতৰ যোগেদি ফুটি উঠিছে। বিহুগীতৰ মাজেৰেই ফুটি উঠিছে অসমীয়া জাতিৰ মহত্ত্ব।

কৃষিজীৱী মানুহৰ সমূহ বিশ্বাস, কৰ্ম উদ্দীপনা আৰু পোৱা-নোপোৱা, আশা-নিৰাশা, শ্ৰম-জীৱনৰ লোকগাথাঁ, আহৰণৰ প্ৰতি সুগভীৰ শ্ৰদ্ধা আদিৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয় বিহুৰ মাজত। আমাৰ পুৰণি সমাজখনত ধৰ্মৰ বিশ্বাস অটল আছিল, বুঢ়ামেথাসকলৰ প্ৰতি অগাধ ভক্তি শ্ৰদ্ধা কৰিবলৈ পাহৰা নাছিল। সেয়েহে -

*"প্ৰথমে প্ৰণামো দেৱী সৰস্বতী*
*দ্বিতীয় প্ৰণামো হৰি*
*তৃতীয় প্ৰণামো গাঁৱৰ বুঢ়া মেথা*
*ধৰি যাওঁ নামেৰে গুৰি।"*

প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক অভিন্ন। বিহুগীতত মানুহৰ উপৰিও চৰাই-চিৰিকটি, জীৱ-জন্তুৰ বৰ্ণনা পোৱা যায়। গৰুৰ আদৰ অসমীয়া সমাজত খুব বেছি। গৰুক যথেষ্ট আদৰ কৰা হয়। বিহুৰ সময়ত গৰুৰ বাবেও এনেদৰে পদ গোৱা যায় -

*"লাউ খা বেঙেনা খা*
*বছৰে বছৰে বাঢ়ি যা*
*বাপেৰে সৰু মাৰ সৰু*
*তই হ'বি বৰ গৰু।"*

তাঁতশালখন অসমীয়া তিৰোতাৰ অতি আপোন। প্ৰতিজনী অসমীয়া গাভৰুৱে এসময়ত তাঁত জানিছিল। কাপোৰত সপোন ৰচিছিল অসমীয়া গাভৰুৱে। মৰমৰ দীঘ দি চেনেহৰ বাণীৰে আপোনজনলৈ বুলি গামোচত ফুল তুলিছিল। মাতৃ-ভগ্নীয়ে বোৱা কাপোৰ পিন্ধি বিহু মাৰিবলৈ গৈছিল।

*"সৰু সূতাৰ চেলেংখনি*
*বৈ দিয়া সৰুভনী*
*হুচৰি গাবলৈ যাওঁ।"*

অতিথিপৰায়ণ বুলি অসমীয়া মানুহৰ এটা সুনাম আছে। অসমীয়া মানুহে আনক খুৱাই ভাল পায়। বিহুৰ বতৰত ইজনে-সিজনক নিমন্ত্ৰণ কৰে। বিহুগীতৰ কলিবোৰত অসমীয়া খাদ্যৰ জলপানৰ আভাস পোৱা যায়। মহৰ এঠা দৈ গাখীৰৰ লগত জলপানৰ জুতি অপূৰ্ব। অসমীয়া গাভৰুৱে ঢেঁকীত খুন্দা চিৰাৰে বৰবিহু পাতে -

*"ঢেঁকীত খুন্দিছোঁ মই চিৰা-পিঠা*
*ঘনে পতি হাতলৈ চাওঁ।"*

গাঁৱলীয়া মানুহৰ অন্যান্য কামৰ ভিতৰত কাঠী-কামিও অন্যতম। বাঁহ-বেতেৰে নিজে পোহপাল যোৱাৰ উপৰিও মৰাৰ পাছতো সৎকাৰৰ ইন্ধন যোগোৱাৰ কথা বিহুগীতত এনেদৰে উল্লেখ আছে -

*"বাৰীৰ পাছফালে জাতি বাঁহ এজুপি*
*সিও মোৰ সোদৰৰ ভাই*
*জীয়াই থাকোঁমানে কৰো কাঠি-কামি*
*মৰিলে লগতে যায়।"*

ফুল, তৰা আৰু জোন বিহুগীতৰ অপৰিহাৰ্য সোঁত। মদাৰ ফুল ৰঙা। ৰঙা ৰং হৈছে মৰমৰ প্ৰতীক। কিন্তু ৰূপহী মদাৰৰ ৰূপ কাৰো বাবে দুখৰ কাৰণো হ'ব পাৰে। কিয়নো -

*"কেলেই ফুলিলি ৰূপহী মদাৰ ঐ*
*কেলেই পেলালি কলি*
*গুৰুতো নালাগে ভকততো নালাগে*
*থাকে তলে ভৰি সৰি।"*

সময়ৰ লগে লগে মদাৰেও মৰ্যাদা পালে। মদাৰ এতিয়া সমাজৰ বাবে বিপ্লৱৰ প্ৰতীক। সেইদৰে জোনৰ বৰ্ণনাও বিহুগীতত পোৱা যায় এইদৰে -

*"শহুৰৰ ঘৰতে দেখি থৈ আহিছোঁ*
*সাইলাখ পূৰ্ণিমাৰ জোন।"*

আকৌ লোকসাহিত্যত অৰ্থনৈতিক জীৱনো অতি সুন্দৰকৈ ফুটি উঠিছে। বিয়া পাতিবলৈ যুগ্ম জীৱন সুখেৰে অতিবাহিত কৰিবলৈ ধন নহ'লে নহয়। কিন্তু অভাৱ-অনাটনত জৰ্জৰিত হ'লেও সৰ্বহাৰা, ডাল দৰিদ্ৰ হলেও প্ৰেম-প্ৰীতিয়ে সেইবোৰ নামানে। অন্তৰেৰে ভালপোৱা গৰাকীক আপোন কৰি ল'বলৈ প্ৰয়োজন হ'লে হালৰ গৰু বেচিবলৈকো কুণ্ঠাবোধ নকৰে, আনকি সহোদৰ ভাইক বেচিবলৈকো সাজু -

*"হালৰে বেচিমে কজলা দমৰা*
*গোহালিৰ বেচিমে গাই*
*তেও যদি ধনেৰে জোৰাব নোৱাৰোঁ*
*বেচিম সোদৰৰে ভাই।"*

বিহুৰ বতৰত অভাৱ-অনাটনে জুৰুলা কৰি পোলোৱা জনৰ পৰৰ আনন্দ দেখি মাথোঁ হুমুনিয়াহহে ওলাই আহে। আজিৰ সামাজিক পৰিৱেশৰ লগত পুৰণি কালৰ সামাজিক পৰিৱেশৰ মিল নাথাকিলেও দুখীয়াৰ মনৰ বেদনা কিন্তু তেতিয়াও আজিৰ দৰেই আছিল -

*"দুখৰ ভাই-ককাই হলো ঐ দুখীয়া*
*সাজি ল'ব নোৱাৰো ঘৰ*
*পটীয়া পাটীকে কিনি ল'ব নোৱাৰোঁ*
*তাতো কৰে ছবুৰি দৰ।"*

অসমীয়া বিহুগীতসমূহ বিশ্লেষণ কৰি ক'ব পাৰি যে প্ৰতিটো গীতেই অসমৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ উপৰিও অসমীয়া জাতিৰ ই জাতীয় পৰিচয়ৰ একো একোখন খোলা খিড়িকী।

সাম্প্ৰতিক কালত বিহুক গছতল, মুকলি পথাৰৰ পৰা মঞ্চলৈ উলিয়াই অনা হ'ল। প্ৰথমতে এই প্ৰচেষ্টাই প্ৰকৃত অৰ্থত বিহুক জাতীয় উৎসৱ ৰূপেই দিছিল। কিন্তু লাহে লাহে বিহুৱে অন্য এক ৰূপ ল'লে। বিহুত আধুনিকতাৰ প্ৰভাৱ পৰিল। বিহু সন্মিলন পাতিবলৈ গৈ তাত বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰহে আয়োজন কৰে। কিন্তু এইধৰণৰ বিহুৰ মাজেৰে আমাৰ অসমীয়া সমাজৰ বাপুটি সাহোন বিহুটিক কিমান দিন জীয়াই ৰাখিব পাৰিম সেইকথা বৰ চিন্তনীয় হৈ পৰিছে। এই সকলোবোৰৰ বাবে দোষী কোন বাৰু? নিশ্চয়েই আমি। গতিকে আমিয়েই আমাৰ বাপুটি সাহোন বিহুটিক জীয়াই ৰাখিবলৈ ন-প্ৰজন্মই প্ৰতিজ্ঞাবদ্ধ হোৱাটো আমাৰ কৰ্তব্য।

●●●

# যুৱ সমাজত পাশ্চাত্যৰ প্ৰভাৱ

প্ৰণৱ শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ
(কলা শাখা)

যুৱ শক্তিয়েই হৈছে মানৱ সমাজৰ মেৰুদণ্ড স্বৰূপ। সুস্থ সামাজিক বাতাবৰণ সৃষ্টি কৰাৰ কাৰণে যুৱ সমাজৰ অৰিহণা অতুলনীয়। কিন্তু বৰ্তমান আমাৰ সমাজত ইয়াৰ বিপৰীতমুখী প্ৰতিক্ৰিয়া মাথোন। বৰ্তমান যুৱ সমাজৰ একাংশই, শিক্ষা, নৈতিকতা, মূল্যবোধ আদি সুস্থ জীৱনধাৰণৰ প্ৰয়োজনীয় উপাদানবোৰ একাষৰীয়াকৈ থৈ পাশ্চাত্য জীৱন ধাৰণৰ প্ৰণালীৰ দ্বাৰা প্ৰভাৱিত হৈ এটা বিশৃংখল জীৱনৰ পাতনি মেলিছে।

আজিকালি যুৱ প্ৰজন্মক প্ৰায়বোৰ দিশতে পাশ্চাত্য প্ৰভাৱে ছানি ধৰিছে। বৰ্তমানৰ বস্তুবাদী মানসিকতাই আমাৰ যুৱসমাজক এনেভাৱে গ্ৰাস কৰি পেলাইছে যে আমি নিজৰ বাহিৰে আনকাৰোবাৰ কথা চিন্তা কৰিবৰ কাৰণে সুৰুঙা উলিয়াব নোৱাৰোঁ।

পাশ্চাত্য প্ৰভাৱৰ ফলতে বৰ্তমান কিছুমান কিশোৰ, কিশোৰীয়ে নানা ধৰণৰ ৰাগিয়াল বস্তু অবাধে সেৱন কৰি সমাজৰ লগতে নিজৰ জীৱনলৈকো আন্ধাৰ কঢ়িয়াই আনিছে। বৰ্তমানৰ যুৱ প্ৰজন্ম নিচাসক্ত দ্ৰব্যৰ প্ৰতি ইমানেই আকৃষ্ট হৈ পৰিছে যে দ্ৰব্য সমূহ সংগ্ৰহ কৰিবলৈ তেওঁলোকে চুৰি আৰু হত্যাৰ দৰে ঘৃণনীয় কাৰ্য কৰিবলৈও কুণ্ঠাবোধ নকৰে। পশ্চিমীয়া সংস্কৃতি অনুকৰণ কৰি বৰ্তমান ধনী শ্ৰেণীৰ যুৱ প্ৰজন্মই যিবোৰ বস্তু ব্যৱহাৰ কৰে আৰু জীৱন নিৰ্বাহৰ বাবে যিটো জীৱন প্ৰণালী বাছি লৈছে সেই পদ্ধতিৰ বাবে মধ্যবিত্ত শ্ৰেণীৰ যুৱ প্ৰজন্ম হতাশগ্ৰস্ততাত ভোগা দেখা গৈছে। লগতে ধনী শ্ৰেণীৰ লগত খোজ মিলাবলৈকে বহুতে সহজতে ধন ঘটাৰ উপায়ৰ বাবে সমাজত বিভিন্ন দুষ্কাৰ্য সংঘটিত কৰাৰ ঘটনাও প্ৰত্যক্ষ কৰা যায়।

ইয়াৰ উপৰিও পাশ্চাত্য সমাজৰ পৰা আমাৰ সমাজলৈ সোঁচৰা আন এক ব্যাধি হ'ল- 'লিভিং টুগেদাৰ'। যি ব্যাধিক আমাৰ যুৱ প্ৰজন্মই আদৰি লোৱাৰ ফলত বৰ্তমান যুৱসমাজৰ সামাজিক দায়বদ্ধতা হ্ৰাস পাইছে। 'লিভিং টুগেদাৰ'ৰ দৰে ব্যাধিৰ বাবে 'বিয়াৰ' দৰে পবিত্ৰ বান্ধোনৰ প্ৰতি আমাৰ যুৱ সমাজে অনীহা প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়।

বৰ্তমানৰ যুৱ প্ৰজন্মই আধুনিকতাৰ দোহাই দি যিবোৰ সাজপাৰ পৰিধান কৰিবলৈ লৈছে সিও পশ্চিমীয়া সংস্কৃতিৰ অৱদান। পশ্চিমীয়া দেশৰ প্ৰভাৱ পৰা এই সাজপাৰে আমাৰ সমাজ ব্যৱস্থাত এক উশৃংখল পৰিৱেশৰ সৃষ্টি কৰিছে। অৰ্ধনগ্ন সাজপাৰৰ ফলতে বৰ্তমান নাৰী নিৰ্যাতনৰ দৰে ঘটনা বৃদ্ধি পাইছে। বৰ্তমান পৰম্পৰাগত সাজপাৰৰ পৰা এনে কিছুমান পশ্চিমীয়া আৰ্হিৰ পোছাক তৈয়াৰ কৰা হৈছে যাৰ ফলত পৰম্পৰাগত সাজপাৰে নিজৰ অস্তিত্ব হেৰুৱাই পেলাইছে। বৰ্তমানৰ নৱ প্ৰজন্মই পশ্চিমীয়া আধুনিক আৰ্হি গ্ৰহণ কৰিলেও এটা কথা মনত ৰখা দৰকাৰ যে শালীনতাৰ চাপ নথকা সাজপাৰে ব্যক্তিৰ ব্যক্তিত্ব সুস্থ হোৱা নুবুজায় এনেকুৱা সাজপাৰে ব্যক্তিৰ ব্যক্তিত্ব শূন্য অথবা অসুস্থ মানসিকতাৰহে ইংগিত দিয়ে, লাগিলে পোছাকজোৰত মূল্যবান হীৰা বা জিকমিকিয়া সোণেই লগোৱা থাকক। পশ্চিমীয়া সংস্কৃতিয়ে আমাৰ আচাৰ-ব্যৱহাৰ, খাদ্যাভ্যাস, বাস কৰাৰ ধৰণ-কৰণ আদিৰ ওপৰত এনেভাৱে প্ৰভাৱ পেলাব ধৰিছে যে আৰু কেইবছৰ মানৰ পাছত হয়তো আমি আমাৰ নিজৰ অস্তিত্বই হেৰুৱাই পেলাব লগীয়া হ'ব পাৰে।

●●●



# The Most Beautiful Martial Art

## TAE KOWON DO

**Kalyan Saikia**
T.D.C. 1st year, Arts

Taekwondo is the name of the martial art turned modern international sport which has been independently develop over about 20 centuries in Korea. The main feature of Taekwondo is that it is a free fighting combat sport using both hands and feet to repel an opponent.

All of its activities are based on defensive spirit since Taekwondo was develop as a defensive against enemy attacks. In old days people living simple lives lacked physical fitness and there bodies become bent in their old age. Taekwondo also served to improve health physical fitness and poise of the people practising it.

Our belief is that Taekwondo trained men are self confident not only in physical aspects but also in their mental discipline, because they have developed superior technique for personal defence by using their entire bodies. For a Taekwondo man, his entire body is a weapon, and he is easily able to attack and beat of an aggressor with hand first, elbows, knees, feet or any other part of his body.

The most important fact about Taekwondo as a martial art sport is that it is not only a superior art of self defense, but it adds remarkable ban sens to its practitioners, self confidence marks people generous in their attitudes toward weaker people. They can stand equally against any opponent, but their code forbids unfair assaults or unnecessary use of force. The practice of Taekwondo gives an individual the mental attitude of force. The practice of Taekwondo gives an individual the attitudes of modesty. The virtues of modesty and generous are fundamentally based on self confidence. It is obvious that healthy bodies make men active and powerful. Such mental and physical self confidence are beneficial to the mental life of individuals as to their families, neighbours and their nation.

In recent years, Taekwondo has become a modern amateur sports. It has became a modern world sport with traditional and spirit of martial science maintain. It was incorporate in to regulars curriculum of primary school through colleges. It became an integral part of training in the military. Constitution, rules and regulations and promotion test rules were all development to meet requirements as international amateur sport. As a martial art sport Taekwondo has become an official sport of Sydney Olympic Games in 2000 after participating in 1988 and 1992 Olympic Games as a demonstration sport.

**TODAY TAEKWONDO IN THE FIRST HALF OF THE 20TH CENTURY**

Along with the deterioration of national fortunes, the fall of the military was accelerated by the dismantling of the army, finally invasion.

The appation of the Korean people by the Japanese imperialists worsened and the practising of martial art, which could have been

used as a means of revolt, was forbidden.

However, Taekwondo persisted in spirit of the Korean people as a physical and spiritual training method of Anti Japanese Organisations such as the Independence Army and the Liberation army and as a legacy which had pass on to the younger generation.

**AFTER LIBERATION FROM THE JAPANESE INVASION - 1970'S :**

After liberation from the Japanese invasion on August 15, 1945 those with the aspiration to revitalize the traditional art of Taekwondo thought the follows and at last on September 16, 1961 the Korea Taekwondo Association was established. On February 25, 1962, the Korea Taekwondo Association became the 27th affiliate to join the Korea Amateur Sports Association. On October 9, 1963 Taekwondo became an official event for the first time in the development of competition rule and protection equipment started with the 1963 National Athletic Meet 32 years ago.

Korean instruction began going about to teach Taekwondo in the 1960's which could be called a turning point in the history of Taekwondo. Taekwondo made its way to the world sport through the 1st World Taekwondo Championship held in Seol, Korea on May, 1973 with participation of 19 countries. An the Seol meet held on May 28, 1973 on the occasion of the championships, representatives of those countries established the World Taekwondo Federation (W.T.F.)

**1980-1995 :**

Presently member countries of W.T.F. total 144 and the globe Taekwondo population is estimated at 30 million people. Spurred by the recognisation of Taekwondo by the IOC at its 33rd General Session in 1980. Taekwondo has been rapidly becoming a international sport. It was adopted as a demonstration sport of the 24th Seol Olympics 1988 and the 25th Barcelona Olympic in 1992.

Taekwondo was adopted as an official sport of Sydney Olympic Games in 2000 at the 103rd session of the IOC held in Paris, France on September 4, 1994.

Taekwondo has consolidated its position in the world sport as fast as any other martial art sport. Besides continental championships hosted by four regional union of the W.T.F. as well as in the world and womens world championship. World military Taekwondo Championships and World University Taekwondo Championship. Taekwondo is being played as an official sport in most international multi sport games such as Asian Games, American Games, All Africa Games, South East Asian Games, Bolivarian Games, South American Games and Central American and Caribbean Games etc. ● ● ●

> *কৰ্মহীনতা মানুহৰ চৰমতম অভিশাপ, আৰু কামেই তিনিটা অভিশাপৰ পৰা মানুহক মুক্ত কৰিব পাৰে- আমনি লগা, ভাব, দুষ্কাৰ্য আৰু দৰিদ্ৰতা।*
>
> - ভল্টেয়াৰ
>
> *মোৰ প্ৰয়োজন ভাল স্বাস্থ্য, অলপ সম্পদ, এটা সৰু ঘৰ আৰু স্বাধীনতা। আৰু এজন বন্ধু আৰু তেওঁক বিচৰাৰ প্ৰয়োজন।*
>
> - উইলফ্ৰেড অ'ৱেন



# আত্ম শ্লাঘা

পদ্মলোচন বড়ো
দ্বিতীয় বাৰ্ষিক (কলা শাখা)

আমি ছাত্ৰ আৰু আমাৰ পাছৰ নতুন যি প্ৰজন্ম (New generation) আহি আছে তেওঁলোকেও এই পৰ্যায়ত দুদিনমানৰ পাছতেই ভৰি দিবহি। 'ছাত্ৰ' যি আমাৰ দেশৰ আহি থকা কালছোৱাৰ এক নৱতম শক্তি। কিন্তু প্ৰায় কিছুবছৰৰ পৰা দেখা গৈছে যে আমাৰ এই ছাত্ৰৰ যি বল বা ক্ষমতা আছে তাক সমূলি ধ্বংস কৰি দিছে এক কৃত্ৰিম শক্তিয়ে। এই শক্তিৰ ৰূপ বহু প্ৰকাৰৰ; ইয়াৰ নামো এটি নহয়, বহুটি। উদাহৰণ স্বৰূপে 'ত্ৰিৰংগা'। নামটি শুনিলে লাগে যেন ই আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ, ভাৰতৰ জাতীয় পতাকাখনি; কিন্তু নহয়, ই আমাৰ দেশৰ এক কলংকৰহে পাত্ৰ। মই এই 'ত্ৰিৰংগা' নামটি উল্লেখ কৰাৰ কাৰণ হৈছে এয়ে যে বৰ্তমান সময়ত এই নামটি স্কুলীয়া ছাত্ৰ তথা যুৱকসকলৰ মুখত বৰকৈ প্ৰচলিত হ'বলৈ ধৰিছে। এই নামটি আৰু বহুটো নাম লৈ গঠন হৈছে এই কৃত্ৰিম অপশক্তিৰ। যাৰ ফলত ছাত্ৰ সমাজৰ বহুতো ছাত্ৰ এই শক্তিৰ চিকাৰ ৰূপে পৰিগণিত হৈছে। ইয়াৰ লগতে আমাৰ ছাত্ৰই বিশেষকৈ নৱম-দশম আৰু প্ৰথম বাৰ্ষিক মান শ্ৰেণীৰ ছাত্ৰসকলৰ মাজত কিছু ছাত্ৰই 'চিগাৰেট' 'মদ' আদিও সেৱন কৰা দেখা যায়। সিহঁতে ভাবে যে এইয়া সিহঁতৰ গৌৰৱৰ বিষয়- সিহঁতে চিগাৰেট, মদ আদি খাই সকলোৰে ওপৰত বীৰত্বৰ প্ৰমাণ দাঙি ধৰিছে। কিন্তু সিহঁতৰ উচ্ছৃংখল আৰু চঞ্চল মনে ধৰিবই নোৱাৰে যে সিহঁতে এক মৃত্যুমুখী যাত্ৰাপথৰ দুৱাৰ মুকলি কৰিছে আৰু সেই অচিন পথৰ মাজেৰে যাব ধৰিছে যি পথৰ প্ৰতিটো জিৰণি চ'ৰাত আছে কেৱল মৃত্যুৰ খোৰাক আৰু মুখ্য স্থানত আছে 'মৃত্যু'।

জীৱনটি এটি দিনৰ দৰে। যদি ৰাতিপুৱাতে মনটো প্ৰফুল্ল হৈ থাকে তেতিয়া দিনটোৰ সকলোবোৰ কাম সুকলমে আৰু সুন্দৰভাৱে সমাধা হৈ যায়। ঠিক তেনেকৈ যদি এজন ছাত্ৰক শিশু অৱস্থাৰ পৰাই স্বভাৱ-চৰিত্ৰৰ গঠনত গুৰুত্ব দিয়া নহয়, তেন্তে সেই ছাত্ৰৰ স্বভাৱ অসৎ, ক্ৰমাৎ বেয়াৰ ফাললৈ যাবলৈ ধৰে। কিছুমান ছাত্ৰই মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ পৰে বাবে এই পথ বাছি লয়। গুৰুত্ব দিব লাগে যে ছাত্ৰজনৰ হৃদয়ৰ পৰা তেখেতসকলৰ মৰমৰ সেই বান্ধোন খুলিব ধৰিছে নেকি। এনে কিছুমান ছাত্ৰ আছে যিসকলে দেউতাক মাকৰ অজস্ৰ ধনৰ বাবেও বেয়া হ'বলৈ ধৰিছে। দেউতাক মাকে দিয়া ধনেৰে ছাত্ৰই নিজৰ টিউচনৰ ফিজ নভৰি মদৰ দোকানৰ পৰা মদৰ বটল কিনি নি কোনো নিৰ্জন ঠাইত সেৱন কৰেগৈ। তাৰ উপৰিও চিনেমা ঘৰত গৈ প্ৰাপ্তবয়স্কৰ চিনেমাসমূহ (ছবিসমূহ) উপভোগ কৰেগৈ। এনে ধৰণৰ বহুতো কাৰ্য্যকলাপ আছে, যি ছাত্ৰই অভিভাৱকৰ অজ্ঞাতে কৰি ফুৰে। এনে ধৰণৰ সকলোবোৰ কাৰ্য্যকলাপৰ পৰা ছাত্ৰজনক বিৰত ৰখাৰ অতিকৈ প্ৰয়োজন এই দায়িত্ব ছাত্ৰজনৰ অভিভাৱকৰ। যিহেতু মই নিজেই এজন ছাত্ৰ, গতিকে মই এই কাৰ্য্যকলাপ সমূহ সংঘটিত হোৱা প্ৰায় আন ছাত্ৰৰ মুখত শুনা পাওঁ নাইবা কেতিয়াবা মই নিজেই দেখিবলৈ পাওঁ।

ইয়াৰ পাছৰ যি দায়িত্ব আহি পৰে সেই দায়িত্বসমূহ হৈছে ছাত্ৰজনৰ বন্ধুবৰ্গৰ আৰু মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা সকলৰ। মই দেখাত আজিলৈকে যিমান সময় এই মহাবিদ্যালয়ত কটালো, মই দেখিলো মোৰ লগৰসকল, মোৰ দাদাসকল আৰু মোতকৈ সৰু ভাইটি সকলক আমাৰ ছাৰ-বাইদেউসকলে সদায় সৎ আৰু ভাল হ'বলৈ যৎপৰোনাস্তি বুজনি দি আহিছে। মোৰ দৃষ্টিৰে চাবলৈ গ'লে, মই ভাবোঁ যে ছাৰ-বাইদেউসকলে তেখেতসকলৰ দায়িত্ব পুনঃ পুনঃ ভাৱে তথা সম্পূৰ্ণৰূপে পালন

কৰিছে।

অন্তিম দায়িত্ব আমাৰ আছে তাৰ মাজতে এজন মই। কিন্তু আমাৰ ছাৰ-বাইদেউসকলৰ বাবে মই এটা প্ৰশ্ন দাঙি ধৰিব খোজোঁ যে আমি যদিও সেই মৃত্যুমুখী পথলৈ যাত্ৰা কৰা ছাত্ৰসকলক আমাৰ মাজৰ এজন বন্ধু কৰি ল'ব বিচাৰোঁ তথাপি সেই ছাত্ৰসকলে তেওঁলোকৰ সেই বেয়া বন্ধুবৰ্গৰ লগ লৈহে ভাল পায়। মোৰ প্ৰশ্নৰ এইখিনিতে উত্তৰ যে আমি সেই ছাত্ৰসমূহক কেনেকৈ আমাৰ বুজনি দিম?

মই এই লেখাৰ সহায়েৰে মোৰ দাদাসকল তথা বন্ধুসকল আৰু মোৰ মৰমৰ ভাইটিসকলক ক'ব বিচাৰোঁ যে তেওঁলোকে যদি এই মৃত্যুমুখী পথৰ যাত্ৰী হৈ পৰিছে, তথাপি পুনৰ উলটি আহিবলৈ চেষ্টা কৰে যেন। ●



- সমাজৰ ব্যক্তিৰ বিকাশ নহ'লে আদৰ্শৰো আৱশ্যক নাই, আদৰ্শ এটা আহুকলীয়া বস্তু। আদৰ্শই নতুন নতুন ভাব আৰু অনুভূতিৰ সোঁত বোৱাই আহুকাল, অসন্তোষ, আনকি বিপ্লৱৰো সৃষ্টি কৰে। ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।

  - কৃষ্ণকান্ত সন্দিকৈ

- আমি দুখীয়া হ'ব পাৰো, কিন্তু যাতে অসৎ নহওঁ তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।

  - মাও জে ডং

- তোমাৰ যদি আত্মবিশ্বাস আছে তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা। তোমাৰ জয় নিশ্চিত।

  - ৰুডয়াদ কিপলিং

- কেতিয়াও হতাশ নহবা; আৰু যদিও কেতিয়াবা হতাশাত তোমাৰ মন ভৰি পৰেও, তথাপি নিজৰ কামত লাগি থাকিবা।

  - এডমাণ্ড বাৰ্ক



# বিজ্ঞান বাৰ্তা

চন্দন জ্যোতি চেতিয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

**১) সৌৰজগতৰ দশম গ্ৰহ আৱিষ্কাৰ ঃ**

কেলিফ'ৰ্নিয়া ইনষ্টিটিউট অৱ টেকন'লজিৰ মহাকাশ বিজ্ঞানী মাইকেল ব্ৰাউনে সৌৰজগতৰ মানচিত্ৰ সলনি কৰি সূৰ্যক প্ৰদক্ষিণ কৰা দশমটো গ্ৰহ আৱিষ্কাৰ কৰিছে। উল্লেখযোগ্য এইয়ে যে, ৬৯৩০ চনত প্লুটো গ্ৰহ আৱিষ্কাৰৰ পিছত প্ৰথমবাৰৰ বাবে সৌৰজগতৰ এনে এটা গ্ৰহ আৱিষ্কাৰ হয়। এই গ্ৰহটোৰ আকাৰ আৰু আকৃতি প্লুটো গ্ৰহতকৈ ভালেখিনি ডাঙৰ। যোৱা ৩০ জুলাইত কেলটেকত অনুষ্ঠিত এক সন্মিলনত মহাকাশ বিজ্ঞানী ব্ৰাউনে কয় যে, পৃথিৱীৰ পৰা পোন্ধৰ বিলিয়ন কিল'মিটাৰ দূৰত্বত অৱস্থিত এই গ্ৰহটো মিথেনৰ বৰফেৰে আবৃত। তেওঁ এই গ্ৰহটোৰ নাম দিছে ২০০৩ -ইউ বি ৩১৩। সূৰ্যৰ পৰা পৃথিৱী যিমান দূৰত অৱস্থিত সেই দূৰত্বৰ ৯৭ গুণ দূৰত্বত এই গ্ৰহটো অৱস্থিত। গ্ৰহটোৰ প্ৰকৃত আয়তন অৱশ্যে এতিয়াও জানিব পৰা হোৱা নাই।

**২) বিশ্বৰ প্ৰথম কুকুৰৰ ক্লʼন ঃ**

অৱশেষত বিশ্বৰ প্ৰথমটো কুকুৰৰ ক্ল'নৰ জন্ম দিয়া হ'ল। ক্ল'নত কুকুৰটো জন্ম দিয়াৰ কাম দক্ষিণ কোৰিয়াৰ কেইগৰাকীমান গৱেষকে সম্ভৱ কৰি তুলিছে। উল্লেখযোগ্য এইয়ে যে এই প্ৰযুক্তিৰ দ্বাৰা মানুহৰ বিভিন্ন দুৰাৰোগ্য ৰোগ নিৰাময় কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ক্ল'নত কুকুৰটো, ছিউল নেচনেল ইউনিভাৰচিটিৰ গৱেষক হোৱাং উ-ছুক আৰু তেওঁৰ সহযোগীসকলে ছিজাৰিয়ান পদ্ধতিৰে ইয়াক জন্ম দিয়া বুলি ঘোষণা কৰিছে। উক্ত বিশ্ববিদ্যালয়ৰ পশু চিকিৎসালয়ত যোৱা ২৪ এপ্ৰিলত জন্ম দিয়া ক্ল'ন কুকুৰটো পিতৃৰ সৈতে সম্প্ৰতি হোৱাংৰ গৱেষণাগাৰৰ সন্মুখৰ লনত খেলা-ধূলা কৰি থকা দেখা গৈছে। স্বাভাৱিক অৱস্থাৰ এই কুকুৰটোৰ নাম দিয়া হৈছে "স্নুপী"। এটা তিনি বছৰীয়া চিকাৰী আফগান কুকুৰ আৰু চাৰিবছৰীয়া মাতৃৰ ক্ল'ন এই কুকুৰ পোৱালিটোৰে সম্প্ৰতি বিশ্বৰ বিজ্ঞানী মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। জানিব পৰামতে "ছ'মেটিক চেল নিউক্লিয়াছ ট্ৰেন্সফাৰ" প্ৰযুক্তিৰে ক'লা বৰণৰ মতা কুকুৰটোৰ কাণৰ ছালৰ কোষ সংগ্ৰহ কৰি সোণালী ৰঙৰ মাইকী কুকুৰজনীৰ গৰ্ভত সংস্থাপন কৰা হয়। গৱেষক হোৱাঙে সংবাদ মাধ্যমৰ আগত মানুহৰ অন্যতম বন্ধু জীৱ হিচাপে পৰিচিত কুকুৰৰ প্ৰথম ক্ল'ন সম্পন্ন কৰা চাৰি মাহৰ পিছত প্ৰকাশ কৰিছে। শেহতীয়া পদ্ধতি অনুযায়ী গৱেষণাকাৰী দলটোৱে মুঠতে ১০৯৫ টা ভ্ৰূণ সৃষ্টি কৰিছিল। ইয়াৰ ১২৩ টা পালিতা মাতৃৰ গৰ্ভত সংস্থাপন কৰা হয় যদিও তিনিটাতহে সফল হ'ব পৰা যায়। ইয়াৰো আকৌ এটা ভ্ৰূণ সম্পূৰ্ণ হ'বলৈ নাপালে। আন দুটা ক্ল'ন কুকুৰৰ জন্ম হ'ল যদিও তাৰে এটাৰ জন্মৰ ২২ দিনৰ পিছত নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। শেষৰটো ক্ল'ন কুকুৰ বৰ্তমান সুস্থ অৱস্থাত জীয়াই আছে। কুকুৰ পোৱালিক ইংৰাজীত 'Puppy' শব্দৰে জনা যায় যদিও ক্ল'ন কুকুৰটোৰ ক্ষেত্ৰত ছিউল নেচনেল ইউনিভাৰছিটিৰ 'SNU' সংযোগ কৰি 'Snuppy' ৰখা হৈছে।

**৩) মঙল গ্ৰহত হোৱা দৈত্যকায় ধূলিৰ ধুমুহা ঃ**

সৌৰজগতৰ ৰঙা গ্ৰহ মঙলক লৈ চলা বৈজ্ঞানিক অন্বেষণে শেহতীয়াকৈ পৃথিৱীবাসীক বহুতো নতুন নতুন তথ্য দি আছে। মাৰ্কিন মহাকাশ গৱেষণা সংস্থা 'নাছাই' এতিয়া মঙলত আৱিষ্কাৰ কৰিছে দৈত্যকায় ধূলিৰ ধুমুহা যাক নাম দিয়া হৈছে "ডাষ্ট ডেভিল"। দৈত্যৰ দৰেই এই বা-মাৰলীৰ ৰূপ। পৃথিৱীৰ প্ৰচণ্ড ঘূৰ্ণি বতাহৰ দৰে প্ৰাকৃতিক পৰিঘটনাৰ লগত ইয়াৰ সাদৃশ্য আছে। কিন্তু মঙল গ্ৰহৰ ধুমুহা পৃথিৱীৰ বা-মাৰলী বা

ঘূৰ্ণিবতাহতকৈ শতগুণে ভয়ংকৰ। নাছাই এই ডাষ্ট-ডেভিলৰ তথ্য লাভ কৰিছে সংস্থাটোৱে মঙলগ্ৰহলৈ প্ৰেৰণ কৰা স্পিৰিট নামৰ যানখন পৰা। স্মৰণীয় যে পূৰ্বে মঙলক প্ৰদক্ষিণ কৰা এখন মহাকাশ যানে প্ৰেৰণ কৰা ছবিৰ পৰাও ৰঙা গ্ৰহটোত সংঘটিত ধূলিৰ ধুমুহাৰ তথ্য পোৱা গৈছিল। এইবাৰ স্পিৰিট যানখনে গ্ৰহটোত বসন্ত ঋতুৰ ফলত হোৱা ধূলিৰ বা-মাৰলীৰ অতি স্পষ্ট আৰু ওচৰৰ পৰা তোলা ছবি প্ৰেৰণ কৰিছে। এই ছবিসমূহৰ পৰা ডাষ্ট ডেভিলৰ আমেৰিকা মহাদেশৰ প্ৰচণ্ড ঘূৰ্ণি বতাহ টৰ্নেডোৰ লগত মিল পোৱা গৈছে। নাছাৰ জেট প্ৰপালন লেব'ৰেটৰীৰ মতে এই ছবিসমূহ (১৫-০৪-০৫ আৰু ১৮-০৪-০৫) যোৱা ১৫ আৰু ১৮ এপ্ৰিলত মাত্ৰ বিশ ছেকেণ্ডত লোৱা হৈছিল আৰু মঙলৰ পূৰ্বৰ ধূলিৰ ধুমুহাতকৈ এই ধুমুহাৰ অধিক চলাচল দেখা গৈছে। বিজ্ঞানীসকলে বতাহ-ধুমুহা মঙলৰ বসন্তৰ ফলত সৃষ্টি হোৱা আৰু এইটো ঋতুগত বুলি ধাৰণা কৰিছে। কেইবা বছৰ ধৰি বিজ্ঞানীসকলে মঙলত যি ধূলিৰ ধুমুহা ধৰা পেলাইছিল সেইবোৰ কেইবা কিলোমিটাৰ ওখ আছিল আৰু এতিয়া হোৱা ধুমুহাসমূহো একেধৰণৰ। উল্লেখযোগ্য যে স্পিৰিট যানখনে ২০০৪ চনৰ জানুৱাৰী মাহত (৪৬৩ দিন পূৰ্বে) ৰঙা গ্ৰহটোত অৱতৰণ কৰিছিল। বৰ্তমান যানখন মঙল গ্ৰহৰ গুছেভ ক্ৰেটাৰ অঞ্চলৰ কলম্বিয়া পৰ্বত অঞ্চলত আছে।

●●●

*সকলো প্ৰাণীৰ ভিতৰত মানুহেই আটাইতকৈ অসহায়। মানুহ সিংহৰ নিচিনা বলী আৰু হৰিণৰ নিচিনা বেগী নহয়। মানুহৰ আত্মৰক্ষাৰ একমাত্ৰ অস্ত্ৰ হ'ল তেওঁৰ মনটো।*

- প্ৰটাগোৰাছ

*আমি কেতিয়াও নিজৰ লগত নাথাকো, আমি সদায় নিজকে অতিক্ৰম কৰি থাকো। ভয়, বাসনা, আশা - এই গোটেইবোৰে আমাক ভৱিষ্যতলৈ ঠেলি নি থাকে।*

- মঁতাই





# গতিশীল সময়

মিন্টু চাংকাকতি
স্নাতক তৃতীয় বৰ্ষ
(গণিত বিভাগ)

'সময়'..... সময় বুলিলে পোনপ্ৰথমে মনত পৰে সেই ঘড়ীৰ কাটাডালৰ কথা যাৰ অকণমানো ৰ'বলৈ আজৰি নাই, মাথোঁ টিক-টিককৈ গৈ থাকে অবিৰামভাৱে- আৰু তাৰ লগতে গৈ থাকে আমাৰ জীৱনৰ প্ৰত্যেকটো ক্ষণ। নহয় জানো? মানৱ জীৱনটোত এনে কিছুমান মুহূৰ্ত থাকে যিবোৰে গোটেই জীৱনটো সুগন্ধিময় কৰি ৰাখিব পাৰে। জীৱনৰ আবেলিপৰতো আজৰিপৰত সেই ক্ষণবোৰৰ স্মৰণেৰে মানসিক শান্তি লভিব পাৰি। কেতিয়াবা জানো এনে নেলাগে - যদি আমি এই ক্ষণবোৰক ধৰি ৰাখিব পাৰিলোহেতেন? শৈশৱৰ দিনবোৰলৈ উভতি চালে এনে নেলাগেনে যেন আমি যদি আকৌ সেই দিনবোৰলৈ ওভতি যাব পাৰিলোহেতেন? কিন্তু আমি সকলোৱে জানো যে এয়া মাথোঁ এক কল্পনা।

সময় বৰ নিষ্ঠুৰ। ই কাৰোলৈকে ৰৈ নেথাকে - কেৱল গৈ থাকে অন্তহীনভাৱে। হেৰুৱা ক্ষণ কেতিয়াও ঘূৰাই আনিব নোৱাৰি। মাথোঁ ৰৈ যায় তাৰ স্মৃতি। জীৱনৰ মধুৰতম দিনবোৰৰ স্মৃতিয়ে আমাৰ জীৱনৰ মানসপটত এক গভীৰ চাপ পেলাই যায়, যি ৰামধেনুৰ সাতটা ৰঙৰ দৰে উজ্জ্বলিত হৈ ৰয় আমাৰ হৃদয়কোষত।

সময়ে যিদৰে কাৰো বাবে বাট চাই নেথাকে, ঠিক সেইদৰে আমি কাৰো বাবে ৰৈ নেথাকি আমাৰ কৰ্তব্য পালন কৰি যাব লাগে। এযাৰ কথা আছে - 'সময়ৰ শৰ সময়ত মাৰিব নোৱাৰিলে শৰ পহুৰ মঙহ খোৱা টান।' অৰ্থাৎ যিটো কাম আমি যেতিয়া কৰিব লাগে, ঠিক তেতিয়াই সেইটো সমাধা কৰা উচিত। তেতিয়াহে তাৰ সুফল পাব পাৰি। আমি যদি ৬০ বছৰ বয়সত সাঁতোৰ শিকো বুলি কওঁ, ই জানো সম্ভৱ? কাহানিও নহয়। এই কাম আমি ল'ৰালি কালত কৰিব লাগে। ঠিক সেইদৰে পঢ়াৰ সময়ত পঢ়া, খেলাৰ সময়ত খেলা ইত্যাদি কামবোৰ সময়মতে কৰি গ'লেহে জীৱনত সফল হ'ব পাৰি। ভগবানে প্ৰত্যেকৰ বাবে একোটাকৈ সময় নিৰ্দ্ধাৰিত কৰি দিছে। সি লাগিলে পঢ়া-শুনাই হওক, খেল-ধেমালিয়েই হওক বা জন্ম-মৃত্যুৱেই হওক। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ 'মানুহে' মৃত্যুৰ বাবে সদায়ে ভয় কৰি থাকে। মৃত্যু জীৱণৰ এক পৰম সত্য। ই সকলোৰে বাবে অনিবাৰ্য্য। এই সংসাৰত যি জন্ম লাভ কৰিছে, সি এদিন নহয় এদিন মৰিবই লাগিব। কিন্তু ইয়ো এক নিৰ্দ্ধাৰিত সময়তহে। মানুহৰ জন্মও ভগবানে নিৰ্দ্ধাৰিত কৰা সময়তহে হ'ব আৰু মৃত্যুও তেতিয়াহে। সেয়ে কওঁ - সকলো কৰ্মৰে এক নিৰ্দ্ধাৰিত সময় আছে আৰু ইয়াক সেই সময়মতে সমাধা কৰাটো অতিকৈ জৰুৰী। মানুহৰ জীৱনটো দুখেৰেই ভৰা। ইয়াত সুখ মাত্ৰ আলহী স্বৰূপ। এই সুখৰ ক্ষন্তেকীয়া পলটোক আমি জানো ধৰি ৰাখিব নোখোজোঁ? কষ্টকৰ হ'লেও ই অসম্ভৱ নহয়। আমি সেই এক বিশেষ ক্ষণটোক নিশ্চয়ে ধৰি বান্ধি থব নোৱাৰোঁ কিন্তু সুখক আমি যত্ন কৰিলে সদায়ে জীৱনৰ এক অবিচ্ছেদ্য অংশ হিচাপে ৰাখিব পাৰোঁ। মাথোঁ প্ৰয়োজন হয় সময়ৰ সদ্বব্যৱহাৰ আৰু অলপ কষ্ট যাৰ অন্তত পৰি ৰয় মাথোঁ সুখ, শান্তি আৰু সময়।

●●●

# অসমীয়া লোক-সাহিত্যত মন্ত্ৰ, আইনাম আৰু দেহবিচাৰ গীত

**সমীৰণ কলিতা**
স্নাতক প্ৰথম বৰ্ষ
(নৃ-তত্ত্ব বিভাগ)

লোক-সাহিত্য যিহেতু জনসাধাৰণৰ অন্তৰৰ আনুভূতিক প্ৰকাশ, গতিকে "ভাৱ অনুভূতি আৰু ৰচনা প্ৰণালীৰ সৰলতাই এই সাহিত্যৰ ঘাই বৈশিষ্ট্য। " ৰচয়িতাৰ "অশৰীৰীত্ব বা ব্যক্তি নিৰপেক্ষতা" ইয়াৰ আন এটা বৈশিষ্ট্য। প্ৰতীক আৰু ৰূপকৰ মনোৰম প্ৰয়োগ, মানুহৰ প্ৰাণৰ সৈতে প্ৰকৃতিৰ সম্পূৰ্ণ অন্তৰঙ্গতা, উদ্ভিদ জগত আৰু জীৱজগতৰ আটাইৰে লগত অন্তৰৰ নিবিড় ঘনিষ্ঠতা" আদি লোক সাহিত্যৰ আন আন বৈশিষ্ট্য। তদুপৰি ই সাৰ্বজনীন।

লোক সাহিত্যৰ পৰিধি ব্যাপক। ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে "লোক জীৱনৰ লগত নিবিড়ভাৱে সমন্ধ থকা সাহিত্যৰ ভিতৰত প্ৰধান হ'ল যোজনা-ফকৰা বা প্ৰবাদ, সাঁথৰ, নিচুকনি, জন্মৰ পৰা মৃত্যুলৈকে পালন কৰা পৰ্বৰ লগত জড়িত গীত-সমূহ, উৎসৱ-অনুষ্ঠানৰ গীত, লোক ধৰ্ম সমন্ধীয় গীত, কৰ্ম-গীত, সাধুকথা, কিংবদন্তী আৰু পুৰা-কাহিনী।" এই বিশাল সাহিত্য সম্ভাৰবোৰক থুপাই আনি আমি ১) যোজনা-ফকৰা, সাঁথৰ, পটন্তৰ, ২) প্ৰবচন ৩) সাধুকথা ৪) মন্ত্ৰ আৰু ৫) লোকগীত এই পাঁচটা শ্ৰেণীত সামৰি ল'ব পাৰোঁ। অৱশ্যে এই লেখাটোত আমি মন্ত্ৰ, আইনাম আৰু দেহবিচাৰ গীত, এই তিনিটা বিষয়ৰ ওপৰত আলোচনা কৰিম।

**মন্ত্ৰ ঃ**

মন্ত্ৰও একপ্ৰকাৰ সাহিত্য। পুৰণি কামৰূপ ৰাজ্য তন্ত্ৰ-মন্ত্ৰৰ বাবে ভাৰত বিখ্যাত। কামৰূপলৈ আহিলে মানুহ ভেড়া হয় বুলি এসময়ত জন-শ্ৰুতি আছে। মন্ত্ৰৰ প্ৰভাৱ ইয়াত অসীম আছিল। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই মন্ত্ৰবোৰক "কৰতি মন্ত্ৰ, সাপৰ ধৰণী ধৰা মন্ত্ৰ, বীৰা জৰা মন্ত্ৰ, মোহিনী মন্ত্ৰ, সৰ্বঢাক মন্ত্ৰ আদি বিবিধ উদ্দেশ্য আৰু প্ৰয়োগ অনুসৰি মন্ত্ৰবোৰক ভাগ কৰিব পাৰি" বুলি উল্লেখ কৰিছে। এই মন্ত্ৰসমূহৰ কেইটামান প্ৰয়োগ তলত বৰ্ণনা কৰা হ'ল। যেনে -

১) **কৰতি মন্ত্ৰ ঃ** এই মন্ত্ৰসমূহে যিকোনো দুৰাৰোগ্য ব্যাধি আদি ভাল কৰিব পাৰে বুলি জনবিশ্বাস আছে।

২) **সাপ ধৰণী ধৰা মন্ত্ৰ ঃ** এই মন্ত্ৰসমূহৰ যোগেদি সাপ আদি ধৰা হয়। এই মন্ত্ৰ সমূহ গোৱা লগে লগে সাপবোৰ জঠৰ লাগে আৰু সাপে দংশন কৰিব নোৱাৰে।

৩) **বীৰা জৰা মন্ত্ৰ ঃ** অসমীয়া সমাজত বীৰা এবিধ অপদেৱতা যিয়ে মহিলা সকলক নানা প্ৰকাৰৰ ৰোগ-ব্যাধি জন্মোৱাৰ উপৰিও ঘৰৰ বস্তু ভঙা-চিঙা কৰা, ঘৰলৈ শিল-গুটি দলিওৱা কাৰ্যও কৰে। এইবোৰ কাৰ্যৰ পৰা হাত সাৰিবলৈ এই মন্ত্ৰৰ দ্বাৰা পানী কাটি ঘৰৰ চাৰিসীমাত চটিওৱা হয়।

৪) **মোহিনী মন্ত্ৰ ঃ** এই মন্ত্ৰ সমূহৰ দ্বাৰা ত্ৰিলোক মোহিত কৰিব পাৰি বুলি জনবিশ্বাস আছে। কোনো মহিলা বা পুৰুষক মোহিত কৰিবৰ বাবে এই মন্ত্ৰ মানুহজনৰ নাম ধৰি পানী কাটি বা তেল জাৰি আৰু বহুত প্ৰকাৰে ব্যৱহাৰ কৰা হয়। পানী কাটি গোৱা এবিধ মোহিনী মন্ত্ৰৰ উদাহৰণ তলত দিয়া হ'ল -

*অচল পুখুৰী নিচল পানী তাতে বহিছে কামাখ্যাৰ*
*ৰাণী, কামাখ্যা ৰাণী বোলন্তক,*
*আনি দিয়া অমুকাক বা অমুকীক*
*বাঘ বা হৰিণৰ পিত গন্ধুযত কৰি*
*পিওঁ অমুকাৰ চিত।*



এই মন্ত্ৰসমূহৰ উপৰিও আৰু বহুতো মন্ত্ৰৰ কথা উল্লেখ পোৱা যায়। আনহাতে মানুহৰ অনিষ্ট সাধন কৰা কিছুমান মন্ত্ৰৰ কথা শুনিবলৈ পোৱা যায়। "হাৰা" দিয়া মন্ত্ৰ অতিশয় অনিষ্টকাৰী। ইয়াৰ উপৰিও মন্ত্ৰ শক্তি নষ্ট কৰা ওভোতা মন্ত্ৰও আছে। ইন্দ্ৰজালিক মন্ত্ৰই নানা অদ্ভুত কাৰ্য সাধন কৰি দেখুৱায়। যোগিনীতন্ত্ৰ গ্ৰন্থত নানা তান্ত্ৰিক সাধন বিদ্যা আৰু যোগ প্ৰক্ৰিয়াৰ কথা উল্লেখ আছে। উদাহৰণস্বৰূপে -

**সাধনা ঃ** শয্যা সাধন, ত্ৰিবাট সাধন, চতুৰ্বাট সাধন আৰু মুণ্ড সাধন।

**বিদ্যা ঃ** স্বপ্নৱতী, মধুমতী, পদ্মাৱতী, বশীকৰণ আৰু মৃত-সঞ্জীৱনী।

**যোগ ঃ** দিব্য যোগ, বীৰ যোগ আৰু কৌল যোগ।

মহাকালৰ দ্বাৰা কথিত চথ্যকাৰিণী স্বপ্নৱতী বিদ্যা চাৰি বছৰ কাল ১০৮ বাৰ জপ কৰিলে সিদ্ধ হয় আৰু যিহকেই মনত কল্পনা কৰা হয় তাকেই স্বপ্নত দেখা দিয়ে। এইদৰেই বিদ্যাসমূহৰ মহালাভ কীৰ্ত্তন কৰা হৈছে।

এই মন্ত্ৰসমূহৰ আৰু এটা উল্লেখযোগ্য কথা এইযে এই মন্ত্ৰবোৰ আৰম্ভ কৰাৰ আগতে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, ধনন্তৰি আৰু অন্যান্য দেৱতাক স্তুতি কৰা হয়। তদুপৰি এই দেৱতা সকলৰ নামত শপত দিয়া হয়। ইয়াৰ উপৰিও এই মন্ত্ৰ সমূহত ওম, হুং, তাং, ফী আদি কিছুমান অৰ্থহীন শব্দৰো বহুল প্ৰয়োগ দেখা যায়। মন্ত্ৰ সাহিত্যৰ এটি প্ৰধান বৈশিষ্ট্য তাৰ ছন্দ ধ্বনি আছে যদিও অন্ত্যানুপ্ৰাস আৰু পদ-সাম্য যিবোৰ অভিপ্ৰেত নহয়।

**আইনাম ঃ** পুৰণি অসমীয়া সমাজত "আই" (দুৰ্গা)ৰ প্ৰভাৱ অসীম। আই জগতৰ ধৰিত্ৰী, দুৰ্গতি নাশিনী আৰু সুমঙ্গলময়ী সেয়েহে গৃহস্থীৰ মঙ্গলৰ উদ্দেশ্য আই ভগৱতীক সন্তুষ্ট কৰিবলৈ নৈবেদ্য আগবঢ়াই বিভিন্ন নামত সেৱা জনোৱা হয়। নামবোৰত ভগৱতীক ভবানী, শীতলা, কালি, পাৰ্বতী আদি বিভিন্ন নামেৰে অভিহিত কৰা হয়। আইনামবোৰত অসমীয়া ভক্তি প্ৰেমৰ জ্বলন্ত নিদৰ্শন দেখিবলৈ পোৱা যায়। আইনামৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল -

১) *"গধূলিতে আই আহে পদূলিলৈ চাই*
*মহামায়া আই আহে সোণৰ বংশী বাই।।"*

২) *"উজাই আহিল আইৰ সাতভনী, বালিতে পাতিলে বাস।*
*প্ৰাণীৰ বিফল দেখি আই ভগৱতী, আপুনি লগাইছে ঘোষা।।"*

৩) *"আঁহতৰ গছতে আয়ে পুথি পঢ়ে, গোপিনীয়ে কাকুতি কৰে*
*গোপিনীৰ কাকুতি দেখি ভগৱতী, নামি আসনত বহে।"*

ইত্যাদি।

আইনাম, অপেশ্বৰী সবাহৰ গীত, লখিমী সবাহৰ গীত আদি একে শ্ৰেণীৰ অন্তৰ্গত নাম।

**দেহবিচাৰ গীত ঃ** অসমীয়া লোক সাহিত্যত দেহবিচাৰ গীতৰ এটা আচুতীয়া স্থান আছে। দেহবিচাৰ গীত, বৰাগী গীত আৰু টোকাৰী গীত আদি একে শ্ৰেণীৰ অন্তৰ্গত গীত। এই গীতবিলাকত মানৱৰ দেহাৰ ক্ষণস্থায়ীত্ব, কামনা-বাসনা, ধন-দৌলতৰ অসাৰত্ব, আপোন-পৰৰ বিচাৰ কেৱল মায়াৰ বন্ধন আদি ভাৱৰ বাহক; হৰি নামেই যে প্ৰাণীৰ ভৱ-বন্ধনৰ মুক্তিৰ একমাত্ৰ পথ তাকেই শেষত গীত বিলাকত প্ৰতিপন্ন কৰা হৈছে। গীতবোৰত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱ, শ্ৰীৰাম আতাৰ ভণিতা থাকিলেও ই কেৱল বৈষ্ণৱ মতবাদ প্ৰতীয়মান কৰাহে প্ৰয়াস যেন লাগে। দেহবিচাৰৰ গীতবিলাকত শৰীৰক নাও, ঘৰ, চাকি, বৃক্ষ আদিৰ লগত তুলনা কৰা হয়। শৰীৰ চৌবিশা তত্ত্বৰ ঘৰ, যাৰ "ন খন দুৱাৰ" আৰু তাৰ মাজত বহি আছে পূৰ্ণানন্দ হৰি। সংসাৰৰ ইপাৰে সিপাৰে আছে এক মায়ানদী য'ত জীৱাত্মা আৰু পৰাত্মা থাকে "কাল বিকাল পক্ষী" ৰূপে।

অসমৰ লোক-সাহিত্য অতিশয় চহকী। জাতিৰ ভাৱ-অনুভূতি, আশা-আকাঙ্খা, হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, জাতীয় আদৰ্শ আদি লোক সাহিত্যৰ মাজত নিহিত আছে। আজি কিছু দিনৰে পৰা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাইছে যদিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ বিভিন্ন অনুষ্ঠান, আখ্যান, কিম্বদন্তী বা কল্পনামূলক গীত আছে সেইবোৰ সংগ্ৰহ হৈছে বুলি ন-দি ক'ব নোৱাৰি। সকলোবোৰ একেলগে থুপাই প্ৰকাশ কৰিব পাৰিলে সাহিত্যৰ ভঁৰাল আৰু চহকী হৈ উঠিব। লোক সাহিত্যৰ মাজতে অসমীয়া জাতিৰ জন্ম আৰু তাৰ মাজতেই বিৱৰ্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিব।

*(সহায় লৈ)*

●●●

# ক্ৰীড়া এতিয়া খেমালি হৈ থকা নাই

হেমন্ত বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ

খেলা-ধূলাৰ সৃষ্টি আদিম যুগতেই হৈছিল বুলি ক'ব পাৰি। বাচি থাকিবৰ বাবে আদিম মানুহে নিজৰ শৰীৰটো স্বাস্থ্যৱান কৰি ৰাখিবলৈ অহৰহ চেষ্টা কৰিছিল। কাৰণ শৰীৰ স্বাস্থ্যবান নহ'লে চিকাৰ কৰিব নোৱাৰিছিল। সেয়েহে চিকাৰ কৰাৰ কৌশল জানিবৰ বাবে খেলৰ আশ্ৰয় লৈছিল আৰু আহিলা আছিল গছৰ ডাল,পাত, শিল আদি। সময়ৰ লগে লগে ইয়াৰ বহু পৰিৱৰ্তন ঘটে। আজি প্ৰায় সকলো দেশেই খেলা-ধূলাক এটা বিশিষ্ট মৰ্যাদা দিবলৈ লৈছে।

নিয়মীয়া স্বাস্থ্যৰ গৰাকী এনে কোনো ব্যক্তি নাই যিজনে শৈশৱ আৰু কৈশোৰত খেলা-ধূলা ভাল পোৱা নাছিল বা ভাল নাপায়। সেই ভাল পোৱাৰ পৰিমাণ সকলোৰে সমান নহ'ব পাৰে; কিন্তু স্বাভাৱিক মানসিকতাসম্পন্ন প্ৰতিটো শিশু তথা প্ৰতিগৰাকী কিশোৰ-কিশোৰীয়েই খেল ভাল পায়। কাৰণ ই জীৱৰ বাবে এনে এটা অভ্যাস যিটো সম্পূৰ্ণ সহজাত। পিছে এইখিনিতেই এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন আহি পৰে। প্ৰশ্নটো হ'ল- খেল-ধেমালি আৰু ক্ৰীড়া দুয়োটা একেটা কথাই নে?

উল্লিখিত প্ৰশ্নটোৰ স্পষ্ট উত্তৰ হ'ল দুয়োটা একেটা নহয়। সকলো ক্ৰীড়া শৃংখলাৰ উৎপত্তি হৈছিল খেলা-ধূলাক কেন্দ্ৰ কৰি। কিন্তু সকলো ধৰণৰ খেল-ধেমালি ক্ৰীড়া শৃংখলাৰ স্তৰলৈ উন্নীত হোৱা নাই। আনুষ্ঠানিক শিক্ষাৰ লগতে খেলা-ধূলাৰ প্ৰতি আগ্ৰহ অনুপ্ৰেৰণা বৃদ্ধি কৰি তোলাতো আমাৰ সকলোৰে কৰ্তব্য। বিশ্বৰ ক্ৰীড়াৰ মানদণ্ডত ভাৰতবৰ্ষৰ অৱস্থান এতিয়াও অতিশয় দুখ লগা; অলিম্পিক পৰ্যায় বা এছিয় পৰ্যায়ত ভাৰতৰ হতাশজনক স্থানে প্ৰতিজন ক্ৰীড়া প্ৰেমী জনগণৰ মনত ক্ষোভৰ সৃষ্টি কৰিছে। ভাৰতৰ ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা সেয়া জাতীয় ক্ষেত্ৰৰ নিৰাশজনক মানদণ্ডত প্ৰতিফলিত হৈ পৰিছে। ক্ৰীড়াৰ প্ৰসাৰ আৰু মানদণ্ডৰ উন্নয়নত কেন্দ্ৰীয় চৰকাৰৰ কোনো স্পষ্ট নীতি আজি পৰ্যন্ত দেখা নগ'ল। ক্ৰীড়াৰ ওপৰত আলোচনা আৰু বক্তৃতাৰে চৰকাৰৰ দায়িত্ব পালন কৰাটো নুশুচায়। আমি সকলোৱে জনা উচিত যে পৰ্যটন আৰু ক্ৰীড়া এই দুয়োটাৰে বিশ্ববাসীৰ ওচৰত দেশক পৰিচয় কৰাব পাৰি আৰু বিশ্ববাসীক কাষচপাই আনিব পাৰি। ৰাজ্যত ক্ৰীড়াৰ মানদণ্ড উন্নত কৰাৰ বাবে নিজস্ব নীতি থকা দৰকাৰ, এই ক্ষেত্ৰত ৰাজ্যচৰকাৰে বিশেষভাৱে প্ৰথমতে, গুৰুত্ব দিব লাগে যাতে ৰাজ্যৰ জনসাধাৰণৰ মাজত ক্ৰীড়া মানসিকতা গঢ়ি উঠে; দ্বিতীয়তে, খেল পথাৰত খেলুৱৈ বৃদ্ধি কৰাত গুৰুত্ব দিব লাগে; তৃতীয়তে, খেল পথাৰৰ ব্যৱস্থা আৰু ক্ৰীড়া সামগ্ৰীৰ যোগান ধৰিব লাগে; চতুৰ্থতে, ক্ৰীড়াৰ মানদণ্ড উন্নত কৰাৰ বাবে বিজ্ঞানসন্মত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। বিশেষভাৱে এই চাৰিটা দিশৰ ওপৰত ৰাজ্য চৰকাৰে ক্ৰীড়া নীতি নিৰ্দিষ্ট কৰিব পাৰে। বিশ্বৰ ক্ৰীড়াক উদ্দেশ্য কৰি আমাৰ ক্ৰীড়াক্ষেত্ৰক এটা নতুন গতি দিব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ত খেলজগতৰ সোণ বুটলিবৰ বাবে অসমে "Operation gold" (অপাৰেশ্বন গল্ড) নামেৰে এক আঁচনি তথা পৰিকল্পনা প্ৰস্তুত কৰা উচিত। তাৰ বাবে প্ৰয়োজন হ'ব নিৰ্দিষ্ট খেল কেইটা আৰু দুই কোটি সত্তৰ লাখ অসমবাসীৰ পৰা খেলুৱৈ চিনাক্ত কৰা অসমে কোন কেইটা খেলত অগ্ৰাধিকাৰ দিয়া উচিত হ'ব সেইটো নিৰ্দিষ্ট কৰা।

ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ক্ৰীড়াবিদসকলে পাহৰিলে নচলিব যে এনে ক্ৰীড়া প্ৰতিযোগিতাক ধেমালিত লাভ কৰা সাফল্যৰ বাবে যি মানসিকতাৰ প্ৰয়োজন তেনে মানসিকতাৰে ল'লে নচলিব, সেই মানসিকতাত বিশ্ব দৰবাৰত থিয় হ'ব পাৰিম - এই বজ্ৰকঠোৰ মনোভাবো দৃঢ়ভাৱে নিহিত হৈ থাকিব লাগিব। কাৰণ, যি ক্ৰীড়াবিদৰ আকাংক্ষা তেনে পৰিধিসম্পন্ন নহয় তেওঁ সফল ক্ৰীড়াবিদো হ'ব নোৱাৰে।



# WE HAVE A ROLE TO PLAY

**Anupam Dutta**
B.Sc. IIIrd Year,
Botany Department

India celebrate her more than 50 years of Independence and we are proud for our success in almost all the fields of life. But without being too much proud of, we have also left behind some of our goals. India is a big country where we have got regional imbalance. Growth and development in all the parts of the country is also not proportional. So, we have not achieved that much that we could have achieved in these 50 years.

Students are the key players in the countries development process. Apart from being sincere to studies, we the student community have many responsibilities towards our nation. As we are the future of the country, we have many roles to play in the society. We should eagerly devote some of our free times in developmental works such as imparting information to the uneducated mass regarding the urgency of education, pollution free eco-system, organizing rural health camp, safety-first drive etc. Such moves from us can not only add some momentum to the countries developmental process but also can bring flexibility in the countries economy.

Every nation has its own tradition and culture and we are proud to be the richest in them. But, today on the way towards development and modernization, we are sidelining our tradition and culture. It is really untrue that countries have gain development at the cost of their tradition and culture. But rather they have gain development with their tradition and culture. Our tradition and culture depict our past and background and this is what our students have to understand in the walk of their life.

Students are the seedlings of the nation and knowing the ability of this huge mass, the Government is always giving importance to us. So, we should be able to grab this opportunity and work on in right direction. Knowing the constitution is also very important for the whole student community. Today, we should really know what exactly the terms like sovereignty, secularism, socialism mean to the nation and thereby make our mindset so that no external agency can mislead us.

Being a student is a high time for a person's life to build some attitude of creativeness for the well being of the society. When such creativeness comes into play from here onwards, it will be a very productive philosophy for a country.

Hence, it is the time for the students to understand their role and act quickly on it. They should not have the mentality of let others start first. But they should themself move ahead and put a big example for the country.

●●●

# মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ কাহিনী গীত

সুৰজীত শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

সৃষ্টিৰ আদিম অৱস্থাত প্ৰকৃতি আৰু ব্ৰহ্মাদেৱৰ বুকুত জাহ যোৱা বিশাল ভাৰতৰ অঙ্গ ৰাজ্য অসমৰ অতুলনীয় সংমিশ্ৰিত সংস্কৃতিত বিশেষভাৱে অৰিহণা যোগোৱা অসমৰ সোণোৱাল কছাৰীসকলো অন্যতম। বিশেষকৈ সমন্বয়ৰ প্ৰতীক ৰংচঙীয়া অসমীয়া সংস্কৃতিত সোণোৱাল কছাৰীসকলৰ অৱদান যথেষ্ট। এই সাংস্কৃতিক অৱদান বিলাকৰ ভিতৰত বাইথ' পূজা, গজাই মনাই পূজা, হাইদাং গীত, হগ্ৰা নৃত্য, লক্ষিমী সবাহ, বহুৱা নৃত্য, গৰখীয়া বিহু, বাঘদেউ পূজা, ন-পুৰুষীয়া সকাম, মৃতকক দিয়া সকাম, বাট ভেটা সকাম, সৰগদেৱ পূজা, লেছেৰী নৃত্য আৰু মণিকোঁৱৰ আৰু ফুলকোঁৱৰ গীত ইত্যাদি।

দিহিংৰ পাৰৰ নামচাই বৰকলা নগৰৰ ৰজা শংখদেউৰ কোনো পুত্ৰ নাছিল। পুত্ৰ সন্তান কামনা কৰি শংখদেউ ৰজাই সপত্নীক জলকোঁৱৰক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। প্ৰাৰ্থনাত সন্তুষ্ট হৈ জলকোঁৱৰে ৰাণী মইনামতীৰ গাত গৰ্ভধাৰণ কৰিলে। ৰাণী সন্তান সম্ভৱা হ'ল। শংখদেউৰ পুত্ৰ জন্ম হ'ল। তেওঁৰ নাম থলে মণিকোঁৱৰ। গাণনিকে, কোঁৱৰে কেৱল যোল্ল বছৰহে জীয়াই থাকিব বুলি ক'লে। সেই কথা শুনি ৰজা শংখদেৱে খঙত গাণনিকক বন্দী কৰি ঘোঁৰাশালত থ'লে। অপুত্ৰক শংখদেউ ৰজাই পুত্ৰ পাই কোঁৱৰক মূৰত থলে ওকনিয়ে খায়, মাটিত থলে পৰুৱাই খায় ভাৱ হ'ল। মৰম-চেনেহত কোঁৱৰ চন্দ্ৰকলাৰ দৰে বাঢ়িবলৈ ধৰিলে। ডাঙৰ হৈ কোঁৱৰৰ ঘৰত মন নবহা হ'ল কোঁৱৰৰ মন গ'ল বাজকাৰেঙৰ পৰা ওলাই বাহিৰলৈ যাবলৈ। কোঁৱৰৰ ফুৰিবলৈ যোৱাৰ আলমতে মণি কোঁৱৰ গীত ৰচনা হ'ল।

*শংখদেউ ৰজাৰে        পুতেক মণি কোঁৱৰ*
*কোনোতে ক্ষতিখন নাই।*

*এবেলা কোলাতে        এবেলা ঘোঁৰাতে*
*এবেলা ঘিলা খেলিবলৈ যায়।।*
*ঘিলা খেলি কোঁৱৰে        ৰঙকে নেপালে*
*হাতী যুঁজ চাবলৈ যায়।*
*হাতী যুঁজ চাই        ৰঙকে নেপালে*
*শেনৰ ৰং চাবলৈ যায়।*
*আন কালে পতি        ঘোঁৰা চেঁকুৰাই*
*নগৰ চৌমেৰে ঘূৰে।*
*আজি কোঁৱৰৰ ঘোঁৰাই        গা ঘেলাব ধৰিছে*
*কাঁচন পদূলি মূৰে।।*
*মন্ত্ৰীৰ জীয়েক        কাঁচন কুঁৱৰী*
*দাঁৰ বান্ধি মেলাওঁতে চুলি।*
*সোণৰ ফণিৰে        মূৰ ফণিয়াওঁতে*
*কোঁৱৰৰ মন নিলে হৰি।।*
*ঘোঁৰা উভতালে        শেনৰ ৰং নেচালে*
*সেনাবৰ তামুলীক পাই।*
*পৰলা ঘোঁৰাটি        বাটতে সনি দি*
*পৰিল ৰোহ ঘৰত যাই।।*
*উলটি যাওঁতে        বৰচা কুঁৱৰী*
*চৰাইয়ে কৰিলে চিউঁ।*
*যেতিয়াই দেখিলে        সেনাবৰ তামুলীক*
*আকাশে উৰি গ'ল জীউ।।*
*আমগুৰি ঘাটৰে        শুকানকৈ খৰিচা*
*বলীমা বিলৰে মাছ।*
*তুমি যে আহিলা        সোণাবৰ তামুলী*
*মণিধৰ কিমানৰ পাছ।।*
*কিনো নক'মে        কিনো নুশুনিবা*
*এনে কথা শুনা নাই।*
*আনকালে পতিঘোঁৰাত        উঠি মণিধৰে*
*নগৰৰ চৌমেৰে বেৰায়।।*
*আজি কালে        পতিঘোঁৰা চেকুৰাওঁতে*
*ৰ'লে মন্ত্ৰীৰ পদূলি মুখে।*
*পাকতে ঘূৰাই        পৰলাক এৰি*
*ৰোহ ঘৰত সোমাল দুখে।।*
*সৰগৰ তৰা        পাতালৰ নাগিনী*
*কোৱা বান লাগে কি?*
*সইতে সইতে        তিনি সইতে খাইছোঁ*
*তাকে আনি দিম ঠিক।।*
*নৈত গা ধুই        এগৰাহ খাম*
*মাকে খুঁজো যদি দিয়া।*
*মন্ত্ৰীৰ জীয়ৰী        কাঁচন কুঁৱৰী*
*আনি মোক দিয়া বিয়া।*
*মণিৰ কথা শুনি        বৰচা কুঁৱৰী*
*তামুলীত লগালে মাত।*
*যোৱা হেৰা তামুলী        মন্ত্ৰীৰ ঘৰলৈ*
*এইবাৰ শেনৰ এজাত।।*
*আগো চোৱা নাই        পাছো চোৱা নাই*
*মন্ত্ৰীত ললেগৈ আঁঠু।*
*কেলৈ আহিছা        মন্ত্ৰী তামুলী*
*ভাঙি কথা কোৱা বাৰু।।*
*বিলৰ মাজতে        পদুম ফুলি আছে*
*ভোমোৰা উজৰি আহে।*
*দেউতাৰ জীয়াৰী        কাঁচন কুঁৱৰী*
*আনি দিয়া কুঁৱৰীক লাগে।।*
*গায়নে বায়নে        সেন্দুৰী আলিয়ে*
*কেঁকুৰা দোলাতে উঠি।*
*হীৰা মুকুতাৰ        মণিধৰ কোঁৱৰে*
*কাঁচনক আনিলে তুলি।।*
*আনা বতাহতে        হালিলে জালিলে*
*গোবৰৰ ভেৰৰ লাই।*
*হু-তাঁৰা মাদৈয়ে        জল পাই খেলিছে*
*তেওঁ পো কপালত নাই।।*

এইদৰে মণি কোঁৱৰৰ বিয়ালৈকে অতিবাহিত হোৱা সময়ছোৱাত মণিকোঁৱৰৰ জীৱনক লৈ সৃষ্টি হ'ল মণি কোঁৱৰৰ গীত। কিন্তু বিধিৰ লিখন মচিব কোনে। কোঁৱৰৰ আয়ুস দিনে দিনে কমি আহিল। কোঁৱৰে জলকুঁৱৰীৰ আহ্বান সঘনে শুনিবলৈ ধৰিলে।

*শিলৰ খট খটনি        পানীৰ দপ দপনি*
*সাগৰে খল খলায়।*
*সাগৰৰ মাজতে        ফটিকৰ স্তম্ভ*
*দেখি হিয়া-মন জুৰায়।।*

কোঁৱৰে নৈত গা ধুবলৈ যাওঁতে জলকুঁৱৰীয়ে হৰি নিলে। গাণনিকৰ বাণী সঁচাত পৰিণত হ'ল।

*কি কাঠ কাটিবৰ        ছঁয়া মোৰ বোপাই ঐ*
*কি কাঠ কাটিবৰ ছয়াঁ।*
*দিন দুপৰতে        শিয়ালে হুৱা দিলে*
*সমাজিকত দেখিছোঁ বেয়া।।*
*গৰু ল'ৰ মাৰি        ভাঙিল শ'ল মাৰি*
*গাহৰিয়ে ভাঙিলে গঁৰাল।*
*শুকুৰবাৰ দিনাখন        কলইখন লাগিলে*
*কোঁৱৰ পানীত পৰি হেৰাল।।*

আকৌ মণিকোঁৱৰ নৈত গা-ধোৱাৰ সময়ত অদৃশ্য হোৱাৰ গীতত গায় -

*একঁকাল পানীতে        কোঁৱৰে গা-ধুৱে*
*এবুকু পানীলৈ যায়।*
*এবুকু পানীতে        কোঁৱৰে গা নুধুৱে*
*এডিঙি পানীলৈ যায়।।*
*এডিঙি পানীতে        কোঁৱৰে গা নুধুৱে*
*এমূৰ পানীলৈ যায়।*
*এমূৰ পানীতে        কোঁৱৰে গা নুধুৱে*
*আথাৱনি পানীলৈ যায়।।*
*এজাবুৰ মাৰিলে        লাহৰী কোঁৱৰে*
*ৰাজ গুৰুৰ ঘৰলৈ চাই।*
*এজাবুৰ মাৰিলে        পূব, পশ্চিম, উত্তৰ, দক্ষিণা*
*সকলো দিশলৈ চাই।*
*মাক বাপেকৰ চৰণ, বৰফলা ৰাজ্যলৈ চাই "এজাবুৰ কৈ*
*মাৰে সাত জাবুৰ - পাৰতে মচিলে ভৰি আৰু এজাবুৰ*
*মাৰোঁতে কোঁৱৰে, নিলে জলকোঁৱৰীয়ে হৰি।।*

মণি কোঁৱৰৰ পত্নী কাঁচন কুঁৱৰীয়ে পুত্ৰ সন্তান জন্ম দিয়ে। পুত্ৰ সন্তানৰ নাম থলে ফুলকোঁৱৰ। মাক, ককাক-আইতাকৰ মৰমত ডাঙৰ হ'বলৈ ধৰিলে ফুলকোঁৱৰ। খেলা-ধূলা, ৰং-ৰহইচত আগবঢ়া

কোঁৱৰক লগৰ সমনীয়াই জহৰা বুলি জোকোৱাত খেলা-ধূলাৰ প্ৰতি বৈৰাগ্য ভাৱ ফুটি উঠিল। ফুলকোঁৱৰৰ মনত বাপেকক বিচৰাৰ হাবিয়াস হ'ল। এদিন কোঁৱৰে মাকক ক'লে -

*পিতাইৰ দিনৰে ঘোঁৰা চলোৱা চাবুক ডাল,*
*মোকে উলিয়াই দিয়াঁ,*
*পিতাইৰ দিনৰে জলচেং কাপোৰখন*
*মোকে উলিয়াই দিয়াঁ।*

ঘোঁৰা চলোৱা চাবুক আৰু জলচেং কাপোৰখন প্ৰেমৰ চিনস্বৰূপে মণিকোঁৱৰে কাঁচন কুঁৱৰীক উপহাৰ দি গৈছিল। দৌতাকৰ আজ্ঞালৈ ফুলকোঁৱৰে শুকান পিঠা গুড়িৰ দেৱতাক আগমন কৰি বাঢ়ৈ খটলা বুঢ়া বাঢ়ৈয়ে "অমন-পমন" কাঠৰ পাখি লগা ঘোঁৰা সাজিদিলে। ঘোঁৰাত উঠি ফুলকোঁৱৰে সাত দিন সাত ৰাতি পিতাকৰ অনুসন্ধানত পাৰ কৰিলে। ককাকৰ হকা বাধা নেমানি পিছলৈ ঘূৰি চোৱাত পাখি লগা ঘোঁৰাৰ খিলি উফৰি পাখি সুলকি মালিনী বাইৰ বাৰ বছৰে শুকাই থকা ফুলনিত পৰিলগৈ। পাখি দুখন আজিও বৰডোল (বৰদৈয়া সৰুদৈয়া)ত আছে বুলি সোণোৱাল সকলে বিশ্বাস কৰি হুঁচৰি গীতত গায় -

বৰডোলাত আছে ফুলকোঁৱৰৰ দেউতা

তেওঁলৈ এসেৱা কৰো কিনা।। আকৌ "কিচ্ কিচ্ কটাৰী কাটো কি নেকাটো নগা সৰুদৈয়া পান কিনা।" ফুলকোঁৱৰে পিতাকক বিচাৰি পাখি লগা ঘোঁৰাত উঠি আকাশ বিচৰণ কৰা ছবিখনকলৈয়ে ৰচনা হ'ল ফুলকোঁৱৰৰ গীত।

*সোঁ হাতে ধৰিছে সোণালী চাবুকে*
*বাঁও হাতে ধৰিছে জৰী*
*ফুলকোঁৱৰ বোপায়ে দৌতাকৰ আজ্ঞা*
*লয় কৰযোৰ কৰি।*
*অমন পমন কাঠৰে পক্ষীঘোঁৰা সাজিলং*
*উৰি খাং উৰি খাং কৰে,*
*কাঠৰে ঘোঁৰাত উঠি ফুলকোঁৱৰে*
*চাবুকৰ চাতি মাৰে।*
*ছমাহৰ বাটকে ঘূৰাই একেদিনে*
*বেলি তিনিপৰ চৰিল,*
*খিলিকি উফৰি গই ফুলকোঁৱৰে*
*মালিনী বাৰীতে পৰিল।*
*মালিনী বাৰীতে পৰি ফুলকোঁৱৰে*
*ভৰিৰে মাৰিলে টিপা,*
*বাৰে বছৰীয়া থনুকা হেলচে*
*সবেও ধৰিলে শিপা।*
*ডেও দি এৰালে দেও দৰিকণা*
*লুটি দি এৰালে শাল,*
*সোউতী, মালতী, তগৰ দুৱামালী*
*সবেও মেলিলে ডাল।*
*মালিনী বাৰীতে পৰি ফুলকোঁৱৰে*
*চৌপাশে মেলিলে হাত,*
*সেউতী, মালতী, তগৰ, দুৱামালী*
*সবেও মেলিলে পাত।*
*মালিনী বাৰীতে পৰি ফুলকোঁৱৰে*
*চৌপাশে মাৰিলে দলি*
*সেউতী, মালতী, তগৰ দুৱামালী*
*সবেও পেলালে কলি।*
*মলিনী বাৰীতে পৰি ফুলকোঁৱৰে*
*মিচিকিয়াই পেলালে হাঁহি*
*সেউতী, মালতী, তগৰ দুৱামালী*
*সবেও পেলালে পাহি।*
*ডেও দি এৰালে দেও দৰিকণা*
*লুটি দি এৰালে শ'ল,*
*সেউতী, মালতী, তগৰ, দুৱামালী*
*ফুলি জকমক হ'ল।*
*ডেও দি এৰালে দেও দৰিকণা*
*লুটি দি এৰালে শ'ল,*
*ফুলৰ জকমক্ দেখি হীৰা নাথে*
*মালিনীক ক'বলৈ গ'ল।*
*হাই দি তুলিবৰ লাই না বাই মালিনী*
*হাই দি তুলিবৰ লাই,*
*সেই কথা শুনি বুঢ়ীবাই মালিনী*
*ফুলনি বাৰীলৈ যায়।*

ফুলকোঁৱৰৰ বিয়া সম্বন্ধেও এক মনোৰম কাহিনী আছে। মালিনী বাইৰ সহযোগত সেই ঠাইৰ কুঁৱৰীৰ লগত কোঁৱৰৰ গোপন মিলন হয়। খবৰ পাই ৰজাই সেনাপতিৰ হতুৱাই কোঁৱৰক প্ৰাণে মৰাৰ ব্যৱস্থা লোৱাত কুঁৱৰীয়ে "লাটিম বৰুৱা চাতিম, এনেহেন কোঁৱৰক মাৰিব লাগিলে আইৰে সতিনী ঘটিম" বুলি উক্তি দিয়াত উপায়ন্ত হৈ ৰজাই জীয়েকক ফুলকোঁৱৰৰ স'তে বিয়া দিয়ে।

এই ফুলকোঁৱৰৰ গীতটি প্ৰকৃততে কৃষি কাৰ্যৰ লগত ওতপ্ৰোত ভাৱে জড়িত। কাৰণ এই গীত গালে বৰষুণ হয় বুলি সোণোৱালসকলৰ জনবিশ্বাস আছে। ●●●



# অসমৰ জাতীয় সংহতিলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান

ভাস্কৰ জ্যোতি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ (গণিত বিভাগ)

বৰ অসমৰ প্ৰাণ প্ৰতিষ্ঠাতা আৰু অসমীয়া সাহিত্য সংস্কৃতিৰ তথা জাতীয় সংহতিৰ পিতৃস্বৰূপ শ্ৰীমন্ত শংকৰদেৱে অপৰিসীম অৱদানেৰে অসমীয়া জাতিটোক মহীয়ান কৰি থৈ গৈছে। যথাৰ্থতে অসমৰ মানুহৰ তেওঁ অন্তঃজীৱন আৰু বহিজীৱনত সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰি অকলেই সৃষ্টি কৰি গ'ল এক নৱ জাগৰণৰ। অসমীয়া জাতিয়ে শংকৰদেৱে সাধন কৰি যোৱা নৱজাগৰণত স্নান কৰি পৰিশোধিত হৈ দ্বিজত্ব লাভ কৰিলে। শংকৰদেৱৰ আবিৰ্ভাৱৰ বহু পূৰ্বৰে পৰাই অসমৰ সামাজিক অৱস্থাৰ প্ৰতিছবিখন সন্তোষজনক নাছিল; বৰং ভাৰতৰ আন বহু ঠাইতকৈও আছিল অধিক শোচনীয়হে। সেই সময়ত দেশত ভালেমান ৰাষ্ট্ৰ বিপ্লৱো ঘটিছিল। স্তম্ভ, পাল, খেন, কছাৰী, চুতীয়া প্ৰভৃতি বিভিন্ন ৰাজশক্তিৰ উত্থান-পতন আৰু সঘন সংঘৰ্ষৰ ফলত সেই সময়ৰ অসমৰ জনগণ আৰু এই ৰাজ্যখন এনেভাৱে ছিন্নভিন্ন হৈ পৰিছিল যে আহোম স্বৰ্গদেউসকলৰ আপ্ৰাণ চেষ্টায়ো তাক সু-সংহত ৰূপত দিব পৰা নাছিল। আমাৰ ইতিহাসৰ এনে এটি গুৰুত্বপূৰ্ণ মূহূৰ্তত জন্মগ্ৰহণ কৰা এইজনা ক্ষনজন্মা পুৰুষে সহজতে হয়তো বুজিব পাৰিছিল যে পাৰস্পৰিক সমন্বয় আৰু সংহতি অবিহনে ছেদেলি-ভেদেলি হৈ থকা এনে এখন সমাজৰ যথাৰ্থ উদ্গতি আৰু জাতীয় চৈতন্যৰ জাগৰণ কেতিয়াও সম্ভৱপৰ নহয়, তাকে কৰিবলৈ গ'লে সমাজৰ বুকুৰ পৰা প্ৰথমতে আঁতৰাব লাগিব সকলো প্ৰকাৰৰ বৈষম্য আৰু অসহিষ্ণুতাৰ ভাৱ। সেয়েহে তেওঁ ধৰ্ম প্ৰচাৰৰ কাম হাতত লৈয়ে 'মত দেখা চৰাচৰ হৰিময় নিৰন্তৰ' ধ্বনিৰে দশোদিশ মুখৰিত কৰি সকলো শ্ৰেণীৰ মানুহক তেওঁৰ ধৰ্ম মতলৈ আহ্বান জনাই ঘোষণা কৰিলে -

*"কিৰাট কছাৰি খাছি গাৰো মিৰি*
*যৱন কঙ্ক গোৱাল,*
*অচম মুলুক ৰজক তুৰুক*
*কুবাচ ম্লেচ্ছ চাণ্ডাল।।*
*আনো যত নৰ কৃষ্ণ সেৱকৰ*
*সঙ্গত পৱিত্ৰ হয়।*
*ভকতি লভিয়া সংসাৰ তৰিয়া*
*বৈকুণ্ঠ সুখে চলয়।"*

মহাপুৰুষজনাৰ এনে উদাত্ত আহ্বানে অসমৰ জাতি-উপজাতি উন্নত, অনুন্নত সকলোৰে প্ৰাণত বিজুলী প্ৰবাহেৰে এনে এক অভিনৱ আশাৰ সঞ্চাৰ কৰিলে যে তেওঁৰ ধৰ্ম প্ৰচাৰৰ মাত্ৰ কেইটিমান বছৰৰ ভিতৰতে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, ভোটৰ জয়হৰি, আনকি মুছলমানৰ চান্দসাই পৰ্যন্ত একশৰণ ধৰ্মত যোগ দি নামৰ ধ্বনিৰে সমগ্ৰ অসমৰ ইমূৰ সিমূৰ ৰজনজনাই তুলিলে। এইটো নক'লেও হ'ব যে অসমত জাতীয় প্ৰাণৰ উন্মেষ আৰু বিভিন্ন জাতি উপজাতিৰ মাজত সমন্বয়ৰ ভাৱ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মহাপুৰুষৰ এনে প্ৰচেষ্টা আৰু সৰ্বভাৰতীয় আদৰ্শেৰে এই দেশত পৰস্পৰে পৰস্পৰক আঁকোৱালি লৈ ঐক্য আৰু সংহতিৰে বসবাস কৰাৰ বাবে এক উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰতো এয়ে সৰ্বপ্ৰথম সাংস্কৃতিক অভিযান।

শংকৰদেৱে যি ভক্তি ধৰ্ম অসমত প্ৰচাৰ কৰিছিল তাক সাধাৰণতে একশৰণ ভাগৱতী ধৰ্ম বুলি কোৱা হয়। এই ধৰ্ম হ'ল এক সাৰ্বজনীন ধৰ্ম, সকলো ধৰ্মৰ প্ৰতি সহিষ্ণুতা আৰু সকলো ধৰ্মৰ লোকৰ প্ৰতি সমভাৱ প্ৰদৰ্শন, এই ধৰ্মৰ মূল শিক্ষা। প্ৰায় একেধৰণৰ কথাই ব্যক্ত কৰিছিল স্বামী বিবেকানন্দই - "গোটেই বিশ্বব্ৰহ্মাণ্ড এক চৈতন্য সত্তাত ওতপ্ৰোত তুমি আমি কেৱল ভাই ভায়ে নহয়, আমি সকলো এক আত্মা আৰু এই আত্মা সৰ্বশক্তিমান, সৰ্বজাত।" গীতা, ভাগৱতৰ পৰা মূল বস্তু গ্ৰহণ কৰি অসমত

প্ৰচাৰ কৰা শংকৰদেৱৰ একশৰণ নামধৰ্মৰ তাৎপৰ্যও এনেকুৱাই। কীৰ্ত্তন ঘোষাত তেওঁ লিখিছে -

*"কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম।*
*জানিয়া সৰ্বাকো পৰি কৰিবা প্ৰণাম।"*

নকলেও হ'ব যে মহাপুৰুষ শংকৰদেৱে প্ৰচাৰ কৰা একশৰণ ভাগৱতী ধৰ্মত এনে সাৰ্বজনীন সত্য আৰু সৰ্বমাননীয় আৱেদন আছিল কাৰণেই এই ধৰ্মই সমাজৰ সকলো শ্ৰেণীৰ মানুহক সমানে আকৰ্ষণ কৰি অসমৰ লগতে সৰ্বভাৰতীয় জাতীয় জীৱনৰ সমন্বয় আৰু সংহতিৰ ক্ষেত্ৰতো প্ৰধান উপায়ৰূপে অৰিহণা আগবঢ়াব পাৰিছিল।

সমাজত সংহতি আৰু সমন্বয় স্থাপনৰ মূল কাৰণ দুটি যিদৰে ধৰ্মীয় সহিষ্ণুতা আৰু সকলো জীৱৰ প্ৰতি সমভাৱ প্ৰদৰ্শন, ঠিক সেইদৰে সামাজিক বিসংহতি আৰু অনৈক্যৰ কাৰণ দুটি হৈছে - ৰাজনৈতিক নিপীড়ন আৰু অৰ্থনৈতিক শোষণ। শংকৰদেৱ আছিল এই দুটিৰ সম্পৰ্কেও সম্পূৰ্ণ সজাগ। ৰাজনৈতিক ক্ষেত্ৰত তেওঁ প্ৰত্যক্ষভাৱে জড়িত হৈ নাথাকিলেও পিতৃ পুৰুষৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু গভীৰ শাস্ত্ৰ অধ্যয়নৰ দ্বাৰা ভালদৰে উলব্ধি কৰিছিল যে জনসাধাৰণৰ আৰ্থিক দুখ মোচন কৰিব নোৱাৰিলে সমাজৰ কেতিয়াও উন্নতি নহয়। সেয়েহে, জনসাধাৰণক আৰ্থিভাৱে স্বচ্ছল আৰু সামাজিকভাৱে উন্নত কৰিবৰ হেতুকে তেওঁ ভালেমান কাৰ্যকৰী পন্থা হাতত লৈছিল। মহাপুৰুষে স্থাপন কৰা অসমৰ সামাজিক জীৱনৰ আপুৰুগীয়া সম্পদ সত্ৰ আৰু নামঘৰ এনে কাৰ্যকৰী প্ৰচেষ্টাৰে দুটি অবিস্মৰণীয় কীৰ্তি। উপাস্য দেৱতাক মন্দিৰৰ অন্ধকাৰৰ পৰা জনতাৰ মাজলৈ উলিয়াই আনি আৰু পথাৰৰ ৰাইজক এক থূপ কৰি তৎকালীন অসমীয়া সমাজক আধ্যাত্মিকভাৱে একগোট আৰু সামাজিকভাৱে একত্ৰিত কৰাৰ দুটি মহামন্ত্ৰ স্বৰূপ এই সত্ৰ আৰু নামঘৰ সমূহে অকল আমাৰে জাতীয় জীৱনৰ ক্ষেত্ৰতে নহয়, সৰ্বভাৰতীয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰতো কেনে ধৰণৰ বৰঙণি আগবঢ়াইছিল তাৰ ইংগিত দি ডঃ সূৰ্য কুমাৰ ভূঞাদেৱে লিখিছে - " অসমীয়া সমাজে ঠাই অনুসাৰে খেলে খেলে বিভক্ত হৈছে। সেই খেলত মুনিহ-তিৰোতাই সংঘবদ্ধ হৈ নাম প্ৰসঙ্গত নাম-কীৰ্তন আদি পালন কৰে। অসমীয়া জাতি খেল সংঘবদ্ধ হৈ ঐক্য ভাৱত জীৱনযাপন কৰাৰ ফলত তেওঁলোকক কোনো কাৰণত বহলভাৱে ঐক্যবদ্ধ হোৱাৰ বাট সুচল কৰি দিছে।"

ধৰ্মীয় দৃষ্টিভঙ্গী আৰু আধ্যাত্মিক চিন্তা ভাৱনাৰ দৰেই সাংস্কৃতিক সংহতিৰ ক্ষেত্ৰতো শংকৰদেৱৰ অৰিহণা প্ৰচুৰ। মহাভাৰতীয় সংস্কৃতিৰ নিচিনাই অসমৰ সংস্কৃতিও মূলতঃ সংমিশ্ৰণৰ সংস্কৃতি। বিভিন্ন জাতি-উপজাতিৰ পাৰস্পৰিক মিলন আৰু 'দিয়া-লোৱা'ৰ মনোভাৱৰ যোগেদিয়ে অসমীয়া সংস্কৃতিয়েও নিজস্ব ৰূপ লাভ কৰিছে। শংকৰদেৱে নিশ্চয় গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল যে সাংস্কৃতিক সম্পদসমূহৰ বিকাশ আৰু উৎকৰ্ষৰ দ্বাৰা জনসাধাৰণৰ অন্তৰত যিদৰে সংহতিৰ বীজ ৰোপণ কৰিব পাৰি আন কোনো উপায়েৰে সেইদৰে নোৱাৰি। প্ৰাচীন ধ্ৰুপদী সংগীত আৰু লোক সংগীতৰ মিশ্ৰিত ধাৰাত শংকৰদেৱ আৰু তেওঁৰ সোঁহাত মাধৱদেৱে ৰচনা কৰা বৰগীতসমূহ আৰু দক্ষিণ ভাৰতীয় দেশী উপাদানৰ লগত অসমৰ ওজাপালি পুতলা নাচ আদি থলুৱা অনুষ্ঠানৰ সমল মিলাই সংস্কৃত নাটকৰ আৰ্হিত ৰচনা কৰা অংকীয়া ভাওনা অসমৰ সামাজিক আৰু সাংস্কৃতিক সংহতিলৈ দুটি আপুৰুগীয়া দান। তদুপৰি শংকৰদেৱে ৰচনা কৰা নাট, গীত আদিত কৃষ্ণ মাহাত্ম্য প্ৰকাশৰ কাৰণে শ্ৰীকৃষ্ণৰ লীলাক্ষেত্ৰ ব্ৰজধামক কেন্দ্ৰ কৰি গঢ়ি উঠা ব্ৰজাৱলি ভাষাৰ প্ৰয়োগ আৰু লোককৃষ্টিক ধৰ্মীয় পৰম্পৰাৰ ভিতৰলৈ আনি তাৰ যোগেদি লোক শিক্ষা প্ৰচাৰৰ প্ৰচেষ্টা সৰ্বভাৰতীয় সাংস্কৃতিক জাগৰণৰ ক্ষেত্ৰত এক অভিনৱ আদৰ্শ। অৱশ্যে এনে আদৰ্শ গ্ৰহণৰ নমুনা ভাৰতৰ আন আন ঠাইৰ বৈষ্ণৱ গুৰু সকলৰ ক্ষেত্ৰতো সততে পৰিলক্ষিত হয়।

বৰ্তমান আমাৰ দেশৰ বিভিন্ন সামাজিক গোটসমূহৰ স্বকীয় অস্তিত্ব ৰক্ষাৰ যি প্ৰচেষ্টা সেই প্ৰচেষ্টাৰ ক্ষেত্ৰতো তেতিয়াৰ যুগতে তেওঁ সম্পূৰ্ণ সচেতন আছিল। তেওঁ গঢ়ি তোলা ধৰ্ম আৰু সাংস্কৃতিক আন্দোলনৰ ভেটি প্ৰস্তুত কৰোঁতে অসমৰ কোনো এটা জাতি বা উপজাতিৰ ঐতিহ্যক আওকাণ কৰা নাছিল। অতীজৰ পৰা অসমত বসবাস কৰি অহা প্ৰত্যেকটো সামাজিক গোটৰ চিন্তা ধাৰা আৰু সাংস্কৃতিক সম্পদৰাজিক যথোচিত সন্মান দি ভাৰতীয় ঐতিহ্যৰ মূল আদৰ্শৰ মাধ্যমেৰে গঢ় দিব বিচাৰিছিল এখন শুদ্ধ নিকা অসমীয়া সমাজ। শংকৰদেৱে সেইযুগতে উপলব্ধি কৰিছিল যে এখন সমাজক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে প্ৰয়োজন হ'ব ধৰ্ম আৰু ধৰ্মই হৈছে সত্য। সত্যই এক অৰ্থত ঈশ্বৰ। ধৰ্মক কেন্দ্ৰ কৰিয়েই শংকৰদেৱে সাধৰণ মানুহৰ সাংস্কৃতিক মুক্তিৰ বাবে নৱযুগৰ সৃষ্টি কৰিছিল আৰু সত্যক প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ সাগৰ মন্থন কৰি নিজৰ কাপেৰে অমৃত উলিয়াইছিল।

নৱ বৈষ্ণৱ আন্দোলন মূলতঃ এটা সৰ্বভাৰতীয় আন্দোলন। ধৰ্মীয় সংকীৰ্ণতাৰ পৰা মানুহক মুক্তিদান আৰু সামাজিক চেতনাৰ জাগৰণেই হৈছে এই আন্দোলনৰ মাপকাঠি। প্ৰখ্যাত পণ্ডিত কে দামোদৰণৰ মত অনুসৰি "ধৰ্মীয় বিবেচনাৰ বাহিৰত জনগণৰ মাজত গঢ়ি উঠা ঐক্য সম্প্ৰীতিৰ স্বীকৃতি ঈশ্বৰৰ ওচৰত সকলো জীৱৰ সমত্ব স্বীকাৰে, জাতিভেদ প্ৰথাৰ বিৰোধ গুণগত আৰু বৈষয়িক বৈভৱৰ পৰিৱৰ্তে ব্যক্তিৰ গুণ গৰিমাৰ বিবেচনাৰ দ্বাৰা ঈশ্বৰৰ সৈতে সম্পৰ্ক স্থাপন, ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন আৰু বাহ্যিক আচাৰ অনুষ্ঠানৰ লগতে পৌত্তলিকতা, তীৰ্থভ্ৰমণ আৰু অন্যান্য আত্মঘাতীমূলক কৰ্মকাণ্ড বৰ্জন সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰ মূল চাৰিত্ৰিক লক্ষণ।" বিস্তৃত আৰু গভীৰ শাস্ত্ৰজ্ঞানেৰে, ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি বিভিন্ন তীৰ্থক্ষেত্ৰলৈ গৈ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰি নিজৰ মাতৃভূমি অসম দেশত ধৰ্মীয়, মানসিক, ৰাজনৈতিক, নৈতিক পৰিস্থিতিৰ বাস্তৱজ্ঞানক অৱলম্বন কৰি নিজৰ দৃঢ় পদক্ষেপেৰে নামি পৰিছিল তেৰাৰ যুগৰ অসমবাসীক আৰু ভবিষ্যতৰ অসমবাসীক সত্য, নিৰ্ভুল আৰু সহজ পথ প্ৰদৰ্শন কৰি এখন শান্তি, ঐক্য, সম্প্ৰীতি আৰু সমন্বয়ৰ মানৱ সমাজ গঢ় দিবলৈ। প্ৰতিজন নিৰাকাৰ ভগৱানৰ নিঃস্বাৰ্থ আৰু নিৰহংকাৰ ভক্তক ভকতৰ মৰ্যাদাৰ আসনত বহুৱাই তেওঁ এখন নম্ৰ, বিনয়ী সমৰ্পিত আৰু ঐক্যবদ্ধ সমাজৰ ভিত্তি স্থাপন কৰিছিল।

শংকৰদেৱে দুবাৰ ভাৰত ভ্ৰমণ কৰি আন আন ঠাইৰ ভক্তি আন্দোলনৰ লগত অসমৰ সংযোগ স্থাপন কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ আজিও অসমৰ বাহিৰৰ মানুহে তেওঁক ভালদৰে নাজানে। পণ্ডিত কে. দামোদৰণে ভালদৰে জানিছিল নে নাই তাৰো কোনো সঠিক প্ৰমাণ পৰিলক্ষিত নহয়। তথাপিতো নৱ বৈষ্ণৱ ভক্তি আন্দোলনৰ সামূহিক লক্ষণ হিচাপে পণ্ডিত কে. দামোদৰণদেৱে যিকেইটা বিশেষত্বৰ বিষয়ে উল্লেখ কৰিছে, শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মত তাৰ প্ৰায় সকলোকেইটা বিশেষত্বই দৃষ্টিগোচৰ হয়। প্ৰতিথযশা পণ্ডিত ড০ বাণীকান্ত কাকতিয়ে আলোচনা প্ৰসঙ্গত কৈছে, "বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান, ধৰ্মৰ বিভীষিকা নিবাৰণ, বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰৰ আধ্যাত্মিক উপলব্ধিৰ প্ৰাধান্য, লীলাক্ষেত্ৰ বুলি ডাঠকৈ প্ৰতিপাদন আৰু সকলো কামনাৰে নিবৃত্তি সাধন কৰি মুকুতি পথত আগুৱাব পাৰি, তাৰ সন্ধান' - এই চতুৰংগ দানৰ কথা উল্লেখ কৰিছে। একেদৰে আমাৰ জাতীয় সংস্কৃতিৰ ক্ষেত্ৰতো লোকসংস্কৃতিক ভাৰতীয় পটভূমিত ধৰ্মৰ মাজলৈ আনি তাৰ যোগেদি জনসাধাৰণৰ উৎকৰ্ষ সাধন, সংস্কৃত ভাষাৰ তত্ত্বগধুৰ গ্ৰন্থসমূহ প্ৰাদেশিক ভাষালৈ ভাঙনিৰ আদৰ্শ; গীত, ভাওনা, নাটত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ আৰু স্থাপত্য ভাস্কৰ্যৰ বিকাশ মহাপুৰুষ জনাৰ এই চতুৰঙ্গ সাংস্কৃতিক দান বুলি অভিহিত কৰিব পাৰি।

মহাপুৰুষ শংকৰদেৱে অসমত জন্মগ্ৰহণ কৰিছিল আৰু তেতিয়াৰ বহল অসম দেশখনৰ ভিতৰত থাকিয়ে তেওঁ তেওঁৰ দেশখনৰ ভিতৰত থাকিয়ে প্ৰচাৰ কৰিছিল। কিন্তু মহাপুৰুষজনাই নিজৰ লিখনিৰ কোনো ঠাইতে তেওঁ ধৰ্মপ্ৰচাৰ কৰা ঠাইখনক বুজাবলৈ 'অসম' শব্দটোৰ ব্যৱহাৰ কৰা পৰিলক্ষিত নহয়। বৰঞ্চ "ভাৰতবৰিষ কলিযুগ ইটো হৰিনাম নকৰম" (একাদশ স্কন্ধ ভাগৱত) প্ৰভৃতি পদ সমূহত 'ভাৰত' শব্দটোৰহে ব্যৱহাৰ আমি দেখিবলৈ পাওঁ। ৰাজনৈতিক ক্ষেত্ৰত ভিন্ন হলেও সাংস্কৃতিকভাৱে যে সমগ্ৰ ভাৰতবৰ্ষই এক এই কথা মহাপুৰুষজনাই অতি সুন্দৰকৈ উপলব্ধি কৰিব পাৰিছিল। স্বৰূপাৰ্থত তেওঁৰ জীৱনাদৰ্শক সমল হিচাপে লৈ আমি আটায়ে হৃদয়ঙ্গম কৰিব পাৰিম যে এজন ভাল অসমীয়া হৈয়ো ভাল ভাৰতীয় হ'ব পাৰি অথবা ভাল ভাৰতীয় হৈয়ো ভাল অসমীয়া হিচাপে নিজকে পৰিচয় দিব পাৰি।

*(সহায় লৈ)*

●●●

মাত্ৰ বংশ পৰিচয়ৰ পৰাই এজন লোকক ভদ্ৰ বুলি বিবেচনা কৰিব নালাগে। সদ্বংশজাত নহেও, ভদ্ৰোচিত আচৰণৰ পৰা এজন লোক ভদ্ৰ বুলি গণ্য হোৱাৰ যোগ্য।

*- চ'চাৰ*

# দুদিনীয়া মানৱ জীৱন

বিনোদ বৰগোহাঁই
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মানৱ জীৱনক কচুপাতৰ পানীৰ লগত তুলনা কৰা হৈছে। যি দৰে কচু পাতৰ ওপৰত থকা পানী কিছু সময়ৰ পাছত বাগৰি পৰে। বাগৰি পৰাৰ লগে লগে তাক ধৰি ৰখা টান। ঠিক তেনেদৰে এজন মানুহে ল'ৰালিকালৰ পৰা বৃদ্ধ অৱস্থালৈ দৌৰ মাৰে। এদিন মানুহজনৰ আত্মাটো বহু দূৰলৈ লৈ যায় আৰু মানুহৰ শৰীৰটো ৰৈ যায়। তাৰ কোনো অৰ্থ নাই। এয়াই মানুহৰ জীৱন। কেতিয়াবা ভাব হয় আমি পৃথিৱীত চিৰদিন জীয়াই থাকিব পৰা হ'লে! প্ৰকৃতিৰ লীলা খেলা সদায় চাই থাকিব পৰা হ'লে! ঠিক এনেধৰণৰ কিছুমান কথা মনলৈ আহে। কিন্তু নিষ্ঠুৰ প্ৰকৃতিৰ নিয়মে এয়া হ'বলৈ নিদিয়ে। জন্ম ল'লে এদিন মৃত্যুক সাৱটি ল'বই লাগিব। এইয়া বিধিৰ লিখন।

এই দুদিনীয়া জীৱনতে মানুহৰ প্ৰতি মানুহৰ ভাল পোৱা ভাব নাই। কাৰোবাৰ দুখত কোনোবা কান্দোতা নাই। মাত্ৰ আছেপৰস্পৰৰ মাজত ঘাত-প্ৰতিঘাত। আছে মাথোঁ প্ৰবঞ্চনা। আছে মাত্ৰ কূটনীতি পৃথিৱীত জন্ম হোৱা কোনে কাৰ কথা ভাৱে; কোনো কাৰো কথা ভৱা মানুহ নাই। হয়তো কেইটামান টকাৰ বাবে কোনো মানুহে সৃষ্টি কৰিছে বিভীষিকাৰ। কোনোৱে হয়তো কাৰোবাক হত্যা কৰিছে; ৰাজনৈতিক কাৰণত হয়তো কোনো লোকে কাৰোবাক এই পৃথিৱীৰ পৰা সম্পূৰ্ণ ৰূপে আঁতৰাই পঠিয়াইছে।

মানুহে জানেই যে তেওঁলোকৰ জীৱন চিৰযুগমীয়া নহয়। এনে কথা বিলাক জনাৰ পিছতো কোনো লোকে আন কাৰোবাক ভাল পাব নিবিচাৰে। কাৰোবাৰ দুখত সহায় কৰোঁতা নাই। লোভ-মোহেৰে ভৰা এই পৃথিৱীৰ কলাধনৰ বাবে মানুহে আজি পাগল। কিন্তু কোনোবা এজনে কাৰোবাক সহায় কৰাৰ ইচ্ছা হয়তো নাই।

কেবিৰে কৈছিল, "তোমাৰ সমালোচনা কৰা লোকক তুমি তোমাৰ আগচোতালতে বহিব দিয়া"। কিন্তু কোনোবাই জানো নিজৰ বেয়া সমালোচনা কৰা লোকক ঠাই দিব। এইয়া কেতিয়াও সম্ভৱ নহয়। মোৰ ক্ষুদ্ৰ বুদ্ধিৰে ঢুকি পাইছোঁ যে মানুহ এনে হোৱাৰ কাৰণ লোভ আৰু মোহ তথা স্বাৰ্থপৰতা। নিজৰ স্বাৰ্থক অগ্ৰাধিকাৰ নিদি আনৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া কোনো ব্যক্তি এই পৃথিৱীত নাই আৰু চিৰ দিনেই হয়তো নোলাব।

মানুহে ল'ৰালি কালৰ পৰা বৃদ্ধ হোৱাৰ আগছোৱা লৈকে ঠগ-প্ৰবঞ্চনাই কৰি ফুৰে আৰু যেতিয়া বৃদ্ধ কালত ভৰি দিয়ে তেতিয়া ভগৱানৰ নাম স্মৰণ কৰে। কিন্তু কেতিয়াবা তেওঁ আগৰ সেই ঠগ-প্ৰবঞ্চনাৰ সময়ত ভগৱানক চিন্তা কৰিছিল নে? নিশ্চয় কৰা নাছিল। সেই গতিকে মোৰ ভাৱ হয়, মানুহে এবাৰ ঠগ প্ৰবঞ্চনা কৰাৰ পাছত তেওঁ যদিও ভগৱানৰ নাম স্মৰণ কৰে তথাপি ইয়াৰ পৰা একো লাভ নহয়।

পৃথিৱীত বৰ্তমান সকলো স্বাধীন ৰাষ্ট্ৰতে ৰাজনৈতিক অৱস্থাই বৰ্তি আছে। সকলো ৰাষ্ট্ৰতে আইন-কানুন, চৰকাৰ আছে। কিন্তু আইন-কানুন তথা চৰকাৰে প্ৰকৃত ন্যায় বা বিচাৰ দিয়ে নে? নিশ্চয় কোনো দেশতে দিয়া নহয়। ডাঙৰ ডাঙৰ মানুহে সৰু সৰু লোকৰ মাজত অত্যাচাৰ চলায় আৰু সেই ডাঙৰ মানুহখিনি আইনৰ দৃষ্টিত দোষী নহৈ সেই সৰু তথা সাধাৰণ মানুহখিনিহে দোষী। আইনে তেওঁলোকক সমাজৰ এজন অপৰাধী বুলি প্ৰমাণিত কৰি দিয়ে। কিন্তু ডাঙৰ মানুহবোৰে অপৰাধ কৰিলেও তেওঁলোক আইনৰ আগত অপৰাধী নহয়। এইয়া জানো প্ৰকৃত ন্যায়।

মানুহে দুদিনীয়া জীৱনটোৰ কথা চিৰদিনীয়া বুলি ভাৱে হয়তো। কিন্তু তেওঁ যদি গৈ প্ৰবঞ্চনা তথা অন্যায় নকৰি অন্য মানুহক অলপ শান্তি দিব পাৰে তেনে মানুহহে প্ৰকৃত মানুহ। কিন্তু প্ৰকৃত মানুহ জানো পৃথিৱীত আছে। পৃথিৱীত আছে মাত্ৰ "তোক মাৰি মই খাওঁ" এনে ধৰণৰ কিছুমান মানুহ। যদি মানুহে ভগৱান প্ৰাপ্ত হ'ব বিচাৰে, তেন্তে মানুহে ঠগ প্ৰবঞ্চনা অন্যায় শত্ৰুতা আদি ভাৱ এৰি আনৰ দুখত দুখী হোৱা কাৰোবাক অলপ শান্তি দিব পৰা আদি কাম কৰিব লাগিব। তেতিয়াহে মানুহে দুদিনীয়া জীৱনক অতিক্ৰম কৰি ভগৱানৰ লগত একাত্ম হৈ প্ৰকৃত মানুহ ৰূপে প্ৰতিষ্ঠা হ'ব লাভ কৰিব পাৰিব। ●



# 'Failure' - The Pillar of Success

Shehnaz Khan
B.Sc. 2nd Year

Yesterday is, but a dream and tomorrow is but a vision. But every today, well lived, makes every yesterday a dream of happiness and every tomorrow, a vision of hope. Life is a chain of events and living is a chain of experiences. Some are born great, some achieve greatness and some have greatness thrust upon them. The desire for instant success leads ever further and further from peace and not only ends in deprivation, but is in itself a state of perpetual want. Until it comes to an end, rest is an impossibility.

All things are difficult before they are easy. If one has to climb a tree, he has to grab the branches, not the blossoms. Thoughts are the invisible builders of our destiny. Nevertheless, we let ourselves down and shatter our dreams on encounter with failures. Circumstances are beyond the control of man, but his ability to cope with it, is his own power. It must be kept in mind that failures is in reality, an opportunity to begin something again with more enthusiasm. Success is never served on plate, but attained with perseverance and the will to reach the goal inspite of repeated failures. It is quite often seen that when we laugh, the whole world laughs with us. But when we weep, we weep alone. Success is therefore seen as a "Public Affair" while failure - 'a private funeral'. But this funeral should not be considered as the end of his dreams and aspirations. Rather, it should be taken as a challenge and the beginning of his journey towards achieving his goal. Man is the architect of his own destiny. Nobody achieves anything worthwhile without courage and determination. Success in any field is always based on the individual's willingness to face up the hard facts of life. Worry is a circle of inefficient thoughts whirling about a point of fear. So, there is no point in worrying about failures. Failures are inevitable, but the key to success is to have patience. It is not enough to have great qualities, one must know how to manage them. Success is a journey, not the destination. We must never be disheartened by failures as it is well known that "Failure is the pillar of success". If we accept failures today, pleasures will be ours tomorrow. To exemplify my point, let me bring into focus, a few remarkable achievements by some ever-twinkling stars, who were declared "failures" at some stages in their lives, but shone into prominence by dint of hard work and perseverance.

**ALBERT EINSTEIN :**

This Mathematician and Scientist was scolded by his school teacher for not paying attention to mathematics and for not being able to solve simple problems. She told him that he would never achieve anything in life.

**THOMAS ALVA EDISON :**

When Thomas Alva Edison invented the light bulb, he tried over 2000 experiments before he got it to work. A young reporter asked him how he felt to fail so many times. He said, "I never failed once, I invented the light bulb. It just happened to be a 2000 step process".

**WALT DISNEY :**

The pioneer of Cartoon and Animation was fired by a newspaper editor because he had "no good ideas".

**BEETHOVEN :**

His music teacher once said of him "As a composer he is hopeless". This musician went on to compose some of the world's finest music. In fact, some of his most famous music was composed after he became deaf.

Thus, from the above inspirational instances, it is seen that all great deeds are the result of firm determination and the ability to accept repeated failures. It helps us to raise into eminence. A strong will can overcome great obstacles and can attain success, if he strives for it steadily. The worst bankrupt in the world is one who has lost his enthusiasm. Success can be achieved by those who do not mind failures but struggle on till the end is reached. Thus, the secret of success is to be able to disagree without being disagreeable and accept failures as a challenge. Short-term success can be achieved without failures, but everlasting success involves failures, hard work and determination.

Thus J.G. Holland has rightly remarked.

"There is no royal road to anything.

One thing at a time, all things in succession.

That which grows fast, withers rapidly.

That which grows slowly endures.

*So dear readers, I would like to conclude with this saying :*

"Prepare for the worst, expect the best,

Take what it comes.

And Success will surely be yours!"

"All the Best!"

●●●

- কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধকালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সান্ত্বনা আৰু আশ্ৰয়, ঘৰৰ আনন্দ আৰু উত্তম ভ্ৰমণৰ সংগী।

*- চিচিৰো*

- আশা আৰু নিদ্ৰা নাইকিয়া হ'লে পৃথিৱীত মানুহেই আটাইতকৈ দুৰ্ভগীয়া জীৱ হৈ পৰে। জীৱনটো তেতিয়া আমাৰ বব নোৱাৰা এটা বোজা যেন লাগে। তেনে অৱস্থাত লক্ষ্যত উপনীত হ'ব পৰাৰ আশাইহে আমাক আগবাঢ়ি যোৱাৰ বাবে উদগনি যোগায়।

*- কাণ্টে*



# DO YOU KNOW

**Dikshita Saikia**
T.D.C. 1st Yrs (Arts)

**1. STUDENT :**

Student life is the most important period of a man's life. It is the high time of receiving education and training for future life. Student are the future hopes of a country.

The word "STUDENT" contains seven letters. Each letter stands for a quality which each and every student must strive hard to acquire.

S = Stands for "Sincerity"

T = Stands for "Truthfulness"

U = Stands for "Usefulness"

D = Stands for "Dutifulness"

E = Stands for "Enthusiasm"

N = Stands for "Nationalism"

T = Stands for "Thoroughness"

**2. TEACHER :**

One who instruct is called teacher. There is a deep relationship between teacher and student. We cannot have any good training in our life without teacher. So, we should obey and respect them.

The word "TEACHER" contains seven letters stands for a quality which each and every teacher must strive hard to acquire.

T = Stands for "Tactfulness"

E = Stands for "Efficiency"

A = Stands for "Ability"

C = Stands for "Character"

H = Stands for "Humor"

E = Stands for "Eloquency"

R = Stands for "Readiness"

**3. NEWSPAPER :**

The newspaper is a part of our education life. It is the chief agency of expressing public opinion.

The word "NEWSPAPER" contains nine letters. Every letters has different meaning of its own.

N = Stands for "North"

E = Stands for "East"

W = Stands for "West"

S = Stands for "South"

P = Stands for "Past"

A = Stands for "And"

P = Stands for "Present"

E = Stands for "Events"

R = Stands for "Reports"

●●●

# বিশ্বকাপত চেঞ্চুৰী

হিৰুমণি দিহিঙ্গীয়া
স্নাতক দ্বিতীয় বৰ্ষ

১৯৭৫ চনত ইংলেণ্ডত প্ৰথম বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আৰম্ভণি হৈছিল। ইংলেণ্ডৰ এক ইঞ্চুৰেন্স কোম্পানী 'প্ৰুভেনছিয়েল এছুৰেন্স কোম্পানী'য়ে আয়োজন কৰা এই প্ৰতিযোগিতাখনি 'প্ৰুভেনছিয়েল কাপ' নমেৰে জনাজাত আছিল। এই বিশ্বকাপত ৮ খন দেশে অংশগ্ৰহণ কৰিছিল। প্ৰথম বিশ্বকাপৰ প্ৰথমখন খেল ১৯৭৫ চনৰ ৭ জুন তাৰিখে ভাৰত আৰু ইংলেণ্ডৰ মাজত লৰ্ডছ খেলপথাৰত অনুষ্ঠিত হৈছিল। এই প্ৰথম খেলতেই ইংলেণ্ডৰ ডেনিছ এল. এমিছে ১৮ টা বাউণ্ডেৰিৰ সহায়ত ১৩৭ ৰান কৰিছিল। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত এয়াই চেঞ্চুৰীৰ আৰম্ভণি।

১৯৭৫ চনৰ প্ৰথম বিশ্বকাপৰ পৰা ২০০৩ চনৰ অষ্টম বিশ্বকাপলৈকে মুঠ ৫৫ জন বেট্ছমেনে ৮১ টা চেঞ্চুৰী কৰিছে। এই চেঞ্চুৰী কৰা বেটছমেন সকল হ'ল ঃ

### প্ৰথম বিশ্বকাপ (প্ৰুভেনছিয়েল কাপ) ১৯৭৫ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| ডেনিছ এমিছ | ইংলেণ্ড | ভাৰত | লৰ্ডছ | ১৩৭ |
| গ্লেন টাৰ্নাৰ | নিউজিলেণ্ড | পূব-আফ্ৰিকা | বাৰ্মিংহাম | ১৭১ |
| কীথ ডব্লিউ আৰ ফ্লেচাৰ | ইংলেণ্ড | নিউজিলেণ্ড | ট্ৰেন্টব্ৰিজ | ১৩১ |
| এলাৰ্ন টাৰ্নাৰ | অষ্ট্ৰেলিয়া | শ্ৰীলংকা | অ'ভাল | ১০১ |
| গ্লেন টাৰ্নাৰ | নিউজিলেণ্ড | ভাৰত | অ'ল্ড ট্ৰেফ'ৰ্ড | ১১৪ |
| ক্লাইভ হুবাট লয়েড | ৱেষ্ট-ইণ্ডিজ | অষ্ট্ৰেলিয়া | লৰ্ডছ | ১০২ |

### দ্বিতীয় বিশ্বকাপ (প্ৰুভেনছিয়েল কাপ) ১৯৭৯ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| গৰ্ডন কথবাৰ্ট | ৱেষ্ট-ইণ্ডিজ | ভাৰত | বাৰ্মিংহাম | ১০৬ |
| ভিভিয়ান ৰিচাৰ্ডছ | ৱেষ্ট-ইণ্ডিজ | ভাৰত | লৰ্ডছ | ১৩৮ |

### তৃতীয় বিশ্বকাপ (প্ৰুভেনছিয়েল কাপ) ১৯৮৩ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| এলান যোছেফ লেম্ব | ইংলেণ্ড | নিউজিলেণ্ড | অভাল | ১০২ |
| ডেভিড আইভন গাৱাৰ | ইংলেণ্ড | শ্ৰীলংকা | টনটন | ১৩০ |



| | | | | |
|---|---|---|---|---|
| ট্ৰেভৰ চেপেল | অষ্ট্ৰেলিয়া | ভাৰত | ট্ৰেনব্ৰিজ | ১১০ |
| গৰ্ডন কাথবাৰ্ট গ্ৰীনিজ | ৱেষ্ট-ইণ্ডিজ | জিম্বাব'ৱে | ৱৰেষ্টাৰ | ১০৫ |
| ইমৰাণ খান | পাকিস্তান | শ্ৰীলংকা | লিডছ | ১০২ |
| ভিভিয়ান ৰিচাৰ্ডছ | ৱেষ্ট-ইণ্ডিজ | ভাৰত | অ'ভাল | ১১৯ |
| কপিলদেৱ | ভাৰত | জিম্বাব'ৱে | টনব্ৰিজৱেলছ | ১৭৫ |
| জাহিৰ আব্বাছ | পাকিস্তান | নিউজিলেণ্ড | ট্ৰেনব্ৰিজ | ১০৩ |

### চতুৰ্থ বিশ্বকাপ (ৰিলায়েন্স কাপ) ১৯৮৭ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| জাভেদ মিয়াদাঁদ | পাকিস্তান | শ্ৰীলংকা | হায়দৰাবাদ | ১০৩ |
| জিঅ'ফ মাৰ্শ্ব | অষ্ট্ৰেলিয়া | ভাৰত | চেন্নাই | ১১২ |
| ডেভিড লাউড হৰ্টন | জিম্বাব'ৱে | নিউজিলেণ্ড | হায়দৰাবাদ | ১৪২ |
| ভিভিয়ান ৰিচাৰ্ডছ | ৱেষ্ট-ইণ্ডিজ | শ্ৰীলংকা | কৰাচী | ১৮১ |
| ডেছমণ্ড লিঅ' হেনেছ | ৱেষ্ট-ইণ্ডিজ | শ্ৰীলংকা | কৰাচী | ১০৫ |
| ৰামীজ ৰাজা | পাকিস্তান | ইংলেণ্ড | কৰাচী | ১১৩ |
| চেলিম মালিক | পাকিস্তান | শ্ৰীলংকা | ফয়চলাবাদ | ১০০ |
| জিঅ'ফ মাৰ্শ্ব | অষ্ট্ৰেলিয়া | নিউজিলেণ্ড | চণ্ডীগড় | ১২৬ |
| ৰিচাৰ্ড বেঞ্জামিন বিচাৰ্ডছন | ৱেষ্ট-ইণ্ডিজ | পাকিস্তান | কৰাচী | ১১০ |
| সুনীল গাভাস্কাৰ | ভাৰত | নিউজিলেণ্ড | নাগপুৰ | ১০৩ |
| গ্ৰাহাম এলান গুচ | ইংলেণ্ড | ভাৰত | মুম্বাই | ১১৫ |

### পঞ্চম বিশ্বকাপ (বেনছন এণ্ড হেজেছ বিশ্বকাপ) ১৯৯২ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| মাৰ্টিন ডেভিড ক্ৰ' | নিউজিলেণ্ড | অষ্ট্ৰেলিয়া | অকলেণ্ড | ১০০ |
| ডেভিড ক্লাৰেন্স বুন | অষ্ট্ৰেলিয়া | নিউজিলেণ্ড | অকলেণ্ড | ১০০ |
| ৰামীজ ৰাজা | পাকিস্তান | ৱেষ্ট-ইণ্ডিজ | মেলবৰ্ণ | ১০২ |
| এন্ড্ৰু ফ্লাৱাৰ | জিম্বাব'ৱে | শ্ৰীলংকা | নিউ প্লাইমাউথ | ১১৫ |
| আমীৰ চোহেল | পাকিস্তান | জিম্বাব'ৱে | হোৱাট | ১১৪ |
| ফিল ছিমনছ | ৱেষ্ট-ইণ্ডিজ | শ্ৰীলংকা | বেৰী | ১১০ |
| ডেভিড ক্লাৰেন্স বুন | অষ্ট্ৰেলিয়া | ৱেষ্ট-ইণ্ডিজ | মেলবৰ্ণ | ১০০ |
| ৰামীজ ৰাজা | পাকিস্তান | নিউজিলেণ্ড | ক্ৰাইষ্ট চাৰ্চ | ১১৯ |

### ষষ্ঠ বিশ্বকাপ (উইলছ কাপ) ১৯৯৬ চন

| বেট্ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| নাথান জে. এছলে | নিউজিলেণ্ড | ইংলেণ্ড | আহমেদাবাদ | ১০১ |

| | | | | |
|---|---|---|---|---|
| গেৰী কিৰ্ষ্টেন | দক্ষিণ আফ্ৰিকা | সংযুক্ত আৰব আমীৰ শ্বাহী | ৰাৱালপিণ্ডি | ১৮৮ |
| শচীন তেণ্ডুলকাৰ | ভাৰত | কেনিয়া | কটক | ১২৭ |
| গ্ৰেম হিক | ইংলেণ্ড | হলেণ্ড | পেছোৱাৰ | ১০৫ |
| মাৰ্ক এডগাৰ ৱ’ | অষ্ট্ৰেলিয়া | কেনিয়া | বিশাখাপট্টনম | ১৩০ |
| মাৰ্ক এডগাৰ ৱ’ | অষ্ট্ৰেলিয়া | ভাৰত | মুম্বাই | ১২৬ |
| আমীৰ চোহেল | পাকিস্তান | দক্ষিণ আফ্ৰিকা | কৰাচী | ১১১ |
| শচীন তেণ্ডুলকাৰ | ভাৰত | শ্ৰীলংকা | নতুন দিল্লী | ১৩৭ |
| ৰিকি পন্টিং | অষ্ট্ৰেলিয়া | ৱেষ্ট-ইণ্ডিজ | জয়পুৰ | ১০২ |
| এন্দ্ৰু চাৰ্লছ হাডচন | দঃ আফ্ৰিকা | হলেণ্ড | ৰাৱলপিণ্ডি | ১৬১ |
| বিনোদ কাম্বলী | ভাৰত | জিম্বাৱে | কানপুৰ | ১০৬ |
| অৰবিন্দ ডি চিলভা | শ্ৰীলংকা | কেনিয়া | কেণ্ডি | ১৪৫ |
| ব্ৰায়ন লাৰা | ৱেষ্ট-ইণ্ডিজ | দঃ আফ্ৰিকা | কৰাচী | ১১১ |
| ক্ৰিছ হেৰিছ | নিউজিলেণ্ড | অষ্ট্ৰেলিয়া | চেন্নাই | ১৩০ |
| মাৰ্ক এডগাৰ ৱ’ | অষ্টেলিয়া | নিউজিলেণ্ড | চেন্নাই | ১১০ |
| অৰবিন্দ ডি চিলভা | শ্ৰীলংকা | অষ্ট্ৰেলিয়া | লাহোৰ | ১০৭ |

## সপ্তম বিশ্বকাপ (আই.চি.চি. কাপ) ১৯৯৯ চন

| বেট্‌ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| শচীন তেণ্ডুলকাৰ | ভাৰত | কেনিয়া | বিষ্ট্ৰল | ১৪০ |
| ৰাহুল দ্ৰাবিড় | ভাৰত | কেনিয়া | বিষ্ট্ৰল | ১০৫ |
| ৰাহুল দ্ৰাবিড় | ভাৰত | শ্ৰীলংকা | টনটন | ১৪৫ |
| সৌৰভ গাংগুলী | ভাৰত | শ্ৰীলংকা | টনটন | ১৮৩ |
| অজয় জাদেজা | ভাৰত | অষ্ট্ৰেলিয়া | অ’ভাল | ১০০ |
| মাৰ্ক ৱ’ | অষ্ট্ৰেলিয়া | জিম্বাৱে | লৰ্ডছ | ১০৪ |
| নীল জনচন | জিম্বাব’ৱে | অষ্ট্ৰেলিয়া | লৰ্ডছ | ১৩২ |
| চৈয়দ আনোৱাৰ | পাকিস্তান | জিম্বাব’ৱে | অ’ভাল | ১০৩ |
| হাৰ্ছেল গিবছ | দঃ আফ্ৰিকা | অষ্ট্ৰেলিয়া | হেডিংলি | ১০১ |
| ষ্টিভ ৱ’ | অষ্ট্ৰেলিয়া | দঃ আফ্ৰিকা | হেডিংলি | ১২০ |
| চৈয়দ আনোৱাৰ | পাকিস্তান | নিউজিলেণ্ড | অল্ডট্ৰেফৰ্ড | ১১৩ |

## অষ্টম বিশ্বকাপ (আই.চি.চি. কাপ) ২০০৩ চন

| বেট্‌ছমেন | দেশ | বিপক্ষ | স্থান | ৰান |
|---|---|---|---|---|
| ব্ৰায়ান লাৰা | ৱেষ্ট-ইণ্ডিজ | দক্ষিণ আফ্ৰিকা | কেপটাউন | ১১৬ |
| সৌৰভ গাংগুলী | ভাৰত | নামিবিয়া | পিটাৰমেৰিটজবাৰ্গ | ১১২ |
| শচীন তেণ্ডুলকাৰ | ভাৰত | নামিবিয়া | পিটাৰমেৰিটজবাৰ্গ | ১৫৩ |
| ছয়িদ আনোৱাৰ | পাকিস্তান | ভাৰত | চেঞ্চুৰিয়ান | ১০২ |
| এন্দ্ৰিউ চাইমণ্ডছ | অষ্ট্ৰেলিয়া | পাকিস্তান | জোহান্সবাৰ্গ | ১৪৩ |
| সনথ জয়সূৰ্য | শ্ৰীলংকা | নিউজিলেণ্ড | ব্লোমফন্টেইন | ১২০ |
| ক্ৰেইগ উইশ্বাট | জিম্বাব’ৱে | নামিবিয়া | হাৰাৰে | ১৭২ |
| স্কট ষ্টাইৰিছ | নিউজিলেণ্ড | শ্ৰীলংকা | ব্লোমফন্টেইন | ১৪১ |
| হাৰ্ছেল গিবছ | দঃ আফ্ৰিকা | নিউজিলেণ্ড | জোহান্সবাৰ্গ | ১৪৩ |
| ষ্টিফেন ফ্লেমিং | নিউজিলেণ্ড | দক্ষিণ আফ্ৰিকা | জোহান্সবাৰ্গ | ১৩৪ |
| ক্ৰিছ গাইল | ৱেষ্ট-ইণ্ডিজ | কেনিয়া | কিম্বাৰলী | ১১৯ |
| সৌৰভ গাংগুলী | ভাৰত | কেনিয়া | কেপটাউন | ১০৭ |
| জন ডেভিচন | কানাডা | ৱেষ্ট-ইণ্ডিজ | চেঞ্চুৰিয়ান | ১১১ |
| নাথন এছল | নিউজিলেণ্ড | জিম্বাব’ৱে | ব্লোমফন্টেইন | ১০২ |
| ৰিকি পন্টিং | অষ্ট্ৰেলিয়া | শ্ৰীলংকা | চেঞ্চুৰিয়ান | ১১২ |
| আটাপাট্টু | শ্ৰীলংকা | জিম্বাব’ৱে | ইষ্ট লণ্ডন | ১০৩ |
| আটাপাট্টু | শ্ৰীলংকা | দঃ আফ্ৰিকা | ডাৰবান | ১২৪ |
| সৌৰভ গাংগুলী | ভাৰত | কেনিয়া | ডাৰবান | ১১১ |
| ৰিকি পন্টিং | অষ্ট্ৰেলিয়া | ভাৰত | জোহান্সবাৰ্গ | ১৪০ |

●●●




- ভাল অনুকৰণেই প্ৰকৃত মৌলিকত্ব লাভ কৰে।

  \- ভল্টেয়াৰ

- কোনো মানুহক সম্পূৰ্ণৰূপে অনুকৰণ নকৰিবা। প্ৰত্যেক মানুহৰে সৎ গুণ যেনেকৈ আছে, অসৎ গুণো আছে। অসৎখিনি বাদ দি সৎ গুণখিনি বাছি ল’ব পৰাটোহে মানৱতাৰ কৃতিত্ব।

  \- হেম বৰুৱা

# '2005' At a glance on Science and Technology

Ajoy Das
B.Sc. Final Year
Deptt. of Botany

**First cell phone virus :**

The world's first mobile phone "in the wild" has spread to other parts of the world from its birth place in the Philippines in June 2004. The virus called cabir, has spread slowly into 12 countries and marked the beginning of the mobile phone virus era, which could one day disrupt the lives to many of the world's 1.5 billion mobile phone users on Feb. 8. The biggest impact of the relatively innocuses virus, which only infects Bluetooth capable phones, is draining mobile phone batteries.

**New vaccine for Marburg, Ebola viruses :**

A new vaccine against the deadly Ebola and Marburg viruses was successfully tested on Monkey on June 5. The test models appeared promising for the development of future vaccines against the rapid spreading viruses and could also be applied to other deadly viruses. Twelve macaques were used in the experiments, with six being vaccinated against Ebola and six against Marburg.

**Fake stem cells :**

South Korean researchers have developed a highly efficient recipe for producing human embryos through cloning and then extracting their stem cells. They used their method to produce 11 human stem cell lines that were genetic matches of patients who ranged in age from two to 56.

In Dec. 2005, the Korean scientist Roh Sung Il revealed that stem cells from nine embryos were faked and the authenticity of the other two as unknown.

**New cell spray :**

Doctors at Queen Victoria Hospital in London have accomplished a break through to treat severe burn wounds without skin transplantation. The new spray-on-skin technique was used to treat two year old patient who suffered 90 percent burns after she was accidentally scalded by her mother. The spray-on technique is quicker and cheaper then sheets of cultured skin. Besides the spray technique can be used for areas such as the soles of feet, which are hard to graft.

**Breakthrough in the stem cell :**

The scientist at the Christopher Reeve Paralysis Foundation have used injections human stem cells to heal spinal injuries in paralysed mice, allowing them to walk normally again. The research suggests that stem cells could be used to repair spinal damage in people who have suffered damaging accidents or disease, though further studies, including safety tests, are needed before the treatment can go into human trial.

**Anti-SARS Drug found :**

Chinese and European scientist conducting research in eastern China have found that a medicine used to treat schizophrenia is effective in treating patients with the deadly SARS disease. According to them, cinanserin causes Severe Acute Respiratory Syndrom (SARS). The drug was identified as the only ready to use medicine among 15 possible anti-SARS remedies.

**New Monkey Species :**

Indian scientists have found evidence suggesting the occurrence of the Tibetan macque, Macaca thibetana, in India. It was so far believed to be confined to China. Occurring mainly in the higher altitudes (1,000m to 2,500m) do each central China, it is a relatively large primate with a short, stump-like tail. They confirmed the occurrences of troops do such monkeys in the area. This adds another species to the growing faunal catalogue of the Eastern Himalayan Arunachal Pradesh, a global biodiversity hotspot.

**Global Warming Shrinks :**

British scientists have announced that takes in two large swaths of Siberia are shrinking in size and 125 of them have disappeared. They examined satellite photographs of 305,000sq km. Siberia, two areas stretching south between the Ural mountains and the Arctic mining town of Norilsk.

**First face transplant :**

The world's first partial face transplant has been performed on a 38 year old French woman, whose lips and nose were ripped off in a dog attack. A team of French surgeons performed the transplant by grafting on tissues, muscles, arteries and veins from a brain dead woman. Skin transplants have long been used to treat burns and others injuries, but operations around mouth and nose have been considered very difficult because of the area's high sensitivity to foreign tissue.

**Live Bird flu vaccine :**

Chinese scientist at the Harbian Veterinary Research Institute have developed the world's first live vaccine against bird flu and new castle disease two killer infections for poultry. The recombinant bivalent vaccine will be a great boost to prevention and control of the two epidemics in China as well as in the world. In addition to injection, the vaccine can be administered orally. ●

- আন্ধাৰক শাওপাত দিবৰ বাবে আমি ইয়ালৈ অহা নাই। সেই আন্ধাৰৰ মাজেদি নিৰাপদে এক সুস্থ ভৱিষ্যতৰ ফালে আমাক বাট দেখুৱাই নিব পৰা চাকি এগছি জ্বলাবৰ বাবেহে আহিছো।

  \- জ্যোতিপ্ৰসাদ আগৰৱালা

- আন্ধাৰতো থাকা, পোহৰতো থাকা, মাথোঁ দুয়োটাৰ মাজৰ বাটটো নাপাহৰিবা।

  \- এৰিক হফাৰ

# LATEST GENERAL KNOWLEDGE

**Ajoy Das**
B.Sc. Final Year
Deptt. of Botany

**Miss India World wide (2005) :**

Amrita Hunjan from the United Kingdom was crowned at the Miss India World Wide Beauty Pageant in Mumbai on Jan 9. Reshma Vleit of the Netherlands was adjudged the 1st runner-up, while Thabashini Jeevan of Singapore was named the 2nd runner-up.

**47th Grammy Awards :**

The awards were presented in Los Angeles on Feb. 13 to the followings :

Album of the year : Ray Charles and various Artisto for Genius Loves Company.

Record of the year : Ray Charles and Norah Jones for "Here we go Again".

Song of the year : John Mayer for Daughters.

Best new Artist : Maroon 5

Female Pop vocal performance : Noral Jones for Sunrise.

Male Pope vocal performance : John Mayer for Daughters.

**Mrs. World (2005) :**

Simha Bakher from Israel was crowned Mrs World crowned at the Mrs. World Beauty Pageant in Amby Valley near Mumbai on Feb. 25.

**50th Filmfare Awards :** The awards were presented in Mumbai on Feb. 26. Shak Rukh Khan and Rani Mukherjee were adjudged Best Actor and Best Actress respectively. Yash Chopra-directed cross-border lova saga Veer-Zara won the Best film Award.

Kunal kohli was adjudged the Best Director for Hum Tum, a Yash Chopra production which also won three more awards. SR Khan and Rani Mukherjee won awards for their performances in much acclaimed Swades and hum Tum respectively. For Rani it was a grand double as the awards entered the golden jubilee year this year. She also won Best supporting Actress for her role in Yuva. Abhishek Bachchan also won the award for his role in Yuva, directed by Mani Ratnam.

Javed Akhtar, Alka Yagnik and Kunal Ganjawala also picked awards. Akhtar was adjudged the best lyricist for Veer-Zaara.

Alka Yagnik and Kunal Ganjawala were adjudged as the Best Playback singers for Hum Tum and Murder. Sony Golden Glory Awards went to evergreen actor Dev Anand and Rekha.

Best Actress in villainous role was bagged Priyanka Chopra for her role in the Abbas-Mastan, directed "Aitraaz', while Saif Ali Khan was declared best actor in a comic role in Hum Tum.

**Economic Times Awards for corporate excellence (2005)**

**The awards were presented to the following on Sept. 27 :**

Business Leader of the year : Sunil Mittal

Company of the year : HDFC Bank.

Emerging Company of the year : Jet Airways.

Global Indian : L.N. Mittal



Business woman of the year : The women of ICICI

Corporate citizen : Tata Trusts.

**Man Booker Prize (2005) :**

Eminent Irish writer John Banville was awarded the Britain's highest literary award Man Booker Prize for 2005 for his work "The Sea" on Oct. 11.

**52nd National Film Awards :**

President APJ Abdul Kalam presented the 52nd National Film Awards to the following on Oct. 23.

Best Film : Page 3

Best Director : Buddhadeb Dasgupta (Swapner Din)

Best Actor : Saif Ali Khan (Hum Tum)

Best Actress : Thaara (Hasina)

Best Hindi Film : Raincoat

Nargis Dutt Award for best feature film on National Integration : Netaji Subhas Chandra Bose- The Forgotten Hero.

G.D. Birla Award for scientist research (2004 - 2005) : Prof. Dipankar Das Sarma of the IISc, Bangalore and Prof. Arun M. Jayannavar of the Institute of Physics, Bhubaneswar were awarded the G.D. Birla Award for Scientific Research for 2004 and 2005 respectively.

**Nobel Prizes (2005) :**

The Nobel Prizes for 2005 were presented to the following on Dec. 10.

Peace : (i) International Atomic Energy Agency (IAEA);
(ii) Mohamed Elbaradel (Egypt)

Literature : Harold Pinter (Britain)

Economic : (i) Robert J. Aumann (Israel)
(ii) Thomas c. Schelling (US)

Medicine : (i) Barry J. Marshall (US)
(ii) J. Robin Warren

Physics : (i) Roy J. Glauber (US)
(ii) John Hall (US)
(iii) Theodor W. Haensch (Germany)

Chemistry : (i) Yves Chauvin (France)
(ii) Robert H. Grubbs (US)
(iii) Richard R. Schrock (US)

**58th Cannes film festival Award :**

The 58th Cannes Award Festival Awards, where India's noted actress Nandita Das was one of the jury, were presented in Cannes on May 22 to the following : Palme d'or for Best Short Film : Podorozhni; Grand Prix : Broken Flowers; Best Actor : Tommy Lee Jones for "The Three Burials of Melquiades Estrada"; Best Actress : Hama Laslo for Free Jone; Jury prize : Shanghai Dreams.

**Nelson Mandela Award :**

On Aug. 5, the award was presented to senior congress Margaret Alva in recognition of her advocacy for minority causes.

**Jnanpith Award :**

President APJ Kalam presented the Jnanpith Award for 2002 to noted Tamil writer D. Jayakanthan on Sept. 27.

**Miss World (2006) :**

The 21 year old Miss Iceland Unnur Birna Vihjalmsdottir was crowned the 2005 Miss World at the Miss World at the Miss World Beauty pagent in Sanya (China) on Dec. 10. The 23 year old Miss Mexico Dafne Molina Lona was named the first runner up, while the 22 year old Miss Puerto Rico Ingrid Maria Rivera Santos was adjudged the second runner-up. ●

গল্প

# মাছ, সপোন আৰু বৰষুণ

সুদীপ্ত শঙ্কৰ বৰা
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)

মেটেকাবোৰৰ মাজে মাজে দুই-এডাল দল গজি উঠিছে। বৰশীৰ ডাঁৰিডালৰ আগটোৰে সি মেটেকাবোৰৰ আহ-পাহবোৰ মুকলি কৰি দিলে আৰু একে আপাহতে বোকাবোৰো ঘোদালি দিলে। বানপানীত হেলিকপ্টাৰেৰে সাহায্য দিয়াৰ দৰে সি টোপটো পানীৰ মাজলৈ সুমুৱাই দিলে। বাপেকলৈ তাৰ মনত পৰিল; দলবোৰৰ দৰে দাড়ি থকা বাপেকলৈ, যি তাৰ্লৈ সদায় আবেলি কিবা নহয় কিবা এটা আনিছিলেই; অতি পৰম আগ্ৰহত।

সি বৰশীত আমৰলিৰ টোপ গাঁঠি দিছে। তাৰ চকু থৰ হৈ আছে পুঙাটোৰ ওপৰত, যিটো সমকোণীয়াকৈ পানীৰ মাজত টোপনি গৈ আছে। খুউব যেন আত্মীয়- এনে ভাবত মেটেকাবোৰ পুঙাটোৰ ওচৰলৈ চাপি-কুঁচি গৈছে।

পুঙাটো নিশ্চয় এজন সন্ন্যাসী, যি কিবা এটা বৰ পোৱাৰ আশাত পানীৰ মাজত থিয় হৈ ধ্যান কৰি আছে। মেটেকাবোৰ অপেশ্বৰী হৈ সন্ন্যসীৰ ধ্যান ভংগ কৰিবলৈ চেষ্টা কৰি আছে; কিন্তু পৰা নাই। কিন্তু অৱশেষত তেখেতৰ ধ্যানভংগ হ'ব, যেতিয়া এজনী দীপ্‌লীপ্ তিলোত্তমাই তেখেতৰ চিত্ত হৰণ কৰিব। যদি সেই দীপ্‌লীপ্‌জনী এটা বৰালি মাছেই হয়- সি ভাবিলে।

সি জানে আমৰলিৰ টোপত বেছিকৈ মাগুৰেহে খুটিয়ায়হি। বৰালি মাছৰ কথা মনত পৰোঁতে তাৰ বাপেকৰ চকুহাললৈ মনত পৰি গ'ল, যিকেইটা বৰালিৰ পিঠিটোৰ দৰেই সম্পূৰ্ণ ঢেলা আছিল 'ঢেলা চকু'। তাৰ হঁহি উঠি গ'ল। তাৰ বাপেকে মাজে সময়েহে মদ খাইছিল, অথচ ঢেলা চকু।

পুঙাটো কঁপি উঠিল। আকৌ নিস্তব্ধ, আকৌ কঁপি উঠিল। অলপপৰৰ পিছত সম্পূৰ্ণ অৱশ হ'ল। সি উত্তেজনাহীনভাৱে বৰশীটো দাঙি আনিলে। কোমল আমৰলিৰ টোপটো সৰি পৰিল। হয়তো মিছামাছে খালে; এই মিছামাছবোৰৰ ওপৰত তাৰ খংটো ভমক্‌কৈ উঠিল। সিহঁতৰ কোনোবাটো হয়তো মাৰ্বল খেলৰ বাবে ভৰিৰ গোৰোহাৰে আটোম-টোকাৰিকৈ কৰা গাঁতটোত পেট পেলাই শুই আছে; দুটামান হয়তো 'ৰঙা'ৰ ফটা খুৰাৰ খোজৰ খাজে খাজে আউজি আছে। তাৰ স্পষ্টকৈ মনত আছে। খৰালিৰ দিনকেইটাত সি আৰু তাৰ ভায়েকৰ লগৰ ৰঞ্জিত, হেমন্ত, ক্ষীৰোদহঁতে তাতে মাৰ্বল টোৱাইছিল। এই বাৰিষা, সি যিজোপা বটৰ তলত পৰম সুখত বৰশী বাই আছে, খৰালিৰ দিনকেইটাত তাৰ তলতে মাৰ্বল টোৱাইছিল, পিছফালৰ বড়া খুড়াহঁতৰ জানৰ লগত চুপতি মাৰিছিল। সিহঁতৰ বাৰীৰ মাটি প্ৰায় চাৰি কঠা। ঘৰৰ ভেটিটো ওখ। পিছফালৰ মাটিখিনি যথেষ্ট দ; বিশেষকৈ সৰু টিপ কৰি পেলাইছে। এই টিপটোতে তাৰ মৰমৰ বটজোপা আছে। অলপ দূৰতে, জেওৰাখনলৈকে সিহঁতৰ মাটিৰ সীমা। সিফালে বড়া খুড়াহঁতৰ ঘৰটো ওখ ভেটিটোৰে যথেষ্ট দূৰত। অৱশ্যে এটা পুখুৰী দুয়ো ঘৰৰ জেওৰাৰ নাতি দূৰত আছে। তাত প্ৰতিবছৰে খুড়াই নানা মাছৰ পোনা মেলি দিয়ে। বাৰিষা পানীৰে গোটেইখন উপচি পৰিলে পুখুৰীটো, সিহঁতে মাৰ্বল খেলা ঠাইটুকুৰা, মাৰ্বল খেলৰ গাঁতটো, বড়া খুড়াহঁতৰ 'ৰঙা'ই 'চোৰ-চোৰ' মনেৰে সন্তৰ্পণে দিয়া খোজকেইটা ইত্যাদি ইত্যাদি সকলোৰে চিন-মোকাম নাইকিয়া হয়। খুড়াৰ পুখুৰীৰ ৰৌ-বৰালি, কুড়ি - সকলো পিটনিডৰালৈ ঢাপলি মেলে আৰু পিটনিৰ চেঙেলী গৰৈ আদিবোৰে খুড়াৰ পুখুৰীত পিক্‌নিক্ পিক্‌নিক্ খেলে। খুড়া সৰল যিমান তাতোকৈ বেছি উদাসীন। সেইবোৰ লৈ মন-কাণ নিদিয়ে। খুড়া আকাশৰ দৰে- সি কল্পনা কৰে।

বাৰে বাৰে আমৰলিৰ টোপ গাঁঠি দিছে আৰু বাৰে বাৰে সৰি পৰিছে। এনেদৰে আৰু নোৱাৰি। এইবাৰ সি বৰলৰ টোপ এটা গাঁঠি দিলে; খুড়াৰ পুখুৰীৰ জিৰণীয়া কুড়ি এটা ধৰা পৰেই কিজানি। সি কালিয়েই বোপাইদেউৰ গোহালিৰ পৰা বৰলৰ টোপ এবাহ আনি থৈছে।

'এই টোপটোৰ যদি এটা কুড়ি ধৰিব পাৰোঁ, তেন্তে সেইটো কাক দিম বাৰু? ছেঃ কটা, গণ্ডগোলেই লাগিল নহয়।'

সি তাৰ নিজৰ কাণ দুখনে শুনাকৈ অলপ ডাঙৰকৈ ক'লে। সি জানে, তাৰ মাক এই ভৰ দুপৰীয়া পাটীত পৰি আছে। ওচৰত কোনো নাই। গতিকে ডাঙৰ এষাৰ কথা নিজৰ লগত পতোঁতেনো কিহৰ লাজ। বগলী এটাই অলপ দূৰতে পানীলৈ ৰ' লাগি চাই আছে অৱশ্যে।

অদৰকাৰী কথা কিছুমান ভাবি ভাবি তাৰ মগজটো ঘোলা হৈ গ'ল। পকেটত বিড়ি এমুঠি আছিল। তাৰ এটা উলিয়াই জ্বলাই ল'লে। বটজোপাৰ গাতে আউজি বহিল। ওপৰেৰে দুটা বগলী উৰি গ'ল।

'হকে বিহকে ক'ত যায় জানো এইজাক!' 'কি কৰ কৰি থাক ভাই। মাত্ৰ বেয়া কামফেৰা নকৰিবিহঁক দেই মোৰ মূৰৰ ওপৰত।' বটজোপাৰ অলপ ওপৰত ৰমলিয়াই থকা কাউৰী দুটালৈ চাই সি ক'লে।

পৰহি পলাশ আহিছিল। সি বি.এ. পাছ কৰি উঠিছে। এম.এ. পঢ়িবলৈ যাব হেনো। তাৰো এম. এ. পঢ়িবলৈ খুব মন আছে। বি.এৰ পিছত এবছৰ ঘৰতে শুই-বহি কটাই তাৰ আমনি লাগিছে। সি জানেও এম.এটো পাছ কৰিলেই গাঁৱৰ এম.ভি. স্কুলখনৰ খালী হৈ থকা পদটোত সোমাব পৰা যাব। মাকক কথাটো সুধি চাইছিল। মাকে সিমান এটা গুৰুত্ব নিদিলে। তেওঁৰ মতে গাঁৱতে খেতি-খোলা পাতিলেই সকলো চিজিল লাগিব।

সি বিড়িটোত দীঘল দীঘলকৈ দুটা হোপা মাৰিলে। ফিৰ্‌ফিৰীয়া বতাহ এজাক মাৰি আছে। বিড়িটো দুগুণে জ্বলি উঠিছে। বতাহজাকো ঘন হৈ আহিছে।

মূৰটো সোঁহাতৰ ফালে সামান্য বেঁকা কৰাত সি এটা ঘৰ দেখা পালে, জানহঁতৰ ঘৰ, যিটো ঘৰত এখন খিৰিকী আছিল, খিৰিকীত এখন মুখ আছিল, যিখন মুখ জানৰ বাদে আনৰ কাৰোৰে নাছিল। সি তাইলৈ চাই তাইক জোকোৱাৰ বাবে বিড়িটোত আৰু দুটামান হোপা মাৰি দেখুৱালে। খিৰিকীখনৰ পৰা এখন হাত ওলাই আহিল, এটা থাপৰ মৰাৰ ভংগিমাত। যিখন হাতৰ মালিকনীয়ে তাৰ বিড়ি খোৱা স্বভাৱটো দেখিব নোৱাৰে আৰু যিখন হাতৰ মালিকনীক সি ভালপাবলৈ আৰম্ভ কৰিছে। সি বিড়িটো দলিয়াই দিলে আৰু লাহেকৈ এটা হাঁহি মাৰি দিলে।

কোন টলকতনো পুঙাটো পানীৰ মাজত বুৰ গৈ আছে, সি গমকে নাপালে। নিশ্চয় এটা ডাঙৰ মাছ। ডাঁৰডাল তাৰ মাকৰ ফালৰ আজো আইতাকৰ পিঠিটোৰ দৰে ধেনুভিৰীয়া হৈ পৰিছে। সি চিপ্ মাৰিলে। লাহেকৈ ডোলডাল পুনৰ পানীৰ মাজলৈ কোঁ-কোঁকৈ সোমাই গ'ল। সি হাতখনত এটা টন্টননি আৰু লাওখোলাৰ পিছফালে চুলিবোৰৰ মাজতে এটা জিন্‌জিননি অনুভৱ কৰিলে। কাণ দুখনৰ লতি দুটা গৰম হৈ উঠিল। সি এবাৰ টানিলে... এবাৰ ঢিলাই দিলে... এবাৰ টানিলে... এবাৰ ঢিলাই দিলে। পানীত কঁপনি উঠিছে। তাৰ চকুৰ গুৰিত পানীৰ ভিৰ। তাতো কঁপনি উঠিছে। কপালত বিন্দু বিন্দু ঘাম। সমগ্ৰ দেহত এক অজান উৎকণ্ঠা, যিটো হয়তো চিৰ-আকাংক্ষিত। হাতৰ পেশীত টনটনোৱা আন্দোলন। এক মায়াৰী পৰিৱেশে তাৰ সমগ্ৰ সত্তাক জাৰি-জোকাৰি গৈছে। অলপ আঁতৰেৰে সি নাম নজনা চৰাই এটা সশব্দে উঠি গৈছে। চাৰিওফালে কিবা এক ৰহস্যৰ আৱেশ।

মাজতে একোবত সি জোৰেৰে এটা চিপ্ মাৰিলে। ৰ'দত জিলিকি উঠা এটা কাৰুকাৰ্য খচিত দেহাৰে এহাত দীঘল কুড়ি এটা বনৰ পাতবিলাকক চঞ্চল কৰি ছটফটাই পৰি আছে। তাৰ কোৱাৰিয়েদি বৰশীৰ এটা মূৰ ফালি ওলাই আহিছে। ভায়েক, মাক আৰু তাৰ নিজৰ বাবে ধুনীয়াকৈ আঁতি যাব।

কচুপাতখিলাৰ মাজতে মাটিৰ চপৰা কেইটামানৰ মাজতে কেঁচু কেইডালমান সি আনি থৈছে। তাৰ এটা অংশও সি ব্যৱহাৰ কৰা নাই। এতিয়া অন্ততঃ সি সিহঁতক ব্যৱহাৰ কৰিব পাৰিব মুকলিমুৰীয়াকৈ।

সি আকৌ আউজি বহিল। বিড়ি এটা আকৌ জ্বলাই ল'লে। খিৰিকীখনত সেই বিশেষ মুখখন নাই। সি সেই মুখখনক ভাল পায়। তাই যেন এজনী কুড়ি মাছ। সি কল্পনা কৰি ভাল পালে। সি আকাশখনলৈ চালে, যিখনৰ এটা চুকত অলপমান ডাৱৰ গোট খাইছেহি। সি যেন ক'ৰবাত এটা ৰস পাইছে। তাৰ দেউতাকৰ চকু দুটা বৰালি মাছৰ দৰে, জানজনীৰ মুখখন কুড়ি মাছৰ দৰে, সি নিজে কি সি নাজানে। কিন্তু সি জানে কচুপাতখিলাৰ মাজতে যিকেইডাল কেঁচু জোঁট-পোঁট লাগি কিল-বিল কৰি আছে, সেইকেইডাল আচলতে তাৰ মাক। সি বহুদেৰিলৈকে ভাবি চালে। সি বাৰু এইবোৰৰ মাজতে কোনটোনো হ'ব। বৰশীটো হ'ব নেকি বাৰু? নে বৰশীৰ টোপকেইটা? সি বৰশীৰটোপ হ'ব নোৱাৰে; কাৰণ বৰশীৰ টোপকেইটা ইতিমধ্যে সি জানৰ বাবে অনা কিতাপ দুখন, তাৰ বিড়িৰ ধোঁৱা, মুখৰ হাঁহি ইত্যাদি ইত্যাদি বুলি চিনাক্ত

কৰিছেই। সি বাৰু কাইলৈ পিটিনিডৰাত ঢেলপুঙা দিবলগীয়া গৰৈ মাছটো নেকি, যাৰ কোনো ভৱিষ্যৎ নাই... সি ভীষণ ভয় খালে।

কেতিয়ানো আকাশত ডাৱৰে সভা পতিলেহি সি ক'বই নোৱাৰিলে। ঢোঁৱা সাপ এডাল পানী ফালি আগুৱাই গৈছে। 'আকাশত ডাৱৰে দেখা দিলেহি যেতিয়া আৰু এতিয়া মাছে টোপত মুখ দিয়াৰ কোনো লক্ষণেই নাই।' সি জানে।

বৰষুণজাক আহিবলৈ এতিয়াও অলপ সময় বাকী। এটা বিষণ্ণ আবেলি যে তাৰ বাবে বৈ আছে, সেইটো বুজিবলৈ আৰু বাকী নাথাকিল। ফিৰ্‌ফিৰীয়া বতাহজাক তীব্ৰতৰ হৈ উঠিছে। সি সময়ছোৱা উপভোগ কৰিছে।

সি অলপ সময়ৰ আগতে বড়া খুড়াক আকাশৰ লগত কৰা ৰিজনিটো অতি ডাঙৰকৈ 'আনে শুনিলেও শুনক' - এনে ভাবেৰে নাকচ কৰিলে। খুড়া যদি আকাশেই হয়, তেন্তে কোন সময়তনো ডাৱৰে আগুৰি ধৰিব তাৰ কোনো পাট্টা নাই আৰু যদি তেনে হয়ো, সি জানে, সি তাৰ কুৰিজনীৰ মানে জানজনীৰ হাতখন কোনো কালে নাপাব।

সি বিড়ি মুঠি পানীলৈ দলিয়াই দিলে। অলপ সময়ৰ আগতে সি মনতে কৰা ৰিজনিবোৰ খুব ডাঙৰকৈ চিঞৰি নাকচ কৰিবলৈ মন গ'ল। অথচ, সি চিঞৰিবও নোৱাৰে, মানুহে তাক হাঁহিব। এই মুহূৰ্তত তাৰ দেউতাকলৈ পুনৰ মনত পৰি গ'ল, যাৰ চকুদুটা আছিল বৰালি মাছৰ পিঠিটোৰ দৰে ঢেলা, কিন্তু যিজনে আনন্দেৰে নিজৰ জীৱন কটাই দিলে। সি তাৰ দেউতাকৰ দৰেই এটা সৰল জীৱন জীব খোজে। কিন্তু সি নাজানে, তাক পৃথিৱীয়ে তেনে এটা জীৱন জীয়াই থাকিবলৈ দিব নে নিদিয়ে। দেউতাকলৈ তাৰ চেৰেং চেৰেঙকৈ মনত পৰিছে। যি তালৈ প্ৰত্যেক আবেলিয়ে আনিছিল এটা ল'জেন্স গুটি অথবা হৰিবামৰ দোকানৰ এটা লবঙ্গ, যিবোৰ আছিল তাৰ বাবে নিত্য নতুন। বড়া খুড়াই জানজনীৰ হাতখন তাৰ হাতত দিব নে নাই সি নাজানে, কিন্তু সি জানে এই আহিবলগা আবেলিতেই স্বৰ্গীয় দেউতাকে তাক দিব এটা সৰল জীৱনৰ অনন্য আকাংক্ষা।

'বোপাই, ঘৰৰ ভিতৰলৈ সোনকালে ব'ল। দীঘল ঠেঙীয়াৰ ঠেংবোৰ গধূৰ হৈ আহিছে। সাপৰ দেহৰ দৰে চেঁচা এটা মাত আঁকাই-পকাই ভাঁহি আহিল। সি ঘূৰি চালে। সি য'ত আউজি কল্পনাৰ সাগৰত উটিছে, ভাহিছে, তাৰ ঠিক অলপ দূৰতে থিয় হৈ আছে। কেঁচুৰ দৰে কোঁচ-মোচ খাই থকা, জেকা-মাটিৰ দৰে নিস্তেজ, তাৰ দুখুনী আই। খুড়া যদি আকাশেই হয়, তেন্তে কোন সময়তনো ডাৱৰে আগুৰি ধৰিব তাৰ কোনো পাট্টা নাই আৰু যদি তেনে হয়ো, সি জানে, সি তাৰ কুৰিজনীৰ মানে জানজনীৰ হাতখন কোনো কালে নাপাব।

*"উক্ত গল্পটি ২০-১১-০৫ তাৰিখে আমাৰ অসমৰ দেওবৰীয়া আলোচনী 'পূৰ্বাচল'ত পূৰ্ব প্ৰকাশিত। লেখকৰ অনুমতি সাপেক্ষে পুনৰ প্ৰকাশ কৰা হ'ল।"*

*- সম্পাদক*

● ● ●

যিকোনো বস্তু- এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি প্ৰচণ্ড ভূমিকম্পলৈকে - সূৰ্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটি গল্পৰ বিষয় হ'ব পাৰে।

*- এইচ ই বেট্‌ছ*



# এটা হালধীয়া গল্প ক'ম, শুনিব?

**নীৰ বালিখিতিয়াৰী**
স্নাতক দ্বিতীয় বৰ্ষ

ঃ আবিৰ - সৌ আকাশী চুৰ্নিলৈ চোৱা ..............!

ৰঙৰ তৰ্জনী আঙুলিৰ গোপন ইচ্ছা......

ঃ মই যে কৈছিলো 'কাজল দুচকু'।

আবিৰৰ ওঁঠত বেঁকা হাঁহি, অনুপম, অনুপম যাৰ্! মানিব লাগিব ভাই তোৰ Choice।

- সময় তেতিয়া দহ বাজিবলৈ পোন্ধৰ মিনিট। তিনিচুকীয়াৰ উইমেনচ্ কলেজৰ ছাত্ৰীবোৰৰ কোমল খোজে কবিতা পংক্তি পাৰি দিছিল প্ৰকাশ বজাৰৰ বাইপষ্টত। আমাৰ দুচকুত জলমল দিপ্তী। ভাল লাগে ৰঙৰ সেই কাজল দুচকুলৈ। এই ভাল লগা আজিৰ কথা নহয়, স্কুলীয়া দিনৰ পৰাই বুকুত উজাই থকা আপাদমস্তক অনুৰাগ। কিমান যে অনুকৰণ কৰে সি তাইক। কেতিয়াবা কাজল দুচকুৰে ফুটপাথৰ পুচকাৱালাৰ পৰা তাইৰ একান্ত অন্তৰংগৰ স'তে পুচকা খায়। প্ৰকাশ বজাৰ ৰাজা পাণ ভাণ্ডাৰৰ পৰা মছলা পাণ খাই কেতিয়াবা থানা ৰ'ডৰ দৈন্যই চেপি ৰখা কণমানি শিশুকেইটাক খুচুৰা পইচা কেইটামান বিলাই যায়, কেতিয়াবা উদাস দৃষ্টি আকাশৰ পিনে এৰি দিয়ে। ক্ৰমশঃ কাজল দুচকুৰে ৰঙৰ হৃদয়ত নিগাজিকৈ ঠাই লৈছে। ভাললগাৰ-ভালপোৱাৰ ঢোল দিনে-নিশাই তাৰ কলিজাত বাজিব লাগিছে। এডাল যোগসূত্ৰৰ বাবে কিমান যে কষ্ট কৰা নাই সি। গতানুগতিক হৃদয়ৰ দুৰন্ত হেঁপাহক সি চাহিদা যুগুৱাত বিফল হৈ আহিছে। তথাপি পুৰণি হৈ যাব পৰা নাই ভালপোৱাৰ ৰহস্যময় জ্যামিতিক সূত্ৰ। দুৰন্ত নেজাল তৰা হৈ বুকুত সপোন নামে, অবাধ্য আশাই চাংঘৰ পাতে। অস্তিত্বই ঘোষণা কৰে শূন্যতাৰ উচুপনি .......... কাজল দুচকুৰ অবিহনে। অপলক নেত্ৰে চাই ৰ'ল ৰঙে কাজল দুচকুলৈ। দুচকুত ভৰি পৰিল আবেগৰ আগৰ .............., বুকুৰ আপোন কৰিব নোৱাৰাৰ আবেগৰ অলেখ ঢৌৱে তাল-ফাল লগাব ধৰিলে ৰঙৰ কলিজাৰ বৰঘৰত।

ঃ আৰিৰ চাহ একাপ খাঁও আহ।

অসম হোটেলৰ ভিৰৰ মাজত সিহঁত সোমাই পৰিল .........

০ ০ ০ ০

*'ভালপোৱাৰ মিঠা আলাপেৰে ক'ব নাজানো মই*
*তই গুচি যোৱাৰ কথা ক'লে মুঠৰ ওপৰত হেৰুৱাম সম্ভাৱনা*
*হৈ পৰিম ভাবুক*
*হেৰুৱাই পেলাম জীৱন, হেৰুৱাই পেলাম আপোন ............'*

বন্ধু নীৰজৰ কবিতা। মোৰ কলিজাৰ কথাই কৈ পেলালে সি। কি যে অদ্ভুত চৰিত্ৰ নীৰজ। অনবৰতে ওঁঠত কঢ়িয়াই ফুৰে এটি স্নেহ-মহিমী হাঁহি। খুব কমেহে জানে এই হাঁহিৰ গোপন ইতিহাস। নিজক লৈ কৰা সেয়া এক অবিৰাম আখৰা। কেনেকৈ পাৰে সি নিজে নিজক লৈ নিচুকণি গীত গাব। হাজাৰ গাপ দি ৰাখিব খুজিও সি বাৰে বাৰে বিফল হয় ভালপোৱাৰ তিক্ততা এঙ্কাৰ পাঠৰ গুণগুণনিক। অথচ সি প্ৰেমিক। সমস্ত আবেগ, সমস্ত আন্তৰিকতাৰে সি 'পাহাৰী-ঝৰ্ণাৰ' বাবে ৰাখিছে কেৱল ভালপোৱা আৰু ভালপোৱা।

১৪/১২/০৩ পাহৰিব নোৱৰা দিনটো। আজিও লাগি থাকে সপোন সপোন। শেৱালি ফুলাৰ বতৰ আছিল তেতিয়া। নিয়ৰে চোতালৰ দুবৰিক আঁঠুৱা তৰি দিয়াৰ বতৰ তেতিয়া। ডুমডুমাৰ বিউটী কেইগৰাকীয়ে চাউল চটিয়াই আমাক ব্যতিব্যস্ত কৰি তুলিছিল। আমি দৰাঘৰীয়া। বন্ধুৰ ককায়েকৰ বিয়া। বৰযাত্ৰী হৈ গৈছোঁ। আস ....... ! শেৱালি শেৱালিৰ আমনি। একেটা

যাত্ৰাতে কাজল দুচকু। নাজানো স্বৰ্গ কিমান দূৰ, কিন্তু ........... ! সেই দিনা মই স্বৰ্গখন ঢুকি পাইছিলোঁ। ঘনে ঘনে লুকাই লুকাই তাইলৈ চাইছোঁ। ইমান খোলা হাঁহি মাৰিব পাৰে তাই। অন্ততঃ আজি সুযোগৰ সদ ব্যৱহাৰ কৰিম।

ঃ বহিব পাৰো নে? (কাজল দুচকুৰ কাষত খালীহে থকা চকিখনৰ প্ৰতি ৰঙৰ ইচৰা)

ঃ ওঁ ........

মৌনতাৰ অলপ হেঁচা-ঠেলা .......

ঃ সাংঘাতিক বৰিং জানা ........ !

আপোন আপোন গোন্ধ তাইৰ আচৰণত

ঃ এৰা ....... !

ঃ তোমাক আগতে ....... (তুমি বুলিয়েই ক'লো দেই) লগ পাইছোঁ নেকি?

ঃ লগ পাইছোঁ, কিন্তু ........ ঠিকনাবোৰহে অচিনাকি।

ঃ ইন্টাৰেষ্টিং; শেষ ক'ত লগ পাইছিলো বাৰু ........?

ঃ ........ওঁ ........ অসম হোটেলৰ ওচৰত (একেলগে)

ঃ আচলতে আমি ইমান দিনে চকুৰ চিনাকি আছিলো। আজি নামকেইটা জানি লোৱাটো ভাল নে কি কোৱা? মোৰ নাম ৰং........

ঃ আৰু মোৰ নাম নৈ বিৰিণা।

**ঃ এটা প্ৰেমৰ কবিতা গাম শুনিব ঃ**

এয়া মোৰ সপোনৰ কথা, মোৰ চোতালত তুমি ন'-গান হে শুৱাবা। মোৰ পথাৰত তুমি সোণগুটি থৈ হাঁহিবা। কিয়নো, শব্দই কোঙা কৰা মই এক গাঁৱলীয়া। এয়া মোৰ ভবা কথা, আমাৰ গাঁৱৰ একাঁ-বেঁকা আলিৰে তুমি কোচ ভৰাই আনিবা সপোন। যি সপোনে একলা-দুকলা কৈ মেলি দিব ৰ'দ। কোৱা ........? সেই গানত নাথাকিব কি, সেই হঁহিত নাথাকিব কি, সেই ৰ'দত নাথাকিব কি? সকলো থাকিব বাবেই তুমি আৰু মই নিগাজি সপোন হ'ম।

ঃ বেয়া পালা!

ঃ ওঁহো........, ভাল পাওঁ যেতিয়া বেয়া পোৱাৰ কথা ভাবিবলৈ নিশিকিলো।

ঃ ৰং ........! কিবা এটা কোৱা, তুমি মৌনহে থাকিলে পৃথিৱীখন ছন্দহীনহৈ পৰে।

ঃ জানা নৈ বিৰিণা; বুজাব নোৱাৰোঁ, ক'বও নোৱাৰোঁ........মই ভীষণ অশান্ত। সৌ সিদিনা তুমি যে কৈছিলা 'এক অদৃশ্য শক্তিৰ কথা' এৰা........' কিযে মন? এটা সৃষ্টিৰ বাবে এটা সপোনৰ বাবে মই এটা প্ৰাৰ্থনাৰ টঙি ঘৰ তৰিছোঁ। বৰ আশা কৰিছোঁ জীৱনটোক জীৱনৰ ওচৰত সপি দিবলৈ। এনে ক্ষণত চিৰ জীৱনৰ বাবে তোমাক কাষত পোৱাহেঁতেন সুখী হ'লোহেঁতেন।

ঃ এৰা........! তুমি বহু দেৰি কৰিলা ৰং। মই এতিয়া কি কৰিব পাৰোঁ কোৱা?

ঃ নালাগে একো কৰিব, তুমি ভবাৰ দৰেই সুখী হোৱা। পিচে মনত পেলাবা মাজে সময়ে........

**ঃ নাপাহৰিবা মোক এশাৰী কবিতাৰ দৰে ঃ**

ঃ এই ৰং তই সঁচায়ে যাবলৈ উলাইছ নে?

ঃ যাবতো লাগিবই........ আৰুনো কিমান কষ্ট দিওঁ তহঁতক?

ঃ এই তেনেকৈ নকৰ না! আৰু দুটা দিন মাত্ৰ ........

ঃ হ'ব মিতালী, আকউ আহিম নহয়।

ঃ মোৰ সন্দেহ হয়!

ঃ কিয়?

ঃ যদিহে স্মৃতি হৈ যাৱ তই।

ঃ ধেৎ ........!! তোক জানো পাহৰিব পাৰিম আজলী! ........ ব'ল তই মোক এতিয়া বিদায় দে, মোৰ ডিব্ৰুগড়লৈ গাড়ী ধৰিবৰ সময় হৈ গৈছে।

ঃ এই ৰং অলপ হালি দে না!

........ ৰঙে অলপ হালি দিয়াত মিতালীয়ে এটি তপত চুমা ৰঙৰ কপালত গুজি দিয়ে।

ঃ বেয়া নাপাবি। নহলে তই মোক পাহৰি যাবি, সেই বাবে তই কাৰোবাৰে পৰা নোপোৱা এটি শীৰ্ণ উপহাৰ দিলো........ (মিতালীৰ দুচকুত আগবাৰিষাৰ ডাৱৰ........)

ঃ মই আকউ আহিম, তই থাকিবি তোৰ চিনাকী ঘাটতে, মযো থাকিম। পৰৱৰ্তী লক্ষ্য 'ডিব্ৰুগড় ইউনিভাৰ্ছিটি'। ভালদৰে পঢ়িবি, মযো চেষ্টা কৰিম। দক্ষিণপাৰ আৰু উত্তৰপাৰৰ আমি বন্ধুবোৰ



মিলি এখন পথাৰ চহাম........, সপোন সিঁচিম মনৰ উল্লাসেৰে নে কি কৰ! হ'ব ........

ঃ ওঁ........

যুৱীয়া জখলাৰে বগাই বগাই মনটোৱে বৰ কষ্টৰে এৰি আহিল সৰু চহৰখন। ওৱেই নিশা নৈশ বাছত তাই আমনি কৰি থাকিল মোক; কবিতাহে, গানহে, ছাঁহে, পোহৰহে। এৰা........! কিছুমান মুহূৰ্ত মগজুৰ অগোচৰে আমনি দিয়ে। লুকাই চুৰকৈ সপোন এটিৰ সতে তাই খেলিবলৈ ল'লে। আৱেগৰ দুৰন্ত চৰ্ত, 'কলিজা হেৰাল তোৰ কলিজা হেৰাল তোৰ........।'

০ ০ ০ ০

**ঃ জীৱন উপলা নদী ঃ**

'জীৱনতো অপাৰ সমুদ্ৰ
এই সমুদ্ৰত সাঁতুৰিব পাৰি
কিন্তু........, পাৰ পাব নোৱাৰি।'

জীৱনক সজাই পৰাই ৰখাৰ দুৰ্বাৰ বাসনা........, কিমান ওচৰৰ পৰা জীৱনক লগ পাইছিলো নাজানো। তথাপি অপাৰ লোভ জীৱনৰ প্ৰতি........ প্ৰাণভৰি ভালপাওঁ বাবে। জীৱনৰ একৈশটা বসন্ত দুখৰ গৱল পি জীৱন মাত্ৰ ভৰালো, ইয়াৰ পিছৰখিনিৰ কথা নাজানো। জানিব পৰাহেঁতেন জ্যামিতিক সূত্ৰ এটা বান্ধি দিলো হেঁতেন।

'জীৱন উপলা নদী'........ ধেৎ!! এয়া পথাৰহে........

ৰঙৰ মুঠিত নাঙল........ সন্মুখত গৰুহাল, মগজুত এক অমগজুৰ খোজ। ডিব্ৰুৰ দেৱদাৰু পাতবোৰ হালধীয়া হৈ পৰিল, ডিব্ৰুৰ নাহৰৰ পাতবোৰ এদিন হালধীয়া হ'ল আৰু ৰং........ এটা হালধীয়া গল্প হৈ উভতিল ঘৰমুখি........

ঃ এই........ ৰং, জলপান।

(........হ'ব........! বাম, এইৰ কাণ্ডবোৰ যে। ৰঙৰ মুখৰ ভিতৰত গুমৰি থাকিল কথাবোৰ)

ঃ তই পথাৰখন কেনেকৈ চিনি পালি?

ঃ ইচ ........ বৰ! কিয় নাগাম? লাগিলে তই পৃথিৱীৰ যি কোনো কোণতে লুকাই নাথাক, তোক বিচাৰি উলিওৱাটো মোৰ আঙুলি মূৰৰ খেল।

ঃ ইমান বিশ্বাস নিজৰ ওপৰত তোৰ?

ঃ ওঁ........

ঃ ভাল লাগিল........(জলপান অলপ মুখত ভৰাই)

ঃ কি?

ঃ আৰম্ভ হোৱাৰ আগতে গল্পটো শেষ হোৱা বাবে।

ঃ গল্প!!

ঃ বাৰু সেইবিলাক বাদ; মোৰ ধাৰ বাৰু তই মাৰিলি আমাৰ গাঁৱলৈ আহি, মোৰ ঘৰলৈ আহি। ক'চোন স্মৃতি হোৱাৰ প্ৰথম পাল তোৰনে মোৰ?

........ অলপ মৌনতা........

ঃ ৰং; আৰু এখন নাটক নকৰোঁ দে? ৰাখি থ'ব নোৱাৰ তোৰ ওচৰত মোক চিৰদিনৰ বাবে!

ঃ সাহস আছে এই কৃষক পুত্ৰৰ লগত? যদি সপোন ভাঙে, প্ৰথমে ভাঙিব বুকু, তাৰ পাছত তিতিব গাল আৰু তাৰ পিচত আশ্ৰয় হ'ব শিতানৰ গাৰু........

ঃ হ'ব ৰং, বহু কষ্ট দিছু মোক তই। মোৰো এখন হিয়া আছে এই কথা পাহৰি গৈছ নেকি তই। মোক এবাৰ সুযোগ দে ৰং ........

ঃ এই আজলী, মনহে জুখিছিলো, ইচ........ইচ........ইমান ধুনীয়া চকুযুৰিত ক'ৰ ক'লীয়া ডাৱৰ চপৰা চপাই লৈছ'!!

গৰুৰ চপক্ চপক্ খোজে বোকাময় কৰা পথাৰৰ দৰে ৰং আৰু মিতালীৰ বুকুৰ পথাৰখনো বোকাময় হয়। যুৱীয়া হাতৰ পৰশত লাহে লাহে সেউজীয়া হ'ব ধৰা পথাৰখনৰ দৰে, এটি সপোন ক্ৰমশঃ হালধীয়াৰ পৰা সেউজীয়া হয়।

● ● ●



# মাথোঁ এন্ধাৰ

ললিত সোণোৱাল
স্নাতক তৃতীয় বৰ্ষ

(এক)

ধুচ........ ধুচ ........। কাণৰ তলত একেলেঠাৰীকৈ কেবাটাও পূৰ্ণহতীয়া ঘোচা পৰিল।

– "চাল্লা কুত্তাৰ বাচ্চা বিপ্লৱী হ'বলৈ ওলাইছ।" ডি.এছ.পি. বিমল বৰুৱাই ঘামি জামি বন্ধ কোঠাটোৰ পৰা ওলাই আহিল। নিজৰ চকীত বহি বিমল বৰুৱাই ভাবিলে কিদৰে সকলো কথা ইয়াৰ মুখৰ পৰা উলিয়াব পৰি। আজি তিনিদিন ধৰি অবিৰামভাৱে নানা নিৰ্যাতন দিয়াৰ পিছতো ল'ৰাটোৰ মুখৰ পৰা একো এটা কথাকে উলিয়াব পৰা নাই; অথচ পুলিচ বিষয়াবোৰ নিজেই ভাগৰি পৰিছে তাক প্ৰশ্ন সুধি সুধি। কিন্তু তাৰ মুখৰ পৰা একেষাৰে কথাকে ওলায় যে - "মই একো ক'ব নোৱাৰোঁ।"

প্লাৱন বড়া গাওঁখনৰ এটা শান্ত প্ৰকৃতিৰ ল'ৰা। ধন বুলি ক'লে সকলোৱে তাক চিনি পায়। আনকি শিক্ষক-শিক্ষয়িত্ৰীসকলোৰে সি মৰমৰ। পঢ়াত ভাল, খেলা-ধূলাৰ ফালৰ পৰা সি পাৰ্গত। সেইবাবে সকলোৱে তাক ভাল পায়। স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ প্লাৱন। মেট্ৰিকত ভাল নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। সকলোৱে আশা কৰামতে ৰিজাল্ট ভাল হোৱাত মাক-বাপেকেও আনন্দত আত্মহাৰা হ'ল। ভনীয়েকৰো আনন্দৰ সীমা নাই একমাত্ৰ ককায়েক পাছ কৰাত। সেয়ে দেউতাকে চহৰৰ কলেজত তাক নাম লগাই দিলে।

(দুই)

পানী........পানী........বুলি চিঞৰাত ওচৰতে থকা চিপাহীটোৱে দৌৰি গৈ ডি.এছ.পি. বৰুৱাক খবৰটো দিলেগৈ। তৎক্ষণাত তাঁলৈ বৰুৱাসহ হাবিলদাৰ দুজন সোমাই আহিল। চিপাহীটোৱে দিয়া পানী গিলাচ যেনেতেনে এহাতেৰে ধৰি কোনোমতে খাই ল'লে সি। তাৰ পাছত সি যেনেতেনে মূৰটো দাঙি আগত থকা পুলিচ কেইজনলৈ চালে, সিহঁতক দেখি তাৰ টিঙিচকৈ খং উঠি আহিল। সিহঁতৰ প্ৰশ্ন শুনি শুনি তাৰ আমনি লাগিছে, মাথোঁ এটাই প্ৰশ্ন - "তহঁতৰ সংগঠনটোত আৰু কোন কোন আছে?" যদি এই সময়ত তাক বান্ধি থোৱা নহলহেঁতেন, তেতিয়াহ'লে সিহঁত কেতিয়াবাই সিপুৰী পালেগৈহেঁতেন। মনে মনে ভাবিলে সি।

- 'ভাইটি আমি সুধি থকা প্ৰশ্নটোৰ উত্তৰ যদি তুমি দিয়া আমি তোমাক এৰি দিম।' ডি.এছ.পি. বৰুৱাই গহীনাই ক'লে। সি সামান্য শেঁতা হাঁহি এটা মাৰি মূৰটো তল কৰি থাকিল। নোকোৱা দেখি এছ. পি. চলিহাই বাহিৰৰ পৰাই চিঞৰিলে-"চাল্লা কুত্তাৰ বাচ্চাক ভৰি দুখনত বান্ধ। তাৰ পাছত ফেনখনত ঝুলাই দি ফেনৰ ছুইছটো দি দে।"

- "মৰক চাল্লা কুত্তাৰ বাচ্চা। ই মৰাই ভাল, বহুতক মাৰিলে ই, এতিয়া মজা পাওক। "চাল্লা বিপ্লৱ কৰিবলৈ ওলাইছে ........ হাৰামজাদা (অশ্লীল)।"

উস........আস, মোৰ মূৰটো ইমান ঘূৰাইছে কিয়? মোৰ মূৰটো কিহত ওলমাই ৰাখিছে। আস........উস।

সুদীৰ্ঘ দুটা বছৰ যেতিয়া সশস্ত্ৰ সংগ্ৰামৰ প্ৰশিক্ষণ লৈছিলো। তেতিয়াতো ইমান কষ্ট পোৱা নাছিলো। খাদ্যৰ অভাৱ হ'লে কোমল গছৰ পাত, পাহাৰৰ নিজৰাৰ পানী খাই ভোক-পিয়াহঁ নাইকিয়া কৰিছিলো। দহ দিন দহ ৰাতি অনাহাৰে অনিদ্ৰাই খোজ কাঢ়িছিলো সেই দুৰ্গম ৰাস্তাত। তেতিয়াও ইমান কষ্ট পোৱা নাছিলো। কিবা এক পোৱাৰ আনন্দত হাঁহি হাঁহি সেইবোৰ কষ্ট স্বীকাৰ কৰিছিলো।

- "মা" বাৰু ক'ত এতিয়া। কিমান অকলে আছে বাৰু মা। ভন্টি আছে নে নাই মাৰ কাষত। তাই চাগে মোৰ খবৰ পাই পাগলীৰ দৰে হৈ পৰিছে। মায়ে চাগে মোৰ খবৰ বাতৰি কাকতত পঢ়ি হুৰাওৰাৱে কান্দিছে, মাক মই সংগঠনত সোমোৱাৰ পৰা মাত্ৰ এবাৰ লগ পাইছিলো। যেতিয়া কুখ্যাত ড্ৰাগছ বেপাৰী চুলতানক হত্যা কৰি মই আৰু মোৰ সহযোগী মনোজ দুয়ো ৰাতি অকণমান সময়ৰ বাবে ঘৰত আশ্ৰয় লৈছিলো। মায়ে তেতিয়া মোক দেখি খুউব কান্দিছিল। দেউতাৰ কথা কৈ কৈ। কেনেকৈ মোক বিচাৰি ঘৰত মোক নাপাই দেউতাকে বন্দুকৰ কুন্দাৰে কেনেকৈ কোবাইছিল। অৱশেষত মৃত্যু মুখত পৰিছিল। তেতিয়াই মই পণ লৈছিলো যে মই আৰু কেতিয়াও মানুহৰ দৰে এই জন্তুবোৰক ৰেহাই নিদিওঁ। মেজৰ জগমোহন খানৰ লগত যোৱা সকলো চিপাহীক মই মোৰ সহযোগীৰ সহায়ত সিপুৰীলৈ পঠিয়াইছিলো।

(তিনি)

গাঁৱৰ পৰা কলেজলৈ যথেষ্ট দূৰ হোৱাত প্লাৱনে হোষ্টেলত থাকি পঢ়া আৰম্ভ কৰিলে। প্ৰথম কলেজ যোৱাৰ আনন্দ, কিন্তু ৰেগিঙৰ ভয়। তাৰ মাজতে কি যে আমেজ, কিন্তু সি তেনেদৰে ৰেগিঙৰ সন্মুখীন হোৱা নাছিল। নানা ৰং-ধেমালীৰ মাজেৰে দিনবোৰ আগলৈ গতি কৰিব ধৰিলে। লাহে লাহে সিহঁত পৰীক্ষাৰ বাবে সাজু হৈছিল। হঠাৎ এদিন সিহঁতৰ ৰূমমেট মুনদাক পুলিছে ধৰি নিলে। মুনদা সিহঁতকৈ দুটা ক্লাছ ছিনিয়ৰ আছিল। মুনদাৰ বাকছৰ পৰা পুলিচে নানা ধৰণৰ কাগজ-পত্ৰ জব্দ কৰি সেইবোৰ লৈ গৈছিল। পিছদিনা সিহঁতে গম পাইছিল যে মুন দা এটা নিষিদ্ধ সংগঠনৰ সক্ৰিয় সদস্য আছিল। তেতিয়া সেইবোৰ কথা গম পাই প্লাৱনৰ মনটোও কিবা সংগঠনৰ সদস্য হ'বৰ মন গৈছিল, দেশখনৰ বাবে কিবা কৰি যাবলৈ। মুন দাৰ লগত চিনাকি হোৱা বিজুদাৰ লগত সি সংগঠনত যোগ দিবলৈ কলেজ হোষ্টেলৰ পৰা ওলাই আহিছিল। সেয়াই আৰম্ভণি, নানা প্ৰশিক্ষণ লোৱাৰ পাছত সি সেই সংগঠনটোৰ এজন সক্ৰিয় সদস্য হৈ পৰিছিল। প্ৰথমে যেতিয়া প্লাৱনে অকণমান তেজ চাব নোৱাৰিছিল, সেই প্লাৱনে নানা ধৰণৰ কু-কৰ্মৰ লগত জড়িত বেপাৰী-ব্যৱসায়ী, অফিচাৰ আদিক নিৰৱে এই সংসাৰৰ পৰা বিদায় দিছিল। পুলিচৰ চকুত টোপনি নহা হৈছিল। কেনেকৈ প্লাৱনক ধৰিব পাৰি। নানা ধৰণৰ ফান্দ পাতিও ধৰিব পৰা নাছিল। তাক বিচাৰি সদায় নানা পুলিচ বিষয়াৰ আগমন ঘটিছিল। সিহঁতৰ অত্যাচাৰত দেউতাকে প্ৰাণ দিব লগা হৈছিল। তাৰ পৰা প্লাৱনৰ মন বেছিকৈ বিদ্ৰোহী হৈ পৰিছিল। নানা ধৰণৰ হত্যা, ধন দাবী আদিৰ লগত প্লাৱন জড়িত বুলি বিভিন্ন ধৰণৰ বাতৰি কাকতত খবৰ ওলাল।

এদিন হঠাৎ ইমান সহজে যে প্লাৱনে পুলিচৰ আগত ধৰা দিব কোনেও ভবা নাছিল। আব্দুল খান 'মাৰ্চেন্ট এছোচিয়েচনৰ' প্ৰেছিডেন্ট। আব্দুলে দেখাত চাউল, ডাইলৰ কাৰবাৰ কৰে যদিও তলে তলে সি বহুতো চোৰাং বেপাৰৰ সৈতে জড়িত। গুডামত পচি থকা চাউল দুৰ্ভিক্ষৰ সময়তো সি উলিয়াই নিদিয়ে। চহৰখনত নিত্য ব্যৱহাৰ্য বস্তু সকলো কৃত্ৰিম নাটনি হোৱাৰ মূলতে এই ব্যৱসায়ী সন্থাৰ সভাপতি আব্দুল খান। আব্দুলখানৰ পৰা প্লাৱনহঁতে ধন দাবী কৰিছিল। নিৰ্দিষ্ট সময়ত সিহঁত আব্দুলৰ পৰা পইচা আনিবলৈ যাওঁতে, আগৰে পৰা সিহঁতক ধৰিবলৈ চিভিল ড্ৰেছত খাপপিটি থকা পুলিচ বিষয়াৰ হাতত ধৰা পৰিছিল। প্লাৱনৰ লগৰ দুজন পলাই যাবলৈ চেষ্টা কৰোঁতে পুলিচৰ গুলিৰ চিকাৰ হৈছিল।

তেতিয়াৰ পৰা তাক পুলিচে নিৰ্যাতন দি দি সেই একেটা প্ৰশ্ন সুধি নিজেই সিহঁত ভাগৰি পৰিছে।

- আস........আস........মোৰ মূৰটো ইমান ঘূৰাইছে কিয় বাৰু! চাল্লা, আব্দুল খানৰ বাৰু কি হ'ল, আমাৰ সহযোগীবোৰে তাক কিজানি ইমানপৰ তাক মাৰিলে নে নাই। কিন্তু........কিন্তু........মোৰ মূৰটো ইমান ঘূৰাইছে কিয়! মই বাৰু এতিয়া পকা মজিয়াত পৰি আছোঁ নেকি? মোৰ ........মোৰ........বুকুত কোনে গচকি ধৰিছে। ........মই ........মই উশাহ ল'ব পৰা নাই কিয়........! মোৰ চাৰিওফালে কিয়বাৰু মাথোঁ এন্ধাৰ........ উস্........ইমান এন্ধাৰ মা........মা........মা........ক'ত আস........স........স........।

- "ছাৰ........ছাৰ........ ইয়াক চাওকচোন মূৰটো দেখোন একেবাৰে কাতি হৈ গ'ল।

- My Godness ........প্লাৱন বোলা ল'ৰাটোক চাওকচোন বৰুৱা চাওক........।"

- ল'ৰাটো কিন্তু সাহসী আছিল ........ কলিতা ........!"

- ছাৰ........! My hats of to him প্লাৱন সঁচাই সাহসী আছিল সি আমাক শিকাই গ'ল।"

- "আহক, আহক কোনেও নেদেখাকৈ এই ৰূমৰ ভিতৰতে প্লাৱন বোলা ল'ৰাটোক শেষ শ্ৰদ্ধা জনাওহঁওক। হাজৰিকা, কলিতা আহক........ লাইন হওক।"

- "Our great salute to you ........ প্লাৱন Good bye ......!

*সহায়লৈ (মূল কাহিনীটো আনৰ)*

# সেউজ স্বপ্ন

পৰাগ চুতীয়া
স্নাতক দ্বিতীয় বৰ্ষ
(অসমীয়া বিভাগ)

(১)

*Every thing I do*
*I do if for you ...........*

ডে'কত বিষণ্ণতাৰে বাজি থকা ব্ৰায়ান আডামছৰ সংগীতটো চেঞ্জ কৰি দিব নেকি ৰাহুলে এবাৰ ভাবিলে, নাই, সি একো নকৰিলে, তাৰ সলনি হাতৰ ৰঙীন পানীয়ৰ গিলাচটো থৈ এটা চিগাৰেটত অগ্নিসংযোগ কৰিলে মাত্ৰ। এই মুহূৰ্তত তাৰ বাহিৰে ঘৰত কোনো নাই। এবুকু বেদনাৰে সি চিগাৰেটৰ কুণ্ডলীৰ মাজত নিমজ্জিত হৈ আছে আৰু তাৰ টেবুলত নিজৰ অৱস্থিতি ঘোষণা কৰিছে নিষিদ্ধ ককটেইলে।

দূৰৰ পৰা কেইটামান শিয়ালৰ মাত ভাহি আহি তাৰ কাণত পৰিল। তাহঁতৰ ঘৰৰ কাষৰ বাগানখনৰ শিৰিষ গছবিলাকলৈ চাই পঠালে সি। জোনৰ ঢুকি পোৱা নোপোৱাৰ পোহৰত গছবিলাক কিবা অশৰীৰী প্ৰেতাত্মা যেন অনুভৱ হ'ল তাৰ। সিহঁত যেন প্ৰাগঐতিহাসিক যুগৰ ডাইন'ছৰাছ। মাত্ৰ গতি নাই। সিহঁতে গতি লাভ কৰিলেই ৰাহুলক যেন চিকাৰ হিচাপে বাছি ল'ব। সি উঠি গৈ খিৰিকীৰ পৰ্দাখন পেলাই দিলে। ডে'কত বাজি থকা কেছেটটো ঘূৰি ঘূৰি ইতিমধ্যেই বন্ধ হৈ গৈছে। পুনৰ বজাবলৈ মন নগ'ল তাৰ। ৰঙীন পানীয়ৰ মাজত ডুব গৈ সি আঁজুৰি আনিব বিচাৰিলে তাৰ হেৰাই যোৱা অতীতক। যি অতীতে নিমন্ত্ৰণ কৰিছিল তাৰ প্ৰিয় ঋতু, প্ৰিয় গীত আৰু প্ৰিয় নদী। এৰা, ঋতু মানে যদি যৌৱন হয়। গীত মানেই যদি প্ৰেম হয়; তেনেহলে হৃদয়তো এখন চিৰ প্ৰবাহমান নদী।

ভাৱৰ বোকোচাত উঠি আহে বহু টুকুৰা টুকুৰ স্মৃতিৰ। হাঁহি অশ্ৰুৰ মিছিল, ভাৱনাৰ শুকুলা ঘোঁৰা।

ঃ অই পণ্ডিত, কলৈ যাব, এই ভৰ দুপৰীয়াখন?

অমানিশাক লগ কৰিবলৈ যাওঁতে ভিতৰৰ পৰা ককায়েকে চিঞৰিছিল তাক।

ঃ থানা চাৰিআলিৰ পৰা আহোঁ, কাম এটা আছে।

পূৰ্বপৰিকল্পিত মিছা কথাটো কৈ সি বাইকখন লৈ কেম্পাছৰ বাহিৰ হ'ল। "প্ৰেমৰ বাবে কোনো নিৰ্দিষ্ট সময় নাথাকে। কোনো পূৰ্বৰাগ নোহোৱাকৈ কেতিয়াবা লগ পোৱা যায় হৃদয়ৰ আটাইতকৈ বঞ্চিত কাৰোবাক"। ক'ৰবাত পঢ়িছিল ৰাহুলে। এৰা, একেই বিশ্বাস আছিল তাৰো। সি কিন্তু সেই কথা ককায়েকক ক'ব পৰা নাছিল। ক'ব নোৱাৰিছিল যে প্ৰেমৰ কোনো দুপৰীয়া গধূলি নাথাকে।

(২)

*I just call to say*
*I Love you ...........*

কেছেটত ঘূৰি থাকিব মেগনেটিক ক'ড কেইটামান আৰু এখন হৃদয়ত প্ৰৱাহিত হৈ থাকিব যন্ত্ৰণাৰ ধুমুহা। বিলাতী মদৰ নিচাৰ পক্ষী ঘোঁৰাত উঠি ৰাহুলে প্ৰত্যক্ষ কৰিছে পৃথিৱীৰ সকলোবিলাক ক্লেদময় বস্তিৰ দুৰ্গন্ধ। খাৰ-বাৰুদৰ বিভৎস স্বপ্ন।

মানুহে নিজক উপলব্ধি কৰিবলৈ কিছু একান্ত সময়ৰ প্ৰয়োজন। নিজৰ ধ্বংসৰ বাবেও লাগে সুপৰিকল্পিত পৰিকল্পনা। নিখুঁত অবিশ্বাসৰ ওপৰত বিশ্বাসঘাতকতাৰ সৌধ এনেয়ে সজা নাযায়। ৰাহুলেও কৰিছে ধ্বংসৰ ব্লু-প্ৰিন্ট। সেইবাবেই ঘৰৰ পৰিয়ালৰ স'তে সি নগ'ল। ককায়েকে তাক বৰ লগ ধৰিছিল। সি ৰাহুলক বৰ মৰম কৰে। তাৰ মনৰ প্ৰতিটো খবৰ ৰাখে তেওঁ। যেন সিহঁতৰ দুয়োটা আজন্ম বন্ধু। কিন্তু তথাপিতো তেওঁ নাজানিলে আজিৰ এই কথাটো। নাজানিলে ঘৰত থাকি সি কৰা ভয়ংকৰ পৰিকল্পনাৰ কথা।

ঃ তোমাৰ কিন্তু এইবাৰৰ পৰীক্ষাৰ 'গ্ৰেড পইণ্ট' ভাল নহয় ৰাহুল দা। মই দুখ পাইছোঁ ................। অমানিশাই অভিযোগ কৰিছিল তাৰ আগত। সিদিনা তাইৰ মুখত দেখা পাইছিল ৰাহুলৰ মাকৰ মুখখনি। যেনেকৈ সৰুতে ভালকৈ নপঢ়িলে মাকে তাক ডাবিয়াইছিল। ঠিক একেই অভিযোগ আৰু আব্দাৰৰ সুৰত।

ঃ মোৰ বাবেই হৈছে নেকি এইবোৰ? - পুনৰ সুধিছিল তাই।

তাইৰ কথাত উচপ খাই উঠিছিল সি।

ঃ মোৰ দুখ নিজৰ গাত জাপি লৈছা কিয়? মই পঢ়া নাই, সেই বাবে ভাল হোৱা নাই।

ঃ অ' সেই বাবে। মই ভাবিছিলো আকৌ আমুকীৰ কথা ভাবি থাকোঁতে চাগৈ পঢ়িবলৈ পাহৰি গৈছা? - দুষ্টালি ভৰা হাঁহি এটিৰে কৈছিল অমানিশাই।

ঃ হ'ব, হ'ব, নিজকে একেবাৰে বৰ অপেশ্বৰীজনী বুলি ভাবিছে। দিনে-নিশাই যে মোৰ চিন্তা শক্তি হৰণ কৰিব। ৰাহুলেও কৈছিল ধেমালিৰ ছলেৰে।

হঠাৎ উচাৎ মাৰি উঠি গৈছিল অমানিশা। ৰাহুলে তাইক বুজাব পৰা নাছিল। আচলতে তাৰ পৰীক্ষা বেয়া হোৱাৰ বাবে অমানিশাই ল'ব খোজা দায়িত্বখিনিৰ কোনো ভিত্তি নাই বুলি ক'বলৈ যাওঁতে সি তেনেকৈ কৈছিল আৰু তাকে সঠিক ভাৱে উপস্থাপন কৰিব নোৱৰাত তাৰ আৰু অমানিশাৰ মাজত চলিছিল এমাহ দিনৰ এক অভিমান-সংঘাত। শেষত ৰাহুলে দোষ স্বীকাৰ কৰি লোৱাত অভিমানী ৰণৰ সুন্দৰ পৰিসমাপ্তি ঘটিছিল। ..............

আৰু এতিয়া সেই সকলোবোৰেই বিষময় অতীত। মধুৰ সমাপ্তি ট্ৰেজিক আৰম্ভণি যিয়েই নহওক, সকলোতে বাজি আছে একেই বিষাদময় সংগীত, ক্লেদময় পৃথিৱীৰ ঘৰ্মাক্ত কবিতা ............।

ক'ত হেৰাই গ'ল তাৰ সেই দুৰ্ঘোৰ আত্মবিশ্বাস। তাৰ সোণোৱালী স্বপ্ন। এই ব্যস্ত পৃথিৱীৰ সি হয়তো অনভ্যস্ত অতিথি। ক'তা ........... আজিৰ ঘটনাটোৰে তাৰ বাহিৰে আন কোনোজনৰ হৃদয় কঁপাব পৰা নাই কিয় ............ ? অমানিশাই হয়তো ঠিকেই কৈছিল। তুমি বৰ ছেণ্টিমেণ্টেল।

সযতনে থৈ দিয়া পিলটো সি ড্ৰয়াৰৰ পৰা উলিয়াই আনিলে। বহু সময় সি সেই জীৱন বিনাশিনী শক্তিলৈ কৰুণ ভাৱে চাই থাকিল। এৰা সি আজি নীলকণ্ঠী হবলৈ আগবাঢ়িছে।

(৩)

*Nothing gonna change my love for you*
*............................. I die for you.*

অলৱত

সি আজি পাতিব নিজক নিজে ধ্বংস কৰাৰ যজ্ঞ। যি পৃথিৱীত মানুহে মানুহৰ মূল্য বুজি নাপায়। যি পৃথিৱীত মানুহে ৰচনা কৰে মানুহৰ ধ্বংসযজ্ঞ সেই পৃথিৱীত সি আৰু জীয়াই থাকিব নোখোজে। এজাক হৃদয়হীন আৰু নিষ্ঠুৰ মানুহৰ স'তে একেটি পথৰে যাত্ৰী হবলৈ তাৰ ঘৃণা উপজিছে। মৃত্যুৰ শীতল স্পৰ্শ কেনেকুৱা। তাৰ অনুভৱৰ বাহিৰত। ক্ষন্তেক পিছতে সেই অনুভৱে নিচাগ্ৰস্ত কৰিব তাৰ পাৰ্থিৱ শৰীৰ আৰু এক নিৰৱ বিষাদ সাৰটি লৈ সি যাবগৈ কোনো অচিনা দেশলৈ।

ঃ তোমাক একোকে দিব নোৱাৰিলো, অমানিশা। আমি দুয়োয়ে দেখা সপোনৰ বালিঘৰবোৰ, সমাজ সংশোধনৰ সকলো স্বপ্ন আধৰুৱা কৰি মই যাবলৈ ওলাইছোঁ। এখন ৰিক্ত হৃদয়, শূন্য হাতলৈ - মুখেৰে বিৰবিৰালে সি।

ঃ ক'তা, তুমিয়েইতো মোক দেখাইছিলা আমি দুয়ো লগ হৈ এখন হিংসামুক্ত পৃথিৱী গঢ়াৰ সপোন। সেউজ শস্য আৰু জীৱনৰ হাঁহিয়ে ধুই মচি নিকা কৰিব এই ক্লেদাক্ত পৃথিৱী। বাৰুদৰ গুমগুমনি আৰু ধ্বংস্তুপৰ ছাইৰ পৰিবৰ্তে এখন স-হৃদয়ৰ কানন গঢ়ি তোলাৰ সংকল্প কৰিছিলা। ক'তা আজিতো সেই সকলো বিলাকেই লুপ্ত ডায়েৰীৰ উৱলি যোৱা পাতৰ বাহিৰে আন একো নহয়।

বেৰত আঁৰি থোৱা নীলা ফ্ৰেমৰ অমানিশাৰ ফটোখন হাতত লৈ বৰ মৰমেৰে চালে সি, দুগালত নিমজ টোল পৰা হাঁহিটিৰে উঠা ফটোকপি সিয়েই তুলিছিল কোনো এক ক্ষণত। হঠাৎ সি পৰম আৱেগেৰে বুকুত সাৱটি ধৰিলে ফটোখন। এনেদৰে কিমান সময় কটাই দিলে সি গমেই নাপালে।

টং........ টং........... টং ........ ওচৰৰ বাগানৰ কলঘৰৰ

পৰা ভাহি অহা ঘণ্টা ধ্বনিয়ে তাৰ সম্বিত ঘূৰাই আনিলে। এতিয়াও ৰাহুলে বুকুত সাৱটি আছে ফ্রেমত আৱদ্ধ অমানিশাক যেন তাই অলপ মুক্তি পালেই তাৰ পৰা বহু দূৰ আতৰি যাবগৈ। চকুলোৱে তাৰ দুগাল বাগৰি গৈ তিয়াই পেলাইছিল আজি পুৱাৰ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাটো।

ৰাতি পুৱা শুই উঠিয়েই ৰাহুলে বাতৰি কাকতখন মেলি স্থবিৰ হৈ পৰিছিল। কাকতখনৰ মুখ্য বাতৰিটোত চকু পৰোঁতেই সি মুখামুখি হৈছিল শতিকাটোৰ আটাইতকৈ ভয়াবহ বাস্তৱৰ সতে ........... হয়, কাকতখনে কঢ়িয়াই আনিছিল অমানিশাৰ মৃত্যুৰ বাতৰি। আচলতে তাইক হত্যা কৰা হৈছিল। ডিব্ৰুগড় ইউনিৰ্ভাচিটিৰ পৰা ডিগ্ৰি সমাপ্ত কৰি ঘৰলৈ উভতাৰ পথত। সন্ত্ৰাসবাদীৰ নিষ্ঠুৰতাৰ বলি হৈছিল এখন নৈশ বাছ। এবাকচ মানুহ আৰু এটা শতিকা নিমাৰ্ণৰ নিৰ্লোভি স্বপ্ন।

(৪)

ৰাহুলে তাৰ ডায়েৰীখন মেলি ল'লে। টেবুলৰ একাষে অনাদৃত হৈ পৰি থকা কলমটো লৈ কিবা লিখিব খুজিও ডায়েৰীখন সি জোৰেৰে জপাই দিলে।

বাহিৰত কৃষ্ণপক্ষৰ জোনাক। মাজনিশাৰ জোনৰ পোহৰে অশৰীৰি কৰি তুলিছে সেউজী ধৰণীক। ৰাহুলৰ অনুভৱ হ'ল যেন পৃথিৱীৰ সকলোবোৰ গছ-গছনি কেকটাছলৈ ৰূপান্তৰিত হব ধৰিছে আৰু তাৰ মাজে মাজে ঘূৰি ফুৰিছে পানী ধৰি ৰাখিব নোৱৰা কেইটামান তৃষ্ণাতুৰ উট।

সেইবোৰ, সেই উটবোৰ পৃথিৱীৰ মানুহ, মানুহেওতো হেৰুৱাই পেলাইছে প্ৰেম আৰু ভাতৃত্বৰ সকলোবোৰ অমূল্য উপলব্ধি।

যুদ্ধ বিধ্বস্ত ভূমিত বিচৰণ কৰিছে আৰু এজন মানুহ। সেইজন হৈছে ৰাহুল। সন্মুখত জীৱন বিনাশিনী দ্ৰব্য লৈ মৃত্যুৰ প্ৰস্তুতি চলোৱা এজন বিধ্বস্ত মানুহ। ৰাহুলৰ চকুত ভাহি আছিল অমানিশাৰ দেউতাকৰ যন্ত্ৰণাকাতৰ মুখখন। মৃতদেহ ঘৰ আহি পোৱাৰ পিছত চিনিবৰ কোনো উপায় নাছিল। তথাপি নিজহাতে তুলি তালি ডাঙৰ কৰা মাতৃহীন জীয়েকক সহজেই চিনি পাইছিল আৰু এক ঘোলা দৃষ্টিৰে আকাশৰ পিনে চাই ৰৈছিল তেওঁ। এটা সময়ত এখন ভগ্ন হৃদয় লৈ ঘৰলৈ উভতিছিল সি।

ৰাহুলে গাড়ীলৈ খোজেৰে আহি থাকোঁতে কেইটামান ল'ৰাই আড্ডা দি থকা দেখা পাইছিল। ল'ৰা কেইটাক সি চিনিব পাৰিছে। অমানিশাৰ মৃতদেহ চাবলৈ গৈছিল সিহঁত। সিহঁত কেইটাৰ ওচৰেৰে নিৰৱে পাৰ হৈ আহোঁতে হঠাৎ কাৰোবাৰ মুখত অমানিশাৰ নামটো শুনি খোজৰ গতি স্থবিৰ হৈ পৰিছিল তাৰ। সি স্পষ্টকৈ শুনিছিল সিহঁতৰ মাজৰে এটাই কৈছিল - ঐ অমানিশা বৰুৱা কিন্তু টাট্‌কা মাল আছিল বে, একদম কৰিণা জেইচা, মৰি থাকি তামাম লছ হ'ল বে।

ঃ যি হ'ল ভালেই হ'ল- দে আন এটাই কৈছিল। জীয়াই থকা হ'লে কি তই পালিহেঁতেন? চকুৰ আগতে আনে মস্তি কৰিলেহেঁতেন ............। এক প্ৰৱল আক্ৰোশত ৰাহুল ভিতৰি ভিতৰি কঁপি উঠিছিল। তাৰ ইচ্ছা হৈছিল সেই নৰপশু কেইটাক তাতে শেষ কৰি দিবলৈ। কিন্তু ৰাহুলে একো নকৰিলে, কাৰণ সেইকেইটাক শেষ কৰিতো সি অমানিশাক ঘূৰাই আনিব নোৱাৰে। সি ওচৰতে থকা ফামচীখনৰ পৰা এটা পইজন টেব্লেট লৈ ঘৰ পাইছিলহি।

(৫)

ৰাহুলে ঘড়ীটোলৈ চালে। ৰাতি তিনি বাজিছে আৰু এঘণ্টাৰ পাছতে নিজক শেষ কৰি দিব সি। তাৰ আগতে অমানিশাৰ সতে কটোৱা সকলোবোৰ স্মৃতি সি আজুৰি আনিব বিচাৰিলে। অশ্ৰু-হাঁহিৰ প্ৰতিটো ছবি।

বাকচটো খুলি ৰাহুলে আলফুলে উলিয়াই আনিলে তাৰ অতি মৰমৰ নীলা ফাইলটো, ফাইলটোৰ ওপৰত সুন্দৰভাৱে লিখা আছে এটা তাৰিখ। ৫/৩/০৪ । সেই মাৰ্চমাহৰ কুঁৱলিয়ে ফাকু সিঁচা পুৱাটিত লগ পাইছিল সি অমানিশাক। ফাইলটো আপোন মনে খুলিলে সি। ........... অমানিশাৰ প্ৰথম চিঠি .......... যৌৱনৰ প্ৰথম পুৱাত কোনো প্ৰেমিকে প্ৰেয়সীৰ চিঠি পঢ়ি যি আবেগ অনুভৱ কৰে তেনে এক আৱেগে ৰাহুলক জোঁকাৰি গ'ল।

এখন এখনকৈ পঢ়ি গ'ল সি। হৃদয়ৰ সকলোবিলাক গোপন বতৰা। ............... "ৰাহুল দা, মই জানো তুমি আন দহজন লৰাৰ দৰে নোহোৱা। ল'ৰা আৰু ছোৱালীয়ে একেলগে পাৰ্কত বহা, কেণ্টিনত চাহ খোৱা, চিনেমা চোৱা বা আড্ডা দিয়াটোকে প্ৰেমৰ অৰ্থ বুলি নাভাবা। ................সেই বাবেইতো মই তোমাক ভাল পাওঁ, ৰাহুল দা। মোৰ বিশ্বাস তুমি তোমাৰ আদৰ্শ জীয়াই ৰাখিবা ........................ ।" ৰাহুলে পঢ়ি গ'ল ......." মোৰ কেতিয়াবা কি অনুভৱ হয় জানা ৰাহুল দা? পৃথিৱীখন যেন বৰ স্বাৰ্থপৰ হৈ গৈছে। সভ্যতাৰ দৌৰত আমি যেন বহু মানৱীয় মূল্যবোধ কোনোৱা অচিন ষ্টেচনত এৰি থৈ আহিলো................।"

ঃ তুমি ঠিকেই কৈছিলা অমানিশা ........................ বিৰবিৰালে সি। ঘড়ীটোলৈ চালে ৰাহুলে, চাৰি বাজিবলৈ ত্ৰিশ মিনিট বাকী আৰু মাত্ৰ আধা ঘণ্টা। তাৰ পাছত .............. তাৰ পাছত বাতৰি কাকতৰ এটা কৰ্মাচিয়েল নিউজ। আড্ডাৰ এটা গৰম টপিক।

হঠাৎ এটা বন্ধ খামৰ ওপৰত ৰাহুলৰ চকু স্তবিৰ হৈ গ'ল। খামৰ ওপৰত অমানিশাৰ হাতেৰে লিখা তাৰেই নাম ঠিকনা। চিঠিখন খুলি আকৌ বন্ধ কৰাৰ স্পষ্ট চিন। সি কিছু চিন্তিত হ'ল। কি থাকিব পাৰে এই চিঠিখনত। নাই, ................. আৰু একো নাভাবি সি খামটো খুলি পেলালে। ৰাহুলে পঢ়ি গ'ল চিঠিখন .................. "কেতিয়াবা মই যদি এই পৃথিৱীৰ পৰা নোহোৱা হওঁ ৰাহুল দা। তুমি কিন্তু পলায়ন নকৰিবা। কেনেবাকৈ যদি দৈৱ দুৰ্বিপাকত মোৰ স্বপ্নবোৰ আধৰুৱা হয়, সেইবোৰ সম্পূৰ্ণ কৰিবলৈ তোমাৰ বাহিৰে মোৰ আপোন কমৰেড কোনোৱেই নাই"। ................ তাৰ পাছত সৰু সৰু আখৰেৰে লিখা কেইটামান বাক্য ............. "এইবোৰ কিয় লিখিছো জানা? কালি জ্যোতিষী এজনে মোৰ হাত চাই কৈছিল। মই হেনো আধা বয়সতে মৰি থাকিব পাৰোঁ। অ, চিন্তা নকৰিবা হাঁ। তোমাৰ যিহে টেনচন। পৰীক্ষাত ফেলেই মাৰিবা .................................।

মনত পৰিল ৰাহুলৰ অমানিশাই তালৈ দিয়া চিঠিখন বলিয়ালী বুলি পুনৰ বন্ধ কৰি থৈছিল সি। চিঠিখনৰ কাৰণে সিযে অমানিশাক কিমান গালি দিছিল ................।

ঘড়ীলৈ চালে ৰাহুলে। চাৰি বাজিবলৈ আৰু পাঁচ মিনিট আছে মাত্ৰ। এই পাঁচ মিনিটৰ পাছতেই এই স্বাৰ্থপৰ পৃথিৱীত তাৰ জীৱন নাটৰ যৱনিকা পৰিব।

হঠাৎ কিবা এটা ভাবি সি থিয় হ'ল আৰু খিৰিকিখন খুলি দিলে। এজাক হিম চেঁচা বতাহে ৰাহুলক জোঁকাৰি গ'ল। মাজনিশাৰ শেঁতা জোনৰ পোহৰত কেকটাছ যেন লগা গছবোৰো চিলমিল পোহৰত সেউজীয়া হৈ ধৰা দিলে ............... ।

ঘড়ীলৈ চকু গ'ল তাৰ। চাৰি বাজিবলৈ দুই মিনিট। সি পিলটো হাতত ল'লে আৰু ডেকটো অন কৰি দিলে।

চাৰি বাজিবলৈ আৰু এক মিনিট। ঘড়ীৰ কাটাৰ ওচৰত তাৰ তীক্ষ্ম দৃষ্টি। টং .......... টং ........... টং ............. টং .............

চাৰি বজাৰ সংকেত ভাঁহি আহিল কলঘৰৰ পৰা। দুৱাৰখন খুলি ওলাই গ'ল ৰাহুল। সিযে পইজনটো বহু দূৰত পেলাই থৈ আহিব লাগিব।

এক সুন্দৰতম বাস্তৱৰ অভিমুখে আগবাঢ়ি গ'ল ৰাহুল। অমানিশাৰ অসম্পূৰ্ণ স্বপ্নক বাস্তৱ ৰূপ দিয়াৰ তীব্ৰ ইচ্ছাই তাক উদ্বাউল কৰি তুলিলে। .......................... আৰু এটা সুন্দৰ পুৱাত ৰাহুলৰ সতেজ কোঠালিত বাজি থাকিল ..........................

*Everything I do*
*I do it for you ...........*

● ● ●

*যিসকল লোকে জীৱনৰ মাজবয়সত প্ৰথম যৌৱনৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰাৰ কথা চিন্তা কৰে তেওঁলোকে আচলতে নিজকে প্ৰৱঞ্চনা কৰে। মানুহৰ জীৱনৰ প্ৰত্যেকটো দশকৰে থাকে নিজস্ব নিয়তি, নিজস্ব আশা আৰু নিজস্ব বাসনা।*

\- গ্যেটে

# ক'লাজত, এপিয়লা বিষণ্ণতা

নৱনীতা চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ

শেৱালি ফুলৰ সুবাসে চৌদিশ আমোল মেলাই আছে। শৰতৰ আগমনত আনন্দত উত্ৰাৱল হৈ পৰিছে। শৰতৰ প্ৰেয়সী শেৱালি। শাৰদীয় নিশা আকাশৰ তিমিৰ আৱৰণ ফালি ওলাই অহা জোনটোৰ পোহৰে চাৰিওদিশে উজ্বলাই পেলাইছে। জাক জাক জোনাকী পৰুৱাই আন্ধাৰৰ লগত মিতিৰালি কৰি আনন্দমনে প্ৰকৃতি বনলৈ ওলাই আহি সন্ধ্যাবোৰক যেন আৰু অধিক মোহনীয় কৰি তুলিছে। উফৰি অহা জোনৰ পোহৰত জোনাকী পৰুৱাবোৰক ধিমিক ধামাক কৈ জ্বলিউঠা একো একোটা বিজুলী বাতিৰ দৰেহে লাগিছে। সৰুহৈ থাকোঁতে এই জোনাকী পৰুৱাবোৰ ধৰিবলৈ লগৰবোৰৰ লগত যে কিমান দৌৰিছিল! এতিয়াও মনত পৰিলে দিপ্তীৰ হাঁহি উঠে। এতিয়াও তাই ভাবে তাই সৰুহৈ থকা হ'লে। কিন্তু সময়ক কোনে বাধা দি ৰাখিব পাৰে। চাওঁতে চাওঁতে দিপ্তী এতিয়া যৌৱনৰ দুপাখিত ভৰি দিলে ........।

এতিয়া, হৃদয়ত থুপখাই আছে শীতল কুঁৱলীয়ে ঢকা আলফুলীয়া এবুকু স্বপ্ন। যাৰ কোনো পাৰা পাৰ নাই। আছে মাথোঁ আশাৰ এখনি বৈ যোৱা নদী। বৰ সহজ সপোনবোৰ ৰচিবলৈ', হয়তো পৃথিৱীত ইয়াৰ সমান আৰু সহজ একো নাই।

কিন্তু সপোনবোৰ যেতিয়া ভাগি যায়। মিলি যায় দূৰ আকাশৰ নীলাবোৰৰ লগত তেতিয়া দুখৰ সমুদ্ৰৰ পাৰ ভাগি যায়। হৃদয়খন থান-বান হৈ পৰে। ................ মনৰ মাজত হেঁপাহৰ হাজাৰ হাজাৰ ফুল ফুলি উঠে। হেঁপাহৰ পাহিবোৰ জানো গণনা কৰা সম্ভৱ ........... অকালতে যদি মৰহি যায় .............।

হয়তো পৃথিৱীত ভালপোৱাৰ কোনো মূল্য নাই। কিন্তু ইয়াৰ বেদনাবোৰৰ বহু মূল্যৰ .......... বহু তৃপ্তিৰ । নিসংগতাত আহি গোপনে সঙ্গ দিয়ে ..........., আপোন হৈ যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰেমেহে দিব পাৰে বেদনাৰ উপহাৰ।

ঠিক এই সন্ধ্যাটোৰ দৰে ফুটুকা ফুটুকি জোনৰ পোহৰ ............, এই জোনাকী পৰুৱাবোৰ .........., এইদৰে উপভোগ কৰিছিল পাঁচবাৰ আগৰে ...........।

এই তৰাবোৰৰ দৰে তেতিয়া তাই হৃদয়তো আমনি দি তিৰবিৰাই আছিল দুটি উজ্জ্বল চকুৱে। তাইৰ হৃদয়ত সেই চকু জোৰলৈ প্ৰেমৰ শিপা মেলিছিল।

দিপ্তী যোৰহাটৰ মোমায়েকৰ ঘৰত থাকি পঢ়িছিল। হায়াৰ ছেকেণ্ডাৰি ফাইনেল পৰীক্ষা দি তাই ডিব্ৰুগড়ত থকা নিজৰ ঘৰলৈ আহিছিল। সন্ধ্যা তাইক মাকে প্ৰায়ে ফুৰাবলৈ লৈ গৈছিল। এনেদৰে অহা-যোৱা কৰি থাকোঁতে তাই আৰু মাকৰ সৈতে চিনাকি হৈছিল সেই উজ্জ্বল দুচকুৰ গৰাকীৰ লগত, গহীন, গম্ভীৰ কম কথা কোৱা সেই লৰাজনক তাইৰ প্ৰথম চিনাকিতে কিবা এটা ভাল লাগি গৈছিল। কথা-বতৰাৰ মাজেৰে গম পাইছিল, ল'ৰাজন দিপ্তীহতৰ ঘৰৰ ওচৰতে থকা এটা ভাৰাঘৰত থাকে। আবেলি হ'লে ল'ৰাজনৰ সতে প্ৰায়ে দেখা-দেখি হয়। তাহাঁতৰ গেটৰ ওচৰত মাকৰ স'তে লৰাজনে প্ৰায়ে কথা পাতে। তাই মনে মনে খিৰিকীৰ পৰ্দা দাঙি লৰাজনলৈ চায়।

এদিন তাইৰ মাকে লৰাজনক চাহ খাবলৈ নিমন্ত্ৰণ জনালে। সেইদিনা গধূলি মাকৰ নিমন্ত্ৰণ ৰক্ষা কৰি ল'ৰাজন আহিছিল। তাই মাকৰ পৰা জানিছিল, ল'ৰাজনৰ নাম গৌৰৱ। স্নাতক দ্বিতীয় বৰ্ষৰ পৰীক্ষা দি আছে, অৰ্থনীতি বিষয়ত মেজৰ সহ। দুখীয়া ঘৰৰ ল'ৰা প্ৰাইভেট টিউচন কৰি নিজে চলিব পৰা যায়। পঢ়াতো ল'ৰাজন খুব ভাল। মাকে ল'ৰাজনৰ প্ৰতি কৰা প্ৰশংসা শুনি ভাল লাগিল। সেইদিনা চাহ খাই বহু সময় ধৰি তেওঁ কথা পাতিছিল। মাকৰ কাষতে বহি তাইও ল'ৰাজনৰ কথা শুনি গৈছিল।



তেনেদৰে মাজে মাজে আহিছিল গৌৰৱ। ক'ব নোৱাৰাকৈ তাই বহুত সহজ হৈ পৰিল। গৌৰৱেও তাইৰ লগত সহজভাৱে কথা বতৰা পাতিছিল। জীৱনৰ বহু ঘাত-প্ৰতিঘাতৰ কথা তাইৰ আগত ব্যক্ত কৰিছিল। তাৰ কথা বতৰাই তাইক মুহি পেলাইছিল; মনে মনে হৃদয়ৰ একোণত তাৰ বাবে সপোনবোৰ ৰচি গৈছিল। প্ৰথমে গৌৰৱে তাইক, তাই ভাৱনাৰে লোৱা নাছিল। কিন্তু সময়ৰ সোঁতত কোনোদিন প্ৰেমত নপৰা গৌৰৱ লাহে লাহে তাইৰ প্ৰেমত পৰিল।

চাওঁতে চাওঁতে এটা বছৰ অতিক্ৰম কৰিলে। বহুতো যুক্তিৰে ভৰা কিছুমান ডাঙৰ ডাঙৰ কথা গৌৰৱে দিপ্তীৰ আগত কয়। কিন্তু দিপ্তীৰ সৰু মগজটোৱে সেইবোৰ কথা বুজি নাপায়। খুব ধুনীয়া কবিতা লিখে গৌৰৱে, কেতিয়াবা পঢ়ি শুনায়। যদিও তাই কিছুমান ভাষা বুজি নাপায় তথাপিও শুনি থাকে। তাৰ কথাবোৰ শুনি ভাল লাগে।

সেইদিনা স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ৰিজাল্ট দিছিল। গৌৰৱে ফাষ্ট ক্লাছ ফাষ্ট পজিচন পাইছিল। আনন্দতে তাহাঁতৰ ঘৰত ডাঙৰ পাৰ্টি হৈছিল। গৌৰৱৰ সেইদিনা আনন্দৰ চকুপানী ওলাইছিল। সি তাইক কৈছিল, তাৰ কিছুহলেও আশা পূৰণ হৈছে। দেউতাকৰ কষ্ট কৰি দিয়া ধনবোৰ অথলে যোৱা নাই। সি আৰু পঢ়িব। ইউনিভাৰচিটিত নাম লগাব। বহু আশা সি বুকুত বান্ধি ৰাখিছে।

সময়ত এদিন দেউতাকে ইউনিভাৰচিটিত এডমিচন ল'বৰ বাবে টকা দি পঠালে। প্ৰই ভেট টিউচন কৰি থাকিল, ইউনিভাৰচিটিলৈ অহা যোৱা কৰিলে। এমাহ মানৰ পিছতে হঠাতে এদিন গৌৰৱৰ কাৰণে তাৰ জীৱনৰ এটা সংঘাতৰ দিন আহিল। তাৰ দেউতাকৰ পথাৰত কাম কৰি থকা অৱস্থাত বজ্ৰপাত পৰি মৃত্যু হৈছে। হয়তো সি সেইদিনাৰ পৰাই জীৱনৰ হাঁহিবোৰ হেৰুৱাই পেলালে। সি কান্দিছিল বহুত কান্দিছিল। তাৰ পাছত লাহে লাহে সি ইউনিভাৰচিটিলৈ যোৱাটো কমাই দিলে। দিপ্তীয়ে তাক বহুত বুজাইছিল। ইউনিভাৰচিটিত তাৰ পঢ়া শেষ কৰি ল'বলৈ। কিন্তু সি কেইদিনমানৰ কাৰণে গুচি গৈছিল ঘৰলৈ। দিপ্তীয়ে তাৰ দুখ সহ্য কৰিব পৰা নাছিল। তাই মাকৰ আঁৰহে মনে মনে কান্দিছিল। ভগৱানৰ ওচৰত বহুবাৰ প্ৰাৰ্থনা কৰিছিল তাৰ দুখবোৰ যেন সোনকালে দূৰ হৈ যায়।

বহুদিন গৌৰৱ অহা নাছিল ঘৰৰপৰা। তিনিমাহ মানৰ পাছত সি আহিছিল। হঠাৎ বহুদিনৰ মূৰত গৌৰৱক দেখি দিপ্তীৰ মনটো এক বুজাব নোৱাৰা আনন্দেৰে ভৰি পৰিল। মাকেও তাক বৰ আদৰ-সাদৰ কৰিছিল। ঘৰৰ খবৰ-খাতি কৈছিল। কিছুসময় কথাপাতি মাক পাকঘৰত সোমালেগৈ। দিপ্তীয়ে হাতত চাহ লৈ আহি গৌৰৱৰ তেনেই কাষতে বহি ললে। বহুদিন তাই এক অসহ্য যান্ত্ৰণাত ভুগি আছিল। আজিহে তাই সেই যান্ত্ৰণাবোৰৰ পৰা ক্ৰমে ক্ৰমে মুক্ত হোৱা যেন লাগিলে। তাই গৌৰৱৰ চকুলৈ থৰ লাগি চাই ৰ'ল।

ঃ কি চাই আছা?

ঃ তোমাকে চাইছোঁ গৌৰৱদা, বহুত ক্ষীণ হৈ গ'লা। বাৰু চাহ খোঁৱা।

ঃ এইটো কোনো ডাঙৰ কথা নহয়। চিন্তা হৈছে কাৰণে ক্ষীণ হৈছোঁ।

ঃ তুমি আকৌ ইউনিভাৰচিটিলৈ যাবানে?

ঃ হয়তো নাযাওঁ। কি কৰিম কোৱা, ইউনিভাৰচিটিত পঢ়িবলৈ বহুত টকা দৰকাৰ, ইমান ক্ষমতাশালী হ'ব নোৱাৰিলো। হয়তো আমাৰ কপালতে সুখৰ চিনডাল ভগৱানে আঁকি দিবলৈ পাহৰিলে।

গৌৰৱৰ সামান্যভাৱে এটা সেমেকা হাঁহি মুখত বিৰিঙি উঠিল।

ঃ দিপ্তী, মই বৰ স্বাৰ্থপৰ নেকি? ঘৰলৈ গৈ মোৰ বাৰে বাৰে এই প্ৰশ্নই খাই মাৰিছে।

ঃ কিয়?

ঃ দেউতাই মোক ইউনিভাৰচিটিত পঢ়িবলৈ বুলি ঘৰৰ সকলো মাটিবাৰী বন্ধকত দিলে। এতিয়া সেই মাটি মোকলাবৰ বাবে মই ইমান টকা ক'ত পাওঁ। মোৰ বাবে যে দেউতাই এইবোৰ কৰিছে মই গমেই পোৱা নাছিলো। প্ৰতিমাহতে মোক পলম নোহোৱাকৈ টকা দিছিল। মোৰ বাবে দেউতাই ইমানবোৰ কষ্ট, ত্যাগ কৰিলে অথচ মই আজি একো কৰিব পৰা নাই। চিন্তা কৰি পাৰ পোৱা নাই, মই ভাগৰি পৰিছো কি কৰোঁ কোৱা মই যে নিৰুপায়।

ঃ ধৈৰ্য ধৰা, কিবা এটা হ'ব। ভগৱান আছে।

ঃ নহয়, ভগৱান আছে বুলি মই বিশ্বাস কৰিছিলো, কিন্তু এতিয়া মোৰ এই বিশ্বাস নাই। এতিয়াহে ভাবিছোঁ পঢ়ি-শুনি আমাৰ নিচিনা মধ্যবিত্ত মানুহৰ একো লাভ নাই। পঢ়ি-শুনি ভাল ভাল ৰিজাল্ট কৰিলেও তুমি যদি দুখীয়া তোমাক কোনেও উলটি নাচায়। তোমাৰ চাৰ্টিফিকেটৰ কোনো মূল্য নাই। কেৱল টকাৰ জোৰত তুমি পঢ়া-শুনা কম হ'লেও এখন ভাল চাৰ্টিফিকেট পাবা। খন্তেকতে চাকৰি পাব পাৰা। কিন্তু তোমাৰ যদি টকা নাই তুমি বহি থাকা। আজি

মোৰ হাতত টকা নাই, আছে মাত্ৰ এখন সাধাৰণ বি. এ. পাছ চাৰ্টিফিকেট। এই যুগত সকলোকে টকা লাগে টকা। সব স্বাৰ্থপৰ হৈ গ'ল, স্বাৰ্থপৰ।

অভিমানৰ সুৰেৰে একেবাহে কৈ গ'ল সি।

ঃ ধৰ্য্যৰো এটা সীমা আছে। কথাতে কয় দুখীয়াৰ দুখ কোনো কালে নাযায়। আৰু কিমান দিন থাকিম এনেদৰে।

ঃ কি কৰিম বুলি ভাবিছা? লাহেকৈ দিপ্তীয়ে সুধিলে।

ঃ গুচি যাম ক'ৰবালৈ এটা নিৰ্দিষ্ট লক্ষ্য লৈ। এই পৰাধীনতাৰ গ্লানি পিন্ধি আৰু এনেদৰে নাথাকোঁ। মই সিদ্ধান্ত লৈছোঁ মই এটা সংগঠনত যোগ দিম। এই সপ্তাহৰ ভিতৰতে যাম।

ঃ কি কৈছা তুমি এইবোৰ, তুমি এনেদৰে যাব নোৱাৰা। সংগঠনৰ মানুহবোৰ তুমি ভাল বুলি ভাবিছা নেকি? সিহঁত সব মতলবি, হত্যাকাৰী। আৰু তুমি হত্যাকাৰী হ'বলৈ ওলাইছা।

ঃ সংগঠনৰ সকলো হত্যাকাৰী নহয়। যদি সিহঁত মতলবি হয় তেন্তে হওক। আজিৰ যুগত তুমি কাক সৎ বুলি বিচাৰ কৰিবা আৰু সৎ পথ, ন্যায়পথ এইবোৰত থাকি তুমি একো উন্নতি কৰিব নোৱাৰা। তুমি ভাবিছা নেকি দেশৰ এইয়ে ডাঙৰ ডাঙৰ মন্ত্ৰী, এম.এ.লেবোৰ, ইঞ্জীনিয়াৰ, অফিচাৰবোৰ সৎ বুলি; নহয় সিহঁত সব মতলবি মুখা পিন্ধা একো একোটা দানৱ। আমি মুখা নিপিন্ধো যি কৰিম দেখা দেখিকৈ কৰিম। মই এনে এটা পথে যাব বিচৰা নাছিলো; কিন্তু মোক পৰিস্থিতিয়ে বৰ বেয়াকৈ মাৰি দিলে মই ....... মই .......

খুব জোৰেৰে কথাবোৰ কৈ হঠাৎ ৰৈ গৈছিল গৌৰৱ, হয়তো চকুপানী বৈ আহিছিল, হাত দুখনে তাৰ চকু দুটা মোহাৰি ল'লে।

ঃ নহয় গৌৰৱদা তুমি নিজকে অলপ চম্ভালা। হঠাৎ তুমি তেনে এটা পথ বাচি নল'বা। তোমাৰ ভৱিষ্যত ......

ঃ নহয়। ভৱিষ্যত তোমালোকৰ আছে। আমাৰ নাই। মই বৰ্তমানক লৈ জীয়াই থাকিব বিচাৰোঁ। মোৰ কাৰণে কোনো ভৱিষ্যত নাই। তুমি ভালঘৰৰ ছোৱালী, দেখাতো ধুনীয়া, পঢ়াই-শুনাই ভাল। তোমাক মা-দেউতাই ভাল ঘৰৰ দৰা চাই বিয়া দিব। তুমি সুখী হ'বা। কিন্তু তুমি মোৰ পৰা সেইকণ সুখ আশা নকৰিবাঁ। তোমাৰ আৰু মোৰ এই ভালপোৱা ইমানদিন পবিত্ৰ হৈ থাকিল; তেনেদৰে পবিত্ৰ হৈ থাকিবলৈ দিয়া। মোক পাহৰি যোৱাঁ। এই কথাকেইষাৰ আজি তোমাক ক'বলৈ আহিলো। পাৰা যদি মোক ক্ষমা কৰি দিবা।

গৌৰৱে হাতদুখনে নিজৰ মুখখন ঢাকি দিলে। দিপ্তীয়ে অবাক বিস্ময়েৰে গৌৰৱৰ মুখলৈ চাই ৰ'ল। পলকতে তাই ভাবিব নোৱৰা ইমানদিনে হৃদয়ত সাঁচি ৰখা মৰম ভালপোৱাবোৰ...... হঠাৎ মাক সোমাই আহিছিল। হয়তো মাকে তাহাঁতৰ কথাবোৰ শুনা নাছিল।

ঃ গৌৰৱ আজি ইমান দিনৰ মূৰত আহিলা, ভাত খাই যাবা দেই। আন্ধাৰ হ'লেই নহয়।

ঃ নাই খুৰী আজি ভাত নাখাওঁ। বেলেগ এদিন আহিম। বহুদেৰি হ'ল মই যাওঁ।

ঃ ৰ'বা মই ভাত ৰান্ধিলোৱেই নহয়।

ঃ খুৰী আজি মোৰ পেটত ভোক নাই। বেলেগ এঠাইলৈ যাব লগা আছে জৰুৰী কাম এটাত। বেয়া নাপাব। বন্ধু কেইজনমানক লগ কৰিব লগা আছে। আপোনাৰ হাতৰ ভাত এসাজ খাবলৈ নিশ্চয় এদিন আহিম। এতিয়া যাওঁ।

ঃ আহিবা তেন্তে, তোমাৰ যদি দেৰি হৈছে যোৱাঁ। মই জোৰ নকৰোঁ।

ঃ দিপ্তী যাওঁ।

দিপ্তীয়ে মুখেৰে একো মতা নাই। তাই গৌৰৱক কি বুলি বুজাব ভাবি পোৱা নাই। তাই গৌৰৱৰ পিছে পিছে গৈ গেটৰ ওচৰ পালেগৈ।

ঃ তুমি শেষ সিদ্ধান্ত লোৱাৰ আগতে আকৌ এবাৰ ভাবি চোৱাঁ, অন্তত মোৰ মুখলৈ এবাৰ চোৱাঁ। তুমি মোক পাহৰিব পাৰিবা?

ঃ নোৱাৰিলেও চেষ্টা কৰিম। তুমি হয়তো মোৰ ওচৰত সুখৰ জীৱনটো নাপাবা। মোৰ বাবে তুমি কিন্তু চিন্তা নকৰিবাঁ। তুমি সুখী হোৱা, মই এইটো বিচাৰোঁ। এই সপ্তাহতে হয়তো মই জইন কৰিম। তোমাক আৰু লগ পোৱাৰ সৌভাগ্য নহ'ব। চাওঁ, তোমাৰ হাতখন দিয়া। গৌৰৱে দিপ্তীৰ দুহাতত দুটা তপত চুমা আঁকি দিলে।

ঃ মোৰ পৰা প্ৰেমৰ উপহাৰ দিবলৈ আজি একো নাই। বেয়া নাপাবা। যাওঁ ......

কঁপা কঁপা কণ্ঠৰে কথাকেইটা কৈ খৰ খোজেৰে আঁতৰি গৈছিল গৌৰৱ .....

এটা মাটিৰ মূৰ্তিৰ দৰে থৰ লাগি চাই ৰৈছিল তাই। মুখৰ মাত সকলো হেৰাই গৈছিল। মাত্ৰ দুচকুৰে ধাৰাসাৰে চকুপানীবোৰ বৈ আহিছিল। ক্ৰমে তাই গৌৰৱক নেদেখা হৈ গৈছিল। আকাশখনৰ পূৰ্ণিমাৰ জোনটো ক্ৰমাৎ এডৰা ক'লা



ডাৱৰে আৱৰি ধৰিলেহি ...... আন্ধাৰ হৈ পৰিছিল পৃথিৱীখন ক্ৰমাৎ আন্ধাৰ ........।

দিপ্তীৰ বিয়ালৈ আৰু মাত্ৰ দুদিন বাকী। বহুত জোৰকৈ তাইক বিয়াৰ বাবে সন্মত কৰাইছোঁ। মাত্ৰ মাক-দেউতাকৰ মুখলৈ চাই তাইয়ো বিয়াত সন্মতি দিলে। তাই গৌৰৱৰ বাহিৰে কাৰো হ'ব বিচৰা নাছিল; কিন্তু পৰিস্থিতিয়ে সকলোকে দাস কৰিলে।

হঠাৎ আজি পাঁচবছৰ মূৰত তাইলৈ গৌৰৱে এখন চিঠি পঠাইছে তেনেই সৰু চিঠি ......... চিঠিখন তাই পঢ়ি চালে -

মৰমৰ

দিপ্তী,

মৰম ল'বা। তোমাৰ বিয়াৰ খবৰ পাইছোঁ। শুনি ভাল লাগিল। তুমি, তোমাৰ মা-দেউতা খুব সুখী ছাগে। ময়ো সুখী হৈছোঁ, বহুত সুখী। মোৰ শুভকামনা তোমালৈ থাকিল। মোৰ বিষয়ে তোমাক কি কম। জীয়াই আছো, ইয়াকে জানি থোৱা। তামাক এবাৰ কইনাসাজত চাবৰ মন গৈছিল, কিন্তু সেই সৌভাগ্য মোৰ নাই। পৰিস্থিতিয়ে জীয়াই ৰাখিলে হয়তো তোমাক ক'ৰবাত দেখা পাম।

শেষত তুমি সুখী হোৱা ব.....হ.....ত সু.....খী।

তোমাৰ

*'গৌৰৱ দা'*

চিঠিখন দিপ্তীয়ে হাততে খামুচি ধৰিলে। তাইক এক গভীৰ বেদনাই হেঁচা মাৰি ধৰিলে। বুকুৰ মাজত এক অসহ্য বিষ অনুভৱ কৰিলে। তাই আৰ্চিখনত এবাৰ নিজৰ মুখখন চালে। তাই সঁচাকৈ সুখীনে? নহয় গৌৰৱদা মই সুখী নহয়, সুখী হ'ব নোৱাৰোঁ। মোৰ সুখবোৰ তুমি দলিয়াই দিলা। বৰ নিষ্ঠুৰ হ'লা তুমি নিষ্ঠুৰ। তুমি বাস্তৱৰ মুখামুখি হ'বলৈ ভয় কৰা তুমি পলায়নবাদী। মই বিয়াখনত বহিছোঁ মাত্ৰ মোৰ মা-দেউতাৰ সুখৰ কাৰণে, মোৰ সুখবোৰ তুমিতো কেতিয়াবাই ......... কেতিয়াবাই .........

তাইৰ চকুৰ পৰা ধাৰাসাৰে চকুপানীবোৰ বৈ আহিল। বহাৰ পৰা উঠি গৈ তাই খিৰিকীখন খুলি দিলে। বাহিৰত তেতিয়া আন্ধাৰ; হয়তো জোনটোক ডাৱৰে তেতিয়াও ঢাকি ৰাখিছিল।

খুব মনত পৰিছিল তাইৰ গৌৰৱলৈ আৰু কৱবাত পঢ়া কবিটা এযাৰিলৈ

তুমি নুবুজা নহয়, তোমালৈ মোৰ কিমান মৰম?
মোৰ বুকুৰেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে।
কি.........মা.........ন.........মৰম।
...........................................
...........................................
সৌৱা আকাশত নীলা-নীলাবোৰ
যিমান দূৰলৈ গৈ গৈ আছে
সিমান ..... সিমান ..... সিমান।

কিন্তু তাই আজি এই ভালপোৱাৰ কোনো অস্তিত্ব নাই। আৰু কেইঘন্টামানৰ পাছতে তাই একেবাৰে অন্য কাৰোবাৰ হৈ পৰিব। এধানি নীলা বেদনাই নিৰ্মমভাৱে বেঢ়ি ধৰিলহি তাইৰ সমস্ত সত্তাক। শব্দ থাকিও বোবা ওঁঠ। দুহাত থাকিও অচল, দুভৰি থাকিও ........ যাত্ৰা কৰিব নোৱাৰি এটা হেঁপাহৰ সপোনৰ বাবে ........ এৰা........! সপোন বিহীন জীৱনৰ পাতনি।

●●●

- পৃথিৱীৰ সেই দুখেই তীব্ৰতম যাৰ অংশীদাৰ নাই। যিকোনো দুখ যেতিয়া মোৰ পৰা আমালৈ ৰূপান্তৰিত হয়, তেতিয়া সেই দুখ দুখ হৈ নাথাকে। যাক অন্তৰেৰে ভালপোৱা যায়, তেওঁক কিবা কাৰণত দুখ দিবলগীয়া হোৱাৰ সমান তীব্ৰতম দুখ কিজানি আন একো নাই।

*- ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী*

# অনাদৃত মাতৃ

বিনীতা শিলপনীয়া
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

ৰিক্সাৰ পৰা নামিয়েই মই মোৰ দাদা চহৰৰ বিখ্যাত ব্যৱসায়ী অনুপম চৌধুৰীৰ অট্টালিকা সদৃশ ঘৰটোলৈ চালো। ৰিক্সাৰ ভাড়াটো দি ৰিক্সাৱালাজনক বিদায় দি মই প্ৰকাণ্ড লোহাৰ গেটখন খুলি লাহে লাহেসোমাই গ'লো। হাতত মোৰ এটা বেগ, য'ত মায়ে পুতেকলৈ বুলি মৰমত তিল পিঠা, ভাপত দিয়া পিঠা, টেকেলী মুখৰ পিঠা আৰু বাৰীৰ পৰা বুটলি অনা আমলখি, বগৰী আদি টোপোলা বান্ধি দি পঠাইছে।

কলিং বেলটো দুবাৰমান দিয়াত ভিতৰৰ পৰা নবৌ ওলাই আহিল। "অ' ভন্টি আহিছা। আহা ভিতৰলৈ আহা" বুলি নবৌৱে মোক ভিতৰলৈ মাতি নিলে। "নবৌ তোমালোকৰ ভাল নে? দাদা নাই নেকি? জান্টু আৰু মামু স্কুলৰ পৰা অহাই নাই?" মোৰ প্ৰশ্ন কেইটাৰ উত্তৰত নবৌৱে ক'লে, "দাদা আৰু সিহঁত পাবহিয়েই এতিয়া তুমি বহাচোন। মই তোমালৈ পানী আনো।" 'নবৌ ৰ'বা, এই বেগটো ধৰা' বুলি মই নবৌলৈ বেগটো আগবঢ়াই দিলো। বেগটো খুলি চাই নবৌৱে এইবোৰনো কেলৈ আনিছা বুলি মুখখন নিকটালে। আৰু ৰামু অ' ৰামু বুলি চিঞৰি চিঞৰি ভিতৰলৈ গ'ল। প্ৰকাণ্ড ড্ৰইং ৰূপমটোত মই অকলে বহি আছোঁ। যেন মই মোৰ নিজৰ দাদাৰ ঘৰলৈ যোৱাই নাই আন কোনোবা অচিনাকী মানুহৰ ঘৰলৈহে ফুৰিবলৈ গৈছোঁ, ঠিক তেনেদৰেই অজানিত লাজ-সংকোচ ভাৱে কোঠাটোৰ বস্তুবোৰত লাহে লাহে চকু ফুৰাবলৈ ধৰিলো।

অলপ পিছতে গাড়ীৰ হৰ্ণ শুনিলো। লগুৱা এটাই গৈ গেটখন খুলি দিলে। দাদা আৰু ল'ৰা-ছোৱালী দুটা আহিছে। মোক দেখি যেন দাদা কিছু আচৰিত হ'ল। 'ভন্টি কেতিয়া আহিলি?' 'অলপ সময় হ'ল' মই কলো। জান্টু আৰু মামুৱে মোক দেখিয়েই সাৱটি ধৰিলেহি। এতিয়ালৈকে সিহঁত যি দুবাৰ গাঁৱলৈ গৈছে মোক এনেদৰে পালে যে, আজিলৈকে পাহৰা নাই। আৰু দেখিয়েই পেহী বুলি চিনি পালে। আচলতে মই এই ল'ৰা-ছোৱালী দুটাৰ মৰমত আৰু মাৰ খেচখেচনিতহে ইয়ালৈ আহিছোঁ; সেই কথাটো ঘপকৈ মনলৈ আহিল। দাদাই ল'ৰা-ছোৱালী দুটাক লৈ ভিতৰলৈ গ'ল আৰু মোক কৈ গ'ল - "ৰ' দেই মই ফ্ৰেচ হৈ লওঁ।" মই আকৌ আগৰ দৰে চোফাখনত বহি পৰিলো। মই ভাবিছিলো দাদা আহিয়েই মোক সাৱটি ধৰিব আৰু সুধিব -'ভন্টি, তোৰ ভালনে? মা কেনে আছে? ককাইদেউৰ ভালনে?' কিন্তু তেনে একো নহ'ল।

ইতিমধ্যে নবৌৱে আহি চাহ খাবলৈ মাতিলেই। চাহৰ টেবুলত সকলো বহিলো। বিস্কুট, কেক আৰু নানা ধৰণৰ মিঠাইৰে চাহৰ টেবুল ভৰি আছে। কিন্তু মায়ে অতি মৰমত দি পঠিওৱা পিঠাকেইটা হ'লে নেদেখিলো। নবৌক মই অনা বেগটো খুজি পিটাকেইটা প্লেটত উলিয়ালো আৰু জান্টু-মামুক খাবলৈ দিলো। নবৌৱে লগে লগে প্লেটখন কাঢ়ি টেবুলত থ'লে আৰু ক'লে "ভন্টি, ইহঁতক এইবোৰ খাবলৈ নিদিবা। পেট বেয়া কৰিব।" "দিয়ানা মা এটা খাওঁ একো নহয়।" সিহঁতৰ আব্দাৰ। কিন্তু নবৌৱে নুশুনিলে। নিৰৱে সকলোৱে চাহ খাইছোঁ। কোনেও কিন্তু পিঠাকেইটা নাখালে। আনকি দাদাইও এবাৰো পিঠা কেইটালৈ কেৰাহিকৈও নাচালে। যি টেকেলী মুখৰ পিঠা চুৰ কৰি খাওঁতে সি সৰুতে মাৰ পৰা কেইবাবাৰো কাণমলা খাইছিল। কিন্তু আজি হায়!



চাহ খোৱাৰ পিছত জান্টু-মামুৱে মোক সিহঁতৰ ৰূমলৈ টানিলে, খেলিবৰ বাবে। ইতিমধ্যে দাদাও বাইক লৈ বজাৰলৈ ওলাই গৈছে। নবৌৱে ভিতৰতে ইখন সিখন কৰি আছে। এঘন্টামানৰ পিছত দাদা বজাৰৰ পৰা ঘূৰি আহিল আৰু আমাক এবাৰ ভুমুকিয়াই চাই গ'ল। তাৰ পিছতে নবৌ আহিল আৰু সিহঁতক পঢ়িবৰ বাবে ক'লেহি। মই বাহিৰলৈ ওলাই আহিলো। দাদা-নবৌ চকীত বহি আছে আৰু মই কাষৰ চকীখনতে বহি পৰিলো। দাদাই মোক সুধিলে - কি কৰি আছোঁ কি কৰিম বুলি ভাবিছোঁ ইত্যাদি। কিন্তু ঘৰৰ কথা এবাৰো নুসুধিলে। নিজৰ কথাহে কৈ গ'ল- ঘৰটো সজাওঁতে হোৱা কষ্টৰ কথা, গাড়ীখনৰ লগত হোৱা খৰচৰ কথা ইত্যাদি। নবৌৱেও মাজে মাজে মাত দিছে। আঠমান বজাত নবৌৱে ভাত ৰান্ধিবৰ বাবে ৰান্ধনিক নিৰ্দেশ দিবলৈ বুলি ভিতৰলৈ গ'ল। ৯-৩০ মান বজাত ভাত খাবৰ হ'ল। মাছ-মাংসৰ লগতে নানাবিধ তৰকাৰীৰে ভাত খালো। তাৰ পিছত জান্টু-মামুক "গুড নাইট" দি মোক ঠিক কৰি দিয়া ৰূমটোত শুবলৈ গ'লো। শুবলৈ ল'লোহে টোপনি হ'লে নাহিল। কেৱল চকুৰ আগলৈ ভাঁহি থাকিল আমাৰ শৈশৱৰ দিনবোৰ। দাদা আৰু মোৰ ৰং-ধেমালিবোৰ। ব্যৱসায় কৰিবলৈ বুলি চহৰলৈ অহাৰ পিছত দাদা বহুত সলনি হ'ল। গাঁৱৰ ঘৰলৈ যাবলৈ প্ৰায় এৰি দিয়াৰ নিচিনা। মুধা ফুটা ব্যক্তি প্ৰবোধ চলিহাৰ একমাত্ৰ কন্যা ৰেখা চলিহাক বিয়া কৰোৱাৰ পিছত আজি বাৰ বছৰে দাদা মাত্ৰ তিনিবাৰ গাঁৱৰ ঘৰলৈ গৈছে। মালৈও বাৰু দাদাৰ মনত নপৰেনে? মায়ে যে কিমান মৰমত তালৈ বুলি, নাতিয়েকহঁতলৈ বুলি পিঠা কেইখন দি পঠাইছিলে। সেইকিখন তাৰ চুবলৈও মন নগ'লনে? মই বিছনাত পৰি চট-ফটাই থাকোঁতেই শুনিবলৈ পালো গিলাচৰ খুট-খাট শব্দ। কাষতে থকা বেডৰূমত দাদা আৰু নবৌৱে ড্ৰিংকচ কৰা বুলি মোৰ অনুমান হ'ল। আৰু মই লগে লগেই ঠিক কৰিলো যে, কাইলৈ পুৱাই মই ইয়াৰ পৰা যামগৈ। এতিয়া আৰু দাদা কেৱল মোৰ দাদা হৈ থকা নাই। ৰেখাবৌৰ স্বামী, জান্টু-মামুৰ পাপা আৰু যি এতিয়া এজন সম্পূৰ্ণ চহৰীয়া মানুহ।

পুৱা চাৰি বজাতে উঠি মই গা-পা ধুই ল'লো। তাৰ পিছতহে নবৌহঁত উঠিলে আৰু চাহ-তাহ কৰিলে। চাহ-কাপ খায়েই মই বাতৰি কাকতখন চাই থকা দাদাক ক'লোগৈ - "দাদা মই আজি যামগৈ টিকট এটা আনি দিবি।" "ইমান সোনকালে যাবনে?" দাদাই সুধিলে। মই ঘৰত মাৰ অসুবিধা হোৱাৰ কথা ক'লো। দাদা ওলাই গ'ল। নবৌৱে জান্টু-মামুক স্কুলৰ বাবে সাজু কৰিছে। ৭-৩০ বজাত স্কুল বাছ আহিবই। মই সিহঁতৰ ওচৰত ৰ'লোগৈ। জান্টু-মামুৱে কৈছে - "পেহী তুমি নাযাবা না, আমি পাৰ্কত ফুৰিবলৈ যাম।" নবৌৱে কৈছে - "অ', আজি আমি চিনেমালৈ যাম বুলি ভাবিছিলো, তুমিনো কিয় যোৱাগৈ?" নবৌৰ মুখৰ কৃত্ৰিমতাখিনি যেন একেবাৰে ওলাই পৰিছে। দাদাই টিকট এটা লৈ পালেহি। মই যাবলৈ সাজু হ'লো। বাৰাণ্ডাৰ পৰা চোতালত ভৰি দিয়েই মই দাদাৰ মুখলৈ নোচোৱাকৈ মাত্ৰ এষাৰ কথা ক'লো - "দাদা, তই কিন্তু এবাৰো নুসুধিলি মা কেনে আছে? অন্ততঃ তোক মই ইমান পৰিৱৰ্তন হলি বুলি ভবা নাছিলো।" দাদাৰ চকুকেইটা তেতিয়া কেনে হৈছিল চেহেৰাটো চোৱাৰ প্ৰবল হেঁপাহ হৈছিল যদিও মন আৰু বিবেকে বাধা দিলে। এবাৰো পিছলৈ ঘূৰি নাচালো। চিধাই আহি ৰিক্সাত বহিলোহি। ৰিক্সাৰ পৰা নামি বাছত উঠিলো। বাছৰ চিটত বহি বাৰে বাৰে মাৰ কথাবোৰ মনলৈ আহিল, "তই যাচোন মা ককায়েৰাৰ ঘৰৰ পৰা আহ গৈ। ককায়েৰহঁতৰ আৰু ল'ৰা-ছোৱালী দুটাৰ খা-খবৰ লৈ আহ। তই নুবুজ, কালি সপোনত মই ককায়েৰক দেখিছো অ'। তাৰ কিজানি অসুখ-বিসুখেই হৈছে। মইও গ'লোহেঁতেন মোৰ বাছত মূৰ ঘূৰাই বমি হয়, সেই কাৰণেই কৈছোঁ তইয়েই যা, সি ভাপৰি পিঠা ভাল পায়। মই জা-জলপান কেইটামান কৰি দিছোঁ। জানোপায়? কিয় তহঁতি ককায়েৰৰ ঘৰলৈ যাবলৈ ইমান টান পৰ।" মাৰ পুত্ৰ স্নেহ, দাদাৰ ঘৰখন, নবৌৰ অভিজাত্য, জান্টু-মামুৰ মৰম, মাৰ পুতেকলৈ থকা অদম্য হেঁপাহ আৰু মৰম, দাদা-নবৌৰ আধুনিক টাউনীয়া সভ্যতা আদি সকলোবোৰ কথাই মোক ইমানেই Unconcious কৰি পেলালে যে, তিনি ঘন্টা সময় বাছে কেতিয়া অতিক্ৰম কৰিলে, ক'ত ক'ত বাছ ৰাখিলে, কোন ক'ত উঠিল মোৰ কাষৰ চিটটোত কোন ক'ত বহিলে, কোন উঠিলে একো যেন গমেই নাপালো। হঠাতে বাছখনে জোৰকৈ ব্ৰেকমাৰি ৰখোৱাত আৰু হেণ্ডিমেনজনে চিৰিং চাৰিআলি বুলি চিঞৰি দিয়াতহে যেন মোৰ চেতনা আহিল। বাছৰ পৰা নামি দীঘল ৰাস্তাটোলৈ চাই লাহে লাহে খোজ দিলো। তেতিয়া দিনৰ চাৰে বাৰ বাজিছে। নিজৰ ঘৰটোলৈ চালো খোজটো বাৰে বাৰে নিজৰ মূৰটোত পৰিছে।

●●●

# প্ৰেম আৰু উপলব্ধি

জিতু দুৱৰা
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

টেবুল ক্লকটোৰ ক্ৰিং ক্ৰিং শব্দটোৱে মোক নিদ্ৰাৰ পৰা ঘূৰাই আনিলে, ভাবিছিলো ক্লকটো বন্ধ কৰি দিম নেকি? কিন্তু হঠাৎ বহুদিনৰ পৰা সাঁচি ৰখা দিনটোলৈ ঘপককৈ মনত পৰাত মই একে জাঁপে বিছনাৰ পৰা উঠিলোঁ। ডিঙিত তাৱেলখন আৰু হাতত ব্ৰাচডাল লৈ স্নানৰ পৰা ওলাই গলো। কিযে অপৰূপ সৌন্দৰ্য সূৰ্যদেৱতাই কেনেদৰে আই ধৰিত্ৰীক মিচিকিয়া হাহিৰে দিনটোৰ বাবে শুভ কামনা জনাইছে। আকাশলৈ চাই মনটো বৰ ভাল লাগি গ'ল। ৯ (ন) বাজিল। এখোজ-দুখোজকৈ আগবঢ়ালো সেই মাধুৰ্য্যৰে ভৰা 'কলেজ' নামৰ শিক্ষানুষ্ঠানটোলৈ, ইফালে জীৱনৰ প্ৰথম কলেজীয়া দিন পৰম আনন্দ, আনহাতে "ৰেগিং" নামৰ এই অসসনীয় কেলেংকাৰী শব্দটোৱে মোৰ বুকুত বাৰে বাৰে খুন্দা মাৰিছিলে।

এই দৰে দুটা ক্লাচ হ'ল, তাৰ পাছত অফ .......... । ঐ ল'ৰা এইফালে আহ ............ । ছোৱালীকেইজনীৰ মাতত মই ঘূৰি চালো, বোধহয়! মোকে মাতিছে। এইবাৰ আৰু ৰক্ষা নাই, বুকুত "ৰে" শব্দটোৱে এইবাৰ বুকুৰ একেবাৰে কলিজাত চুকি পালেগৈ। মই গলোঁ। মোৰ পৰিচয়টো লোৱাৰ পাছত সিহঁতে মোক কিছুমান অস্বাভাৱিক প্ৰশ্ন কৰিলে। মই আচৰিত। মই কেতিয়াও ব্যক্ত কৰিব নোৱাৰিম সেই প্ৰশ্নবোৰ, তাৰ মাজৰ এগৰাকীয়ে মোক কলে

ঃ তোমাৰ পেনটো খোলা?

ঃ তুমি জীৱনত ছুইচাইট কৰিছানে? যদি কৰা নাই তেন্তে তোমাৰ কলমটো চুইচাইট কৰাঁ।

ঃ এইকেইজনীৰ ভিতৰত কাক তোৰ ভাল লাগিছে? ইজনীয়ে সিজনিৰ মুখলৈ চাই হাঁহি আছে- মই আচৰিত অবাক হৈ গলো। ইমান অদ্ভুত প্ৰশ্ন। মই তেওঁলোকৰ প্ৰশ্নবোৰত স্তম্ভিত হৈ গলো। মই লাজতে ৰঙা ছিঙা হৈ পৰিলোঁ। মোৰ পেনটো ........................ সেইটো কেতিয়াও হ'ব নোৱাৰে................. । পেইনটো চুইচাইট ......................... মই একো উত্তৰ বিচাৰি নাপালো আৰু মই কেনেকৈ নিৰ্বাচন কৰিম বাৰু সেই গৰাকী মোৰ ভাল লাগিছে বুলি ........................ বুকুৰ ধকধকনিটোৰ বাবে মই আৰু চিৱিয়েচ হৈ পৰিলো। মই একো ক'ব নোৱাৰিলো।

অবিনাশ, তুমি ইমান অধৰ্য হ'ব নালাগে। এই বুলি কৈ মোৰ জেপৰ পৰা কলমটো উলিয়াই কলমৰ মুখনিখন খুলি দিলে আৰু কলমটো জেপত থৈ কলমটো আগৰ ঠাইৰ পৰা অলপ ঠাইডোখৰ সলনি কৰি দিলে........... এটি ইতিকিং সূচক হাঁহি মাৰি মোৰ পৰা আঁতৰি গ'ল।

ইমান অমৃত বৰষা মাত, কলমটো ................ মই বুজি পাই হাঁহি উঠিল। নিজকে মূৰ্খ যেন লাগিল Thank you বুলি মই ভদ্ৰতাৰ খাতিৰত কৈ কলেজৰ তলৰ ফ্লৰলৈ মোৰ বন্ধু 'অমৃতৰ' সতে আহিলো, টিউবেলত মুখহাত ধুই মনটো ফ্ৰেচ কৰি পুনৰ Physics ক্লাচৰ বাবে সাজু হলো। এনেতে মোৰ পাছফালৰ পৰা এটি অমীয়া সুৰ কাণত পৰে -

ঃ Excuse me, May I Introduce to you মই ঘূৰি চাই সন্মতি জনালো। মোক ইংৰাজী শাখাৰ ছাত্ৰ বুলি ভাবি ইংৰাজীত সুধিছিল কিন্তু যেতিয়া অসমীয়া ............

ঃ তোমাৰ নাম ?

ঃ মোৰ নাম অবিনাশ মানে অবিনাশ গগৈ।

ঃ তোমাৰ মেজৰ।

ঃ নাই P.C.M.

এনেদৰে বহুতো প্ৰশ্ন হোৱাত মই কলো -

ঃ যদি বেয়া নোপোৱা তোমাৰ নাম?



ঃ নাই নাই, কিয় বেয়া পাম আমি যেতিয়া ক্লাচ ফ্ৰেইণ্ড।

ঃ মোৰ নাম অনামিকা, অনামিকা বুঢ়াগোঁহাই ......... ।

এনেতে Physics ৰ প্ৰফেচৰ জন ক্লাচত প্ৰবেশ কৰাৰ বাবে আমি সিমানতে কথা পতা বন্ধ কৰি বহীখন খুলি ললোঁ। ছাৰে Physics ৰ লেকচাৰ আৰম্ভ কৰিলে, অনামিকাৰ সতে কথোপকথন চকুৰ আগত ভাঁহি আহিল। ইচ কিমান যে ধুনীয়া তাইৰ অমৃত বৰষা মাত, কাজল সনা চকুৰ চাৱনি, বগা চুইদাৰ যোৰৰ লগত সেই আকাশীয়া দুপত্তাখনে তাইক সোণতে সুৰগা চৰিছে। সোনোৱালী চুলি, সহজ তথা মসৃণ মুখাবয়ৱেৰে অপূৰ্ব সুন্দৰী দেখাইছিল তাইক। অহংকাৰ আৰু স্পৰ্ধাৰ পৰিৱৰ্তে তাইৰ কথা বতৰাত ফুটি উঠিছিল শিশু সুলভ সৰলতা আৰু সকলোকে আপোন কৰি ল'ব পৰা প্ৰৱণতা এটা। সঁচাকৈয়ে ধুনীয়া .................. । অনামিকাৰ প্ৰতিচ্ছবি প্ৰতিটো মুহূৰ্ততে দেখা পাইছিলো। সেই ছাৰে ব্যৱহাৰ কৰা ব্ৰেক বৰ্ডত। আমাৰ মাজৰ পৰা কিছুমানক ক্লাচৰ পৰা বাহিৰলৈ যোৱা দেখা পালো ........... । মই সপোনৰ পৰা সাৰ পোৱা যেন লাগিল। তাৰ মানে ছাৰে ..................তেখেতৰ বহুমূলীয়া ক্লাচটো কৰি গুচি গ'ল ইফালে মই মায়াৰ সাগৰত কাগজৰ নাও সাজিছিলো।

(১)

ঃ অই অবিনাশ আহিলা।

ঃ ও বুলি মই তৃপ্তিৰে এটি আদৰণিৰ হাহি মাৰিলোঁ। এনেদৰে দুয়ো ওপৰৰ ফ্লৰলৈ চিৰিয়েদি আগবাঢ়িলো। মই ক'ব নোৱাৰাকৈ এটি বাক্য উলাই গল।

ঃ অনামিকা! মই তোমাক আজিৰ পৰা "অনা" বুলি মাতিম হবনে? তাই এটি দুষ্টালি হাঁহিৰে সন্মতি জনালে।

ঃ অবি, আজি তুমি আৰু মই নিউ মাৰ্কেটলৈ যাম হ'বনে? আচলতে তাইৰ ঘৰ মৰানত, সেইবাবে তাই বাচেৰে অহাযোৱা কৰে। ধনী ঘৰৰ মাক-দেউতাকৰ ডাঙৰ জীয়ৰী খুব মৰমৰ তাইৰ বোলে ভন্টি তিনিগৰাকী, দুৰ্ভাগ্য যে তাইৰ ভাইটি নাই। দেউতাক P.W.D. বিভাগৰ S.D.O।

আজি কালি মই নিজে অনুভৱ কৰিছোঁ, আচলতে কলেজীয়া জীৱন কি কাৰণে মধুৰ বুলি কয়। মই তাইক নেদেখাকৈ থাকিব নোৱাৰা হৈ পৰিলোঁ, কিয় জানো তাই মোৰ বুকুৰ একোণত আলাসৰে ঠাই লৈছে। তায়ো দেখোন অলপ কৰি আতঁৰি আতঁৰি থাকে। আগৰ দৰে ফ্ৰি হোৱা নাই। মই বুজি পাইছোঁ তাৰ মানেই কিজানি প্ৰেম ......., মই নিজকে এজন ব্যক্ত প্ৰেমিক হিচাপে আৱিষ্কাৰ কৰিছোঁ। তাইৰ আৱেগ ভৰা চাৱনিয়ে মোক জীয়াই থকাৰ প্ৰেৰণা দিছিল। প্ৰতিটো মুহূৰ্ততে প্ৰেৰণা, সহায়-সহযোগিতা তথা নিৰৱতাৰ সময়ত এজনী শ্ৰদ্ধাশীল শ্ৰেষ্ঠ বান্ধৱী হিচাপে সহায় পাইছিলোঁ। জীৱনৰ অদ্বিতীয় সম্পদ সেই বন্ধুত্বই জীৱনৰ সতে যুঁজিবলৈ প্ৰেৰণা দিছিল। কি জানো আমাৰ দুয়োজনৰ মাজত এক নিঃস্বাৰ্থ ভালপোৱা আৰু বিশ্বাসৰ ভেটিত গঢ়ি উঠিছিল এক মধুৰ সম্পৰ্ক।

তায়ো মোক ইমান ভাল পাই পেলাইছিল যে মই আচৰিত হৈ পৰিছিলো। মই তাইক প্ৰতিদিনে লক্ষ্য কৰিছিলো। মোৰ অনুপস্থিতিত তাইৰ মন বৰ উদাৰ হৈ থাকে আৰু মোৰ উপস্থিতিয়ে তাইৰ দুটি উঠৰে হাঁহি বিৰিঙায়। এনেদৰে আমাৰ মাজত প্ৰেম গভীৰ হৈ উঠিল। কিন্তু কোনোজনে প্ৰকাশ কৰিব পৰা নাই। ক্লাচত ভৰি দিওঁহে তাইৰ মাতত আদৰণিৰ হাঁহি পাওঁ।

ঃ অবি আহিলা? এটি মিঠা আমেজভৰা মাতে মোক উল্লাসিত কৰে দিনটোৰ বাবে।

ঃ এইফালে আহাচোন?

মই গৈ তাইৰ সৈতে বহি বহুতো কথা পাতিলো।

ঃ অবি তোমাৰ aim কি?

ঃ জীৱনত এজন মানুহ হিচাপে গঢ়ি তোলা।

ঃ তুমি গান গোৱা?

ঃ কেতিয়াবা বাথ ৰুমত ........

ঃ প্লিজ, গান এটা গোৱাঁ।

- এটি ধেমেলীয়া তথা দুষ্টালিৰ হাঁহিৰে request জনালে।

ঃ গাম কিন্তু এতিয়া নহয়, তোমাৰ বাৰ্থদেত গাম।

ঃ তোমাৰ মা ....... দেউতা ........

এটি দীঘলীয়া হুমনিয়াহ মাৰি মই কলো।

ঃ মা আছে কিন্তু দেউতা ...........

মোৰ কথাটো শুনি তাইৰ মুখৰ আৱৰণ অলপ বেলেগ যেন দেখা পালো। মই আচৰিত - তাইৰ মুখৰ অবয়ব সলনি দেখি কি কাৰণে বাৰু .............

(২)

টকাৰ সন্দৰ্ভত মাকুমত থকা দাদাৰ ওচৰলৈ যাব লগীয়া হোৱাত কলেজৰ পৰা বাহিৰে বাহিৰে অনামিকাৰ সতে আগবাঢ়িলো।

ঃ অনামিকা, এইয়া তোমাৰ বাবে চকলেট ............ এজন ক্লাচ ফ্ৰেইণ্ডৰ মাতত দুয়ো ঘূৰি চালো। মই আচৰিত হঠাৎ "অনা" কি এনে চকলেট বন্ধুজনে ........ মোৰ আৰু সেই ঠাইত ৰৈ থকা ধৈৰ্য নাথাকিল অলপ আগত গৈ মই ৰৈ থাকিলো। এক অসভ্যালী আছৰণে "অনা"ৰ হাতত গুজি দিছিল সেই ........... অনাই চকু চলচলীয়া কৰি মোৰ ওচৰ পালেহি।

ঃ অবি, প্লিজ মোক অলপ বুজোৱানা?

ঃ অনা, মই আৰু বুজাবলৈ বাকী নাই, তোমাৰ নিৰ্বাচন কিন্তু খুব বঢ়িয়া।

তাই হুক হুকাই কান্দি পেলালে।

ঃ অবি তুমি ইমান নিষ্ঠুৰ তুমি ইনচাল্ট কৰিছা?

ঃ বাদ দিয়া এইবোৰ মানুহে দেখিলে কি ক'ব?

এখন চিটি বাছত একেটা চিটত একেলগে বহিলো, মোৰ আৰু তাইৰ সৈতে কথা কোৱাৰ ইচ্ছা নাই। কি কৰোঁ, কি নকৰোঁ, বহুত বেয়া লাগিল, জীৱনত প্ৰথম প্ৰেমত এনে .....................

মই নিজকে বুজনি দিলো, জীৱনত ভৱিষ্যত প্ৰেয়সীৰ দৰে গভীৰ সম্পৰ্ক এটা গঢ়াৰ আগতে নিৰ্বাচনৰ ক্ষেত্ৰত সজাগ হোৱা উচিৎ। দোকানৰ গেৰাণ্টি কাৰ্ডৰ দৰে প্ৰেমৰতো কোনো কাৰ্ড নাথাকে। সেয়েহে খুব সূক্ষ্ম বিশ্লেষণৰ দ্বাৰাহে..... মই খুবঁ ভুল কৰিছিলো।

নিৰৱতা ভংগ কৰি তাই গাড়ীৰ চলন্ত অৱস্থাতে ক'লে -

ঃ তুমি মোক ভুল নুবুজিবা, এই উপহাৰ বন্ধুত্বৰ খাতিৰতহে অন্য কাৰণত নহয়। মই আজি তোমাক কথা এটা কম বুলি ভাবিছিলো কিন্তু তুমি যে মোক বেয়া পালা।

ঃ মই কিয় বেয়া পাম ....... মই আৰু সহজ হ'ব নোৱাৰিলো।

ঃ অবি, মই এইটো পেলাই দিওঁ।

ঃ নেপেলাবা, বন্ধুৰ উপহাৰ এনেদৰে উপলুঙা কৰিব নাপায়

ঃ তেন্তে তুমি মোক ......।

ঃ অবি, কথা এটা কও বেয়া নোপোৱাতো ........।

ঃ কোৱা!!

ঃ মোক জীয়াই থাকিবৰ বাবে তোমাৰ প্ৰেৰণাৰ প্ৰয়োজন। মই তোমাক ভাল পাই পেলাইছো অবি, আই লাভ ইউ অবি। তাই কান্দি মূৰটো মোৰ বুকুৰ মাজত গুজি দিলে?

ঃ চাওঁ, উঠা, মই দুবাহুত ধৰি উঠাই দিলো।

ঃ I also Love ...............

মই আৰু বঢ়াই ক'ব নোৱাৰিলো। সুখৰ মাজতো বহুত দুখ লাগিছিল। তাইৰ সৰু-ছোৱালীৰ দৰে আচৰণ দেখি, নিজকে ধন্যবাদ দিছোঁ। ভগৱান তুমি মোক সহায় কৰিলা, ৰঙতেই কান্দি দিবৰ মন গৈছিল।

ঃ অবি, শেষবাৰৰ বাবে কওঁ এইটো পেলাই দিওঁনে।

ঃ অনা, তুমি যদি মোক ভাল পোৱা তেন্তে পেলাই নিদিবা, তাই আৰু বাধা নিদিলে।

ঃ অনা অহা কাইলৈ মোৰ Decision এখন চিঠিৰ দ্বাৰা জনাম হ'ব নে?

তাই কন্দাৰ মাজত হাহি বিৰিঙাই মোক সাহস যোগালে।

ঃ অবি ................ মই ঘৰ পালোহি, আমাৰ ঘৰলৈ এইফালে যায়, তুমি যাবা।

বাছৰ দুৱাৰখনৰ পৰা শেষবাৰৰ বাবে এক করুণ দৃষ্টিৰে ক'লে মই থাকিব নোৱাৰিলো। মূৰটো তললৈ কৰি কান্দি পেলালো।

ঃ দাদা কামটো হ'ল?

বাছৰ কণ্ডাক্টৰৰ মাতত মই স্তম্ভিত হৈ খৰধৰকৈ মুখ মচি ওপৰলৈ মূৰ তুলি চালো ............... কথাটো বুজি পাই এটি সামান্য হাঁহিৰে হয়ভব দিলো।

(৩)

মৰম ................

আজি বহুদিনৰ পৰা সাঁচি ৰখা গুপুত কিছু কথা ব্যক্ত কৰিবলৈ হাতত কলম তুলি ললোঁ। মই তোমাক ভাল পাওঁ অনা, তুমিও মোক সচাই ভাল পাব লাগিব। পঢ়া-শুনাত বেছি গুৰুত্ব দিবাঁ। ভালদৰে পঢ়িবা। জীৱনৰ প্ৰতিটো মুহূৰ্ততে মনত থকা এই মহৎলোকৰ বাণীটো Money is lose nothing is lose, Health is lose something is lose but character is lose every thing is lose। অনা, মই কিন্তু দুখীয়া ঘৰৰ ল'ৰা। তাত যদি তোমাৰ আপত্তি নাই তেন্তে মই চিৰজীৱনৰ বাবে ..............

শেষত, চেষ্টা কৰা ভৱিষ্যতৰ বাবে আৰু মৰো ...........

ইতি

তোমাৰ অবি

চিঠিখন পাই তাই দেখোন অলপ ব্যতিক্ৰম। তাই দেখোন মোৰ পৰা আঁতৰাত। মই আচৰিত, যিটো সময়ত তাই আনন্দ পাব লাগিছিল, সেই সময়ত তাই .......... মোৰ বোধহয় চিঠিখন কৰবাত ভুল হৈ গ'ল .............. বাৰু থাকক মই শুধৰবাৰলৈ নাযাওঁ। সাঁচা মৰম থাকিলে এনে ভুলে ক্ৰিয়া কৰিব নোৱাৰে।



এজন বন্ধুৰ হতুৱাই মোক কলেজৰ অডিট'ৰিয়ামলৈ মাতিলে জনশূন্যহীন অডিট'ৰিয়ামত মাথোঁ আমি দুটি প্ৰাণী।

ঃ অবি তোমাৰ চিঠিখন পালো। কিন্তু মই Decision লব পৰা নাই ........ তুমিটো জানাই মোৰ মা/দেউতা কোনোৰেই নাই অথচ মোৰ জন্ম ............ তোমাৰ লগত যদি যাওঁ প্ৰথমে সুধিব ঘৰ ক'ত, মাক কোন, দেউতা ........... তেনে পৰিস্থিতি মই বৰ দুখ পাম অবি ............ সেইবাবে মই তোমাক সহাৰি জনোৱা নাই ........

মই আৰু একো ক'ব নোৱাৰিলো। অবাক হৈ গলো, থোকাথুকি মাতেৰে ক'লো যদি সঁচা মৰম থাকে, তেন্তে তেনে প্ৰশ্ন আহিব নোৱাৰে।

মইতো তোমাকে বিচাৰোঁ অনা .............

ঃ অবি, তোমাৰ Decision ই মোৰ Decision।

ঃ মই কিন্তু দুখত থাকিব নোৱাৰিম ...............

(৪)

ঃ আজিৰ পৰা তই অনামিকাৰ স'তে কথা নাপাতিবি, বচ আৰু যদি এনেদৰে কথা পাত তেন্তে দেখা যাব ............

ঃ মইতো তাইক বেয়া ভাৱত কথা পতা নাই।

ঃ সেইবোৰ বাদ দে ................ মাত্ৰ ...............

ঃ হ'ব বুলি মই গুচি আহিলো।

কলেজৰ পৰা আহিবলৈ আৰু শক্তি নথকাৰ দৰে হৈ পৰিলো, এয়াই হয়তো কলেজ, সুখ, দুখ .......। সেইদিনাৰ পৰা মই আঁতৰি থাকিলো তাইৰ পৰা। যদি সঁচা মৰম থাকে তেন্তে কথা নাপাতিলেও এদিন লগ হ'ম ........।

"মই কিন্তু দুখত থাকিব নোৱাৰিম" ঘপক কৰি মনত পৰিল। তাৰ মানে ........... তাই সুখত থাকিব। মইয়ে সুখত থ'ব নোৱাৰিম, মই এক বলিয়াৰ দৰে হৈ পৰিলো ........... । মইতো তাইক লাহ-বিলাহত থ'ব নোৱাৰিম, গাৱঁলীয়া ল'ৰা যেতিয়া গাঁৱতেই আবদ্ধ হ'ব লাগিব- নিজকে বুজনি দিব পৰা নাই। মোৰ দৰিদ্ৰতাক তুমি উপলুঙা কৰিলা অনা। মই নিৰুপায় হৈ পৰিলো, অৱশেষত প্ৰেমৰ শক্তিৰ ওপৰতে মোৰ ভৱিষ্যত এৰি দিলো। ভাবিছিলো আমাৰ প্ৰেম যদি সঁচা হয়, তুমি মোৰ হ'বাই। তুমি যদি আনৰ হোৱা তোমাৰ শান্তি নহ'ব অনা ............

*❋ কান্দি কান্দি চিঞৰি ক'বলৈ মন যায় "হে মানৱ" তোমালোকে প্ৰেমক শ্ৰদ্ধা কৰিবলৈ শিকা, টকাৰে নহয় হৃদয়ৰ আবেগেৰে, প্ৰেমক জোখা, দেখিবা প্ৰেমৰ গভীৰতা প্ৰেমৰ মহানতা ............. ।*

\- *সমাপ্তি*

●●●

*প্ৰেমৰ সংজ্ঞা দিয়া কঠিন। মাথোঁ ইমানেই ক'ব পাৰি- প্ৰেম হ'ল একচ্ছত্ৰ ৰাজত্বৰ ইচ্ছা, মনৰ সমমৰ্মিতা আৰু শৰীৰৰ অনেক ৰহস্য অতিক্ৰম কৰি প্ৰিয়জনক দখল কৰাৰ গোপন আৰু সূক্ষ্ম আকাংক্ষা।*

\- লা ৰোশফুকু

*এনে বহুতো সুন্দৰ ফুল আছে, যিবোৰৰ সুবাস নাই, এনে বহুতো সুন্দৰী ৰমণী আছে, যিসকলৰ প্ৰতি প্ৰেম অনুভৱ কৰিব নোৱাৰি*

\- হাৰেল

# ভালপোৱাৰ শেষত

দেৱজিৎ চেতিয়া ফুকন
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

কিতাপখন মেলি পঢ়িম বুলি ভাবিও আধা পঢ়াকৈ এৰি কিবা-কিবি ভবাটো দীপুলৰ আজিকালি স্বভাৱত পৰিণত হৈছে। বহুত সপোন দেখিছিল সি তাৰ ঘৰখনক লৈ, মৰমৰ গাওঁখনক লৈ। পিছে আজিকালি সপোনতকৈ স্মৃতিবোৰহে সদায় তাৰ চকুৰ আগত ভাঁহিবলৈ ধৰিছে। তাৰ জীৱনতে এনে ঘটিলে নে আনৰ জীৱনতো ঘটে বাৰু?

দীপুলৰ দেউতাক গাঁওখনৰ একমাত্ৰ এল. পি. স্কুলখনৰ সকলোৰে পৰিচিত শিক্ষক। প্ৰয়োজনতকৈ বেছি মৰমিয়াল দেউতাকে দীপুলক কোনোদিন গালি পাৰিব নোৱাৰিছিল। ঘৰখনৰ সৰুল'ৰা দীপুলক বেছি মৰম কৰা বাবে তাৰ একমাত্ৰ ককায়েক কুশলে প্ৰায়ে তাৰ লগত কাজিয়া কৰিছিল। কুশল খুব উৎপতীয়া আৰু পঢ়াত বেয়া বাবে মাক-দেউতাকে তাক সদায় গালি পাৰিছিল। দীপুল কিন্তু সৰুৰেপৰা মেধাবী ছাত্ৰ আছিল। গঁৱত সিহঁত ধনী হোৱা বাবে সৰহভাগ মানুহে টেলেকা চকুৰে চাইছিল।

গাঁওখনৰ সিটো মূৰত আছিল সিহঁতৰ সমন্ধীয় দদায়েকৰ ঘৰ। দদায়েক যদিও প্ৰকৃত নিজৰ নহয়, তথাপি তাক খুব মৰম কৰিছিল। তেখেত বৰ যুক্তিবাদী মানুহ আছিল। দদায়েকৰ ল'ৰা তপন দীপুলতকৈ তিনি বছৰ মানৰ ডাঙৰ যদিও ফেল কৰি কৰি তাৰ সহপাঠী হৈছে।

সি তেতিয়া সপ্তম শ্ৰেণীত। দুদিনমান যোৱাৰ পিছত ক্ৰিকেট, কাবাদী, খৌ-খৌ আদি খেলিবলে' সি সদায় যাবলৈ ধৰিলে। দদায়েকৰ পঞ্চম শ্ৰেণীত পঢ়া ছোৱালী নিতুমণিৰ লগতো চিনাকি হৈ ল'লে। কাবাদী, খৌ-খৌ, পিথু, হেতালি আদি নানা খেল নিতুৰ লগতে খেলিছিল।

এদিন দুদিনকৈ সিহঁত এজুপিৰ পৰা এজোপা হৈছিল। সময় পালেই দুয়োটাই জনা-নজনা এসোপা কথা পাতি কাজিয়া লাগিছিল। দিনক-দিনে নিতুৱে দীপুলৰ ওপৰত অভিযান কৰিবলৈ আৰম্ভ কৰিছিল। ভাত খাই নাহিলে নেৰিছিল, তাইৰ লগত হেতালি নেখেলিলে চাইকেলৰ চাবিটো নিদিছিল ইত্যাদি ইত্যাদি।

নিতুৰ মাক-বাপেকে সকলো দেখিও একো কোৱা নাছিল। সি সদায় গ'লেও লগৰ ল'ৰাৰ ওচৰলৈ গৈছে বুলি তাৰ মাক-দেউতাকে একো নকৈছিল। ককায়েকৰ গালিলৈ সি গুৰুত্ব নিদিছিল।

দীপুল নৱম শ্ৰেণীলৈ পাওঁতে কুশলে তিনিবাৰ দি গ্ৰেছ পাই মেট্ৰিকটো পাছ কৰিলে। বাপেকে গাঁৱত থাকিলে বেয়া হ'ব বুলি দুয়োটাকে চহৰলৈ পঠিয়াই দিয়াৰ সিদ্ধান্ত লৈছে কিন্তু দুয়োটাকে বেলেগ কৈ ৰখা হ'ব। দীপুল হোষ্টেলত আৰু কুশল মেচত থকাৰ বন্দোবস্ত কৰিলে। কুশলে টাউনলৈ আহি যেন মুক্তি পালে। চিগাৰেট, মদ, তাচ খেলৰ মাজত নিজকে এৰি দিলে সি।

পোন্ধৰ দিনৰ মূৰত দীপুল ঘৰলৈ আহে। আহিয়েই মাকে দিয়া গৰম ভাত গাল নোচোবোৱাকৈ গিলি নিতুহঁতৰ ঘৰ পায়গৈ। নিতুৰ মাকে যে কিবা খাবলৈ দিব সি নিশ্চিত। নিতুৰ লগত কাজিয়া লাগোঁতে লাগোঁতে কেতিয়াবা ৰাতি হৈ যায় আৰু কাহানিবা থাকিয়েই আহে। অভিমানী নিতুক বহুত বুজায়ো সি শান্ত কৰিব নোৱাৰে তাইক।

নিতু আৰু দীপুলে ক্ৰমাৎ সেই ল'ৰালিৰ ধেমালি, কাজিয়া, অভিমান, বুজা-নুবুজা কথাবোৰ সদায় বিচৰা হ'ল। ইটোৱে-সিটোক এৰি এদিন থকাটোও সহ্য কৰিব নোৱৰা হ'ল। প্ৰেম কৰিবলৈ যোৱাৰ বহুত আগতেই যে সিহঁত প্ৰেমত পৰি আছে দুয়োটাই নিশ্চিত। ইটোৱে-সিটোক ভালপাওঁ বুলি কোৱাতকৈ কাজিয়া লাগিহে সিহঁত বেছি সন্তুষ্ট। কাৰণ নিতুৱে ভালদৰে জানে কাজিয়া লাগিলে কোনোৱে নেদেখিলেই দীপুলে তাইক 'তোৰ মূৰটো' বুলি কৈ সাৱটি ধৰিব।

যদিও দীপুলে নিতুৰ লগত জীৱন কটাম বুলি ভাৱে তথাপি বাস্তৱত 'নাপায়' বুলি সি ভালদৰে বুজি উঠিছে। গতিকে সি এখন চিঠিৰে নিতুক চিৰদিনৰ বাবে বিদায় দিবলৈ বাধ্য হ'ল। চিঠিত 'তই মোক আজিৰপৰা নামাতিবি' বুলি লিখিলেও প্ৰকৃততে জানো সি নমতাকৈ থাকিব পাৰিব? পাৰিব জানো সেই মৰমৰ মৌ সনা কাজিয়াবোৰ পাহৰিব? সেই ল'ৰালিৰ ৰজা-ৰাণী খেলা, লুকা-ভাকু খেলা, হেতালি খেলাবোৰকে যদি পাহৰিব লগা হয় তাৰ ল'ৰালি চোন নাথাকিবই? আৰু খেলবোৰ জানো নিতুৰ লগতে খেলা নাছিল সি? নিতুৱে জানো সেই বিদায়ক মানি ল'ব? যিজনী নিতুৱে ঘৰত কাম আছে গালি দিব বুলিলেও সি যোৱাত সন্মতি নিদিয়ে তাই জানো সেই বিদায় মানি ল'ব?

নিতুৱে সেই বিদায়ক কোনোপধ্যেই মানি নল'লে আৰু তাক নাপালে মৰিয়ে থাকিম বুলি ক'লে। বৰফৰ দৰে দীপুল গলি গ'ল নিতুৰ কথাত।

আজি তিনিদিন হ'ল কুশলক 'আদিত্য নাৰ্চিংহোমত' ভৰ্তি কৰোৱা। তাৰ T.B. হৈছে। লাঙ্সটো সম্পূৰ্ণ বেয়া হৈছে। তৃতীয় দিনাৰ ৰাতি চটফটবলৈ এৰি অলপ শান্ত হোৱাত বাপেকে 'অলপ ভাল পাইছে' বুলি ঘৰলৈ ফোন কৰিবলৈ আহিল। সেই সময়তে সি মাকৰ গালি আৰু শাও লগত লৈ চিৰদিনৰ বাবে শুই পৰিল। দীপুলে 'কাকা' বুলি চিঞৰি মাতিলে যদিও ওলোটাই তাক গালি নিদিলে।

সুখ্যাতিৰে মেট্ৰিক পাছ কৰি দীপুল বাণিজ্য শাখাৰ ছাত্ৰ হৈ পৰিল। কিন্তু নিতু অষ্টম শ্ৰেণীতে দুবছৰ পঢ়িয়েই আছে। কি কৰিব সি, নিতুৱে অলপো নুবুজে যে সিহঁতৰ বিয়া হ'ব নাপায়। ইফালে তাই পঢ়িবও নোৱৰা হৈ থাকিল।

এইবাৰ তাই গাভৰু হ'ল। গাভৰু হোৱাৰ আগতেই সিহঁতৰ প্ৰেমে চাৰে তিনিবছৰ অতিক্ৰম কৰিছিল। গাঁৱৰ মানুহেও যেন তাই গাভৰু হোৱালৈহে বাট চাই আছিল গোটেই মানুহে সিহঁত দুটাৰ বিষয়ে বু-বু-বা-বা কৰিবলৈ ধৰিলে। কথাটো নিতুৰ মাকে জানি আনকে দেখুৱাই খুব পিটিলে তাইক। দীপুলৰো মাকে তাক খুব গালি দিলে।

বচ খেলা খটম্। প্ৰেম, যৌৱন, ভালপোৱা আদি শব্দৰ অৰ্থ জানিবলৈ নৌপাওঁতেই সকলো অন্ত পৰিল। কিন্তু পাৰিব জানো গালি দি, পিটি দুটি মনৰ মিলনৰ পিছত পৃথক কৰিব। অগ্নিগড় মাৰিও বাণৰজাই ঊষাক ৰখাব নোৱাৰিলে, গালি দিয়েই জানো পাৰিব সিহঁতৰ হৈ যোৱা মনৰ মিলনক পৃথক কৰিব?

পঢ়ি শুনি জ্ঞানী হৈ এটা বেয়া কাম কৰা লোক 'ক' টো লিখিব নজনা নিৰক্ষৰ জনতকৈ বেছি মুৰ্খ। সমাজৰ আগত দীপুলে কি কৰিব? ইফালেদি যিখন সমাজে ভাল কামত আগ নাবাঢ়ি বেয়া কাম কৰিলে ধৰিম ধৰিম বুলি খাপ পিটি থাকে সেইখন সমাজৰ কথা ভাবি জানো সি নিতুক শাস্তি দিব পাৰিব?

গাঁৱলৈ গ'লে এসোপা বদনাম, ইফালে নিতুৰ অভিযোগ ভৰা চিঠিৰ ভাষা আৰু নিজৰ পঢ়াৰ কথা ভাবোঁতে ভাবোঁতে তাৰ দেহত যে বেমাৰে থিতাপি লৈছে সি পাহৰিয়েই থাকে। তাৰ প্ৰায়ে খাদ্য ভালদৰে হজম নহয়, লগতে মূৰটোও অসম্ভৱ বিষ হয়। ঘৰলৈ গ'লে মাকৰ গালি আৰু মোটামুটি পইচা কেইটাহে পায় বেমাৰ আৰু চোলা-পেন্টলৈ পইচা নাহেই।

আজি সাত বছৰ হ'ল দীপুল আৰু নিতুৰ প্ৰেমৰ। বৰ্তান সি স্নাতক মহলাৰ ছাত্ৰ আৰু নিতু সেই অষ্টম শ্ৰেণীতে পঢ়িয়েই আছে।

অপমান, বদনাম শুনিম বুলি জানিও মুনমীহঁতৰ ঘৰত ধান দাবলৈ আহোঁতে সি গ'ল নিতুক লগ কৰিবলৈ। সি সপোনটো ভবা নাছিল নিতু সলনি হ'ব। নিতু সলনি হ'ল আগতকৈ। দীপুলক তাই সহজভাৱে ল'ব পৰা নাই। তাৰ লগত কথা পাতিবলৈ মন কৰা নাই। যিকোনো অভিমান কৰি তাৰ লগত কাজিয়া লাগি থকাটো তাৰ পছন্দ হোৱা নাই; সি ভাবিছিল অলপ বেলেগ কথা, মানে সিহঁতৰ ভবিষ্যতৰ ঘৰখনৰ কথা। নিতুৱে যেন কিবা এটা অপৰাধ কৰিছে তাৰ তেনে লাগি গ'ল। কিন্তু তাক বিদায় দিয়াৰ লক্ষণ নাই।

দীপুলৰ বাপেকে কথাটো জানি 'মোৰ ল'ৰা দুটা শেষ হ'ল' বুলি কান্দিবলৈ ধৰিলে। নিতুৰ বাপেকে কিন্তু খুব ভাল পালে সৰুৰ পৰা দীপুললৈ নিতুক দিম বুলি ভাবি থকাটোও ক'লে। দীপুলে জানিলে তাৰ জীৱনটো নষ্ট হ'ল। সি নিতুৰ লগতো সুখী হ'ব নোৱাৰে। বৰ্তমান তাৰ পঢ়িবলৈও শক্তি নাই মূৰৰ বিষত। ডাক্তৰৰ ঘৰত দেখুৱালৈও মন যোৱা নাই। ঘৰত পইচা খুজিলে মাকে ওলোটাই গালিহে দিব।

সেইদিনা মাকে তাক 'ছোৱালী পাগল' বুলি গালি পাৰি থাকোঁতে তাৰো খং উঠি গ'ল। সিও সমানে সমানে লাগি গ'ল - "অ' মই ছোৱালী পাগল, আজিহে জানিলি সেইযে প্ৰথমবাৰ দিবলৈ লোৱা চিঠিখন মই অষ্টম শ্ৰেণীত পঢ়োঁতে তায়ে চোন ৰাখি থৈছিলি আৰু তাৰ পিছতো সদায় গাখীৰ আনিবলৈ নিতুহঁতৰ ঘৰলৈ কিয় পঠিয়াইছিলি? নিতুক সৰুতেই মোৰ মূৰত সুমুৱাই দিলি আৰু এতিয়া মই ছোৱালী পাগল ...............।"

সেইদিনা ৰাতিয়েই সি চিৰদিনৰ বাবে বিদায় ল'লে। দেউতাকেও পুতেকক বিচাৰি ঘৰৰ পৰা ওলাই গ'ল লাহে লাহে ...............। নিতুৰ খবৰ এটাহে ল'বলৈ থাকি গ'ল। ●

*(বিঃ দ্ৰঃ - লেখাটো দীপুল - নিতুৰ মাক-দেউতাকৰ দৰে লোকসকলৰ হাতত)।*

# IT HAPPENED

**Sekhar Singh**
T.D.C. 3rd Year
Deptt. of Maths

The sound of the alarm clock woke me. The alarm had been ringing for the past 30 minutes and it was 7 O' clock in the morning. I was Late. I quickly got up and washed my face. I dressed up and headed for the ASTC bus stand. I was accompanied by Indraneel and Namen. They were the two very close to me in our hostel. I always have very few and well chosen friends. They helped me to carry my luggages. I got into a bus to Jorhat. I took my seat on the right hand side row where three persons can sit. The other two seats were already occupied and my seat was between two elder persons/

As the bus started, I waved my hand to my friends and they replied by wishing "Happy Journey" As the bus gather momentum, I planned my remaining journey. It was about 8.15 am and I would be in Jorhat at about 12:30. The Jan Satabdi Express departs at 1:35 pm. So, I could have my lunch at Jorhat and could head for home comfortably.

Journey without a companion is always a boring thing. So, within a short time, I was feeling dozzy. The bus was stopping at various places and many passengers were getting in and out of it. I watched them with half open eyes. When the conductor came, I took my ticket to Jorhat. The person to my left was going to Moran and the person to my right was going to Sibsagar. So among us, I was only going to Jorhat.

At about 5:30 pm. I arrived at Diphu. Papa was waiting for me in the train station we got in a autorickshaw and got home within a short time. At home every one was waiting for us. I had spent very few days at home, this session. So, I plan to stay about one week, this time around. Actually, I really feel comfortable and relax at home then anywhere else. I quickly changed dress and washed my face. I enter into the kitchen where "Ma" was preparing tea and so , I...

I woke up from my dream when the bus stopped at Moran. The person to my left got down from the bus. I also refreshed myself by drinking a bottle of soft drink.

The bus started again and I occupied the seat which was left to my previous one and placed by bag in the middle one. After a while a young lady came and asked me if the seat was vacant. I looked at her and gave her a affirmative reply. I placed my bag on my lap and emptied the left hand side seat for her. I remembered her having seen sometime in the college but as usual I did not talk her anything. I shut my eyes and was taking a short break from the present world. When I returned the bus was jam-packed. It looked as if there were more standing passengers than sitting ones. The man to my right was fast asleep and the young lady to my left was also taking a nap. She was one of the few person whom I have observed a bit. Her innocent face, bright eyes was great gift. But her sincerity was one of the thing which is rare today. Whenever I get to the college, if it was a working day, I saw her either attending her classes or waiting for the professor.



I was just recollecting the memories when suddenly the passengers were thrown to the left as the bus took a very sharp right turn. The person to my right gave a push. I, on the other hand, hold the seat infront of me and saved myself from leaning sideways. Unfortunately the young lady was unable to do that as she still was in sleep and her head hit the waist of a middle aged man who was standing near her. The incident in such a hilarious way that I was about to burst into laughter but I held it, and smiled without uttering any sound. When I looked at her, she also was smiling with redden face. I thought she was embarrassed. To lighten her, I asked her whether she was sleeping. She looked at me and said, "Just a bit".

Her eyes was unique and I took the opportunity to look at it from a close range. I asked her about her self. She said that her name was Rijumoni Sharma. She live in Moran with her mom, dad and a younger brother, but doing her studies in Dibrugarh. She was studying in B.A. 1st year in our college. She had offered honours in economics. She had been staying in a rent house in Chiring Chapori. When I asked her where she was going. She told me that she was going to Sibsagar to appear in an interview. I was amazed. I always had held the opinion that one should search job only after completion of his education. As because if you start searching for job, most of your valuable time is absorbed by it. She told me that education is very important but self independence is much more important now-a-days. I appreciate her view. As today's world is a jungle, everyone is a hunter and if you are economically weak, you could not survive. On the other hand, you might be a easy prey. For her education makes us conscious about the society and the responsibilities that we have to carry. Moral values would had no meaning without education. I said that at present education is valued from the institution it had been taken. She smiled and said that it is only because the government based institution are going down day by day. The main factor responsible for this is the lack of sincerity and eagerness of teacher and students. But students with firm belief and endurance are still making history. Her ways of speaking indicated that she was an optimist. Her view were clear and just.

I was having a great time speaking with her. She asked me what I feel important family or friends. I told her that the both are very important for a man. Members of family are like stones in a necklace which when woven together looks beautiful. And when scattered are of no value. And friends are like trees, if properly looked after, would grow and give shelter in a sunny day. But if there is a collision between family and friend, except for special case, everyone should value his family. She said that there are very few persons who value his family. But if he ignores his own family then it is quite evident that he would care least for his friends.

The time was just flying for us. I was amazed when the bus entered the outskirts of Sibsagar Town. She got up and said that it is time to say "Good Bye". She pulled out her luggages. She told me that it was a pleasure speaking with me and that I was a good listener. We shaked hand and I wished her all the very best for her interview. I saw her descending with a charming smile on her face. I woke up when the bus stopped at Sibsagar ASTC stand. I noticed that the seat near me was vacant. I bought a cold drink and a packet of chips. After waiting for sometime my journey started again. I was thinking about the meeting with Riju. I was unable to find out whether the incident occurred or not.

The bus come to a halt at Jorhat bus stand. After taking lunch, I headed for Jorhat Train Station. There, I reserved a seat in a Jan Satabdi Express to my destination. While waiting for the train in the platform, many unanswered question were circulating in my mind. Did I really spent sometime with her ? If yes, then it was one of the most wonderful experience. And if it was a dream, then also it was the finest one. ● ● ●

# অনুভৱৰ টোকা

## নগৰৰ মাঘ বিহুৰ আমেজ

কানন বাইলুং
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

এইবাৰ মাঘৰ বিহুত বাইদেউৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলো। বাইদেউৰ ঘৰ ডিব্ৰুগড় নগৰত। নগৰতনো মাঘৰ বিহু কেনেকৈ উদ্‌যাপন কৰে সেইটো চোৱাৰ মোৰ পুৰণা আশা এটা আছিল, ভাবিলো এইবাৰ সেইটোকে পূবাই আহোঁ। বাইদেউক বিয়া দিয়াৰ তিনি বছৰমান হ'ল যদিও মই এবাৰো যাবলৈ সময়কে পোৱা নাই। বাইদেউ-ভিনিদেউৱে সদায়েই কৈ থাকে "তই হ'বলা আমাক কিবা বেয়া পালি ন' সেইকাৰণে নাহ' চাগে", ঠিক আছে, এইবাৰ বিহুত যিমানেই বিপদ বিঘিনি নহওক যেনেকৈ হ'লেও যোৱাটোকে খাটাং কৰিলো। ইমান দিনৰ মূৰত যাম যেতিয়া দুদিনমান থকাকেই যাম বুলি ভাবিলো। মাহঁতে দৈ টেকেলী, কাঠ আলু, গৰুৰ গাখীৰ আদি ভালদৰে বেগত ভৰাই দিলে। দেউতাই ক'ৰবাৰ পৰা জোল মদৰ বটল এটা আনি বেগত ভৰাই দি ক'লে "ভিনিদেউৰক দিবি গাঁৱলীয়া বস্তু খাই ভাল পাব"। মই একেবাৰে না কৰিলো, মই এইবোৰ ৰাগিয়াল বস্তু লগত লৈ ফুৰিবলৈ একেবাৰেই বেয়া পাওঁ। না কৰিলেওটো নহ'ব। মোৰ সিদ্ধান্তমতেই চব চলিব নেকি। লগে লগে দেউতাই হুমকি দিলে, "বেছি ওস্তাদি দেখুৱাবলৈ আহিছ, সদায়েই গধূলি কিজানি এইটোৱেই খাই থাক, এতিয়া বৰ ভদ্ৰ হৈ দেখাইছ, নিবলৈ কেইছোঁ নিবি বছ।" বিহুৰ বতৰত দেউতাৰ ওপৰত কথা ক'বলৈ সাহস নহ'ল। সাহস নহ'ল মানে দেউতাই খাই আছেটো, গতিকে মুখখন এবাৰ চলিলে আৰু বন্ধ হোৱাৰ আশা নাই। ঠিক আছে নিম, কিন্তু ভালদৰে পেকিং কৰি দিব লাগিব।

কথামতেই কাম। পিছদিনাখন ৰাতিপুৱাই সাজি-কাচি যাবলৈ ওলালো। আমাৰ ঘৰ যিহেতু ভিতৰুৱা গাঁৱত, বাছ দিনটোত কেৱল দুখন। তাকো মানুহ নিয়ে পাণ জপাদি। ৰাতিপুৱাই যদি বাছখনৰ ভিতৰত উঠি ল'ব পৰা নাযায় তেন্তে হয়তো বাছৰ ওপৰত মুক্ত বতাহ খাই যাব লগা হ'ব পাৰে। বাছখনৰ চিটবোৰ ইতিমধ্যে সম্পূৰ্ণ হৈছিলেই; কেৱল শেষত মাত্ৰ দুটা বাকী আছিল, তাৰে এটাত বহি ল'লো। বাছখনে গতি লোৱাৰ আগমুহূৰ্তত দুবাৰ হৰ্ণ বজাই দিয়াত হুৰমুৰকৈ মানুহ এসোপা আহি বাছখন ফুল হৈ গ'ল আৰু দুটামানে মুক্ত বতাহৰ সোৱাদ ল'বলৈ ওপৰত উঠিল। হওক তেওঁ, ডেকা ল'ৰা যেতিয়া মুক্ত বতাহ খাবলৈ মন যাবই দিয়কচোন। ৰাস্তাটো সুবিধাজনক নহয় বাবে বাছখনে গতি ল'ব পৰা নাই। দোলদোল-হেন্দোলদোলকৈ বাছ আগবাঢ়িল। হঠাৎ ওপৰত বহি মুক্ত বতাহ খাই যোৱাসকলৰ হঁহি-কিৰিলিৰ শব্দত বাছৰ গ্লাছ পৰ্যন্ত কঁপি গ'ল। দেখা গ'ল গাভৰু এজাক পাৰ হৈ গৈছে আৰু সিহঁতবোৰেও পৰম আনন্দত বাইবাই দিছে। বিহুৰ বতৰ ডেকা-গাভৰুৰ মন ৰাই-জাই কৰাটোৱেই স্বাভাৱিক। গতিকে এই চেঙেলীয়াবোৰৰ হঁহি কিৰিলিও স্বাভাৱিক। যাত্ৰা কৰি কৰি গা-মূৰত ইতিমধ্যে বিষ আৰম্ভ হৈছিলেই, যিহে ৰাস্তা! হ'লেও দুঘণ্টামানৰ পাছত যেনিবা গন্তব্য স্থান পালোগৈ।

বাছৰ পৰা নামি ইফালে সিফালে চাই থাকোঁতেই হঠাৎ মানুহ এজনে মোৰ বেগ এটা থাপ মাৰি লৈ ল'লে। মই বোলো টাউনলৈ আহি প্ৰথমে ডকাইতৰ কবলতে পৰিলো নেকি? তুমি কোন? মোৰ বেগটো তুমি কিয় লৈছা? মই সুধিলো। "মই ৰিক্সাৱালা, ধৰিবই পৰা নাই নেকি? সি হঁহি ক'লে। নহয় মানে বজাৰলৈ কম আহোঁতো, গতিকে কোনটো ৰিক্সাৱালা কোনটো ফেৰিবালা চিনিবই নোৱাৰোঁ নহয়। সঁচা কথা কৈ দিলো, মিছা কথা কৈ ওপৰুৱা জেঙত সোমোৱাৰ স্বভাৱ মোৰ সৰুৰে পৰাই নাই। মই ৰিক্সাখনত উঠি মোনা দুখন ভালকৈ ধৰি ললো, জোল মদৰ বটলটো ওলাই পৰিলে বৰ বেয়া কথা হ'ব নহয়, এই ভাবত। "দাদা আপুনি চাগে আলহি ফুৰিবলৈ আহিছে?" তাৰ কথাত আপোনতাৰ সুৰ। "হয়, হয়, তোমাক লগ পাই বৰ ভাল হ'ল বুজিছা, নহ'লে মই কোনডোখৰ কি জেগা চিনাত বৰ অসুবিধাত পৰি .......।" "ৰ'ৰ এই বিক্সা বখ।" মোৰ কথা শেষ নহ'লেই হঠাৎ কাৰোবাৰ বিকট চিএৰত ৰিক্সাবালা ল'ৰাটোৱে প্ৰচণ্ড জোৰত ব্ৰেক মাৰি দিলে। মই হামখুৰি খাই পৰিছিলোৱেই, কথমপি ছিটটোত ধৰিহে বাচিলো। মই ভাবিলো এই নগৰত মোৰনো কোন চিনাকি ওলাব, সম্ভৱ ৰিক্সাৱালা ল'ৰাটোৱে চিনাকি চাগে। "বোলো তোমাৰ চিনাকি নেকি হে?" "নহয় দাদা ইহঁতে মাঘ বিহুৰ মেজিৰ কাৰণে চান্দা তুলিছে।" মোৰ তেতিয়াহে ৰাস্তাৰ কাষৰ এখন বেঞ্চত যে এজাকমান ল'ৰা বহি আছে সেই কথালৈ চকু গ'ল। ইমান নগৰত থাকিও যে ল'ৰাহঁতে মাঘ বিহুৰ কথা মনত ৰাখিছে ভাবিয়েই মনটো ভাল লাগি গ'ল। "অই ৰিক্সা মাতি থাকিলেও শুনি নেপাৱ নেকি?" কাৰোবাৰ কৰ্কশ মাতত মোৰ তন্ময়তা ভাগিল। দেখিলো নতুনকৈ ডেকা হোৱা দুটা ল'ৰা। এটাৰ কাণ দুখন ছোৱালীৰ দৰে ফুটা কৰা। ডিঙিত চাইকেলৰ চেইনৰ দৰে অলংকাৰ। এটাই আকৌ চকুৰ চেলাউৰীৰ কিনাৰতো ফুলি পিন্ধি আছে। "দাদা আমি মাঘ বিহুৰ কাৰণে এই ৰাস্তাইদি যোৱা সকলো মানুহৰ পৰা চান্দা তুলিছোঁ, আপুনিও দিয়ক।" পুৰাপুৰি দুশ টকা" তাৰে এটাই ক'লে। "মই গাঁৱৰ পৰাহে আহিছোঁ আৰু ইয়াত মই ফুৰিবলৈহে আহিছোঁ।" মই বৰ অসহায় ভাৱে ক'লো। "তই যৰপৰাই নাহ বিহুৰ দিনা সৌ চুকটোলৈ যাবি তাতে আমি ভোজ খাম আৰু মেজি জ্বলাম।" সিহঁতে মই গাঁৱৰ পৰা অহা বুলি গম পাই আপুনিৰ পৰা তইলৈ নামিল। "তই আহ' নাহ' তোৰ কথা, এতিয়া মাল দে জল্দি জল্দি।" যেন পুলিচে চোৰক চুৰ কৰা বস্তুখিনিহে খুজিছে এনে সুৰত ল'ৰাটোৱে কথাখিনি কলে। মেজিৰ নামত পইচা খুজিছে, তাতে বাঁহ কাঠৰ যিহে দাম গতিকে দুশ টকা ল'ৰাহঁতক পকেটৰ পৰা উলিয়াই দিওঁতেই হঠাৎ মোৰ হাতৰ পৰা এখন মোনা ৰিক্সাখনত পৰি গ'ল আৰু লগে লগে দেউতাই দি পঠিওৱা জোল মদৰ বটলটোও ওলাই পৰিল। লগে লগে চিলনিয়ে হাঁহ-কুকুৰা পোৱালি ঠেপিয়াই নিয়াদি কাণ ফুটা কৰা ল'ৰাটোৱে বটলটো নি দুটা বান্দৰ জাঁপ মাৰিলে। মই আচৰিত, ল'ৰাটোৱে কৰে কি? তাৰ পাছত সি জোল মদখিনি এনেদৰে খালে যেন সি অমৃতহে পালে আৰু খোৱাত অলপ পলম কৰিলেই যেন সকলো শেষ হৈ যাব। মই ভূত দেখাদি দেখিলো। মানুহে বাৰু মদো এনেদৰে খাব পাৰেনে? লগে লগে কাণ ফুটোৱা ল'ৰাটোৰ ওচৰত চাৰিটামান ল'ৰা উবুৰি খাই পৰিলহি। সি ইতিমধ্যে বটলৰ শেষ টোপালটোও শেষ কৰিলেই। তাৰে এটাই ক'লে, "গাঁৱলীয়াৰ বেগত আৰু সোমৰস থাকিব পাৰে, চা চা" দুটামানে মোৰ আনটো বেগ এক প্ৰকাৰে টানি নিলেই। ৰিক্সাৱালা ল'ৰাটোৰ চাগে মোৰ দুখ দেখি বেয়া লাগিল সি লাহেকৈ ক'লে, "দাদা গাঁৱৰ পৰা আহিছে বুলিয়ে তোমালোকে ইমান অসভ্যালি নকৰি ........।" থালৰ ........থালৰ ........ থপ্‌ ...... থপ্‌। ৰিক্সাৱালা ল'ৰাটোৱে বাক্যশাৰী শেষ কৰিবলৈ নেপালেই তাৰ উত্তৰ স্বৰূপে মেজিঘৰৰ ল'ৰাবোৰে চাৰিটামান চৰ-ঘোঁচা তাক শোধালেই। সি একেবাৰেই নিশ্চুপ হৈ ৰ'ল। আনহাতে মোৰ বেগ চোৰাকেইটাই মায়ে বাইদেউলৈ দি পঠোৱা গাখীৰৰ বটলটো পাই মদ বুলি ভাবি আনন্দত উল্লাৱল হৈ কিৰিলি পাৰিবলৈ ধৰিলে। ভাগ কৰি খোৱাৰ মতলবত এটাই লাহেকৈ বটলটোত শোহা মাৰিলে। কিন্তু মদৰ সোৱাদ পোৱাৰ সলনি গাখীৰৰ সোৱাদ পোৱাত সি মুখখন এনেদৰে বিকটালে যেন সি গৰুৰ মূত্ৰহে খাবলৈ পালে। সি লগে লগে গাখীৰৰ বটলটো কাষৰ নলালৈ দলিয়াই চিঞৰি উঠিল, ওৱাক! এইবোৰ গাখীৰহে ......। লগত অবাচ্য শব্দ। নগৰত যে গাখীৰৰ মূল্য একেবাৰেই নাই মই লগে লগে বুজি পালো। সিহঁতৰ কাণ্ড-কাৰখানা দেখি মোৰ মূৰটো আচন্দাই কৰিব ধৰিলে। ভাগ্য ভাল আছিল এখন ৰিক্সাত যেনিবা আন এজন মানুহ অহাত মোক সিহঁতে যাবলৈ দিলে। যোৱাৰ সময়ত এটাই ৰিক্সাৱালাটোৰ মূৰত ঠাপৰ মাৰি "কাক কেনেকৈ কথা ক'ব লাগে তাক শিকি ল'বি অই কুট্টা কা বাচ্চা" বুলি সকীয়াই দিলে, লগতে ঘটংকৈ ৰিক্সাখনত গোৰ এটাও শোধালে। ওস! ৰক্ষা পৰিলো যেনিবা, খঙত আৰু লাজত মোৰ মুখৰ মাত নোহোৱা হ'ল। ৰিক্সাৱালটোৰো একে দশা। অলপ দূৰ যোৱাৰ পাছত যেনিবা বাইদেউক লগ পালো। বাইদেউ মই আহিম বুলি অলপ ওলাই আহিছিল। ৰিক্সাৱালা ল'ৰাটোক ভাৰাকেইটা দি বিদায় দিলো। বেচেৰা ল'ৰাটোলৈ বেয়াও লাগিল। মোৰ বাবেই সি চৰকেইটা খাব লগা হ'ল। বাইদেউ-ভিনিদেউৱে ৰাস্তাৰ ঘটনাটো শুনি বেয়া পাব বুলি একো নকলো তদুপৰি ঘটনাৰ কথা শুনিলে বাইদেউৱে বিহু চাবলৈ যাব নিদিবও পাৰে এনে ভাবি। কিন্তু মই বিহু চাবলৈ আহিছোঁ যেতিয়া চাইহে যাম এনে ভাৱত থাকিলো।

উৰুকা দিনাখনৰ ৰাতিপুৱা এঘাৰ মান বজাত বাইদেউৰ বৰজনাকৰ ঘৰলৈ গ'লো। ওচৰতে, কোনো সমস্যা নাই। বাইদেউৰ বৰজনাকৰ ল'ৰা 'ভাইজান' মোতকৈ সৰু যদিও ল'ৰাটো মোৰ এনেয়ে ভাল লাগে। মই গৈ পাওঁতে সি শুই উঠিছিলহে। হাত

মুখ ধুই আহি সি মোক ক'লে 'দাদা আপুনি আহি ভালেই কৰিলে, আজি আমি একেলগে ভোজ খাম; আপুনি কিন্তু নাযাওঁ বুলি নকৰ দেই। সিতো মোৰ মনৰ কথাই কৈ দিলে গতিকে একে আষাৰে যাম বুলি ক'লো। হঠাৎ তাৰ চুলিখিনিলৈ মোৰ চকু গ'ল। মনৰ খুদুৱনি দমাব নোৱাৰি সুধিয়েই পেলালো, "ভাইজান, তোৰ চুলিখিনিত যে চাহৰ দৰে ৰং ধৰিলে তেল নলৰ নেকি?" "নহয় অ' দাদা মই চুলিখিনিত LOREAL লগাই ৰঙা কৰি লৈছোঁ" সি বৰ গৌৰৱেৰে ক'লে। মই চুলি ৰঙা নহ'বলৈ সদায় নাৰিকলৰ তেল লগাওঁ কিন্তু ই আকৌ ওলোটাই ৰঙা কৰিছেহে, কি আচৰিত।

গধূলি ভাইজানৰ লগত ভোজথলীলৈ বুলি যাবলৈ ওলালো। সি চামৰাৰ (লেডাৰ) জেকেট এটা পিন্ধি একেবাৰে ভাইৰ (গুণ্ডা) আকাৰত ওলাই আহিছে। ৰাস্তাত খোজ দিয়েই শুনিবলৈ পালো দূৰৈৰ পৰা ভাঁহি অহা জুবিনৰ শেহতীয়া বিহুগীতৰ কেছেট 'জানমণি'ৰ গান 'মই নজনাকে... জানে ... হ'লা ... বৰে এজনী ... চকুত পিৰীতিৰ জুই' গানটো শুনি মোৰ গাটো বিমূৰ্জিমাই গ'ল আহ! কি মাদকতা ভৰা গান, কণ্ঠ। সঁচাই মন উৰুৱাই দিব পৰা গান। আমি ভোজথলী পাওঁগে মানে চিকমিকীয়া আন্ধাৰ নামিলেই। মই ল'ৰাবোৰক চিনি পালো। মোক বিস্ময়ত আমনি কৰা ল'ৰাকেইটাৰ লগতে আৰু দুটামান আছে। মই অৱশ্যে ভাইজানক ঘটনাটোৰ বিষয়ে একো নক'লো কাৰণ ঘটনাটো সি গম পালে কথাটোৰে বেলেগ ফালেও গতি কৰিব পাৰে। হঠাৎ এজনে মোক সাৱটি ধৰি "হেপি মাঘ-বিহু হেপি মাঘ-বিহু" বুলি কেঁকাবলৈ ধৰিলে। তাৰ মুখৰ বিলাতী মদৰ উৎকট গোন্ধত মোৰ উশাহ ল'বলৈ অসুবিধা হ'ল। ভাইজানে মোৰ কাণত ফুচফুচাই "আপুনিও চে'ম টু ইউ বুলি কৈ দিয়ক" বুলি ক'লে। মোৰ ইংৰাজী বিষয়ত একেবাৰে জ্ঞান নাই যদিও সাৱটি থকাটোৰ পৰা পৰিত্ৰান পাবলৈ "চে'ম টু ইউ" বুলি কোনোমতে সেপ গিলি ক'লো। সি যেনিবা অৱশেষত মোক এৰি দিলে, এৰি দিলে মানে কাষতেই লুটি খাই পৰিল আৰু খন্তেক পাছতেই নিদ্ৰাৰ কোলাত ঢলি পৰিল। মোক দুটামানে মাতি নি ভাত-মদ-মাংস আদি খাবলৈ দিলে আৰু সিহঁতে নিজেও খাবলৈ বহিল। এইবাৰ সিহঁতৰ বিহু নচা পৰ্ব আৰম্ভ হ'ল। সিহঁতৰ নাচ দেখি মোৰ চকু কপালত উঠিল। কি ভঙ্গিমা সিহঁতৰ, প্ৰভুভক্ত কুকুৰে তাৰ মালিকক আগবঢ়াবলৈ যেন নেজ পেলাই পিছফালটো চোঁচৰাই চোঁচৰাই আগবাঢ়িছে। এইবাৰ মাইকত বিহুগীতৰ সলনি ইংৰাজী গান বাজি উঠিল। এইবাৰহে যেন সিহঁতে সকাহ পালে। সিহঁতে আৰু আনন্দৰে জঁপিয়াই জঁপিয়াই বিশেষ ভঙ্গিমাত নাচি নাচি কিৰিলি পাৰিবলৈ ধৰিলে। সিহঁতৰ নাচ-গান চাই থাকোঁতেই কেতিয়ানো মাজ ৰাতি হ'ল গমকে পোৱা নাছিলো, ঘড়ীটোলৈ চোৱাতহে হুচ আহিল। "ওৱাক .....ওৱাক .....ওৱাক .....।" হঠাৎ তিনিটা শব্দত মই এক প্ৰকাৰে চক্ খাই উঠিলো। কি বুলি চাওঁতেই দেখিলো ভাইজানে মোৰ ভৰিৰ ওচৰতেই বমি কৰি কৰি লাং খাই পৰি আছে। লগে লগে মদ-মাংসৰ ভেকেটা ভেকেটা গোন্ধ এটা নাকত লাগিল। ভাইজানৰ কাৰণেই যেন সকলোৰে অপেক্ষা কৰি আছিল এইবাৰ প্ৰতিযোগিতা হ'ল কোনে কিমান খোৱাবোৰ উলিয়াব পাৰে। সেই সময়ত বিজুলী সৰবৰাহ বন্ধ হোৱাত ভোজৰ স্থলীত আন্ধাৰে আগুৰি ধৰিলে আৰু ক্ষীণ জোনৰ পোহৰে এক ভৌতিক পৰিৱেশ নমাই আনিলে। গোটেই ভোজস্থলীত মাথোন এটাই শব্দ "ওৱাক .....ওৱাক ..... অক..... অক.....।" ল'ৰাহঁতৰ মাঘ বিহুৰ লীলা চাই চাই মোৰ এক প্ৰকাৰে জ্ঞান হেৰুৱাৰ উপক্ৰমেই হৈছিল, কোনোমতে অলপ কাষলৈ গৈ জোপোকা মাৰি সিহঁতৰ তিনিখুটীয়া মেজিটোত খামোচ মাৰি বহি পৰিলো। কিমান দেৰি এনেকৈ বহি থাকিলো মই ক'ব নোৱাৰোঁ। কিন্তু হঠাৎ বৰষুণ দিয়া যেন লগাত ওপৰলৈ চাই দেখিলো কোনোবা এজনে মোৰ গাৰ ওপৰত ইতিমধ্যে প্ৰস্ৰাৱ কৰিলেই। মোৰ গাতো তিতি তেনেই ভেচভেচীয়া হ'ল। এইবাৰ মোৰ ধৈৰ্য্যচ্যুতি ঘটিল। মই আৰু একো নাচাই দৌৰিবলৈ ধৰিলো আৰু প্ৰতিজ্ঞা কৰিলো যে মই আৰু নগৰৰ বিহু চাবলৈ কেতিয়াও নাহোঁ।

●●●





# সেউজীয়া পাতৰ আঁৰৰ কিছু বাস্তৱ অভিজ্ঞতাৰ ইলিজি, অনুভৱৰ মিছিল ......... ইত্যাদি

দিগন্ত মাহাতু
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

আহ!

সিহঁতৰ কথাবোৰচোন ভাবিলে মোৰ বুকুখন এডোখৰ গধুৰ শিলেৰে হেঁচা দিয়া যেন লাগে। বেদনা ............ সচাঁই এডোখৰ নিথৰ শিলৰ চপৰা। উশাহ-নিশাহৰ শব্দবোৰ কেতিয়াবাই সন্মিলিত হৈ যায় বতাহৰ লগত আৰু কেতিয়াবা প্ৰৱাহিত হৈ থাকে অচিনাকী শব্দৰে সেই বতাহৰ লগতেই। মোৰ বুকুৰ মাজত থকা হাওঁফাওঁখনি শূন্যযেন অনুভৱ হয় আৰু লাহে-লাহে সৰু হৈ অহা মোৰ চকুযুৰি কেতিয়াবা, আপোনা-আপুনি মুদ খাই খায় উস্ ভগৱান! গমেই নাপাওঁচোন ......... !

তেতিয়াই নেকি ............,

মই অনুভৱ কৰোঁ, মোৰ বাঁওহাতত এখিলা উকা কাগজ আৰু সোহাঁতৰ আঙুলিবোৰৰ মাজত এডাল জোঙা লিখনী যন্ত্ৰ; আধুনিক মডেলৰ। লাহে লাহে চকু দুটিও মেলি দিওঁ অস্ .......! নহয় মানে মেল খাই যায়, স্বতঃস্ফূৰ্ত ভাবেই নেকি জানো! গমেই নাপাওঁচোন ....... অথচ তাৰ লগে লগেই মোৰ শৰীৰৰ প্ৰত্যেকডাল সিৰা-উপসিৰাত তেজেৰে এক বৈদ্যুতিক অনুভূতি জাগ্ৰত হৈ উঠে। ৰক্তপ্ৰৱাহৰ সেই অনুভূতিৰেই হয়তো মোক মনত পেলাই দিয়ে, যিহেতু এইটো সময়ত সচাঁকৈয়ে মোৰ খুবেই প্ৰয়োজন এডাল কলমৰ সৈতে এখিলা উকা কাগজৰ ...... লিখিবলৈ। কিহবাৰ অভাৱত যেতিয়া মানুহৰ জীৱনটো হাহাকাৰ কৰি উঠে, কিবা এটা পোৱাৰ তাড়নাত, তেনেকৈয়ে কোনোবা মুহূৰ্তত মইয়ো কেতিয়াবা লিখিবলৈ বাধ্য হওঁ, লিখোঁ হয়তো কিহবাৰ তাড়নাতেই .......। যদিও মোৰ মনে কল্পনাৰ ছবিবোৰত সোমাই তাৰ মাজৰ পৰা বাস্তৱৰ চিত্ৰসমূহ প্ৰকাশ কৰিব বিচাৰে, আচলতে তাৰ একমাত্ৰ কাৰণটো মই জানিব পাৰোঁ কলম আৰু কাগজৰ প্ৰয়োজনীয়তাৰ পৰাহে। তাৰ বাহিৰে যে মোৰ লিখাৰ কিবা কাৰণ থাকিব পাৰে সেইয়াও মই নাজানো।

মানৰ জীৱনৰ ভৱিষ্যতৰ অন্ধকাৰ পথত খোজ পেলাই আগবাঢ়ি যাবলৈ হ'লে যাত্ৰাৰ অন্তিম বিন্দুটো একোটা লক্ষ্য হোৱা উচিত। সেই লক্ষ্যত উপনীত হবলৈ নিজৰ মনৰ মাজতে একোটা জেদী মনোভাৱ থকা উচিত। মোৰ কি অভাৱ আছিল? ভৱিষ্যত অন্ধকাৰৰ শেষত এমুঠি পোহৰৰ সন্ধান। সঁচাকৈয়ে মোক এনে এক পোহৰৰ খুবেই প্ৰয়োজন আছিল আৰু সেই বাবেই মোৰ মনোভাৱক দৃঢ় কৰি লৈছিলো। তথাপিও কিজানি মই পৰাজয় হৈছিলো। নাই নাই কেতিয়াও হ'বই নোৱাৰে। মোৰ লক্ষ্য, পোহৰৰ যি সন্ধান তাৰ সন্মুখত হয়তো হাজাৰবাৰ হোৱা পৰাজয়ৰ বেদনাইও মোক স্তব্ধ কৰিব নোৱাৰিলেহেঁতেন। যেনেকৈয়ে হওক তেনে পোহৰ বিচাৰি যি পৰিস্থিতিৰ মুখামুখি হ'বলগাত পৰিল সিয়ে মোৰ জীৱনৰ বাবে এক অভিজ্ঞতা হৈ পৰিল।

এইয়া সেউজ পৰিৱেশ।

অসমৰ এলানি জীৱনৰ সাধাৰণ পৰিৱেশ। সিহঁতৰ উশাহ-নিশাহৰ গোন্ধবোৰ সেউজীয়া সেউজীয়া। পৃথিৱীখনিৰ বুকুত আজীৱন সেউজীয়া পাতৰ আঁৰত লুকাই থাকি নিৰৱচ্ছিন্নতাৰে নিজৰ কৰ্মময় জীৱনটোৰে আনলৈ বিলাই থকা সৌৰভৰাজিও সেউজীয়া। সিহঁতৰ জীৱনৰ আশা-আকাংক্ষা, হৃদয়ৰ বেদনা, মনৰ অনুভূতি, দুচকুৰ বিদ্যুত ফিৰিঙতি আৰু হাঁহিৰ মিচিকনিত লাজুকি চাৱঁনিৰ আভা। সেই প্ৰতিটো ভাৱনাৰে হোৱা প্ৰতিফলিত ৰূপে কেৱল মোকেই নহয় বৰং মোৰ অন্তৰাত্মাও মুগ্ধ হৈ পৰিছিল।

বিমুগ্ধ হৈয়া আৰু মগজুৰ সিৰা-উপসিৰাৰে সিহঁতৰ জীৱন ধাৰাৰ বাহ্যিক ও আভ্যন্তৰীণ দিশৰ ধাৰণাবোৰ যেতিয়াই করুণ ৰসেৰে আবৃত হৈ জাগ্ৰত অনুভূতি হৈ পৰিছিল তেতিয়াই সেইবোৰ একোটা ইলিজি হৈছিল। এটা সময়ত যেতিয়াই এই বাস্তৱ অভিজ্ঞতাসমূহ, ইয়াৰ ইলিজিবিলাক প্ৰকাশ কৰাৰ মনোভাৱ জাগিছিল তেতিয়াই মোৰ লিখাৰ প্ৰয়োজনীয়তাও আহি পৰিছিল আৰু সিয়েই আছিল টুকুৰা-টুকুৰ অনুভৱৰ এটি গোটা মিছিল। একোটা অনুভৱৰ মিছিল।

# মোৰ প্ৰথম কলেজীয়া জীৱনৰ অনুভৱ

দীপশিখা বৰা
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)

মোৰ প্ৰথম কলেজীয়া জীৱন। মধুৰ স্বপ্ন, ৰঙীণ আৱেশ। প্ৰথম নামভৰ্তি হোৱাৰ পাছতেই অৱৰ্ণনীয় উত্তেজনা। কেতিয়াকৈ বা কলেজলৈ যাবলৈ পাম। প্ৰজ্ঞাৰ সাধনা ৰহস্যৰ উন্মোচন। পূজ্য শিক্ষাগুৰুৰ অনুশাসন, সহপাঠীৰ আন্তৰিকতা। আঃ কি সুন্দৰ! ভৱিষ্যতৰ নানা স্বপ্ন আৰু পৰিকল্পনাত মই আত্মবিভোৰ আছিলো। অসমীয়া ভাষা সাহিত্যৰ ব্যাপক অধ্যয়নৰ প্ৰৱল হেঁপাহ মনৰ মাজত পুহি ৰাখিছোঁ। আশা পূৰণ হোৱাৰ বাটত প্ৰথম পদক্ষেপ পেলাবলৈ পাই দুধাৰে বৈ আহে আনন্দৰ চকুলো! ডিবৰুৰ পাৰত ভাৰতৰ স্বাধীনতাৰ পিছতেই স্থাপিত ডিব্ৰু মহাবিদ্যালয়।

সময় বাগৰি যায়। এইখন ঐতিহাসিক মহাবিদ্যালয়লৈ চামে চামে প্ৰাণচঞ্চল যৌৱন আহে। শিক্ষা জীৱন সমাপ্ত কৰি কৰ্মক্ষেত্ৰত নামে। লৈ যায় বুকুত স্মৃতিৰ অলেখ ৰহঘৰা। সময় কাৰো বাবে পদূলিমূৰত ৰৈ নাথাকে। সময়ৰ লগত তাল মিলাই আগবাঢ়িব পৰা জনেহে জীৱন যুদ্ধত সফল হয়। জীৱনৰ ৰণক্ষেত্ৰত জঁপিয়াই পৰাৰ আখৰা চলে তীৰ্থস্থান স্বৰূপ মহাবিদ্যালয়সমূহত। সঠিক অনুশীলনীৰে উপযুক্ত মাপকাঠিৰে আমি প্ৰকৃত ৰণুৱা হোৱাৰ অন্তিম সময়। গতিকে এইছোৱা সময় অফুৰন্ত আৱেগৰ সীমাহীন পাৰাপাৰ। ক'ত জানো পাইছিলো -

*অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ*

*মহাসিন্ধু মথি*

*আমি আহৰণ কৰোঁ জ্ঞানৰ অমৃত।*

*মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰচোঁ*

*ৰামধেনুৰ ৰহনেৰে জীৱন বুলাই।*

সুন্দৰ ভৱিষ্যৎ জীৱনৰ মহান আদৰ্শৰ উদ্দীপনাৰে আমি চালুকীয়া থুনক-থানাক খোজ কাঢ়োঁ। হাবিয়াস জীৱনটো যেন সূৰ্যৰ দৰে উজ্জ্বল হয়। বিফলতাতে সমফলতা লুকাই থাকে। আমি সময়ৰ ওখোৰা-মোখোৰা বাটত যদি ক'ৰবাত উজুটি খাওঁ তথাপিতো পৃথিৱীৰ জ্ঞান-ভাণ্ডাৰৰ অভিমুখে অবিৰত গতিত আগবাঢ়িবই লাগিব। মোৰ অন্তৰত এনে অনুভৱৰ থৌকিবাথৌ। যদিওবা নিশ্চিত নহয়, জীৱনটো এটি বিচিত্ৰ ছন্দময় দীঘলীয়া কবিতাত পৰিণত কৰিব পাৰোঁ বা নোৱাৰোঁ! শেষত এফাঁকি কবিতাৰেই মোৰ অনুভৱৰ ডায়েৰী সামৰিলো -

*লক্ষ্য, ধ্যান, ইচ্ছা একাগ্ৰ হ'লেই*

*অসাধ্য সাধন হয় তাৰেই।*

*জয়তু ডিব্ৰু মহাবিদ্যালয়।*

●●●





# প্ৰথম ৰেল যাত্ৰাৰ অভিজ্ঞতা

*(সঁচা অভিজ্ঞতাৰ আলম লৈ)*

ললিত সোনোৱাল
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)

এবাৰ ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ ফুটবলৰ কেইজনমান খেলুৱৈ তাত হোৱা "ছাই"ৰ বাছনি শিবিৰত যোগদান কৰিবলৈ ৰেলেৰে যাত্ৰা আৰম্ভ কৰিলো। (চনটো প্ৰায় জানুৱাৰী ১৯৯৯ মানত ঠিক মনত নাই)। "ছাই"ৰ বাছনি শিবিৰত যোগ দিবলৈ ডিব্ৰুগড়ৰ পৰা প্ৰায় বাৰজনীয়ামান দলটোত ডিব্ৰুগড়ৰৰ এখন ভিতৰুৱা গাঁৱৰ (নাম প্ৰকাশত অনিচ্ছুক) এগৰাকী খেলুৱৈ আছিল। যিজনৰ সেইবাৰেই প্ৰথম ৰেলযাত্ৰা (ভ্ৰমণ)। নিশা আন খেলুৱৈসকল ব্যস্ত তাচ খেলত; কোনোবাই বে-সুৰত হিন্দী গান গাইছে। কোনোবাই নানা অশ্লীল জমনি কথাউলিয়াইছে। অলপ পাছতেই ৰাতিৰ আহাৰ দিয়া হ'ব। ৰাতিৰ আন্ধাৰৰ মাজেৰে ৰেলখন নিজ গন্তব্যস্থানৰ ফালে আগবাঢ়ি গৈ আছে। উক্ত খেলুৱৈজন ওপৰৰ বাঙ্কত শুই আছে। তাৰ ওচৰতে আছে এলাৰ্ম শিকলিডাল, কিবা বিপদ দেখা দিলে সেইডাল টানিব লাগে। তাৰ ফলত ৰেলখন ৰৈ যায়। টুং টাং শব্দ কৰি আছে ৰেলৰ দোলনিত। প্ৰথম বাৰৰ বাবে ৰেল ভ্ৰমণ কৰা খেলুৱৈগৰাকীৰ মিঠা টোপনিত ব্যাঘাত কৰা বাবে খঙতে শিকলিডাল জোৰেৰে টানি দিলে। লাহে লাহে ৰেলৰ গতি কমি এটা সময়ত এখন নিৰ্জন হাবিৰ মাজত ৰেলখন ৰৈ গ'ল। এই ৰাতিখন নিজান ঠাইত ৰেলখন ৰৈ যোৱাত আন যাত্ৰীসকলৰ লগতে খেলুৱৈসকলো আচৰিত হ'ল। কিনো হ'ল- এনেতে গাৰ্ডএগৰাকী কম্পাৰ্টমেন্টলৈ আহিল আৰু ৰেল ৰখোৱাৰ কাৰণ সুধিলে। খেলুৱৈসকল আচৰিত হৈ ক'লে "আমিতো নাজানো, কোনে ৰেল ৰখালে। আমি তাচখেলত ব্যস্ত।" এনেতে জ্যেষ্ঠ খেলুৱৈয়ে বাঙ্কত শুই থকা খেলুৱৈ গৰাকীক মাতিলে আৰু ক'লে "তুমি তোমাৰ ওচৰত থকা শিকলিডালত হাত দিছিলা নেকি?" খেলুৱৈগৰাকীয়ে নিৰ্বিকাৰভাৱে উত্তৰ দিলে - "হয় দিছিলো, ইমান শব্দ কৰি আছিল যে মোৰ টোপনিয়েই অহা নাছিল। সেইকাৰণে সেইডাল টানি নমাই দিলো।" গাৰ্ডগৰাকী কিন্তু আকোৰগোজ, ৰেল কতৃপক্ষৰ ওচৰলৈ যাব লাগে, নতুবা জৰিমনা ভৰিব লাগিব। আন খেলুৱৈসকলে গাৰ্ডৰ হাতে-ভৰিয়ে ধৰি ক্ষমা প্ৰাৰ্থনা কৰি কোনো ৰকমে জৰিমনাৰ পৰা ৰক্ষা পৰিছিল। (উক্ত ভ্ৰমণত মইয়ো সতীৰ্থৰূপে আছিলো)।

- বৰ্তমান যুগত প্ৰায় প্ৰতিজন মানুহেই পঢ়িব পাৰে, কিন্তু মুষ্টিমেয় মানুহেহে চিন্তা কৰিব পাৰে।

  \- কাৰ্ডিনেল অক্টাভিয়াছ

- নিৰ্দোষিতা সকলো আনন্দ আৰু সুখৰ মূল।

  \- কৃষ্ণকান্ত সন্দিকৈ

# কৱিতা

## মণি



– মহম্মদ নাজিৰ (কবুল)

মোৰ জীৱনৰ প্ৰতি খোজতে আছে মাথোঁ
তোমাৰ সোঁৱৰণি,
জীৱনৰ প্ৰতিটো উশাহৰ ক্ষণত
আজি কেৱল তোমাৰ শুণানি।

আহিবা জানো মোৰ জীৱনলৈ
জীৱনৰ মধুতম লগ্ন হৈ
দিবাহি জানো মোৰ হিয়াত ঢালি
তোমাৰ প্ৰেমৰ বলিয়া বান লৈ।

প্ৰতিটো ৰজনী মই সাৰে ৰওঁ
মাথোঁ তোমাৰ কথা ভাৱি
সপোনত পৰী হৈ, দিঠকত জান হৈ
কিয় দিয়া মোৰ নিদ্ৰা ভাঙি।

মোৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আজি কেৱল
তোমাৰে বিৰবণ;
Please ঢালি দিয়াহি তোমাৰ উষ্ণ বুকুৰ
আৰু তপত ওঁঠৰ শিহৰণ।।

## শান্তি বিচাৰি



– অভিজিত গগৈ
স্নাতক প্ৰথম বৰ্ষ,
কলা শাখা

অন্তহীন সাগৰ চলাথ কৰি
মোৰ মনে দূৰ-দিগন্ত ভ্ৰমি;
যাত্ৰাৰ পাখি মেলে!

সংসাৰ মৰুভূমিৰ দুৰ্গম পথে
এয়া মোৰ কিহৰ যাত্ৰা;
অনুভৱ হয় .......।
শান্তিৰ সন্ধানত মোৰ দেহ ক্লান্ত,
চৌদিশ হত্যা, হিংসা, গণ ধৰ্ষণ,
মানৱতাৰ ৰেহৰূপ নাই;
শান্তিৰ সূত্ৰৰ পৰিৱৰ্তন হৈছে
দিনে-দিনে।

জীৱন অভিজ্ঞতাৰ দৃশ্য-অদৃশ্য মহানাটকৰ
এক অভিনয়ত দেখা পালো
প্ৰেমৰ শিহৰণ।
শান্তিৰ বাবে।



## বিচ্ছেদ বেদনা



– বদন সোণোৱাল
(অৰ্থনীতি বিভাগ)

দেখিছোঁ তোমাক সখি
আছা দুৰণিত বহি
আনন্দৰ সফুঁৰা বিলাই,

মই যে আছোঁহি সখি
নীৰৱে চকুলো টুকি
বিষাদৰ পাৰাপাৰ নাই।

সন্ধিয়াৰ তৰা চাই
ভাবোঁ মাথোঁ মনে মনে
জ্বলিছেনে চাকি মোৰ তুলসী তলত,

আজলী মাতৃয়ে মোৰ
প্ৰভুৰ চৰণ চিন্তে
থাকোঁ যেন নিৰাপদে এই প্ৰৱাসত।

তটিনীৰ তালে তালে
পৱনৰ সুৰে সুৰে
তোমাৰ স্মৃতি ভাঁহে মানস পটত,

জীৱনৰ মায়াপুৰী
সংঘাতৰ বাঘজৰী আছোঁ
মই বন্দী হৈ জীৱন ৰণত।

## অজান স্মৃতি

– বিদিষা শইকীয়া,
উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষ
(বাণিজ্য শাখা)

পশ্চিমৰ আকাশত চৰাইটি উৰিছিল
কিবা এটা ক'ম বুলি, কিন্তু ......
কি ক'ব? ক'ব মনৰ আশা
য'ত আছে কেৱল অতীতৰ সেই জলন্ত ৰূপ,
হঠাৎ সি ৰৈ গ'ল! কিন্তু কিয়?
পাৰিব জানো সি পাহৰিব অতীতৰ সেই জলন্ত ৰূপ,
যাৰ স্মৃতিয়ে তাক আজি বাস্তৱ সপোনকো ৰূপ দিয়াত বাধা দিছে।
হৃদয়ৰ সেই অফুৰন্ত জুই পাৰিব জানো সি......
বাস্তৱৰ ছাইলৈ ৰূপান্তৰ কৰিবলৈ।
বাৰে বাৰে চেষ্টাৰ পিছতো কিয় জানো সি ভাগৰি পৰিছে,
আৰু ভাৱিছে...... আহিবনে এনে এক আগমনি,
যিয়ে তাক আনি দিব, প্ৰাণময় জাগ্ৰত বাস্তৱ,
সেই বাস্তৱ......য'ত থাকিব কেৱল শান্তিৰ ৰূপ।

সকলোৱে কয়, "চেষ্টাৰ অসাধ্য নাই",
সেই বাক্যকে হৃদয়ত লৈ সি পাখি মেলি পুনৰ উৰিছে......
সেই শান্তিৰ জগতলৈ য'ৰ কোনো সীমা নাই,
আছে মাথোঁ মন সাগৰৰ সপোনৰ হাঁহি, বাস্তৱৰ ঢৌ।



# তুমি আঁতৰিলে

- বিকাশ কুমাৰ দত্ত,
স্নাতক প্ৰথম বৰ্ষ
(কলা শাখা)

তুমি আঁতৰিলে মই
কাৰ বাবে কবিতা লিখিম?
কাৰ বাবে সাৰটি লম এটি দুঃসহ সপোন
তুমি নজনাকৈয়ে
মই সংগীবিহীন হৈ যাম
তোমাৰ অৱৰ্তমানত।
তোমাৰ বাবেই এতিয়া সপোন বিভোৰ মই
আঁকোৱালি লৈছোঁ
মোৰ প্ৰতিটো দুঃখ, প্ৰতিটো যন্ত্ৰণা।
হয়তো সিদিনা
মোৰ উদাসী হিয়াত স্তব্ধ হৈ যাব
এটি সৃষ্টিৰ সপোন।
কান্দি, কান্দি, উচুপি উচুপি
চকুলোৰে সিক্ত হোৱা যেন
এটি ধূসৰ গধূলি
তুমি আঁতৰিলে
তোমাৰ অবিহনে বাৰু মই
কেনেকৈ জীয়াই থাকিম কোৱা?
উৰুঙা হ'ব মোৰ
ক্ৰন্দসী মন।

# হে শ্বহীদ প্ৰণামো তোমাক

- তোফান দত্ত
স্নাতক তৃতীয় বৰ্ষ



হে শ্বহীদ, প্ৰণামো তোমাক
তোমাৰ তেজৰ বিনিময়ত
দি গ'লা স্বাধীনতা
শতবাৰ প্ৰণাম তোমাক
তুমিয়েই শিকাই গ'লা
যুঁজিবলৈ আমাক
মূৰ দাঙি জীয়াই থাকিবলৈ আৰু
কেনেকৈ শত্ৰুৰ হাতৰ পৰা
আঁজুৰি আনিব লাগিব স্বাধীনতা।
জীৱনৰ মূল বুজা নাছিলো
তুমিয়েই বুজাই দিলা
তোমাৰ মহান বাণীয়ে
গোলামী আত্মাৰ বান্ধোন চিঙি
উদ্বুদ্ধ কৰি তুলিলা স্বাধীনতাৰ প্ৰতি।
হে শ্বহীদ, তুমি অমৰ
নশ্বৰ দেহ এৰি আহি
থিতাপি ল'লাহি আমাৰ হৃদয়ত
তুমি চিৰদিন থাকিবা
আমাৰ মনত
পৰাধীনতাৰ বিৰুদ্ধে
একুৰা জীয়া জুই হৈ।



# ছমাহৰ অনুভৱ তোমাৰ বাবে

- সুৰজীত শইকীয়া
স্নাতক প্ৰথম বৰ্ষ



*শাওন আহিলে,*
ক'জলা গৰু হাল, নাঙলডাল লৈ
পথাৰলৈ যাবৰ সময় হ'ল
গ্ৰীষ্মৰ প্ৰখৰ ৰ'দত হালোৱাৰ বিহুগীতত
তুমি যে ভুঁই ৰুইছিলা
ভৰিত জোঁকে ধৰাত তুমি যে চিঞৰিছিলা
মনত পৰেনে, মই এৰোবাই দিয়াৰ কথা?
*আহিন আহিলে,*
শৰতৰ কুঁৱলীয়ে ন-সাজ পিন্ধালে
চোতালৰ দুবৰি বনক
দিহিং পাৰতে কহুঁৱা হালিলে-জালিলে
বুকুতে বাজিলে বৈ বৈ আহিনৰ বাঁহী
আহিনে সুধিলে-জোন-বেলিক
মোৰ শেৱালিৰ বতৰা কেনেকুৱা?
*কাতি আহিলে,*
পথাৰখনে সেউজীয়া দলিচা পাৰিলে
সেউজীয়া পথাৰত, কঙালী বিহুৰ বতৰত
সন্ধিয়া পৰত, শলিতাৰ পোহৰত
তোমাক পূৰ্ণিমাৰ জোনৰ দৰে দেখাইছিল
মই চকু ভৰি সেই দৃশ্য চাই ৰৈছিলো
তুমি জানো পালা উমান?
*আঘোন আহিলে,*
সেউজীয়া পথাৰখনিয়ে সোণালী মুকুট পিন্ধিলে
ধানেনো দাই থাকোঁতে
আঘোনৰে পথাৰত পকাধানে ৰিঙিয়াই
গীতনো গাইছিলা
তুমি চকলা টেঙা কাটি থকা দেখি
মই যে গাইছিলো, চকলা টেঙাটি অকলে
নাখাবা, আমাকো এচকল দিবা
পৰেনে মনত আজিও সেই কথা?
*ফাগুন আহিলে,*
ফাগুন আহিলে মদাৰ ফুল ফুলিলে
থৌকি-বাথৌ কৰিলে মন
এই বতৰতে কৈছিলো তোমাক ভাল পোৱাৰ কথা
তুমি সহাঁৰি জনোৱাত, মই আনন্দতে চিঞৰি দিয়া
মনত পৰেনে আজিও সেই কথা?
*ব'হাগ আহিলে,*
ব'হাগ আহিলে জীৱনে ন-কুঁহিপাত মেলিলে
তুমি দিয়া বিহুৱানখন লৈ
গাঁৱত হুঁচৰি গাবলৈ যোৱা
মই ঢোলেনো বাইছিলো
তুমি যে নাচিছিলা, কঁকাল ভাঙি ভাঙি
নপৰে নে মনত আজিও তোমাৰ।

# নৱ জীৱনৰ স্বপ্ন

- দীপাঙ্কৰ গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



হেৰা বন্ধু সকল
তিনি আলিৰ আড্ডা পাহৰি
এদিন পুৰাই ওলাবাচোন
নাঙলৰ সীৰলুত
সোণোৱালী শইচৰ
ৰঙীন সপোন ৰচিম।

সেউজ ধৰণীখনি
সজাব পৰাব লাগিব
আমাৰ দুয়োখনি
পৰিশ্ৰমী হাতেৰে।

কপালৰ ঘাম
এবাৰ মাটিত পেলাই চোৱাচোন
নিজৰ ঘৰ্মাক্ত শৰীৰৰ গন্ধত
নিজেই মতলীয়া হ'বা।

পৰিশ্ৰমী হাতেৰে
তুমি গঢ় দিয়া সপোনবোৰ
ধৰা দিবহি তোমাৰ হাতত।

বোকাৰ জীৱনৰ হা-হুতাশা
কপূৰৰ দৰে উৰি যাব
নৱ জীৱনৰ ছন্দোময় গতিত।

হেৰা' বন্ধুসকল নিৰাশ নহ'বা
জীৱনক জয় কৰাৰ বাসনা
এতিয়াই পাহৰি নাযাবা
আহাঁ হাতত হাত মিলাই
আগবাঢ়োঁ জীৱনৰ বাটত
পৰিশ্ৰমৰ বিকল্প নাই।



# যন্ত্ৰণা

- অজয় শইকীয়া
স্নাতক প্ৰথম বৰ্ষ



বিচ্ছেদৰ দিনৰ পৰা বৰণ কৰিছোঁ তোমাক
শেষ হোৱা দিনপঞ্জী অৰ্পণ কৰিছোঁ তোমাক
চকুলো নাই মোৰ দুনয়নত
নাই কোনো জ্বালা-যন্ত্ৰণা।
কি পালো কি হেৰালো
অনুভৱ কৰিছোঁ এই যৌৱনৰ বেলাত।

কোলাহল ভৰা এই ধূসৰ পৃথিৱী
অৰ্পণ কৰিছো তোমাক মোৰ প্ৰাণৰ শেৱালি
আৰু নোৱাৰিছোঁ হে নাথ।
জ্বালা-যন্ত্ৰণা অসহ্য হৈছে
ঘূৰাই দিয়া সপোনৰ দিনবোৰ
মাথোঁ ৰঙৰ সপোন।

লুকুৱাই ৰাখিছা কিয়
কিয় কৰিছা বিচ্ছেদ
পেটৰ ভোকত সকলো পাহৰি
তুমি যিমানে আঁতৰি গৈছা মই সিমানেই
হেৰুৱাইছোঁ অলেখ পোহৰ
মচি মচি চকুৰ পানী
মাথোঁ গণি আছোঁ বিচ্ছেদৰ দিন
অৰ্পণ কৰিছোঁ আজি শেষ হোৱা দিনপঞ্জী।
নোৱাৰোঁ, নোৱাৰোঁ আৰু নোৱাৰোঁ
সহ্য কৰিব এই বিচ্ছেদ।

# প্ৰিয়তমা

- ভৱেশ দাৰিক
স্নাতক তৃতীয় বৰ্ষ
(শিক্ষাতত্ত্ব বিভাগ)

হে মোৰ প্ৰাণৰ প্ৰিয়তমা
বন্দিত তুমি মোৰ বাবে সদায়
নিভাঁজ হৃদয়েৰে জনাইছোঁ প্ৰণিপাত।

কেতিয়াবা নীৰৱ সাগৰে
পাই হেৰুওৱাৰ ভয়ত উচুপে
যিদৰে শীতকালত উচুপে ঘাঁহ।
ফাগুন সম বতাহত
কহুঁৱাবোৰ হালি পৰে
আৰু
জোনটোৰেও কেতিয়াবা
কালৰ গৰ্ভত হেৰাব খোজে
তোমাৰ স্তিমিত পোহৰত।

ক্ষণবোৰ বৰ চঞ্চলতাৰে গতিময়
মাথোঁ কাৰোবাৰ বাবে
শীতৰ ৰাতিবোৰও চুটি
আকাশৰ বিশালতা
হিমালয়ৰ উচ্চতা
তোমাৰ মায়াবী পৰশত
সকলো হৈ বৰফ
গলি গৈ শেষত অস্তিত্বহীন
মাথোঁ পূৰ্ণিমাৰ জোনাক হোৱাৰ বাবেহে।

—

# হে ডিব্ৰুয়ান

- সতীশ মিচং
স্নাতক প্ৰথম বৰ্ষ

হে "ডিব্ৰুয়ান" আলোচনী
কি দি আদৰোঁ তোমাক ......?

ধোৱাঁ বৰণীয়া ৰ'দৰ অস্তিত্ব পৰি আছিল চকুত
মোৰ অস্থিৰ হৃদয়ৰ জপনা খুলি তুমি সোমাই আহিলা
আহিয়েই মোৰ দুখৰ কবিতাৰ
দুৱাৰ-খিৰিকী খুলি দিলা;

জানো, তুমি মেলি লৈ আহিছা কবিতাৰ সুবাস
কি দি আদৰোঁ তোমাক ......
আজি ভালেমান দিনৰ পৰা মোৰ হৃদয়ত অকণো ভাষা নাই
মোৰ ওঁঠত এটাও গান নাই
কলমত নাই এটাও কবিতা;

অৰণ্যে যন্ত্ৰণাৰ দিনবোৰত গোটাই থোৱা
ভগা-ছিগা কিছু শূন্যতা আছে
তাৰে আদৰিলে হ'বনে তোমাক?
হে 'ডিব্ৰুয়ান' আলোচনী!

ভালেমান দিনৰ পৰা মই নিজক হেৰুৱাই পেলাইছিলো
ভিতৰি ভিতৰি মৰি আছিলো
কবিতা লিখিবলৈ পাহৰি আছিলো
কিন্তু আজি,
হে "ডিব্ৰুয়ান" আলোচনী তুমি
মোৰ আগত মুখা-মুখি কৰি,
দিলা মোক জগাই
দিলা মোক কবিতা লিখাৰ উৎসাহ।

সঁচাকৈ হে "ডিব্ৰুয়ান"
মোৰ কবিতাৰ প্ৰেৰণাৰ প্ৰতীক তুমি
কি দি আদৰোঁ তোমাক ......
ভাষা, গান, কবিতা একোৱেই যে নাই ......!!!



# বাট চাই

- অজয় শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

কি সম্বন্ধ আছে তোমাৰ স'তে
কোন তুমি এই জগতৰ
স্বাৰ্থৰ কুঁৱলীয়ে আবৰা
এই পৃথিৱীৰ আকাশ।

আপোন পাহৰা তুমি এই মায়া বজাৰত
পাহৰিছা সকলোকে
আত্মীয়-স্বজন আৰু নিজকে।
কিয় তুমি নুবুজা এই
বিশ্ব জগতৰ লীলা মহামেলা,
চকুৰ পতা মোৰ সেমেকি উঠিছে
তোমাৰ কথাকে ভাবি,
নুমাও-নুমাও কৰিছে জীৱন শিখা
তথাপিও পাৰ কৰিছোঁ
উজাগৰী নিশা।
অনৈক্যৰ পৃথিৱীত
সত্যৰ সন্ধান কৰি
ফুৰিছা মিছাতে তুমি
নোপোৱা একো নিদিয়ে একো
কাঢ়ি নিব মাথোঁ
সুখ - শান্তি - সমৃদ্ধি
আহাঁ এবাৰ উভতি।।



# অসমী আই

- মানস জ্যোতি দাস
স্নাতক প্ৰথম বৰ্ষ

হেৰা অসমীয়া কি চাইছা?
দেখিছানে বাৰু অসমী আইৰ পিঠিৰ বোজা
নে দেখিও নেদেখাৰ ভাও জুৰিছা,
তেন্তে তুমি অসমীয়াৰ নামত কলংক সানিছা।।
এনেকৈ যদি বাঢ়ি থাকে অসমী আইৰ পিঠিৰ বোজা,
তেন্তে দেখিবা এদিন অসমী আই আঁৰি কুঁজা।
তেতিয়া নাথাকিব তোমাৰ অস্তিত্বৰ কথা
পৰাধীনৰ দৰে হৈ পৰিব তোমাৰ দশা।।

মনত পেলোৱা কথা শৰাইঘাটৰ
শৰাইঘাটৰ বীৰ নায়ক লাচিতৰ
নবীয়া দেহাৰে যিজনে অস্তিত্ব ৰাখিছিল অসমৰ,
তুমিতো তেওঁৰেই বংশধৰ।।

হেৰা লাচিতৰ বংশধৰ
তোমাৰ সিৰাই সিৰাই তেজ শ্বহীদৰ।
এয়া সময় শেষ শৰাইঘাটৰ,
এইবাৰ আমাৰ হাতত অস্তিত্ব অসমৰ।।

সংকল্প কৰা শতৰুৰ শেষ কৰিম বল,
অসমী আইৰ বুকুত নিদিম থল।
অসমী আইক ৰক্ষা কৰাৰ কৰিলো পণ,
আমিয়েইতো লুইতপৰীয়া ডেকা দল।।

# অপেক্ষাৰত এটি মন

- গৌৰীত গগৈ
স্নাতক দ্বিতীয় বৰ্ষ

এনেকৈয়ে পাৰ হয় সময়বোৰ
কেতিয়াবা পাৰ্কত, কেতিয়াবা কেন্টিনত
ফুলনিৰ ফুলবোৰৰ মাজে মাজে।
তোমাৰ স'তে সেই অন্তৰংগ মুহূৰ্তবোৰ
য'ত সময়বোৰ চুটি হৈ পৰে।
আজিও মোৰ ভালকৈ মনত আছে
সেই দুপৰীয়া।
য'ত আমাৰ সপোনবোৰে, আশাবোৰে
সাৰ পাব খুজিছিল,
তোমাৰ সেই মিছা অভিমান, যাক ভাঙিবলৈ
মই কৰিছিলো বৃথা চেষ্টা।
আজিও মোক হেন্দোলিত কৰি তোলে
তুমি যে সুধিছিলা নীলাবোৰৰ কথা
শেৱালি ফুলৰ সুবাসৰ কথা
আৰু যে সুধিছিলা মোৰ
বুকুৰ গভীৰতাৰ কথা।
আজি মই ক'ম তোমাক
মোৰ বুকুৰ গভীৰতাৰ বতৰা
বুকুৰ উমেৰে তোমাৰ
আৱেগবোৰ, অনুভূতিবোৰ
জীপাল কৰি তুলিম
বাগিছাৰ সৌ সেউজীয়া ঘাঁহনিডৰাতে
আকৌ পাতিম আমাৰ হৃদয়ৰ কথা
তুমি অভিমান কৰিবা আৰু
তাক ভাঙিবলৈ মই বৃথা চেষ্টা কৰিম।



## মোৰ উপলব্ধি

- দিক্ষীতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

পশ্চিমৰ আকাশত সোণোৱালী বেলি,
আবেলি পানীৰ তিৰবিৰনি
দিখৌৰ বালিত
বাৰে বাৰে আঁকিবলৈ যত্ন কৰিছোঁ
শৈশৱৰ ওমলা দিনৰ ছবি।

সেউজীয়া ধাননিডৰা
কঁপাই যোৱা বলীয়া বতাহজাকে
কৈছে কাণে কাণে
কিনো গীত গাইছ তই মনে মনে?
মই কৈছোঁ
"বগলী বগা ফোঁট দি যা।"

সেই যে -
হাতত ফলি লৈ পঢ়াশালিলৈ গৈছিলোঁ
লগৰীয়াৰ লগত চোৰ-পুলিচ খেলিছিলোঁ
বাৰিষাৰ পঢ়াশালিৰ বাৰান্দাত উঠা
বানপানীত কাগজৰ নাও মেলিছিলোঁ
সুন্দৰ সুন্দৰ স্বপ্ন দেখিছিলোঁ
ভৱিষ্যত গঢ়াৰ —
কৈছিলোঁ —

"মই গান্ধীজীৰ দৰে হ'ম
সদায় সত্য কথা ক'ম
অহিংস ব্ৰতেৰে জগত জিনিম"
আজি বাস্তৱৰ কঠিন শিলত
চেষ্টা মোৰ
নিখুঁত নিটোল ভাস্কৰ্য গঢ়াৰ
হাবি-কাটি ৰাস্তা বন্ধাৰ
হাতত আশাৰ ৰঙীন পতাকা লৈ
শ্লোগান দিয়াৰ।
সেইদিন আকৌ আহক
দিখৌৰ পাৰত বালিঘৰ সজাৰ,
ওমলা ঘৰত দৰা-কইনা খেলাৰ,
পৰীক্ষাৰ শেষত লগৰীয়াৰ কামিজত
চিয়াঁহী মৰাৰ।



## ভালপাওঁ বুলি এবাৰ কোৱাঁ

- তিলোত্তমা সোণোৱাল
উঃ মাঃ দ্বিতীয় বৰ্ষ

মই সুধিব খুজিছোঁ তোমাক
তুমি কিয় এনেকুৱা?
বুজিও নুবুজাৰ অভিনয় কৰা
অনুভৱ নকৰা কিয়
মোৰ ভালপোৱা?

মই ক'ব খুজিছোঁ তোমাক
মোক বুজিবলৈ চেষ্টা কৰা
মোৰ চকুত চকু থৈ এবাৰ চোৱাঁ
দেখিবা তোমালৈ মোৰ ভালপোৱা
কিমান গভীৰতৰ।

তোমাৰ কথাকে ভাবি কটাইছো
ক'ত উজাগৰি নিশা,
খুজিছোঁ তোমাৰ পৰা অলপ
মৰম আৰু ভালপোৱা।

তুমি কিয় নুবুজা মোক
বুকু ফালি দেখুৱাম নেকি তোমাক
তোমালৈ মোৰ কিমান মৰম
মোৰ ভাল পোৱাত নাই কোনো স্বাৰ্থ
মোৰ ভালপোৱাত নাই ঠগ-প্ৰবঞ্চনা
অনুভৱ কৰা ই একেবাৰে নিস্বাৰ্থ।

মই বাৰুকৈয়ে বুজোঁ তুমি মোক
ভালপাওঁ বুলি কেতিয়াও নোকোৱা
মোৰ কোমল অন্তৰখনক বুজিও নুবুজা
কিয় তুমি এনেকুৱা?

ভালপাওঁ বুলি মোক এবাৰ কোৱানা
মোৰ হৃদয়ক এবাৰ সুধি চোৱানা
তোমাৰ প্ৰতি মোৰ অসীম ভালপোৱা
মোৰ প্ৰতি তুমি এবাৰ প্ৰসন্ন হোৱাঁ।

## প্ৰতিশ্ৰুতি

- প্ৰাঞ্জল শইকীয়া
স্নাতক তৃতীয় বৰ্ষ

যন্ত্ৰণাৰ কৃশাণুত
হৃদয়ৰ সংগীতবোৰ
দুৰ্বিসহ হৈ পৰিব
দুদিনীয়া জীৱনৰ উষ্ম আৱেগেৰে
হয়তো সাবটি ল'ব মোক
আস্থাহীন প্ৰতিশ্ৰুতিৰ উন্মাদনাৰে
তেতিয়া হৃদয়ৰ ৰঙা কলিজাই
সপোনৰ ৰামধেনু তুলি তোমাক
ক্ষন্তেকীয়া ভৱিষ্যতৰ এটি
প্ৰতিশ্ৰুতি দিব
তুমি সঁচাকৈ আহিবাঁ দেই
মই ৰৈ থাকিম তোমালৈ।



# পাগল

- ইন্দ্ৰ কুমাৰ ছেত্ৰী
স্নাতক প্ৰথম বৰ্ষ

মই পাগল, মই পাগল
তোমাৰ অপেক্ষাৰ বাটত
কেতিয়াবা একে থৰে চাই থাকোঁ
অসীমলৈ।
কেতিয়াবা নিৰৱতাক উচুপনি নিচুকনি
আৰু সমস্ত হাঁহিৰে ভাঙি পেলাওঁ
শীতল বতাহে যেতিয়া স্পৰ্শ কৰে
তুমি যেন অনুভৱ হয়।
তিক্ত হিয়াৰ বেদনাৰ কুঁৱাত
দুনয়ন জুৰি চকুলো বাগৰি আহে
তোমাৰ প্ৰতিচ্ছবি ভাঁহি ফুৰে।
তোমাৰ অনুপস্থিতিত
নিৰ্জনতাই আগুচি ধৰে
বিৰক্তিয়ে বুকু কঁপাই তোলে।
জনবিহীন ঠাইত ঋষিৰ তপস্যাৰ দৰে
সোণালী সপোন, ভৱিষ্যৰ কল্পনাৰ
ব্যস্ততাৰ মাজত
কেতিয়া তোমাৰ সুৰৰ প্ৰতিধ্বনি
গুঞ্জৰি উঠে মোৰ কাণত।
ক্লান্তময় হৃদয়ৰ বেদনাৰ নৈয়ে
বুৰাই পেলায় মোৰ সমস্ত সত্তাক।
তোমাৰ ব্যৱহাৰৰ কথা মনত পৰিলেই
অস্থিৰ হৈ আশা বিহীন অনুভৱ কৰোঁ
হৃদয়ত জুই জ্বলে, উত্তেজনা বাঢ়ি আহে ....।
দৌৰি ফুৰোঁ আলিৰ কাষে কাষে
অস্থিৰতাই ব্যাকুল কৰি তোলে
হঠাৎ মন পৰিৱৰ্তন ভাগৰুৱা অনুভৱ হয়।
টোপনি য'ত অনুভৱ কৰোঁ
তাতেই সুন্দৰ বিছনাই গঢ়লৈ উঠে
দুখ হৃদয়বিহীন মানৱৰ গচকনিয়ে
মোৰ মধুৰ টোপনি সুন্দৰ সপোন কাঢ়ি নিয়ে
তেতিয়া অনুভৱ কৰোঁ হৃদয়ৰ প্ৰয়োজন
তুমি থকা হ'লে .... তুমি হোৱা হ'লে ....
প্ৰকৃতিত আজি নিৰৱ হৈ উঠিছে
দুৰ্দশাগ্ৰস্ত হৃদয়ক সহায় কৰিবলৈ
পুৱতি নিশাৰ শীতৰ টোপালবোৰ
উত্তপ্ত হৈ পৰিছে মোৰ কাৰণে
শান্তি ভংগ কৰিছে।
তোমাক বিচাৰি ফুৰা বাটত
উজটি খাই পৰোঁ
বহুতৰ লগত মুখামুখি হৈ পৰোঁ
কিন্তু কোনোৱেই তুমি হৈ নাহে
তুমি অহা দিনত মোক
পাগলৰ ব্যৱহাৰ নকৰিবা
মই এজন পাগল।



# পাৰ্থক্য তোমাৰ আৰু মোৰ মাজৰ

- নীতুমণি পুৰি
স্নাতক দ্বিতীয় বৰ্ষ



হে, কংক্ৰিট সভ্যতাৰ বাসিন্দাসকল,
তোমালোকৰ হৃদয়খনো কংক্ৰিটেৰে নিৰ্মিত।
তোমালোকে নুবুজা হিয়াৰ বতৰা
তোমালোকে বুজি পোৱা টকাৰ মহত্ব,
টকাই সন্মান ৰাখে, গৌৰৱ আনে।

কিন্তু, আমাৰ বাবে .....
আমাৰ বাবে এমুঠি ভাত আৰু
লাজ ঢাকিবৰ বাবে কাপোৰ এডোখৰ
এয়াই আমাৰ সন্মান,
এয়াই আমাৰ গৌৰৱ।

কেতিয়াবা আমাৰ লগত নিজকে
এবাৰ ৰিজাই চাবাচোন।
নাই নালাগে; কিয়নো তুমি নোৱাৰা
টকাৰ অবিহনে যে তোমালোক
এখোজো আগবাঢ়িব নোৱাৰা।

তোমাৰ আৰু মোৰ মাজৰ পাৰ্থক্য
মই কওঁ শুনা.....
তুমি থাকা ওখ গগণচুম্বী
কংক্ৰিট ঘৰত, আৰু মই .....
মই থাকোঁ সৰু জুপুৰী ঘৰত।
তোমাৰ দৰে মোৰো ঘৰ আছে
পাৰ্থক্য মাথোঁ ইমানেই
তুমি আকাশ চুব বিচাৰা
আৰু মই আকাশ চাব বিচাৰোঁ
সদায় আকাশৰ তলত থাকি।



সামৰ্থ্য আছে কাপোৰ কিনাৰ
কিন্তু, নিপিন্ধা সম্পূৰ্ণ কাপোৰ
কাৰণ, তোমালোকৰ যে লাজ নাই।
আমাৰ আছে লাজ
টানি-টুনি ঢাকিব বিছাৰোঁ গা
আৰু তোমালোক উদং গাৰে থাকি ভাল পোৱা,
এইয়াই তোমাৰ আৰু মোৰ মাজৰ পাৰ্থক্য।

# নিসংগতাত এজাক বৰষুণ

- নৱনীতা চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ



মোৰ বুকুৰ মাজত সোমাই আছিল,
এজাক সেউজীয়া
জোনবাই দৰে উজ্জ্বল,
শৰৎৰ শেৱালিৰ দৰে সুগোন্ধ
জুনুক জুনুক নূপুৰ বজাই কেতিয়াবা নাচিছিল
খিলখিলাই হাঁহিছিল;
সপোন ৰচিছিল
প্ৰিয়জনৰ হৈ।
হঠাৎ এদিন ধুমুহা আহিল
উৰুৱাই লৈ গ'ল বুকুৰ সেউজীয়াবোৰ।
স্বাৰ্থপৰতাৰ বাবেই সেউজীয়া ৰংবোৰ
আজি নাইকিয়া হ'ল
কিন্তু স্বাৰ্থপৰ নাছিল সেউজীয়াবোৰ
তুমি আমি স্বাৰ্থপৰ আছিলো।
বুকুৰ ভিতৰত পিন্ধিছিলো
সপোনৰ এটা আধাসীয়া চোলা।
সময়ৰ হাতত এৰি দিছিলো নিজকে,
প্ৰতীক্ষা, সেউজীয়াবোৰ ফুল হৈ ফুলা।
অজ্ঞাতে আহিছিলা দুঃসময়ৰ সুৰ
ক'ৰবাত ৰৈ গৈছিল বুজাবুজিৰ ভুল
মিলি গ'ল সেউজীয়াবোৰ দুঃস্বপ্নৰ সতে
এতিয়া এটা স্বপ্নহীন মুকলি বাট।
এতিয়া বুকুৰ মাজত নাবাজে,
নূপুৰৰ জুনুক জুনুক শব্দ।
হাঁহিৰ খিলখিলনি
বুকুত বাজে মাথোঁ নিসংগতাৰ বাঁহী
আৰু এজাক বৰষুণ দুখৰ
যি নিসংগতাত আহি
গোপনে মোৰ সঙ্গ দিয়ে।





# এপাহ সৰি পৰা ফুল

ফুলচন্দ্ৰা গগৈ
স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

আজি friendship day অৰ্থাৎ বন্ধুত্বৰ দিন। সকলোৱে উপহাৰ কিনিছে। সেইবাবে ময়ো কিনিছোঁ। মই ভাবিলো, বন্ধুত্ব কি উপহাৰ পাৰ্টি এইবোৰৰ লগত জড়িত নেকি? যদি কোনোবাই এইবোৰ কৰিব নোৱাৰে, দিব নোৱাৰে সিহঁতৰ বন্ধুত্ব নাথাকে নেকি?

মই ভাবিলো, স্কুলৰ দিনৰ পৰা মই, প্ৰিয়া আৰু সংগীতা একে লগৰ আৰু বহুত ভাল বান্ধৱীও; এজনীয়ে আন এজনীক এৰি সামান্য বস্তু এটাও খোৱা মনত নপৰে। এবাৰ মনত আছে শনিবাৰ এটাত দেউতাই এটা চকলেট আনি দিলে মই ভাবিলো কাইলৈ স্কুলত খাম। পিছদিনা দেওবাৰ তাৰ পাছৰ দিনাও বন্ধ, অসম বন্ধ এনেদৰে কৰি ৭ দিন মান বন্ধ তথাপি চকলেটটো স্কুলৰ বেগত থৈছোঁ। তাহাঁতৰ লগত খাবলৈ বুলি। সদায় এবাৰ চাওঁ আকৌ থৈ দিওঁ। কিন্তু বৰ্তমান ময়ো ব্যস্ত হৈ পৰিছোঁ পৰীক্ষাৰ কাৰণে। গতিকে এজনীয়ে সিজনীৰ খবৰ ল'বৰ সময় নোহোৱা হৈছে। কিমান কথা গোট খাই থাকে, লগ পোৱা নাই ক'বলৈ।

মই মানে মোৰ নাম স্নেহা বৰুৱা, এইবাৰ স্নাতক তৃতীয় বৰ্ষৰ বিজ্ঞান শাখাত। প্ৰিয়াও মোৰ লগতে যদিও তাই কলা বিভাগত আৰু ঘৰৰ ওচৰৰ কলেজখনত। মই আকৌ বৰ্তমান হোষ্টেলত থাকোঁ। সংগীতাৰ বিয়া হৈ গ'ল। আজিও মনত পৰে তিনিওজনী ধৰা-ধৰিকৈ কিমান যে কান্দিলো তাইৰ বিয়াত। পৰীক্ষা, প্ৰেক্টিকেল আদিৰ বাবে মই বৰ্তমান নিজৰ হওক বা আনৰ ব্যক্তিগত কথাবোৰৰ পৰা অলপ আঁতৰত থকাৰ দৰে হৈছে।

হঠাৎ সেইদিনা সংগীতাৰ ফোন আহিল প্ৰিয়াৰ বিয়া বুলি। মই প্ৰথমে বিশ্বাস কৰিব পৰা নাছিলো যদিও সেইটোৱে সত্য। আৰু সত্যক স্বীকাৰ কৰাই মানুহৰ কৰ্তব্য। তথাপিও মোৰ মনটোৱে বাৰে বাৰে থমকিছে, বাৰে বাৰে প্ৰশ্ন কৰিছে কিয়? কিয়? কি হ'ল নিজৰ প্ৰেমক প্ৰিয়াই কিয় ধ্বংস কৰিছে তাকো নিজ হাতেৰে। কিয় তাই পাহৰি গৈছে তাই আন এখন অন্তৰকো ভাঙি পেলাইছে? মাক দেউতাকৰ বাবে নে নিজৰ বাবে ? ডাক্তৰ এজন দৰা হিচাপে পোৱাৰ বাবে সাত-আঠ বছৰৰ প্ৰেম দলিয়াই দিছে! তাকো প্ৰথম প্ৰেম। এই প্ৰেম ভাল পোৱাক লৈ তাই কিমান সজাগ আছিল। এইটো নকৰোঁ নিয়ৰে বেয়া পায়। তাৰ্লৈ নাযাও সি খং কৰিব। এই ৰংটো সি বেয়া পায়। লাগিলে তাইৰ পছন্দ হওক সি যে বেয়া পায়। সি মানে নিয়ৰ। প্ৰিয়াৰ নিয়ৰ। প্ৰিয়াৰ পিছত নিয়ৰ নামটো ক'লে সম্পূৰ্ণ হোৱা লাগে। প্ৰিয়াৰ নিয়ৰ। সেইবাবে মোৰ মনটোৱে এবাৰলৈ থমকি ৰ'ল। প্ৰিয়াইও এবাৰলৈও কোৱা নাই আৰু নিয়ৰৰ সম্বন্ধে কথা সুধিলে কয়,' ভালেই'। সি ঘৰতে আছে। দেখিছিলো। নে মাক-দেউতাকৰ কাৰণে ........ প্ৰিয়াইতো মাক-দেউতাকক কৈছিলে তাৰ কথা। তথাপিও মাক আৰু দেউতাকে নিজৰ জোঁৱায়েকৰ এটা নাম থকা বিচাৰে। তাতে নিয়ৰ এটা বেকাৰ ল'ৰা, ক'ত দিব। তথাপিও প্ৰিয়াই কৈছিল তাক সময় দিবলৈ। মনতে ভাবিলো, এইবোৰ কথা ভাবি থাকিলে মোৰ পঢ়া-শুনা বাদ পৰিব। প্ৰিয়াই যেতিয়া কোৱা নাই, মই কিয় সুধিম? এইবোৰ চিন্তা বাদ দি আকৌ পঢ়াত লাগিলো। তেনেতে দুৱাৰত কোনোবাই নক্ কৰিলে। হোষ্টেলত ছোৱালীও বেছি নাই। পঢ়া টেবুলৰ পৰা উঠি আহি দুৱাৰখন খুলি দেখোঁ আমাৰ বান্ধনীজনী, মিনা বাই। কি হ'ল? বুলি সোধাত হাতৰ চিঠিখন মোৰ ফালে আগবঢ়াই দি ক'লে - বাইদেউৱে দিছে। অৰ্থাৎ হোষ্টেলৰ আন্টিয়ে দিছে।

মই ভাবিছোঁ, কোনে দিলে। ব্যক্তিগত হিচাপে আজি পাচ বছৰে কোনেও দিয়া নাই, এইখন আকৌ কোনে দিছে?

চিঠি ঘূৰাই পকাই চাই দেখো পাছৰ ফালেও নাম নাই ধৰিবও পৰা নাই। কোনবা প্ৰাণী? নে প্ৰেম পত্ৰ? এই বয়সত আকৌ কিহৰ প্ৰেম পত্ৰ? যদি প্ৰেম পত্ৰ হয় তাক মই চিধা ক'ব লাগিব, যদি তুমি ফাগুণৰ ১৪ তাৰিখে বিয়া পাতা তেতিয়া হ'লে ল'ম নহলে নলওঁ। ধেমালি কৰিবলৈ আহিছ, চিনি পোৱা নাই? আকৌ মনতে ভাবিছোঁ, যদি ল'ৰাটো কলা বা বেয়া হয় সেই ফাগুণৰ ১৪ তাৰিখ কেতিয়াও নাহে। লাগিলে ফাগুনেই নাহে! নে লগৰ কেইটাই আজি friendship day বুলি। কি ঠিকনা মিলনৰ কাম হ'ব পাৰে। এই দুই নম্বৰ কামত সি একেবাৰে পাকৈত। লগতে থাকিব জিতু, ঋতুহঁত। ৰ দিম নহয় সিহঁতে চিনি পোৱা নাই মোক। বাৰ বজাই তেৰ বজাই দিম। এপ্ৰিল ফুল কৰিছে নেকি? বুদ্ধ জানুৱাৰীত ক'ব পৰা এপ্ৰিল আহিল।

নিজৰ মনটো স্থিৰ কৰি আউল ভাঙিবৰ বাবে চিঠিখন খোলাৰ দৰকাৰ। ভয় লাগিছে কাৰণ পৰীক্ষাৰ সময়। এবাৰ এজনীৰ এনেকৈয়ে পৰীক্ষাৰ সময়ত চিঠিখন আহিল আৰু সাতখন লিখি সাতজনলৈ পঠাব লগা হ'ল। হে প্ৰভু বিপদৰ সময়ত ৰক্ষা কৰিবা হে গণেশ বাবা তোমাক মই লাডু চৰাম পৰীক্ষাৰ সময়ত বিপদত পেলাই নিদিবা। চকু মুদি পাঁচবাৰ সেৱা কৰি চিঠিখন খুলিলো। এটা চকু মুদি আনটো চকু বাদ দি প্ৰান্তত চকু ফুৰালো। শেষত নামটো দেখি শান্তি লাগিছে যিয়েই হওক সাতখন লিখাত নপৰিলো। চিঠিখনি মেলি ধৰিলো, প্ৰিয়াই বা কি লিখিছে? প্ৰিয়াই মোক এদিনৰ বাবে মাতিছে, যাব লাগিব। তাইক তাইৰ কথা সুধিব লাগিব। প্ৰেমৰ কথা, ভালপোৱা মৰমৰ কথা সুধিব লাগিব। লাগিলে এদিন দুদিন লাগিলে এমাহ এবছৰ তথাপিও জানিব লাগিব তাই কিয় আনৰ লগত বিয়া হোৱাৰ সিদ্ধান্ত ল'লে? নিয়ৰক কিয় প্ৰতাৰণা কৰিলে? তাইৰ পৰা প্ৰত্যেকটোৰ উত্তৰ ল'ম, দিব লাগিব। প্ৰেমৰ মূল্য নাই নেকি? টকা-পইচাৰ মোহত পৰিলে নেকি? এজন ডাক্তৰৰতো বহুত টকা-পইচা! সেই বুলি কি নিয়ৰ ......। ইমান শান্ত নিয়ৰ, তাৰ মুখখন দেখিলে বেয়া লাগিব। সি বাৰু কেনেদৰে সহ্য কৰিছে? চিঠি পোৱা মাত্ৰকে বেগত কাপোৰ ভৰাই ঘৰ পালোগৈ। কিন্তু সেই দিনা আন্ধাৰে আগুৰি ধৰাত পিছৰ দিনা যাবৰ বাবে ঠিক কৰিলো।

পাছৰ দিনা প্ৰিয়াৰ ওচৰলৈ গ'লো। বাটত বহুতো চিন্তাই আগুৰিছে। হঠাৎ লগতে পঢ়া ভৈৰৱক লগ পালো। সি যি খবৰ দিলে নহয়! মনতে ভাবিলো অন্তৰ গঢ়াতো আৰু ভঙাতো ছোৱালী পাকৈত। নিজে ছোৱালী হোৱাৰ বাবে বৰ আঘাত লাগিল। পিছৰ জনমত ল'ৰা হমেই হ'ম বুলি মনতে দৃঢ় সংকল্প ল'লো। গেট খুলি ভিতৰলৈ সোমাই গ'লো। একেবাৰে প্ৰিয়াৰ ৰূম পালোগৈ। তাই T. V. চাই বহি আছে। মোক দেখি হাঁহি এটা মাৰিলে যদিও আগৰ দৰে মৰম লগা নহয়, ৰস নোহোৱা এটা শুকান হাঁহি। মনতে ভাবিলোঁ, অভিনয় কৰিবলৈ আহিছে। মোক তাইৰ ফলীয়া কৰিব বিচাৰিছে। চাওচোন কি হয়?

ঃ প্ৰিয়া! স্নেহাই মাত লগালে।

প্ৰিয়াই তাইৰ ফালে মূৰ তুলি চাই ক'লে -

ঃ আহিলি বহ। মই চাহ কৰোঁ। স্নেহাই ক'লে।

ঃ হ'ব হ'ব চাহ পিছে পৰেও হ'ব। তই প্ৰথমে বহচোন। প্ৰিয়াই ক'লে -

ঃ বহিম আৰু কম বুলিয়েইটো তোক মাতিছোঁ। ৰ' চাহনো কিমান সময় লাগিছে কৰিবৰ বাবে।

তাই মোক বহিবলৈ কৈ উঠি গ'ল। টি. ভিলৈ চকু গ'ল দেখিলো জন আৰু বিপাশাৰ কিবা এটা প্ৰপ্ৰেম দি আছে। খঙেই উঠিল জনৰ লগত বিপাশাক দেখি।

প্ৰিয়া আহিল। চাহ কৰি আনিলে। চাহ খালো। তাৰ পাছত ক'লো -

ঃ কিয় মাতিছিলি?

প্ৰিয়াই ক'লে -

ঃ কম; কবৰ বাবেইটো তোক পঢ়া-শুনা ক্ষতি কৰি মাতি আনিছোঁ।

তাই ধীৰ-স্থিৰভাৱে ক'ব ধৰিলে তাইৰ অন্তৰত থকা একো একোটা দুখৰ কলি যি দুখৰ সীমা নাই, অন্ত নাই।

ঃ স্নেহা, তইতো জানই মোৰ প্ৰিয় বান্ধৱী মোৰ মনত থুপ খাই থকা কথাবোৰ তোকেই যদি নকওঁ, কাক কম? আৰম্ভ কৰিলে সেই সপোন সপোন লগা বাস্তৱৰ সেই কঠিন ভাষাবোৰ, কথাবোৰ। মিঠা মিঠা লগা সেই কল্পনাবোৰ কেনেকৈ তাই দলিয়াই আনৰ হ'বলৈ গৈছে।



প্ৰিয়াই কৈ গ'ল -

ঃ তই ঠিকেই কৈছিলি ল'ৰাবোৰক বিশ্বাস নকৰিবি বুলি। সিহঁতৰ চলাহী কথাবোৰ আমাৰ মনত বৰ বেয়াকৈ সোমাই যায়। ভাবিবই নোৱাৰোঁ সেইবোৰ অসত্য বুলি।

'নিয়ৰ' মোৰ জীৱনৰ সপোন কোঁৱৰ। কল্পনাত তাকে দেখোঁ। ভাল পাইছিলো হিয়া উজাৰি। প্ৰেম কৰিছিলো। মৰম দিছিলো। অন্তৰত থকা সকলো মৰম তাকেই দিলো স্নেহা আৰু এজনক দিবলৈ মোৰ একো নাই। মই জানো মই বিয়াত মত দিয়াৰ বাবে তোৰ খং উঠিছে, তই বেয়া পাইছ, তই নকলেও সেই কথা মই বুজি পাইছোঁ, তোৰ মুখত ফুটি উঠিছে। তোৰ চকুত হতাশাৰ প্ৰশ্ন। নুসুধিবি কিয়? তোৰ অধিকাৰ আছে।

মনত থবি স্নেহা মানুহে প্ৰথম প্ৰেম কেতিয়াও নাপাহৰে। প্ৰেমে মানুহক সম্পূৰ্ণ কৰি তোলে। পৃথিৱীত বহুত মহান ব্যক্তি যি প্ৰেমত পৰিছিল। সিহঁতৰ তুলনাত আমি অতি নগণ্য তথাপিও মই ভাবো, মোৰ প্ৰেম মহান; কাৰো লগত তুলনা নকৰোঁ মোৰ প্ৰেমৰ।

আমাৰ মাজত থকা ভাল পোৱাই আঠ-ন বছৰ অতিক্ৰম কৰিলে। আমাৰ প্ৰেমেই আমাৰ পৰিচয়। নিয়ৰ জীৱনৰ এটা চিৰসত্য মোৰ শৰীৰত থকা অংগবোৰ যেনেদৰে এটা নহলে শোভা নিদিয়ে ঠিক সেইদৰে মোৰ লগত নিয়ৰ নামৰ মানুহটো নাথাকিলে ভাল নালাগে। তই ছাগে ভাবিছ মই তাক প্ৰতাৰণা কৰি বিশ্বাসঘাতকতা কৰি আনৰ লগত বিয়াত বহিবলৈ লৈছোঁ বুলি তইয়ে নহয় বহুতে ভাবিছে তোৰ দৰে। কিন্তু কিয় কৰিছোঁ কোনোৱে নাজানে, তোকেই ক'ম বুলি সিদ্ধান্ত লৈছোঁ মোৰ জীৱনৰ আটাইতকৈ দুখ লগা অধ্যায়টো অকণমান হ'লেও মই শান্তি পাম। মোৰ অন্তৰখনে কেতিয়াও মানি ল'ব নোৱৰা এটা চিৰ সত্য ঘটনা - তোৰ মনত আছে মোৰ মেজৰ মেট শেফালীৰ কথা। তাই আৰু মই বৰ মিল আছিলো। তহঁত দুয়োজনী ওচৰত নথকাত তাইকে নিজৰ কথাবোৰত সুমাই ল'ব ধৰিলো। নিয়ৰ আৰু মোৰ মাজৰ কথাবোৰৰ অংশীদাৰ কৰি ল'লো। তেনেকৈয়ে দিন চলি আছিল। তইতো জান ঘৰৰ মানুহৰ মোৰ ওপৰত চোকা দৃষ্টি; সেই বাবে মই নিয়ৰক লগ ধৰিবলৈ গ'লে তাইক লৈ যাওঁ। তেতিয়া কোনেও সন্দেহ নকৰে। তায়ো সহায় কৰে। ময়ো তাইক সহায় কৰোঁ তাইৰ boy friend ক লগ কৰোঁতে।

এনেকৈ দিনবোৰ গৈ আছিল। তেনেদৰে থাকোঁতে শেফালী আৰু নিয়ৰ বহুত ওচৰ চাপি গ'ল মই গমেই নাপালো। মই মাত্ৰ ভাবিলো, সিহঁতৰ ছাগে ভালদৰে বন্ধুত্ব হৈছে। নিয়ৰে মোতকৈ বেছি তাইক গুৰুত্ব দিয়া হ'ল। তাইৰ লগত কথা পাতি ভাল পোৱা হ'ল। তাইলৈ ফোন কৰি ঘন্টা ঘন্টা কথা পতা হ'ল। মই কিবা এটা ক'লে মিছা কথা কিছুমান কোৱা হ'ল। মোক লগ নকৰা হ'ল, মা আৰু দেউতাৰ অজুহাত দেখুওৱা হ'ল। তাইৰ লগত পাৰ্কত বহা, চিনেমা চোৱা, ৰেষ্টুৰেন্টত বহা, দৈনন্দিন কাৰ্যত পৰিণত হ'ল। প্ৰথম দিনা ভন্টিয়ে, তাৰ পিছত সকলোৱে ক'ব ধৰিলে। মইতো মানুহ। কিমান সহ্য কৰিব পাৰোঁ, সহ্য কৰাৰ এটা সীমা থাকে। তাক সুধিম বুলিলেও সি লগ নধৰা হ'ল।

মইয়ো লাজ পোৱা হ'লো বাৰে বাৰে তাক লগ কৰি কথা ক'বলৈ। মই কি কৰোঁ ক। তথাপিও মনটো ডাঠ কৰি থাকিলো সি এদিন ঘূৰি আহিব বুলি। কিন্তু নাহিল জান নাহিল। সি গুচি গ'ল একেবাৰে এদিন কি হ'ল জান -

মই আৰু ভন্টি দোকানৰ পৰা আহি আছোঁ। তাকতো সম্পূৰ্ণ পাহৰিব পৰা নাই। সেয়েহে অলপ আঁতৰত তাক দেখি মাতো বুলি লওঁতে সি মুখ ঘূৰাই দিলে যেন সি মোক চিনি নাপায়। তথাপিও মই দৃঢ় সংকল্প লৈছোঁ যে মই মোৰ অন্তৰৰ ধুমুহা কাকো নেদেখুৱাওঁ। কাৰো ওচৰত সৰু নহওঁ।

এদিন হঠাৎ ভৈৰৱ আহিল মোৰ ওচৰলৈ সি মোক ক'লে - প্ৰিয়া তই নিয়ৰক বাদ দে পাহৰি যা। তোৰ বিষয়ে সি বহুত বেয়াকৈ কৈছে। সি কৈছে তই বোলে তাৰ পিছা এৰা নাই। সি তোক ভাল নাপায়। সি বেলেগক ভাল পায়। তই তাক জোৰ দি আছ। সেয়েহে তোক দেখিলে সি পলাই ফুৰে। তই বহুত ভাল প্ৰিয়া তোক কোনোবাই বেয়াকৈ ক'লে আমাৰ বেয়া লাগে।

তাৰ পিছৰ তেনেদৰে দিনবোৰ গৈ আছে। হঠাৎ শেফালী বিয়া হ'ল নিজৰ boy friend ৰ লগত। মই ভাবিছোঁ, কিয় বা নিয়ৰক এৰি বেলেগৰ লগত বিয়া হ'ল? নিয়ৰে দুখ পাইছে বুলি অনুভৱ কৰি দুখ পালো। সি মোক ভাল পায় নাপায় নালাগে, মই যে তাক ভালপাওঁ, গতিকে সি দুখ পোৱাটো মই সহ্য কৰিব পৰা নাই। তথাপিও সি যদি মোৰ ওচৰলৈ ঘূৰি আহে তাক আকোৱালি ল'ম বুলি ভাবিলো। সকলো পাহৰি যাম। তাক মই বৰ ভাল পাওঁ যে, সেইবাবে। কিন্তু কি হ'ল জান - সি বোলে অন্য এজনী

ছোৱালী ভাল পায়। শেফালীৰ বিয়া দুবছৰ আৰু তাৰ প্ৰেম এবছৰ। কেনেকুৱা সংযোগ চা। এতিয়া সেই বাবে সকলো বাদ দিলো। ঘৰৰ কথাতে মতামত দিছোঁ।

বহুত দেৰি উশাহ নোলোৱাকৈ থকাৰ দৰে তাই দীঘল দীঘলকৈ দুবাৰমান উশাহ ল'লে। তাৰ পিছত মোৰ চকুলৈ চাই ফেঁকুৰি উঠিল। কন্দাৰ মাজে মাজে হঁহাৰ দৰে কৰি ক'লে, জান স্নেহা, নিয়ৰৰ বাবে ঘৰৰ মানুহৰ লগত তৰ্ক কৰোঁ। তাৰ এদিন খবৰ নাপালে পগলাৰ দৰে যাকে তাকে সুধোঁ। সি মোক বিশ্বাসঘাতকতা কৰিলে। জান স্নেহা আটাইতকৈ ডাঙৰ কথা তাক যে এতিয়াও মই কিয় বেয়াকৈ ক'ব পৰা নাই? এটা গালি দিব পৰা নাই? মোৰ নিজকে সৰি পৰা ফুলৰ দৰে লাগিছে কিয় জান গছৰ ওপৰত চাগে তাৰ স্থান নাই সেই বাবে সি তললৈ সৰি পৰিল। সৰি পৰা ফুলৰ মূল্য কি স্নেহা?

এইবাৰ মই চিঞৰি উঠিলো - "মনে মনে থাক। তই জানো সৰি পৰা ফুল ? তই এপাহ সজীৱ ফুল। নিয়ৰে কি বুজিব প্ৰেমক। নিয়ৰে নিজৰ প্ৰেমৰ বিষয়ে নাজানে তোৰ বিষয়ে কি জানিব? তই কি এটা ল'ৰাৰ বাবে সকলো সমন্ধৰ কথা পাহৰি যাবি? তই যে কাৰোবাৰ মৰমৰ জীয়েক, কাৰোবাৰ বায়েক আৰু কাৰোবাৰ আটাইতকৈ মৰমৰ বান্ধৱী। এই সমন্ধবোৰৰ আগত নিয়ৰৰ সমন্ধ একেবাৰে মূল্যহীন। তোক মই তাক পাহৰিবলৈ নকওঁ, কিন্তু তই তাক দেখুৱাইহে তাৰ অবিহনে তোৰ জীৱনৰ মূল্য তাক বুজাইদে যে তাৰ প্ৰেম তোৰ ওচৰত কিমান সৰু। প্ৰেমে সৃষ্টি কৰে, প্ৰিয়া ধ্বংস নকৰে। আৰু শুন তই মনতে দুঃসংকল্প ল'বি যাতে তাৰ ওচৰত কেতিয়াও পৰাজয় নহৱ। মই তই লোৱা সিদ্ধান্তৰ বাবে বৰ সুখী হৈছোঁ। তই বিয়াত সন্মত হৈ জীৱনৰ আটাইতকৈ শুদ্ধ সিদ্ধান্ত লৈছ। তই যেতিয়া বিয়া হৈ আন এখন ঘৰলৈ যাবি তেতিয়া তোৰ মনত সোমাই থকা নিয়ৰৰ অস্তিত্ব হেৰাই যাব। তই সৰি পৰা নহয় এপাহ নতুকৈ পাহি মেলা ফুল।" স্নেহাই প্ৰিয়াৰ চকু পানী মচি দি আকোৱালি ল'লে। মনতে ভগবানলৈ ধন্যবাদ দিলে তাই ল'ৰা নোহোৱাৰ বাবে। স্নেহাৰ মুখত হঁহিৰ ৰেখা বিয়পি পৰিল .........। ●



- উপন্যাসেই হ'ল সকলোবোৰ সাহিত্যৰ ভিতৰত সৰ্বাধিক শিথিলতম বিধি-নিয়ন্ত্ৰিত। যাৰে লেখাৰ জোখাৰে কাগজ, কিছু পৰিমাণে অৱসৰ আৰু ধৈৰ্য আছে সেয়ে উপন্যাস লিখিব পাৰে।

  - ডব্লিউ এইচ হাডছন

- আত্মবিশ্বাসেই সাফল্যৰ প্ৰথম খট্খটী। এই আত্মবিশ্বাসেই সাফল্যৰ পোন বাট মানুহৰ আগত মুক্ত কৰি দিয়ে।

  - ৰাল্ফ ৱাল্ডো এমাৰছন



# বৈ বৈ বিনালে কলিজাৰ গান

নীৰজ সোনোৱাল
স্নাতক দ্বিতীয় বৰ্ষ
(অসমীয়া বিভাগ)

**ঃ প্ৰথম অংক ঃ**

অৱশেষত .......! অৱশেষত সি হাৰিল। বিশটা বসন্ত গৰকা নিয়ৰ এজন নিৰ্বোধ শিশুৰ দৰে উচুপি পৰিল। বৰ্তমান প্ৰহৰ তাৰ বাবে দুঃসময়, প্ৰতিটো পল নিষ্ঠুৰভাৱে অতিক্ৰম কৰিছে তাৰ বিবেকে। চলমান ধামখুমীয়াত সি যেন ৰবট্, আৱেগ থকা ৰবট্। দুচকুত লুণীয়া ভৰ। সৰু ঘটনা; কিন্তু .......! ডাঙৰ আঘাত। সৰু কথা; কিন্তু .......! ক'ব নোৱৰা বোবা বেদনা। ধীৰাজ, আলতাফ, বিদ্যুৎ, চেতিয়াৰ মগজু কাম নকৰা হৈ গ'ল, কাৰণ নিয়ৰে কান্দিছে। আত্মবিশ্বাসী নিয়ৰে নিৰ্বোধ শিশুৰ দৰে আচৰণ কৰিছে। সি কৰিড'ৰৰ এচুকত শিল হৈ বৈ আছে। ওঁঠ দুটা কঁপিছে। কিবা ক'ব খুজিছে ....... কিন্তু নোলায়। শব্দৰ অভাৱ সাংঘাতিক ধৰণে তাক এইটো ৰূপত চাব নোৱাৰি; এইবাৰ পৰাগ আৰু বিতোপনে সাৱট মাৰি ধৰিলহি। কিমান সময় সিহঁতে তাক এনেদৰে ধৰি থাকিল সি নাজানে। ফতকা আৰু ঢোলৰ মাতত সি বিচৰণ কৰি থকা জগতখনৰ পৰা উলাই আহি চৌদিশ তাৰ অপলক দৃষ্টি বাগৰি গ'ল। তাৰ অন্তৰংগ কেইজনমানৰ বাহিৰে তাৰ কাষত এইখিনি সময়ত কোনো নাই। নাতিদূৰত বন্ধু গকুল (গিৰিণ), এই বছৰৰ জেনেৰেল ছেক্ৰেটৰী, বিপুল ভোটত জয় লাভ কৰিছে সি। তাকে লৈ ব্যস্ত সৰহভাগ ছাত্ৰ, কাষত লক্ষ্য। তাৰ প্ৰতিদ্বন্দ্বী, সফলতাৰ মুকুট তাৰ মূৰত। ভুল বাৰু তাৰ কোনখিনিত .......! (বহুতেই তাক কৈ আহিছে, শুনাই আহিছে - সি হেনো এক বৃহৎ ভুল। কিন্তু ....... প্ৰকৃততে তাৰ লগত হৈছিল কি! এই কথা বাৰু কিমানজনে জানে? কোনো মানুহেই সম্পূৰ্ণ শুদ্ধ নহয়। আনকি সিওটো মানুহেই, ভুল হোৱাটো স্বাভাৱিক। কিন্তু ....... নজনা নুবুজাকৈ বহু অন্তৰঙ্গ বন্ধু-বান্ধৱীয়ে তাক বেইমানী বুলি কৈছে, আনকি অগাধ বিশ্বাস থকা তাৰ ভন্টী কেইজনীৰ পৰাও নাপালে কোনো উৎসাহজনক সহাঁৰি। সেইবাবেই সি কান্দিছে। কলেজ ইলেকচ্‌ন হাৰিছে সঁচা, কিন্তু .......! তাৰ মূৰত যে এক লজ্জাজনক স্বীকৃতি! ইয়াতকৈ পৰম দুৰ্ভাগ্যজনক কি হ'ব পাৰে তাৰ বাবে এই সময়ত)।

বহু সময় সি শূন্য কৰিড'ৰ শূন্য ষ্টপেজবোৰ চাই থাকিল। তাৰ মৰমৰ ডিব্ৰু কলেজ। হালধীয়া বৰণীয়া মুকুতা। চিৰঋণী মাতৃৰ দৰে এই মহাবিদ্যালয় তাৰ বুকুৰ আমঠু। থোৰতে বহু মানুহে এই মহাবিদ্যালয়ৰ ওপৰত মন্তব্য দিয়ে, যিবোৰ মুঠেই উৎসাহজনক নহয়। ভাবি পাৰ নাপায় এই ৰটনা কিয়? আজি চাৰিটা বছৰ সি এই মহাবিদ্যালয়ৰ বুকুত বিচৰণ কৰি ফুৰিছে। মাথোঁ পাঁচ মিনিটৰ মানুহজনতকৈ সি হেজাৰ বাৰ অভিজ্ঞতাত চহকী এই মহাবিদ্যালয়ৰ সম্পৰ্কত। লেতেৰা এখন হৃদয়লৈ এই মহাবিদ্যালয়ৰ ওপৰত মন্তব্য দিয়া ব্যক্তিজনৰ প্ৰতি তাৰ পুতৌ উপজে। প্ৰকৃততে তেওঁ কিমান অন্ধ, প্ৰকৃততে তেওঁ কিমান শুদ্ধ? হয়.......! কিছুমান কাৰ্যত কাৰোবাৰ দুচকুত বেদনাৰ লুণীয়া ভৰে ভিৰ কৰিব পাৰে। তথাপি এই মহাবিদ্যালয়ৰ প্ৰতিটো ভাঁজত লুকাই থাকে অনুৰাগৰ বুলবুলি চৰাই, ওঁঠৰ গোলাপী লুকা-ভাকু, হিৰণময়ী গদ্য, হালধীয়া, নীলা-কা'জলা-কলপতীয়া সজাবা সপোন। বাট বিচাৰি, ঘাট বিচাৰি, জীৱনৰ সংজ্ঞা বিচাৰি কাৰোবাৰ হিয়া থকা-সৰকা হ'ব পাৰে; সেই বুলি এশাৰি সস্তীয়া মন্তব্যৰে কাৰোবাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যোৱাটো উচিত নহয়। যায়ে হওক মায়ালগা ডিব্ৰুয়ানসকলৰ বিবেচনাত নিয়ৰৰ আশা সপোন সকলোৰে অপমৃত্যু ঘটে। কথাটো ভাবিলে ক্ষন্তেক স্তব্ধ হৈ ৰয় তাৰ বুকুৰ ধপ্‌ধপ্‌নি। সঁচাই বৰ আশা কৰিছিল সি নিজৰ ওপৰত,

ডিব্ৰুৱানসকলৰ ওপৰত। আচৰিত ....... ! বিশ্বাসতেও বিশ্বাসৰ লগত খেলা কৰিব পাৰি। পাইকাৰী হাৰত বিক্ৰী কৰিব পাৰি আস্থা। তথাপি, তাৰ মাজতে নিয়ৰে দেখে এক 'স্বপ্ন সাঁকোৰ' সপোন। হৃদয়ৰ পৰা হৃদয়লৈ গতি কৰিবলৈ। এখন সেউজী 'ডিব্ৰুৱান' গঢ়াৰ; য'ত কোনো ছাত্ৰৰ টঙি ঘৰ নাথাকে। য'ত মাথোঁ উত্তাপ থাকিব হৃদয়ৰ। য'ত প্ৰতিটো শব্দত উজ্জ্বলি উঠিব ডিব্ৰুৱানসকলৰ শুভ্ৰ বাসনা, নতুন গঢ়াৰ বাতৰি ....... । এটা সোণালী সপোন, এটা বৰণীয়া হেঁপাহ বুকুত বান্ধি সেইবোৰ সি বহু বাধাৰ মাজেৰে মহাবিদ্যালয়ৰ আলোচনী সম্পাদক পদটোৰ বাবে সাতজন প্ৰতিদ্বন্দ্বীৰ লগত প্ৰতিযোগিতা চলিছিল। সি জনপ্ৰিয়তাৰ শিখৰত থাকিও নাপালে উৎসাহজনক সহাঁৰি। সমগ্ৰ মানৱ সমাজ ৰাজনীতিৰ জোখ-মাখ, সিও বাছি নগ'ল এই জোখ-মাখৰ পৰা। সি সাহিত্যৰ ছাত্ৰ; তথাপি, ৰাজনীতি বেয়া নাপায় সি। আজিৰ মহাবিদ্যালয়বিলাকত যি ৰাজনীতিৰ বীজ ৰোপণ কৰিছে; সি সঁচাই ভয়াবহ। কোনো পথ্যেই আশা কৰিব নোৱাৰি এটি নতুন জোৱাৰ। পাতনিৰ অৱস্থাটোৱে কেণা লগা। অতি দুভাগ্যজনক ....... ! মহাবিদ্যালয়ৰ ৰাজনীতি বোকা ছটিয়া-ছটি দেশ চলোৱা ৰাজনীতিৰ মাজত কোনো পাৰ্থক্য নাই। মুঠৰ ওপৰত ৰাজনীতি ৰাজনীতিয়েই। সাপৰ সৰু-বৰ নথকাৰ দৰে। অৱশেষত, নিয়ৰে ভাবি পেলাইছে; মই ৰাজনীতি কৰিবলৈ যোৱা নাছিলো। মাথোঁ আবদাৰ কৰিছিলো এটি সুযোগ দিয়াৰ। এইখিনিতে মোৰ ভুল হ'ল নে? ঠিক আছে মই এই পদৰ বাবে অনুপযুক্ত ....... অনুপযুক্ত.......'

ঃ দ্বিতীয় অংক ঃ

ঃ আজিৰ পৃথিবীৰ আটাইতকৈ দুৰ্বল মানুহজন ক'ত গায়ব হৈ আছে? ৰাতি এঘাৰ বাজিবৰ হ'ল .......

ঃ ঐ কবি মহাশয়, তই কাব্যিকতা এৰচোন। ভয় হৈছে জান'....... কাহানিও এনে ৰূপত দেখা নাই তাক।

ঃ সাধাৰণ এটা ইলেকচন হে, ইমান ভাগি পৰিছে সি। তাৰটো জীৱনৰ কিমান দুযোৰ্গ পাৰ হৈ গৈছে, কাহানিওটো সি এনেকৈ ভাগি পৰা দেখা নাই? কিন্তু ....... ! আজি .......

ঃ হাৰিব লগা ল'ৰা নহয়ৰে ....... আৰু আশাও কৰিছিল যথেষ্ট।

ঃ এহ বাদ দে চোন! তাক বিচাৰি যাওঁ ব'ল .......

ঃ এৰা ....... ! ব'ল ব'ল .......

এঘন্টামান বিচাৰ-খোচাৰ কৰাৰ পাছত তাক বিচাৰি পাই....... ঐ ঐ সৌটো সৌটো! এক প্ৰকাৰ সিহঁত, নিপন, দিতুল, পাপু, বৰা, ধীৰাজ চিএঞ্চৰীয়ে তাৰ ওচৰলৈ দৌৰ মাৰে।

ঃ ঐ (অশ্লীল)....... চুপ! হাল্লা নকৰ (নিয়ৰৰ কথাকেইটা ঘূৰ খোৱা) নিয়ৰে বিচিত্ৰ ভংগীত তাৰ ওঁঠত চু ....... কৰি আঙুলি দিয়ে। তাৰ কোলাত এটি মেকুৰী পোৱালি।

ঃ মই ইয়াক অথনিৰ পৰা শুৱাবৰ চেষ্টা কৰিছোঁ ....... ই নুশুৱে, আৱে ....... শুৱ ক'ত মই যে ইয়াক ৰামায়ণ পঢ়াইছোঁ। এই নিৰ্বোধ প্ৰাণীটোৱে বুজি পাইছে নে বাৰু মোৰ কথা .......

....... সিহঁত কেইটা নিঃচুপ .......; বুজিবৰ বাকী নাথাকিল নিয়ৰ আজি টপ গিয়েৰত।

ঃ ঐ ......., মই অথনিৰ পৰা খোজটো আগত দিবৰ চেষ্টা কৰিছো কিন্তু দুখোজ পিছলৈ আহে। পৃথিৱীখন কিবা ঘূৰি আছে নেকি অ'? পৃথিৱী ঘূৰা নাই বন্ধু ......; তই হে ঘূৰিছ, ব'ল ব'ল বহু হ'ল তোৰ পাগলামী।

ঃ হেঃ পাগলামী !! নিয়ৰৰ পাগলামী।

....... পলৰীয়া বতাহে অস্থিৰ কৰি পেলায় সেইদিনা পাঁচ বন্ধুক। ক্ৰমশঃ বুকুত বাঢ়ি আহিছিল বিষিণ্ণতাৰ বোজা। বৈ বৈ বিনাইছিল বোবা বেদনা। কলেজ ইলেকচন হবাৰ বাবে নহয়। কেইটামান মুহূৰ্তৰ মূৰতে নিয়ৰে পাহৰি পেলাইছিল সেই বাচ-বিচাৰ। একাদশী সেই নিশা এটা জোন, এখন আকাশ, কেইটামান কবিতা কবিতা লগা মুহূৰ্ত আছিল; নাছিল মাথোঁ বিশ্বস্ত সংগী। সঁচা কথা ...... গীত আছিল, কবিতা আছিল, বুকুৰ উত্তাপ আছিল; মাথোঁ অভাৱ হৈছিল....... 'তুমি' নামৰ গৰাকীজনী।

ঃ তৃতীয় অংক ঃ

জীৱনৰ অভিধান নেমেলাকৈয়ে আৰম্ভ কৰিলো জীৱনৰ। প্ৰেমৰ সংজ্ঞা নজনাকৈয়ে মেলি দিলো আশাৰ পানচৈ। এই দৰেই সংগোপনে লালন কৰিছো অবাঞ্ছিত প্ৰতিফল, দুঃসহ বেদনা। এতিয়া বহু দিনেই হ'ল মই কন্দা নাই অথচ তাৰেই ৰূ-ৰোৱণি, বহু দিন হ'ল মই হাঁহিব পৰা নাই। তাৰমানে মই হেৰুৱাব নোৱাৰিলো তোমাৰ বুকুত! এয়া বিবৰ্ণ মোৰ ৰূমতে মই সমাধিস্থ হৈ আছোঁ। বুকুত তোমাক পোৱাৰ হেঁপাহৰ আদিপাঠ মেলিছোঁ। মৌনতা ....... ভীষণ মৌনতা ....... অথচ তাতো তোমাৰ খোজৰ



শব্দ শুনিছোঁ। এৰা ....... ! পাহৰিয়েই গৈছিলো, মৌনতাৰো যে ভাষা থাকে। মোৰ এটা সপোন আছিল, ঠিক আছিল নহয়! বৰ্তমানেও ই আছে কলিজাৰ বৰঘৰত। তোমাক পোৱাৰ সপোন। সৰু সৰু কথা, সৰু সৰু সপোন তোমাকলৈ। আৰু এতিয়া কি জানা ....... ! ভীষণ দুৰ্লভ। তোমাকলৈ সপোন দেখাও দুৰ্লভ। সেয়ে কিজানি জোনাকৰ মাজতো এন্ধাৰে ভালপোৱা হ'লো, দিয়াচোন বাৰু এনেকৈয়ে কেতিয়াবা থাকি ভাল লাগে। বহু বছৰ হ'ল; কিয় জানো তুমি কপালত হাত বুলাই দিছিলা? কিয় বাৰু কৈছিলা 'জীৱনটোকলৈ নেখেলিবা।' কি ক'ম ....... কি ক'ম মই এতিয়া দেখোন জীৱনটোৰেই মোকলৈ খেলে। কি কৰোঁ ....... ! কোৱাচোন বাৰু তুমি ....... ! কিনো ভুল কৰিছোঁ? মই তোমাক ভাল পাওঁ ভীষণ। আকাশৰ উদাৰতাৰ সমাহাৰে তুমি যে অনন্যা সেইবাবে। কৌতূহলৰ এখন অলিখিত নীলাখামৰ চিঠি তুমি। বিচিত্ৰ তুমি। প্ৰেমৰ ইস্তাহাৰ তুমি। আশাৰ মাণিকী মাধুৰী তুমি। তুমি ধুনীয়া কাৰণে মেঘ, বৰষুণ, ৰামধেনু, জোন-বেলি, নেজাল তৰাবোৰো ধুনীয়া। পথাৰবোৰো ধুনীয়া, জান-জুৰি, পাহাৰী-ঝৰ্ণা সকলোবোৰ ধুনীয়া। ইমানখিনি নান্দনিক সমাহাৰ থকাৰ সত্বেও তুমি মোক চাব নাজানা ধুনীয়াকৈ। ইমান প্ৰেমৰ বুকুতো লুকাই থাকে ঘৃণা। ইমানবোৰ প্ৰতিশ্ৰুতিৰ মাজতো মই তোমাৰ বাবে অবিশ্বাসৰ। কিয় ....... ! কিয় তুমি মোক প্ৰেমিক কৰিব নোৱাৰা। মোৰ কাতৰ উশাহক এবাৰলৈ হ'লেও সুধি চোৱা, প্ৰকৃততে মই কিমান নিঃসংগ। কবিতাৰ জটিলতাৰে নহয় বুজিছা! দুচকুত গুজি লোৱা চোন 'সত্য'ক, মই যে তোমাৰে। নাপাহৰিবা মোক এযাৰী নষ্ট কবিতাৰ দৰে। দুখৰ ৰঙেৰে আৰু কিমান জৰ্জৰিত হ'ম? নহ'লে এটা কাম কৰোঁ দিয়া; মোক মাত্ৰ এদিনৰ বাবে হ'লেও প্ৰেমিক কৰি লোৱা। মই তাতেই সুখী জানা ....... !

অৱশেষত চেতনাৰ দ্যোতনাৰে নামি আহে বাস্তৱ। শেষবাৰৰ বাবে বৰণীয়া কোনভাছত দিলে ৰঙৰ টান নিয়ৰে। ৰঙৰ লগত তাৰ আজিৰ পৰা সম্পৰ্ক বিচ্ছিন্ন। কোন ভাজত স্পৰ্শ কৰোঁ বুলিও বৈ গ'ল তাৰ দুহাত; কাৰণ ৰংবোৰ শুকোৱা নাই। সি ভাবি পেলাইছে এইখন তাৰ জীৱনৰ অন্তিম ছবি আৰু কোনো দিনেই সি হাতত তুলি নলয় তুলিকা। তাৰ সন্মুখত জীৱন্ত 'পাহাৰী'। ৰঙেৰে সজাইছে সি পাহাৰীক মুগাৰ সাজত। কপালত ৰঙা ফুট, ডিঙিত জোনবিৰি ....... আৰু বহুতেই। ছবিখন চাই সি অনুভৱ কৰিছে, তাৰ মূৰৰ চুলিৰ পৰা ভৰিৰ নখৰ কাঠিন্যলৈকে সৰু সৰু তাঁৰ যে অহৰহ কঁপিছে। কিয় ভালপাই সি পাহাৰীক ইমান? শান্তিৰে জীয়াই থাকিব নিদিব ছাগে তাই তাক। দে হওক সি তাৰ হেঁপাহৰ ছবিখন অৱশেষত আঁকিলে। তাৰ এইবাৰ ভোক লগাৰ অনুভৱ হ'ল ....... অ' ....... হয় আক! সিতো অথনিৰ পৰা একো খোৱাই নাই। কিবা এটা খাই লোৱা যাওক। তাৰ পাছত ফ'ন কৰিব লাগিব পাহাৰীলৈ। .......এটা কণী আৰু কেইদুখৰমান আলু ড্ৰাইফ্ৰাই কৰি নাকে মুখে ভাতকেইটা গুজি সি বানিংগেটৰ চিনাকী পি.চি.অ'টোলৈ খোজ দিলে।

ক'ৰপৰা জানো ভাৱনাৰ জিজিয়নি হৈছিল
কথাৰ হেঁচা-ঠেলা
কঁপিছিল ওঁঠযুৰি....... ঢপলিয়াইছিল শব্দবোৰ
এজাক চেঁচা বতাহে কোবাইছিল মোক
অপলক মোৰ উদাস দুচকু দৌৰিছিল আকাশত
জোনটোক তেতিয়া ডাৱৰৰ আঁচলে ঢাকি ৰাখিছিল .......

আৰু বিষণ্ণতাৰ সৰল হাঁহিৰে মই ডায়েল কৰিছিলো দুই তিনি চাৰি দুই পাঁচ ....... বুকুখন ৰূ-ৰুৱাইছিল ক্ষন্তেক পিছতে পাহাৰী ঝৰ্ণাৰ খলকনিত দুলিম।

ঃ Hello !!

ঃ কৈ যা' ....... মই তোৰ পাহাৰী ঝৰ্ণাই .......

ঃ 'বিন চাৱন কে বিনা বৰসাত ন্যোহি হ'তি
সূৰয ডুবা বিনা ৰাত ন্যেহি হ'তি
ক্যা কৰে অৱ কুচ এইছে হালত হ্যে
তুমহাৰে যাদ আয়ে বিনা দিল কি সুৰুৱাদ ন্যোহি হ'তি'

ঃ থ' থ' হে তোৰ কব্যিকতা। তই কিমান মনত পেলাৰ মই জানো নহয়। ক'ত লুকাই আছিলি ইমানদিন?

ঃ এহ ....... কি কম ....... সৰু-সুৰা ব্যস্ততা ......., ভাবিলো তোৰলৈকে ফ'ন এটা কৰোঁ। কি কৰি আছিলি?

ঃ নাই ....... খিৰিকীয়েদি আকাশলৈ চাই আছিলো।

ঃ কোনোবাই আমনি কৰিছিল নেকি?

ঃ তইয়ে প্ৰশ্ন কৰ', আমাৰ এইফালে নাহ নেকি?

ঃ যাম।

ঃ কেতিয়া?

ঃ কোনো নিশ্চয়তা নাই, মুঠৰ ওপৰত যাম।

ঃ ঐ যোৱা নিশা তোক সপোনত দেখিছিলো আৰু তই ফ'ন নকৰাৰ আগমুহূৰ্ত্তত তোৰ কথা মনলৈ আহিছিল।

ঃ এৰা !! মোৰে সৌভাগ্যদে ধুনীয়া ছোৱালীৰ ভাৱনাত জিৰাব পাৰিছোঁ.......

ইচি খুশি মে হৌ যায়ে এক শায়েৰী .......

'হৰ খুশি কো তেৰে তৰফ মোড় দো

তেৰে লিয়ে চান্দ-তাৰে তক ত'ড় দো

খুশিও কে দৰৱাজে তেৰে লিয়ে খ'ল দো

ইতনা কাফি হ্যে য়া দো-চাৰ ঝুঠ আউৰ বোল দো।'

ঃ এই ......আজি মুডত আছ' নেকি অ'!

ঃ এৰা .......! কি কম জীৱনটোৰেই যে নিচা।

ঃ কথা এযাৰ আছিল, আয়তন বাঢ়ি সাংঘাতিক ৰূপ ল'লে।

ঃ কি কথা!!

ঃ তোৰ অনুমতিৰ সপক্ষেই লেখা এটা লিখি পেলালো।

ঃ কেতিয়া পঢ়িবলৈ পাম।

ঃ এই মাহৰ 'তৃষ্ণাতুৰ'ত, কি কম....... দেও লগা কলমৰ দাবী। মোৰ শব্দই যদি তোক চৰমতম আঘাত দিয়ে ক্ষমা কৰি দিবি। আৰু ....... বিশেষ কথাৰ মেল নামাবো ফ'ন থওঁ, পাছত কাহানিবা আকউ ....... বাই!

ঃ বাই!

ঃ যুৰীয়া শালিকীৰ চপল খোজ কলিজাত, নিবিড়তাৰে নিশাটো গভীৰ হৈ পৰিছে....... দুচকুৰ বাদুত নাই টোপনি। নিশ্বাসৰ সঘন শব্দত সযত্নৰ এডৰা কবিতাই ভিৰ কৰিছে। বাহিৰত চিপ্ চিপ্ বৰষুণ।

Don't touch me

My heart is bleeding

The blood might spill into you

(মোক স্পৰ্শ নকৰিবা

বিদীৰ্ণ হৃদয় মোৰ ৰক্তাত

তোমাৰ ভিতৰলৈও বৈ যাব পাৰে

সেই তেজৰ ধাৰ)

নিয়ৰে কবিতা নিলিখে, কিন্তু কবিতাক শ্ৰদ্ধা কৰে। কবিতা যে জীৱনৰে অভিব্যক্তি। সেই বাবে এই কবিতাটো সি তাৰ ডায়েৰিত তুলি থৈছিল। নাজানে ইয়াৰ লেখক কোন। মাত্ৰ ....... কিতাপৰ দোকানী এজনে সি কিনা কিতাপ এখনত মেৰিয়াই দিছিল বাতৰি কাগজৰ এটা ফলা অংশ আৰু তাতেই পাইছিল এই জীৱন্ত অভিব্যক্তি কবিতাটো আসঃ!! ভীষণ অকলষৰীয়া সি। সজোৰে দুচকু মুদি দিলে নিয়ৰ .......

Don't touch me

My soul is decaying

The stink might spill into you

(নুচুবা মোক

মোৰ আত্মাৰ ধ্বংস যজ্ঞ চলি আছে

তোমাৰ উশাহত সোমাই যাব পাৰে

সেই দুৰ্গন্ধ)

ঃ চতুৰ্থ অংক ঃ

ঃ ঐ Notice মাৰিছোঁ তলত, মোৰ আলোচনীত কিবা এটা লিখ।

ঃ শব্দৰ অভাৱ, কি লিখিম? সকলোখিনি এক ঘেমিয়া ....... যদি তোৰ মনঃপুত নহয়।

ঃ থ থ ভাও নবঢ়াবি তই ......, তোৰ লেখা নাথাকিলে আলোচনীখন উকা হৈ ৰ'ব।

ঃ ঠিক আছে দিম বাৰু কিবা এটা।

আলোচনী সম্পাদক লক্ষ্যই আবদাৰ কৰিছে। এক প্ৰকাৰে কথা দি দিলোঁ। এতিয়া যিমান বিপাঙত পৰিছোঁ মইহে জানো! কি লৈ লিখিম, কাকলৈ লিখিম। অসংখ্য ভিৰ মনৰ মাজত। ইখনৰ পিছত সিখন মুখে আমনি কৰিছে। কলম তুলি লৈছোঁ লিখিম বুলি। ফালিছোঁ লিখিছোঁ ফালিছোঁ লিখিছোঁ এক অবিৰত কছৰৎ। ভিৰৰ মাজত সোমাব খোজা নাই মই। ভিৰ ভাল নাপাওঁ আজি-কালি। পাহাৰী ঝৰ্ণাৰ বিষয়ে লিখিম নে, নে শিমলুগুৰিৰ শেষ বৰষুণজাক, নে খৰিকাজাঁই ভালপোৱা ছোৱালীজনীৰ বিষয়ে লিখিম... নে এইবেলি বানে উদং কৰি নিয়া আমাৰ গাঁৱৰ পথাৰবোৰৰ বিষয়ে ... এটা বিধ্বস্ত মন।



ঃ পঞ্চম অংক ঃ

ঃ কিয় ইমান ভাল পাৰ মোক তই?

ঃ নাজানো।

ঃ তোক দুঃখৰ বাহিৰে মই একো দিয়া নাই, কষ্টৰ বাহিৰে তই জানো মোৰ পৰা কিবা পাইছ ... ইমানখিনিৰ পিছতো তই মোক কিয় ভাল পাৱ?

ঃ নাজানো নাজানো...!! মুঠৰ ওপৰত তোক ভাল লাগে, ভাল পাওঁ। নালাগে বাৰু তই মোক প্ৰেমিক কৰিব, নালাগে মনৰ মানুহ কৰিব... কিন্তু ...! তই বাধা দিব নোৱাৰ তোক ভাল নাপাবলৈ।

ঃ নিয়ৰ ...! এয়া কিহৰ পাগলামি!! তই মোক ঘিন কৰিবই লাগিব। জীৱনটো তই লিখা গল্পৰ দৰে নহয় বুজিছ! গল্পৰ দৰে তই নিজক শিল বুলি গঢ়িব নোৱাৰ... তই মানুহ। আন দহ জনৰ দৰে তোৰ আৱেগ অনুভূতি আছে। মোৰ দুৰ্ভাগ্য, মই তোৰ নহ'লো, সেই দৃষ্টিৰে চাবলৈ নিশিকিলো। মোৰ বাবে তই কষ্ট খাইছ বুলি জানিলে দুঃখ লাগে।

ঃ কোনে কৈছে মই কষ্ট খাইছোঁ বুলি?

ঃ নিয়ৰ বতাহৰো কাণ থাকে। মই শুনিবলৈ পাইছোঁ, তই মদ খাৱ, ছবি আঁকিবলৈ এৰিছ', কলেজলৈ নাযাৱ, মেজৰ ক্লাছ নকৰ... এইবোৰ কিহৰ পাগলামি। ভাললগা-ভালপোৱাই সমস্ত নহয় নিয়ৰ। জীৱনত কৰিবলগীয়া আৰু বহুত আছে।

ঃ কাৰ বাবে কৰিম মই!

ঃ ছিঃ নিয়ৰ। তই কিয় পাহৰি গৈছ তোৰ মা-দেউতাৰ বিষয়ে।

ঃ অসম্ভৱ পাহাৰী, মই মা-দেউতাই বেয়া পোৱা কাম কৰাই নাই।'অ'... মই এটাই কাম কৰিলোঁ, তোৰ অজ্ঞাততে মই তোক ভাল পালো আৰু এতিয়া মই ভীষণ অশান্তগ্ৰস্ত তোৰ অবিহনে। তোক নাপালে মই মৰি যাম বুলি নকওঁ ... এয়া একেবাৰে পুৰণি কথা। জীয়াই থাকিবও পাৰিম এটি প্ৰাত্যহিকতাৰে। কিন্তু..., তোৰ অবিহনে মই হেৰুৱাম সম্ভাৱনা, মই নিয়ৰ হৈ নাথাকিম। বাৰু বাদ দিলো এইবোৰ ... ভুল নুবুজিবি, তোক ভালপাওঁ বুলিয়ে এনেকৈ কৈছোঁ। তই তোৰ সপোনৰে সুখী হ। তোক পাবলৈ মই জোৰ প্ৰয়োগ নকৰোঁ দে। আজিৰ পৰা মই ভাবিবলৈ লৈছোঁ, তই সৌ নীল আকাশৰ ৰূপোৱালী জোন, চায়েই মন ভৰে ... আঁজুৰি আনিবৰ প্ৰয়াস নকৰোঁ, কাৰণ ঢুকি পোৱাই টান।

.... ব'ল যথেষ্ট দেৰি হৈছে, মোৰ ভোকো লাগিছে। আজি তই মোক পুলাও বনাই খোৱাম বুলি কৈছিলি নহয়। চাওঁ এইফালে চাওঁ ... (নিয়ৰৰ কথাত ভীষণ আৱেগিক হৈ পৰিছিল পাহাৰী। নিয়মীয়া দুখন নৈ বৈ গৈছিল তাইৰ দুগালেদি ... চকুপানীখিনি মোহাৰি দিয়ে নিয়ৰে) কান্দিলে বেয়া দেখি তোক।

ঘৰমুখী পখী জাকৰ লগতে নিয়ৰ আৰু পাহাৰী খোজ দিলে সন্মুখলৈ। পশ্চিমৰ আকাশত বেলিটোৱে সেন্দুৰীয়াৰ সভা পাতিছিল তেতিয়া। কাৰো নাছিল মুখত শব্দ, অথচ ওঁঠত তাৰেই ৰুৱোৱনি।

ঃ ষষ্ঠ অংক ঃ

যথেষ্ট ব্যস্ততাৰে আজি কলেজৰ সময়কণ কটালো। এইমাত্ৰ ভাতকেইটা খাই আজৰি হৈ বহিছোঁ মোৰ ভাৰাঘৰৰ ৰুমত। বিছনাত অলপ বাগৰি দিয়াৰ কথা ভাবিছিলোঁ, নাই ...! মনত বিতৃষ্ণা জাগিল বিছনাখনৰ প্ৰতি। এনেয়ে অপলক দৃষ্টি খিৰিকীয়েদি বাগৰি গ'ল। নাতি দূৰত থকা চাদত এযোৰ হালধীয়া ৰঙৰ চুৰিদাৰ মেলি থোৱা আছিল ...., হালধীয়া ৰঙৰ চুৰিদাৰ দেখিলেই মোৰ খৰিকাজাঁই ভালপোৱা ছোৱালীজনীৰ কথা মনত পৰে। মোৰ সমস্ত কুণ্ঠিত ডায়েৰি জনা একমাত্ৰ ছোৱালী। আমাৰ চিনাকি আকস্মিক। মোৰ জীৱনৰ এটি মোহাৰিব নোৱৰা চৰিত্ৰ তাই। দুঃস্বপ্নৰ সীমাৰেখাত মোৰ জীৱনৰ আটাইতকৈ সহজ সাঁথৰ যেন ভাবি পেলাওঁ তাইক। কিন্তু ...., কথাবোৰ ইমানতে শেষ হোৱাহেঁতেন ভাল আছিল। বুকুত কংক্ৰিটৰ সপোনঘৰ। ওঁঠৰ আচ্ছদন খুলি তাই শব্দৰে ছবি আঁকে। অসমৰ প্ৰায়বোৰ জনপ্ৰিয় আলোচনীত তাইৰ কবিতা পঢ়িবলৈ পাওঁ। দুই এটা গল্প লিখিবলৈ লৈছিলো তেতিয়া মই। মোৰ গল্প এটাৰ ওপৰত খৰিকাজাঁই ভালপোৱা ছোৱালীজনীয়ে হৃদয়ৰ সূক্ষ্মতম অনুভূতিৰে মনৰ ভাব প্ৰকাশ কৰিছিল। সেয়াই যি আৰম্ভণি, বিশ্বাস আৰু সংশয়ৰ মাজেদি মোৰ বৰ্তমান ঠিকনাৰ একাজলি আশা। প্ৰথমে চিঠিৰে আলাপ, তাৰপাছত ফ'ন আলাপ। বহু চিনাকি হৈও আমি বহু অচিনাকি, কাৰণ আমি সশৰীৰে লগ পোৱা নাই। এই দৰেই দিনবোৰ বাগৰি গ'ল, কথাবোৰ গভীৰ হৈ আহিব ধৰিলে। তাইক সশৰীৰে বিচাৰি যোৱাৰ প্ৰথম পাল পৰিল মোৰ, যিহেতু ল'ৰা। বাৰ-পোন্ধৰ ঘন্টাৰ বাট। কুলি-কেতেকীৰ মাতত গোটেই অসমখন যৌৱনা হৈ আছিল

তেতিয়া। বসন্তৰ এটা দিন বাচি ল'লো মই। তাইৰ ঠিকনা বুকুত সামৰি নৈশ বাছত উঠি তাহাঁতৰ ঠাই পালোগৈ। একেবাৰে অচিনাকী ঠাই, তথাপি অলপো বিপাঙত নপৰাকৈ পুৱাই তাইক চোতাল সাৰি থকা অৱস্থাত আৱিষ্কাৰ কৰিলোঁ। আঙুলি নেদেখুৱাকৈয়ে দুয়ো দুয়োক চিনিপালো, আচলতে এই সম্বন্ধ হৃদয়ৰ সেই বাবেই। ফুটো-নুফুটোকৈ শব্দই ভীষণ ভিৰ কৰিছিল আমাক। গৈছিলোঁ দুটা নিশাৰ বাবে, কিন্তু তাই যোগ কৰি দিলে আৰু আঠটা নিশা। মৰমৰ চহকী তাই। কবিতা লিখে কিন্তু কবিতাৰ দৰে জটিল নহয়। অনুভৱী এটি সহজ সাঁথৰ তাই। মৰম, শ্ৰদ্ধা, বিশ্বাসে তাই মোক এনেধৰণে উমাল কৰি পেলালে যে, তাৰ অনুৰণন আজিও মোৰ আশে-পাশে। তাইৰ অবিহনে আজি-কালি আবেলিবোৰ আবেলি যেন নালাগে। ভীষণ স্মৃতি হৈ তাই আজি-কালি মোক আমনি কৰে। আজি-কালি পদে পদে সংশয় হয়, যদিহে তাই স্মৃতি হৈ যায়। যোৱা এটা সপ্তাহৰ আগতে তাইৰ চিঠি পাইছোঁ, লিখিছে মোলৈ - "চিঠি লিখিবলৈ ভয় লগা হ'ল, চিঠি লিখিলে তই বহু দূৰত থকা যেন লাগে। তইটো মোৰ কাষতে .... কিয় বাৰু তোলৈ চিঠি লিখো মই! এই নীৰ.... তই বাৰু আকউ আহিবিনে? ঐ .... চাচোন খৰিকাজাঁই পুলি দুটা কইছোঁ, তই অহালে চাগে ফুলিব! নীৰ তোক বৰকৈ Miss কৰো অ' ....".

**ঃ সপ্তম অংক ঃ**

'তুমি কাষত নাথাকিলে আবেলিবোৰ আবেলি হৈ নাথাকে লাহে লাহে হেৰুৱাবলৈ আৰম্ভ কৰোঁ এমুঠি ওঁঠৰ পদ্য ....'

.... স্বপ্ন ভংগৰ এক নতুন আখৰা। অপ্ৰিয় হ'লেও সত্য .... তোৰ এটি আকুল আহ্বানত বুকুত আশাৰ সৌধ। তোৰ নামলৈ জীৱনক উপলব্ধি কৰাৰ হাবিয়াস, সপোনক দুই চোৱাৰ অবিৰাম হেঁপাহ .... তাৰ মাজে মাজে সংগোপনে সকলোবোৰত তইয়ে বগাই ফুলিছ।' তোক কাষত পালে স্তব্ধ হয় বাস্তৱ। অলসভাৱে উৰি ফুৰোঁ মনাকাশত আৰু তই ইমান নিষ্ঠুৰ, ভাঙি দিয় মোৰ ঠুনুকা হিয়া ....

ঃ এই .... নিয়ৰদা কিনো এনেকৈ চাই আছে?

ঃ .... আগন্তুকে নেদেখাকৈ অতি সংগোপনে চকুৰ কোণ দুটি মোহাৰি ল'লে সি।

ঃ নাই! এনেয়ে .... পাহাৰীলৈ চাইছোঁ কইনা সাজত তাইক বৰ ধুনীয়া দেখিছে। নহয় নে বাৰু ত'বা (পাহাৰীৰ ভনীয়েক)?

ঃ সঁচাই!! .... কথা এযাৰ কওঁ বেয়া পাব নেকি?

ঃ কিনো কথা? কোৱা ....

ঃ বা'ৰ কাষত থকাজন আপুনি হোৱাহেঁতেন! কিয় আঁজুৰি আনিব নোৱাৰিলে মোৰ বাক আপুনি?

ঃ ধেৎ এইজনী! আজিৰ এনে শুভ দিনত এনে কথা ক'ব নাপায়।

ঃ কিয় ....!! আপুনি বা'ক ভাল নাপায়!

ঃ পাওঁ, ভীষণ।

ঃ ভাল লগা বস্তুক আঁজুৰি অনাটো আজিৰ পৃথিৱীৰ নিয়ম, তেনে ক্ষেত্ৰত আপুনি কিয় ইমান নীৰৱ দৰ্শক?

ঃ তৰা ....!!

Let me be
Festering slowly but surely.
(নিশ্চিত অৱক্ষয়ৰ ফালে মই গৈ আছোঁ
লাহে লাহে মোক গেলি-পচি যাবলৈ দিয়া)
Don't touch me
Let love remain lovely.
(নকৰিবা, স্পৰ্শ নকৰিবা
সুন্দৰ হৈ থাকক এই ভালপোৱা)

**উপসংহাৰ ঃ** মনৰ ডায়েৰিত ভিৰ কৰা বাস্তৱ-অবাস্তৱ কথাবোৰ, স্মৃতিবোৰ মাথোঁ শব্দৰে আবদ্ধ কৰি গৈছোঁ। বৰ কষ্টৰে মই কথাবোৰ লাহে লাহে সহজ কৰি লৈছোঁ। লিখি থাকোঁতেই আৱেগিকতাই কেতিয়াবা আমনি কৰে। কাৰোবাৰ আবদাৰ আছে বাবেই এই লেখা লিখি গৈছোঁ। তেওঁৰ নিৰ্দেষ অনুভূতিক শ্ৰদ্ধা কৰিয়েই এই প্ৰয়াস। কিন্তু মই সাংঘাতিক ধৰণে বিফল হৈছোঁ, জকাটোক তেজ-মঙহ-উশাহৰে গঢ়িব নোৱাৰিলোঁ। সীমাৰেখাত সম্পাদক লক্ষ্যৰ ওপৰতে ভাৰসা কৰিছোঁ।

●●●



## ডিব্ৰু কলেজ ছাত্ৰ একতা সভাৰ (২০০৪-২০০৫ বৰ্ষ) বিষয়ববীয়াসকল


**গকুল হাজৰিকা**
সাধাৰণ সম্পাদক


**দীপজ্যোতি বৰুৱা**
সহকাৰী সাধাৰণ সম্পাদক


**লক্ষ্যদীপ গগৈ**
আলোচনী সম্পাদক


**নবীন দেউৰী**
মুখ্য খেল বিভাগৰ সম্পাদক


**মনোজ হাজৰীকা**
শৰীৰচৰ্চা বিভাগৰ সম্পাদক


**অৰুণজ্যোতি ভৰালী**
সাঃ খেল বিভাগৰ সম্পাদক


**বিদ্যুৎ বিকাশ নেওঁগ**
সমাজ কল্যাণ বিভাগৰ সম্পাদক


**মৃদুল সোনোৱাল**
ছাত্ৰ জিৰণি কোঠা সম্পাদক


**টিংকু সোনোৱাল**
সাংস্কৃতিক সম্পাদক


**ভাৰতী গগৈ**
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা

## ২০০৫ চনৰ শিক্ষাবৰ্ষত সংস্কৃত বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন কাৰ্য্যসূচী

যোৱা ৩/৯/০৫ তাৰিখ শনিবাৰে ডিব্ৰু মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত 'সংস্কৃত দিৱস' পালন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা জ্যোতি বৰগোঁহাইৰ পৌৰহিত্যত অনুষ্ঠিত উক্ত সভাত ড০ দেৱৰঞ্জন ধৰদেৱে বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি সংস্কৃতটো যে এটা ধৰ্মনিৰপেক্ষ ভাষা তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। সভাখনত ডিব্ৰুগড়ৰ আটাইকেইখন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংস্কৃত শিক্ষক সকল আৰু যথেষ্টসংখ্যক সংস্কৃতপ্ৰেমী ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সংস্কৃততে গীত, মাত আদি পৰিৱেশন কৰে। উক্ত অনুষ্ঠানতে বিভাগৰ দ্বাৰা প্ৰদৰ্শিত 'সংস্কৃত সংস্কৃতি' (৩য় সংস্কৰণ) খনো উন্মোচিত কৰা হয়।







যোৱা ১৩ চেপ্তেম্বৰৰ পৰা ২৫চেপ্তেম্বৰলৈকে মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত ১০ দিনীয়া এটি সংস্কৃত সম্ভাষণ শিবিৰ অনুষ্ঠিত হয়। শিবিৰত পাঠদান কৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক শ্ৰীযুত দূৰ্গাপ্ৰসাদ উপাধ্যায়দেৱে।

ইংৰাজী ১৩ অক্টোবৰ তাৰিখে বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষয়িত্ৰী সকলে লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সংস্কৃত ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে এখনি বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত কৰে। উক্ত সভাত ভাষণৰত অৱস্থাত বিভাগীয় মুৰব্বী শ্ৰীযুক্তা মধুমিতা বৰঠাকুৰ প্ৰথম ছবিত আৰু তলৰ ছবিত সভাত উপস্থিত দৰ্শকসকল।





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



বছৰেকীয়া প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ কাৰ্য্যকালত অধ্যক্ষাৰ আসন অলংকৃত কৰি ছাত্ৰ একতা সভাৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউ, শ্ৰীযুত মহেশ জৈন আৰু শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা ছাৰৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা সমূহ কৰ্মচাৰীবৃন্দলৈ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। আৰু যিসকল সন্মানীয় ছাত্ৰ-ছাত্ৰীয়ে ঐতিহ্যমণ্ডিত ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদক পদটিৰ বাবে নিৰ্বাচিত কৰিলে সেই সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভাৰ কাৰ্য্যকাল এটা অতি চমু সময়, যিহেতু এখন ছাত্ৰ একতা সভাই মাত্ৰ এবছৰহে সময় পায়। এখন ছাত্ৰ একতা সভাই সেই শিক্ষানুষ্ঠানটোৰ প্ৰতি, ছাত্ৰ সমাজৰ প্ৰতি, শিক্ষাৰ লগত জড়িত বিভিন্ন দিশ সমূহৰ প্ৰতি ৰাজনৈতিক সাংস্কৃতিক আদি সকলো দিশৰ প্ৰতি কৰিবলগীয়া কৰ্তব্য বহুখিনিয়েই থাকে। কিন্তু এই এবছৰীয়া কাৰ্য্যকালত ইমান বহল পৰিসৰত সকলোখিনি কৰাটো সম্ভৱ নহয়। তথাপিতো যিদিনাই আমি ছাত্ৰ একতা সভাৰ সকলো সদস্যই শপত লৈছিলো আৰু সেই দিনাই দৃঢ় প্ৰতিজ্ঞা কৰিছিলো যে আমি আমাৰ কাৰ্য্যকালৰ সময়ত ব্যক্তিগত স্বাৰ্থতকৈ মহাবিদ্যালয়ৰ স্বাৰ্থক উৰ্দ্ধত ৰাখি নিষ্ঠা আৰু সততাৰে, ধৈৰ্য্য আৰু সাহসেৰে ছাত্ৰ-ছাত্ৰীসকলৰ দীৰ্ঘদিনীয়া বিভিন্ন সমস্যা সমাধান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বিপদে-আপদে সকলো সময়তে আমি সহযোগিতা আগবঢ়াম আৰু মহাবিদ্যালয়খনৰ সামূহিক উন্নতিৰ কাৰণে আমি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা যিমান দূৰ সম্ভৱ সকলোখিনি সহযোগিতা আগবঢ়াম। ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থত আমি আমাৰ প্ৰতিজ্ঞা পূৰণত চেষ্টাৰ ক্ৰটী কৰা নাছিলো। আপোনালোকে সকলোৱেই জানে যে এইখিনি কৰিবলৈ যাওঁতে বহু কষ্ট স্বীকাৰ কৰিবলগীয়া হয় তাৰ উপৰিও বহুক্ষেত্ৰত কাৰোবাৰ কোপদৃষ্টি, সমালোচনা আৰু হাঁহিৰ পাত্ৰও হ'বলগীয়া হয়। তথাপিতো নিজৰ কৰ্তব্য আৰু দায়িত্বক লক্ষ্য হিচাপে লৈ তিতা-মিঠা অভিজ্ঞতাৰ ছাত্ৰ-ছাত্ৰীসকলে যোগ্য বুলি ভাবি সাধাৰণ সম্পাদকৰ পদটিৰ বাবে মোক নিৰ্বাচিত কৰিছিল। কিন্তু মোক এই পদটিৰ প্ৰতি বহু ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ আৰু মৰমৰ সংগ্ৰামী সতীৰ্থৰ উৎসাহ আৰু সহযোগিতা আগবঢ়োৱাৰ ফলতহে মই আগবাঢ়ি আহিবলৈ শক্তি পাইছিলো আৰু সেইসকলৰ আশাক বাস্তৱ ৰূপ দিবলৈ মই মোৰ কৰ্তব্য আৰু দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিবলৈ যৎনপৰোনাষ্টি চেষ্টা কৰিছিলো। মোৰ এই সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ এটি বাৰ্ষিক খতিয়ান আপোনালোকৰ আগত দাঙি ধৰিলো।

১৭-১২-২০০৪ তাৰিখে মহাবিদ্যালয়ত নিৰ্বাচন অনুষ্ঠিত হয় আৰু তাত নিৰ্বাচিত হৈ আমি নতুন ছাত্ৰ-একতা সভাই ৩১-১২-২০০৪ তাৰিখে শপত গ্ৰহণ কৰো।

২ জানুৱাৰীৰ পৰা ৪ জানুৱাৰীলৈকে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ আটাইতকৈ ডাঙৰ আৰু অতি আগ্ৰহৰ অনুষ্ঠান মহাবিদ্যালয় সপ্তাহ অনুষ্ঠানটি বিগত বৰ্ষৰ দৰে এইবাৰো সপ্তাহজোৰা বিস্তৃত কাৰ্য্যসূচীৰে পালন কৰা হয়। জানুৱাৰী ২০০৫ তাৰিখে ৰাতিপুৱা অধ্যক্ষা মহোদয়া

শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ শুভাৰম্ভ কৰে আৰু সেই দিনাৰ পৰাই বিভিন্ন প্ৰতিযোগিতা সমূহৰ আৰম্ভ হয়। প্ৰতিযোগিতা সমূহৰ শেষৰ দিনা জানুৱাৰী ২০০৫ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়াৰ সভানেত্ৰীত্বত বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পীয়ে পৰিৱেশন কৰা গীতত সমূহ ডিব্ৰুয়ান তথা ডিব্ৰু মহাবিদ্যালয়ৰ চৌপাশ আনন্দত মুখৰিত হৈ উঠে আৰু এনেদৰে জাক-জমককৈয়ে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ কাৰ্য্যসূচীৰ সফল সমাপ্তি ঘটে।

১৩ ফেব্ৰুৱাৰী ২০০৫ চন তাৰিখে বিগত বৰ্ষৰ দৰে এই বছৰো আমাৰ কলেজত পৰম্পৰাগতভাৱে দিনজোৰা কাৰ্যসূচীৰে সৰস্বতী পূজা অনুষ্ঠিত কৰা হয়।

১৬ জুলাই ২০০৫ চন তাৰিখে উচ্চ শিক্ষা লাভৰ আশাৰে ডিব্ৰু মহাবিদ্যালয়লৈ ঢাপলি মেলি অহা নৱাগত সকলৰ উদ্দেশ্যে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউৱে আৰু মুখ্য অতিথি ৰূপে আসন গ্ৰহণ কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত কনক সেন ডেকাদেৱে। বিয়লি ৩ বজাৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত পৰিৱেশন কৰা হয়।

কৃতজ্ঞতা ঃ

আমাৰকাৰ্য্যকালত উপদেষ্টাৰ দায়িত্ব বহন কৰি একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদক সকলক সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে, সকলো শিক্ষক উপদেষ্টামণ্ডলীলৈ ছাত্ৰ একতা সভাৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতে সকলো সময়তে বিভিন্ন ধৰণে সহায় কৰাৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰী মহেশ কুমাৰ জৈন আৰু শ্ৰী চন্দ্ৰগুপ্ত বৰা ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো।

আৰু মোৰ কাৰ্য্যকালত বিশেষভাৱে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া আৰু ৰুবুল, আলটাফ, হৰজিৎ, পলাশকে আদি কৰি বিভিন্নজনৰ ওচৰত মই আজীৱন চিৰকৃতজ্ঞ হৈ ৰ'লো।

ভুল-ক্ৰটী, আনন্দ-বিষাদৰ মাজেৰে মোৰ কাৰ্য্যকালৰ সামৰণি মাৰিলো। হয়তো আৰু বহুতো কাম কৰিবলৈ ইচ্ছা আছিল যদিও সময়ৰ অভাৱত কৰিব নোৱাৰিলো। এইখিনি কৰিবলৈ যাওঁতে যদি জ্ঞাতে বা অজ্ঞাতে কাৰোবাৰ ওচৰত জগৰ লগাইছিলো সেইখিনি যাতে আপোনালোকে নিজগুণে ক্ষমা কৰি পুনৰ আপোনালোকৰ মাজত ঠাই দিব। প্ৰতিবেদন লিখোতে যদি ক'ৰবাত বাক্য ব্যৱহাৰৰ উচ্চ-নীচ হৈছে আৰু ভুল-ক্ৰটি বৈ গৈছে সকলোখিনি শুধৰাই পঢ়িব বুলি প্ৰাৰ্থনা জনালো।

সদৌ শেষত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে ডিব্ৰু মহাবিদ্যালয় নামৰ জ্ঞানৰ বন্তি গছি আজীৱন-আমৰণ সকলো দিশৰ পৰা বিভূষিত হৈ বিশ্বৰ শিক্ষা জগতত এক উজ্জ্বল জ্যোতিষ্ক হৈ জিলিকি ৰ'ব।

*জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।*

গকুল হাজৰিকা

*সাধাৰণ সম্পাদক*

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৪-০৫ ডিব্ৰুগড়।



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয়া অধ্যক্ষা মহোদয়া প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ আৰু মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচি মোৰ সহকাৰী সাধাৰণ সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ আগবাঢ়িছো।

২০০৪-০৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভ্যসকললৈ মোক ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি সেৱা আগবঢ়াবলৈ যি সুবিধা দিলে তাৰ বাবে সেই অগ্ৰজ আৰু অনুজসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

দায়িত্বভাৰ গ্ৰহণ কৰিয়েই অতি সোনকালে মহাবিদ্যালয়ৰ সপ্তাহ আয়োজন কৰা হ'ল। মহাবিদ্যালয় সপ্তাহৰ গোটেই অনুষ্ঠানটো অতি মনোৰমভাৱে শান্তিৰে সম্পন্ন হয়।

মহাবিদ্যালয় এখনৰ সৰ্বাঙ্গীন উন্নতিৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰীসকলৰ অফুৰন্ত বৰঙণি কোনো ক্ষেত্ৰত উলাই কৰিব নোৱাৰি। সেয়েহে মহাবিদ্যালয়ৰ সামূহিক পৰিৱেশ আৰু শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলৰ ঐকান্তিক প্ৰচেষ্টা, মিলা-প্ৰীতি, একাগ্ৰতা এই ক্ষেত্ৰত নিতান্তই প্ৰয়োজন। এখন শিক্ষানুষ্ঠানৰ উন্নতিৰ বহুল অংশই নিৰ্ভৰ কৰে এই সকলৰ ওপৰত।

মোৰ কাৰ্যকালৰ সময়ছোৱাত মই হয়তো বহু কামেই কৰিব নোৱাৰিলো। তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। এই কাৰ্যকালৰ সময়ত বিভিন্ন দিশত আৰু সকলো সময়ত মোক সু-দিহাপৰামৰ্শ দি সহায় কৰা মোৰ পূজনীয় শিক্ষাগুৰু শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন ছাৰৰ প্ৰতি মই চিৰকৃতজ্ঞ। তাৰোপৰি সকলো সময়ত সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱলৈ মোৰ হৃদয়ৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ এই কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুলৰ বাবে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু ডিব্ৰু মহাবিদ্যালয়"

"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

*- দীপজ্যোতি বৰুৱা*

সহকাৰী সাধাৰণ সম্পাদক

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৪-০৫ ডিব্ৰুগড়।

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৪-০৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি বিগত বছৰটিৰ প্ৰতিবেদনৰ পাতনি মেলাৰ প্ৰাৰম্ভিকতে মোৰ শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া আৰু তত্ত্বাৱধায়ক মহোদয়কে প্ৰমুখ্য কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্ধলৈ মোৰ ফালৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০০৪-০৫ চনৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাপে মোক ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰীসকল আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱীসকললৈ মোৰ ফালৰ পৰা মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সাংস্কৃতিক সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ পাছত মোৰ কাৰ্য্যকাল আৰম্ভ হয় "মহাবিদ্যালয়ৰ চল্লিশতম বাৰ্ষিক সপ্তাহ"ৰ যোগেদি। এই ৪০তম্ মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ হ'ল - থলিতে লিখা গল্প, কবিতা আবৃতি, কুইজ, আকস্মিক বক্তৃতা, অসমীয়া/ইংৰাজী/বাংলা/হিন্দী/সংস্কৃত এই আটাইকেইটা মাধ্যমতে মই আবৃত্তি প্ৰতিযোগিতা পাতিছিলোঁ। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ সপ্তাহত মি. ডিব্ৰু আৰু মিচ ডিব্ৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰিলো আৰু অনুষ্ঠান কেইটিত সফলো হৈছিল। কিন্তু পৰিতাপৰ বিষয় কেইটিমান প্ৰতিযোগিতাত সীমিত প্ৰতিযোগী থকা বাবে প্ৰতিযোগিতা বাতিল কৰিব লগা হ'ল।

মোৰ কাৰ্য্যকালত প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে সৰস্বতী পূজা আৰু শংকৰদেৱৰ তিথি এইবাৰ ছাত্ৰ-ছাত্ৰীৰ বিপুল সমাৱেশেৰে পৰম্পৰাগতভাৱে আমাৰ মহাবিদ্যালয়ত কেইজনমান বন্ধুৰ সহযোগত অনুষ্ঠিত কৰা হয়।

সাংস্কৃতিক সম্পাদক হিচাপে সকলো কাৰ্য্যৱলী/প্ৰতিযোগিতা নিয়াৰিকৈ কৰি নিয়াত আৰু বিভিন্ন ক্ষেত্ৰত হিতোপদেশ, সু-পৰামৰ্শ দিওঁতা আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ প্ৰবক্তা সৰ্বশ্ৰী ৰঞ্জিত সিংহা আৰু অসমীয়া বিভাগৰ প্ৰবক্তা মৌচুমী দত্ত বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো। আৰু মোৰ কাৰ্য্যকালত আৰম্ভণিৰে পৰা শেষলৈকে সহায়-সহযোগ আগবঢ়োৱা দেৱজিৎ, কিৰণ, অপূৰ্ব, পল, অমৰদ্বীপ, ৰুমি, স্বপ্নালী, ছবেইৰা, ৰঞ্জু(KUMKUM),জোনালী আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জনাইছোঁ।

মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিলোঁ আৰু মাতৃতুল্য ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ ৰঙীন বাটেৰে আগুৱাই যাওক .......... এবুকু সংগ্ৰামী শুভেচ্ছাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

*- টিংকু সোণোৱাল*
সাংস্কৃতিক বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।



# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

**আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম স্থান - হিৰণ্য ৰাভা।
দ্বিতীয় স্থান - নয়নজ্যোতি দত্ত।
তৃতীয় স্থান - ভাস্কৰজ্যোতি গগৈ।

**"মিছ ডিব্ৰু" প্ৰতিযোগিতাৰ ফলাফল ঃ**

"মিছ ডিব্ৰু" - শ্ৰীমতী প্ৰণামী গগৈ।
প্ৰথম ৰাৰ্নাচ আপ - শ্ৰীমতী জুৰি বুঢ়াগোহাঁই।
দ্বিতীয় ৰাৰ্নাচ আপ - শ্ৰীমতী স্বপ্না চেত্ৰী।

**"মিঃ ডিব্ৰু" প্ৰতিযোগিতাৰ ফলাফল ঃ**

"মিঃ ডিব্ৰু" - শ্ৰী অঞ্জন ফুকন।
প্ৰথম ৰাৰ্নাচ আপ - শ্ৰী হৰিজিৎ সিং।
দ্বিতীয় ৰাৰ্নাচ আপ - শ্ৰী ৰূপম চেতিয়া।

**কবিতা লেখা প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম - শ্ৰী ভাস্কৰ জ্যোতি গগৈ
দ্বিতীয় - শ্ৰী গুঞ্জিত গগৈ
তৃতীয় - শ্ৰী লোকেন্দ্ৰজিৎ বৰা।
নিচুঁকনি বটাঁ - শ্ৰীমতী নৱনিতা চেতিয়া।

**ৰচনা লিখা প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম - শ্ৰী ভাস্কৰ জ্যোতি গগৈ।
দ্বিতীয় - শ্ৰী গুঞ্জিত গগৈ।
তৃতীয় - শ্ৰীমতী কংকনা গগৈ।

**অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম - শ্ৰী ভাস্কৰ জ্যোতি গগৈ।
দ্বিতীয় - শ্ৰী সীমান্ত বৰুৱা।
তৃতীয় - শ্ৰী নয়নজ্যোতি দত্ত।
শ্ৰী পুতুল দেউৰী।

**ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম - শ্ৰী দীপামনি গগৈ
দ্বিতীয় - শ্ৰী উৎপল গগৈ
তৃতীয় - শ্ৰীমতী শিৱানী দত্ত

**হিন্দী কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম - শ্ৰী হিমান্ত বৰুৱা।
দ্বিতীয় - শ্ৰী ভাস্কৰজ্যোতি গগৈ।
তৃতীয় - শ্ৰী নয়নজ্যোতি দত্ত।

# সমাজ কল্যাণ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয়া অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়া, সন্মানীয় শিক্ষাগুৰুসকল আৰু সমূহ কৰ্মকতালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো, লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ তথা আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই |২০০৫ চনৰ ডিচেম্বৰ মাহত সমাজ কল্যাণ বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ ৪০তম্ বাৰ্ষিক সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত মই এখনি তোৰণ সাজি উলিয়াইছিলো আৰু নানা সামাজিক কাম কৰিছিলো। তাত মোক বন্ধু-বান্ধৱসকলে সহযোগ কৰিছিল। তেখেত সকলোৰে ওচৰত মই চিৰ কৃতজ্ঞ হৈ থাকিম।

সদৌ শেষত মোৰ কাৰ্য্যকালত যদি অজানিতে কিবা ভুল-ক্ৰুটি বৈ গৈছিল তাৰ বাবে ক্ষমা বিচাৰিছো আৰু মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু ডিব্ৰু মহাবিদ্যালয়"
"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

*- বিদ্যুৎ বিকাশ নেওঁগ*
সমাজ কল্যাণ বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই মোৰ কাৰ্যকালতে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে কিমান নিষ্ঠা সততা তথা যোগ্যতাৰে সেৱা আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

মোৰ কাৰ্যকালত প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছিলো। "মহাবিদ্যালয় সপ্তাহ"ৰ প্ৰতিযোগীতাত মোৰ বিভাগৰ খেল সমূহ সুচাৰুৰূপে পৰিচালনা কৰোঁ। এই খেল সমূহত প্ৰতিযোগীৰ সহাঁৰি অতি উল্লেখনীয় আছিল লগতে অন্যান্য ছাত্ৰ-ছাত্ৰীয়েও মোৰ লগতে প্ৰতিযোগী যথেষ্ট উৎসাহিত কৰিছিল। আশা ৰাখিছোঁ অনাগত দিনবোৰতো ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ প্ৰতিটো পদক্ষেপতে এনে সহাঁৰি জনাই যাব।

মোৰ কাৰ্যসূচীত বিশেষভাৱে সহায় আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী তথা ভণ্টি-ভাইটি সকল বিশেষকৈ আলটাফ, বিপুল, সমৰ, ধ্ৰুৱজ্যোতি, দিব্যজ্যোতি, ৰিনা, ভাগ্যলিপি, তুলমনি, দিপাঙ্কৰ, ৰূপেশ, হেমন্ত দলে, বিপ্লৱ আৰু নাম নজনা বহুতো বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টি তথা মোৰ শিক্ষাগুৰু সকললৈ অন্তঃকৰণে শলাগিছো তেখেত সকলৰ দিহা-পৰামৰ্শৰ বাবে।

শেষত, এবছৰীয়া কাৰ্যকালত বহু পৰিমাণে সফল তথা বিফলও হ'লো। মই ক্ষমা বিচাৰিছোঁ অজানিতে হোৱা ভুল ক্ৰটীৰ বাবে।

"জয় আই অসম"
"জয়তু ডিব্ৰু মহাবিদ্যালয়"
ধন্যবাদেৰে

- শ্ৰীমতী ভাৰতী গগৈ
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

**দবা ঃ**

প্ৰথম - শ্ৰীমতী মঞ্জু দেৱী।
দ্বিতীয় - শ্ৰীমতী মামু বৰুৱা।

**কেৰম (একক) ঃ**

প্ৰথম - শ্ৰীমতী পুষ্পা বড়ো।
দ্বিতীয় - শ্ৰীমতী মামু বৰা।

**কেৰম (দলীয়) ঃ**

প্ৰথম - শ্ৰীমতী শ্বায়না যাচমিন আৰু শ্ৰীমতী প্ৰতিশা দুৰৱা
দ্বিতীয় - শ্ৰীমতী পুষ্পা বড়ো আৰু শ্ৰীমতী জুনো শইকীয়া

**টেবুল টেনিছ (একক) ঃ**

প্ৰথম - শ্ৰীমতী শিৱানী দত্ত
দ্বিতীয় - শ্ৰীমতী বৰ্ণালী চেতিয়া
তৃতীয় - শ্ৰীমতী কংকনা গগৈ আৰু শ্ৰীমতী ভাৰতী গগৈ

**টেবুল টেনিছ (দ্বৈত) ঃ**

প্ৰথম - শ্ৰীমতী জুৰি শইকীয়া আৰু শ্ৰীমতী বৰ্ণালী চেতিয়া।
দ্বিতীয় - শ্ৰীমতী শিৱানী দত্ত আৰু শ্ৰীমতী কংকনা গগৈ
তৃতীয় - শ্ৰীমতী ৰাজনা বসুমতাৰী আৰু শ্ৰীমতী ভাৰতী গগৈ

**বেডমিণ্টন (একক) ঃ**

চেম্পিয়ন - শ্ৰীমতী শিৱানী দত্ত।
ৰানাৰ্চ আপ - শ্ৰীমতী ৰঞ্জিতা গগৈ।

**বেডমিণ্টন (দলীয়) ঃ**

চেম্পিয়ন - শ্ৰীমতী শিৱানী দত্ত আৰু শ্ৰীমতী ৰঞ্জিতা গগৈ।
ৰানাৰ্চ আপ - শ্ৰীমতী বন্দনা আৰু শ্ৰীমতী মামণি।



# সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই ২০০৪-০৫ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ খেল বিভাগৰ সম্পাদক ৰূপে মোক যিসকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোট দি জয় যুক্ত কৰিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০০৪-০৫ বৰ্ষৰ "ছাত্ৰ একতা সভা"খনি ডিচেম্বৰ মাহতে গঠন হৈছিল আৰু মই নিৰ্বাচিত সম্পাদক হিচাপে শপত গ্ৰহণ কৰি নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰিলো। আৰু চাওঁতে চাওঁতে কাৰ্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিছতেই সপ্তাহযোৰা কাৰ্যসূচীৰে "মহাবিদ্যালয়ৰ সপ্তাহ" অনুষ্ঠিত কৰা হয়।

উক্ত কাৰ্যসূচীত মোৰ বিভাগৰ খেলসমূহ মহাবিদ্যালয়ৰ স্থায়ী খেলপথাৰ নাছিল যদিও মই জালান নগৰ চাহ বাগিচাৰ খেল পথাৰত দুদিন ধৰি অনুষ্ঠিত কৰো। মোৰ বিভাগৰ খেলসমূহ ল'ৰা-ছোৱালী উভয় শাখাতে অনুষ্ঠিত হৈছিল। খেলসমূহ আছিল মাৰাথান দৌৰ, দৌৰ - ১০০ মিঃ,২০০ মিঃ, ৪০০ মিঃ, ৮০০ মিঃ, ৪ X ৪০০ মিঃ ৰিলেৰেচ, ডিচকাচ, চটফুট, দীঘল জাম্প, ওখ জাম্প, জেভলিন আদি।

মাৰাথান দৌৰত ল'ৰা প্ৰতিযোগী আছিল, ছোৱালী প্ৰতিযোগী নাছিল। তথাপিও Inter college প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ তাৰে পৰাই নিৰ্বাচন কৰিছিলো। উক্ত প্ৰতিযোগিতাত আমাৰ খেলুৱৈ সফল হ'ব নোৱাৰিলে। ইয়াৰ কাৰণ মই দেখাত কলেজৰ স্থায়ী খেলপথাৰ নোহোৱা আৰু খেলৰ সামগ্ৰী আছে যদিও সকলো নথকা আৰু এইটোও দেখা যায় যে ক্ৰিয়া বিভাগত মহাবিদ্যালয়ৰ গুৰুত্ব একেবাৰে নুন্যতম। মহাবিদ্যালয়ত ক্ৰীড়া বিভাগতকৈ সাংস্কৃতিক দিশতহে গুৰুত্ব দিয়া দেখা যায়।

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক ইয়াৰ দ্বাৰাই মই বিনম্ৰ অনুৰোধ কৰিলো যে মহাবিদ্যালয়ৰ খেল বিভাগৰ এই সমস্যাখিনি দুৰ কৰিলে কলেজখনৰ খেল বিভাগত বহুতেই উন্নতি দেখা যাব।

শেষত এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়াই অহা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু মোৰ শিক্ষাগুৰু সকলৰ ওচৰত চিৰকৃতজ্ঞ। লগতে যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউৱে দায়িত্ব পালন কৰাত বিভিন্ন দিশত সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

উক্ত এবছৰীয়া কাৰ্যকালত মোৰ দায়িত্ব পালন কৰোতে মই কিমান দুৰ সফল হ'লো এই বিচাৰ ডিব্ৰুৱানসকলৰ ওচৰত এৰি দিলো আৰু দায়িত্ব পালন কৰোতে কৰবাত যদি কিবা ভুল হৈছিল তাৰ কাৰণে ক্ষমা কৰে যেন।

*- অৰুণজ্যোতি ভৰালী*
সাঃ খেল বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।

# মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমে যিসকল বীৰ-বীৰাঙ্গণাই বুকুৰ তেজেৰে দেশ মাতৃৰ চৰণ ধুৱাই গ'ল সেই সকল অমৰ শ্বহীদলৈ ভগবানৰ ওচৰত মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয়া অধ্যক্ষা মহোদয়া, সন্মানীয় শিক্ষা গুৰু আৰু লগতে সকলো ডিব্ৰুয়ানসকললৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মুখ্যখেল বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ হকে মই যৎপৰোনাষ্টি চেষ্টা অব্যাহত ৰাখিছিলোঁ আৰু কিছু দিনৰ পিছতে সপ্তাহজোৰা কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হৈছিল। উক্ত কাৰ্য্যসূচীত মোৰ বিভাগৰ খেলসমূহ মই জালান নগৰ চাহ বাগিছা খেল পথাৰত তিনিদিন ধৰি অনুষ্ঠিত কৰিছিলোঁ। মোৰ দায়িত্বত থকা প্ৰতিযোগিতাবোৰ আছিল ভলীবল, ক্ৰিকেট আৰু কাবাদী। কিন্তু মই নতুনকৈ ছোৱালীৰ ক্ৰিকেট প্ৰতিযোগিতা পাতি দিছিলো। তাত ছোৱালীবিলাকে সুন্দৰভাৱে প্ৰদৰ্শন দাঙি ধৰিছিল আৰু অন্য খেলসমূহত সকলো প্ৰতিযোগীয়ে নিজৰ প্ৰদৰ্শন সুন্দৰভাৱে দাঙি ধৰিছিল আৰু সমূহ ডিব্ৰুয়ানে সুন্দৰখেল উপভোগ কৰিবলৈ সুবিধা পাইছিল।

ইয়াৰ কিছুমাহৰ পিছত আন্ত মহাবিদ্যালয় ফুটবল, ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয়। আৰু সেই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলকেইটিয়ে যোগদান কৰে। মই ক'বলৈ পাই দুখিত যে আমি ফুটবল প্ৰথম ৰাউণ্ডত আৰু ক্ৰিকেটত কোৱাটাৰ ফাইনেল ৰাউণ্ডত পৰাজয় স্বীকাৰ কৰিবলগীয়া হয় যদিও আমাৰ দলত অৰ্থাৎ মহাবিদ্যালয়ত বহুতো প্ৰতিভাসম্পন্ন খেলুৱৈ উপস্থিত আছিল। মোৰ ধাৰণা মতে তেওঁলোককো যদি অধিক সহায় সুযোগ আৰু সুবিধা আগবঢ়োৱা হয় তেন্তে তেওঁলোকে নিশ্চয় আমাৰ মহাবিদ্যালয়খনিলৈ সুনাম কঢ়িয়াই অনাত সক্ষম হ'ব। সেইবাবে অধ্যক্ষা মহোদয়াৰ ওচৰত মোৰ এটাই অনুৰোধ যেন আগন্তুক মুখ্য খেল বিভাগৰ সম্পাদক আৰু খেলুৱৈসকলক অধিক সুযোগ আৰু সুবিধা প্ৰদান কৰে যেন।

এইখিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো ক্ষেত্ৰত সহায়-সহযোগ পৰামৰ্শ দি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাৰ্য্য কৰি যাবলৈ উৎসাহ দিয়া শিক্ষাগুৰু শ্ৰীযুত ফণী কুমাৰ চেতিয়া, শ্ৰীযুত প্ৰণৱ জ্যোতি গগৈ ছাৰ আৰু অধ্যক্ষা শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই বাইদেউৰ ওচৰত মই মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত বিভিন্ন কামত সহায়-সহযোগ আগবঢ়োৱা বৃন্দাবন, নিলোতপল, বিজয় আৰু ভাইটি-ভন্টী আদিলৈ মোৰ হিয়াভৰা মৰম থাকিল।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি ডিব্ৰু মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

"জয়তো ডিব্ৰু মহাবিদ্যালয়"

"জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

- নবীন দেউৰী
মুখ্য খেল বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

## ভলীবল প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ



বিজয়ী দ'ল ঃ
শ্ৰী ৰাজেশ কুমাৰ মণ্ডল
শ্ৰী কৃষ্ণ গগৈ
শ্ৰী প্ৰশান্ত শইকীয়া
শ্ৰী সমৰ ব্ৰহ্ম কুকুৰাচোৱা
শ্ৰী সিদ্ধাৰ্থ শংকৰ গগৈ
শ্ৰী মুনিন্দ্ৰ বুঢ়াগোহাঁই
শ্ৰী দিপক চাহা

ৰাৰ্নাচ আপ ঃ
শ্ৰী হৰিপ্ৰসাদ গগৈ
শ্ৰী বিজয় শংকৰ গগৈ
শ্ৰী নিলোৎপল দিহিঙীয়া
শ্ৰী বসন্ত
শ্ৰী কিৰণজিৎ
শ্ৰী ৰূপেশ চেতিয়া

## কাবাডী প্ৰতিযোগিতাৰ ফলাফল (ছোৱালী) ঃ

বিজয়ী দল ঃ
শ্ৰীমতী ৰুমী সোনোৱাল
শ্ৰীমতী ফিৰ্দাসা চুলতান
শ্ৰীমতী পুষ্পা বড়ো
শ্ৰীমতী চুমি গগৈ
শ্ৰীমতী জয়শ্ৰী মেছ
শ্ৰীমতী জুৰি বৰগোহাঁই
শ্ৰীমতী লক্ষীপ্ৰিয়া দাস

ৰানাৰ্চ আপ দল ঃ
শ্ৰীমতী মনিষা শইকীয়া
শ্ৰীমতী বৰ্ণালী চেতিয়া
শ্ৰীমতী কিৰণ বড়া
শ্ৰীমতী খুমখুম গগৈ
শ্ৰীমতী জুনু শইকীয়া
শ্ৰীমতী বিনিতা গগৈ
শ্ৰীমতী দেৱকী থাপা
শ্ৰীমতী মিটুমণি গগৈ
শ্ৰীমতী ৰঞ্জনা বসুমতাৰী
শ্ৰীমতী চনি বেগম

## কাবাডী প্ৰতিযোগিতাৰ ফলাফল (ল'ৰাৰ) ঃ

বিজয়ী দ'ল ঃ
শ্ৰী পংকজ বৰা
শ্ৰী নিপম ফুকন
শ্ৰী প্ৰাঞ্জল গগৈ
শ্ৰী গকুল হাজৰিকা
শ্ৰী নৱজিৎ সিং
শ্ৰী পবিত্ৰ বৰুৱা
শ্ৰী পিংকু বৰা

ৰানাৰ্চ আপ ঃ
শ্ৰী পিংকু গগৈ
শ্ৰী মিণ্টু
শ্ৰী হিৰণ্য
শ্ৰী দিতুল
শ্ৰী প্ৰনৱ মুণ্ডা
শ্ৰী দিপাঙ্কৰ
শ্ৰী হেমন্ত দলে

**ক্ৰিকেট প্ৰতিযোগিতাৰ ফলাফল (ছোৱালীৰ) ঃ**

বিজয়ী দ'ল ঃ

শ্ৰীমতী পুষ্পা বড়ো
শ্ৰীমতী ৰিতুমণি গগৈ
শ্ৰীমতী বৈজন্তী গোহাঁই
শ্ৰীমতী ফিৰদোচাহ চুলতান
শ্ৰীমতী জাহানাৰা বেগম
শ্ৰীমতী ৰুবী শইকীয়া
শ্ৰীমতী দীপ্তি সোণোৱাল
শ্ৰীমতী জয়চফাৰা
শ্ৰীমতী সাবাৰা হুচেইন
শ্ৰীমতী স্বপনালী নেওগ
শ্ৰীমতী মমতা চেত্ৰী



**ক্ৰিকেট প্ৰতিযোগিতাৰ ফলাফল (ল'ৰাৰ) ঃ**

বিজয়ী দ'ল ঃ

শ্ৰী সত্যজিত সন্দিকৈ
শ্ৰী প্ৰাঞ্জল গগৈ
শ্ৰী মাধুৰ্য্য বাগলাৰি
শ্ৰী গকুল হাজৰিকা
শ্ৰী পঙ্কজ বৰা
শ্ৰী নিলোৎপল দিহিঙ্গীয়া
শ্ৰী বিজয় শংকৰ গগৈ
শ্ৰী অংকুৰ ফুকন
শ্ৰী ভাগ্য সোণোৱাল
শ্ৰী মৃদুল সোণোৱাল
শ্ৰী বিকাশ বৰগোহাঁই
শ্ৰী দেৱাশিষ সিং
মঃ আলতাব আলি

ৰানাৰ্চ আপ ঃ

শ্ৰী ৰবি ৰাজাক
শ্ৰী সঞ্জীৱ কুমাৰ দাস
শ্ৰী মেৰাজ আহমেদ
শ্ৰী দুৰ্লভ গগৈ
শ্ৰী বক্তিম বৰা
শ্ৰী মানস প্ৰতিম বাইলুং
শ্ৰী পুলক কুমাৰ ৰাজ
শ্ৰী অনাদেশ কুমাৰ পাছোৱান
শ্ৰী সত্যজিৎ হাজৰিকা
শ্ৰী দৃষ্টি বাগলাৰি
শ্ৰী বিশ্বজিৎ লাহন
শ্ৰী বুধিন্দ্ৰ পেগু
শ্ৰী জয়ন্ত মাধৱ শইকীয়া

**আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ দলটি ঃ**

শ্ৰী অভিজিৎ চৌধুৰী (W.K.)
শ্ৰী ধমেন্দ্ৰ ফুকন
শ্ৰী প্ৰণৱ টায়ে
শ্ৰী ঋতুৰাজ বৰপাত্ৰগোহাঁই (C)
শ্ৰী অনন্ত নয়ন শইকীয়া
শ্ৰী জয়ন্ত নয়ন শইকীয়া
শ্ৰী বিনয় কুমাৰ ৰায়
শ্ৰী নিপন ফুকন
শ্ৰী মুজিবুল হুছেইন
শ্ৰী ৰমণ ৰায়
শ্ৰী মেকলিন গগৈ (V.C.)
শ্ৰী ভুপেন্দ্ৰ সোণোৱাল



## ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া তথা শিক্ষাগুৰু, সমূহ কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সময়ত মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুবিধা প্ৰদান কৰিলে সেই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

বহুতো কল্পনা আৰু প্ৰতিশ্ৰুতি লৈ ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো আৰু মোৰ এই চুটি কাৰ্য্যকালত কিমান সফলতা অৰ্জন কৰিব পাৰিলো সেয়া সমূহ ছাত্ৰ-ছাত্ৰীৰ ওপৰত এৰিলো।

আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে হে অহাৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। মোৰ বিভাগত থকা কেৰম, ডবা, বেডমিন্টন আৰু টেবুল টেনিছ খেলসমূহো উন্নত মানদণ্ডৰ আৰু প্ৰতিদ্বন্দ্বিতামূলক হৈছিল।

সদৌ শেষত এই কাৰ্য্যকালত অজানিতে হোৱা ভুলৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিলো আৰু মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*- মৃদুল সোণোৱাল*
ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সৰ্বপ্ৰথমে যিসকল বীৰপুৰুষে মাতৃৰ তথা দেশৰ সন্মান ৰক্ষা কৰিবলৈ গৈ নিজৰ প্ৰাণ আহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো আৰু তাৰ লগতে যিসকলে দেশৰ গৌৰৱ কঢ়িয়াই আনিলে তেখেতসকললৈও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তাৰোপৰি মোক ২০০৪-০৫ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰচৰ্চা বিভাগৰ সম্পাদক পদলৈ নিৰ্বাচিত কৰিলে তাৰ বাবে সমূহ ডিব্ৰুৱানক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই বিগত বছৰৰ দৰে ইং ৪-১-০৫ তাৰিখলৈ ৪০ তম্ মহাবিদ্যালয় 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' অনুষ্ঠিত কৰা হয়। সপ্তাহৰ ইংৰাজী ৫-১-০৫ আৰু ৭-১-০৫ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে শৰীৰচৰ্চা বিভাগৰ খেলসমূহ অনুষ্ঠিত কৰা হয়। বিভাগৰ প্ৰায় সকলো প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যায়। একমাত্ৰ "Mr. Muscle Man" প্ৰতিযোগিতাখন প্ৰতিযোগীৰ অভাৱৰ বাবে অনুষ্ঠিত কৰিব পৰা নহ'ল। ইয়াতে যিসকল বিচাৰকে তেওঁলোকৰ এটা মূল্যবান দিন খৰচ কৰি প্ৰতিযোগিতাসমূহ সুকলমে পৰিচালনা কৰিলে, তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

সুখৰ বিষয় যে এইবাৰ আন্তঃমহাবিদ্যালয় ভাৰ উত্তোলন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ক্ৰমে শ্ৰী দ্বীপাঙ্কৰ সোণোৱাল আৰু শ্ৰী জয়ন্ত মাধৱ শইকীয়াই তৃতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে। দুয়োলৈকে মোৰ অভিনন্দ থাকিল।

শেষত এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশত সহায় আগবঢ়াই অহা মোৰ শিক্ষাগুৰু অধ্যাপক শ্ৰীযুত কমলেন্দ্ৰ শইকীয়া ছাৰ আৰু শ্ৰীযুত সমীৰ ঝা ছাৰৰ ওচৰত চিৰকৃতজ্ঞ। লগতে যিসকল বন্ধু-বান্ধৱী, ভাইটি-ভন্টীয়ে দায়িত্ব পালন কৰাত বিভিন্ন দিশত সহায় আগবঢ়ালে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

উক্ত এবছৰীয়া কাৰ্যকালত মোৰ দায়িত্ব পালন কৰোতে মই কিমানদূৰ সফল হ'লো এই বিচাৰ ডিব্ৰুৱানসকলৰ ওচৰত এৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

- মনোজ হাজৰীকা
শৰীৰচৰ্চা বিভাগৰ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৪-০৫ ডিব্ৰুগড়।




DIGITECH COMPUTERS

(A Software & Hardware Training Centre)
Opp. Graham Bazar Iddgah Field
A.T. Road Dibrugarh - 786 001
(Assam)
✆ : (0373) 2300737

Career Development & Professional Computer Courses



- Digitech Computers Training Programmes
- Diploma in Computer Application(DCA)
- Diploma in Hardware & Networking
- Diploma in Programing Language
- Diploma in Financial Accounting
- Diploma in D. T. P. (Desk Top Publishing)
- Diploma in Mobile Repairing & Downloading







NETVIEW CYBER CAFE
Opp. Graham Bazar Iddgah Field
A.T. Road Dibrugarh - 786 001
(Assam)

- Facilates you to enjoy Internet Browsing, Surfing, Chatting, E-mailing etc. with full privacy.
- Deals in Computer, Software, Games & Consumables.
- Sales & Service.
- Computer Typing & Printing, Scanning, Screen Printing, Offset Printing, etc. done here.

# OUR EX - EDITORS

| VOL. | EDITORS | YEAR |
|---|---|---|
| I | Ram Chandra Goswami | 1965-66 |
| II | Haren Handique | 1968-69 |
| III | Kiran Saikia | 1969-70 |
| IV | Dibakar Gogoi | 1972-73 |
| V | Kanakeswar Dowarah | 1977-78 |
| VI | Sachi Handique | 1982-83 |
| VII | Devakanta Konwar | 1983-84 |
| VIII | Rabindrajeet Gogoi | 1984-85 |
| IX | Bitul Neog | 1985-86 |
| X | Sukumar Chetia | 1986-87 |
| XI | Miss Gitimallika Gogoi | 1987-88 |
| XII | Profulla Kalita | 1988-89 |
| XIII | Sanjeeb Narayan Chaudang Boruah | 1989-90 |
| XIV | Utpol Sonowal | 1990-91 |
| XV | Chandan Kumar Sonowal | 1991-92 |
| XVI | Nilim Kumar Das | 1993-94 |
| XVII | Amiya Kumar Borah | 1994-95 |
| XVIII | Dipan Handique & | |
| | Rahul Dev Sonowal | 1996-97 |
| XIX | Anupam Saikia | 1997-98 |
| XX | Ananta Khanikar & | 1999-2000 |
| | Prasanta Saikia | 2000-2001 |
| XXI | JituBharali | 2001-2002 |
| XXII | Shanti Chetri | 2002-2003 |
| XXIII | Pankaj Bora | 2003-2004 |





এমুঠি
স্মৃতি
এজাক
স্বপ্ন
জীৱনৰ
বলুকাত












